شاتان تذبحان

## দুটা ছাগলী জবাহ কৰা হ’ব

(ইলহাম হজৰত মছীহ মাওউদ আঃ)

# দুজন শ্বহীদৰ সোঁৱৰণী

লেখক

হজৰত মির্জা গোলাম আহমদ কাদিয়ানী

মছীহ মাওউদ ও মাহদী মাওউদ (আঃ)

# তাজকিৰাতুত শ্বাহাদাতাঈন

## (দুজন শ্বহীদৰ সোঁৰৰণী

লিখক
হজৰত মির্জা গোলাম আহমদ কাদিয়ানী
প্ৰতিশ্ৰুত মছীহ ও মাহদী (আঃ)

নাম কিতাপ : দুজন শ্বহীদৰ সোঁৱৰণী
অনুবাদক : ছফৰ আলী আহমদ শিক্ষক নাৰাৰ ভিটা এম,ই,এম.
মূল কিতাপ : তাজকিৰাতুত শ্বাহাদাতাঈন
লিখক : হজৰত মির্জা গোলাম আহমদ কাদিয়ানী
প্ৰকাশক : নজাৰত নশ্বৰ ও ইশ্বায়ত কাদিয়ান
প্ৰথম প্ৰকাশ : ২০২৪ চন ৩০০ কপি
মূদ্ৰণে : ফজলে উমৰ প্ৰণ্টিং প্ৰেছ কাদিয়ান জিলা গুৰদাছপুৰ, ১৪৩৫১৬ (পঞ্জাৱ)

Name Book : Tadhkiratush Shahadatain (Dujan Shaidar Hoboroni)
Original Book : Tadhkiratush Shahadatain
Translated by : Safar Ali Ahmed Teacher Narar Bhita M,E,M.(Nazim Ansarullah Assam)
Author : Hazrat Mirza Ghulam Ahmad Qadiani
Published by : Nazarat Nashr-O-Ishaat Qadian
First Published: 2024, Copies 300
Printed at : Fazle Umar Printing Press Qadian, Dist, Gurdaspur 143516 (Punjab)

# প্ৰকাশকৰ কথা

হজৰত মছীহ মাউওদ (আঃ)ৰ লিখিত **তাজকিৰাতুত শ্বাহাদাতাঈন** পুস্তকখন অসমীয়ালৈ অনুবাদ কৰিছে মাননীয় ছফৰ আলী আহমদ চাহাব শিক্ষক নাৰাৰ ভিটা এম,ই,এম.(নাজিম আনছাৰুল্লাহ অসম) আৰু শেষৰ আৰবী অংশখিনি অসমীয়ালৈ অনুবাদ কৰিছে মাননীয় মজিবৰ ৰহমান চাহাব মুবাল্লিগ ছিলছিলা (ইনচাৰ্জ অসমীয়া ডেস্কে)। পুস্তকখনৰ ৰিভিউ কৰিছে মাননীয় আব্দুৰ ৰহিম মাষ্টাৰ চাহাব (জিলাই আমীৰ বৰপেটা), মাননীয় নাজিম উদ্দিন মোল্লা চাহাব মুবাল্লিগ ছিলছিলা, মাননীয় আমান আলি চাহাব মুবাল্লিগ ছিলছিলা, মাননীয় মজিবৰ ৰহমান চাহাব মুবাল্লিগ ছিলছিলা (ইনচাৰ্জ অসমীয়া ডেস্ক)। ইয়াৰ ওপৰিও মজিবৰ ৰহমান চাহাব (ইনচাৰ্জ অসমীয়া ডেস্কে কিতাপখন চালি জাৰি চাই অত্যাৰশীয় সংশোধন কৰি কিতাপখন প্ৰস্তুত কৰিছে। আল্লাহ তা'লা তেখেত  সকলক উত্তম পুৰস্কাৰেৰে পুৰস্কৃত কৰক।

**হাফিজ মখদুম শ্বৰিফ**

**নাজিৰ নশ্বৰ ও ইশ্বায়ত কাদিয়ান**



হজৰত মির্জা গোলাম আহমদ কাদিয়ানী (আঃ)
(১৮৩৫-১৯০৮)

# লিখক পৰিচিত

হজৰত মিৰ্জা গোলাম আহমদ কাদিয়ানী মছীহ ও মাহদী মাওউদ (আঃ) ১৮৩৫ চনত ভাৰতবৰ্ষৰ এখন গাওঁ কাদিয়ানত জন্ম গ্ৰহণ কৰে। সৰু কালৰে পৰা তেখেত (আঃ)য়ে উপাসনাত মগ্ন থাকিছে। কোৰাণ মজিদ আৰু অন্যান্য কিতাপসমূহ অধ্যয়ন কৰাত মগ্ন থাকিছে। ইছ্লাম সেই সময়ত চাৰিওফালৰ পৰা আক্ৰমণাত্মাক অৱস্থাত আছিল। ইছলামৰ সেই পৰিস্থিতি চাই তেখেত (আঃ)য়ে বৰ দুঃখ প্ৰকাশ কৰিছিল। ইছলামৰ ওপৰত কৰা আক্ৰমণ দূৰ কৰিবলৈ আৰু ইছ্লামৰ শিক্ষা পৃথিৱীৰ বুকুত বিস্তাৰ কৰিবলৈ তেখেত (আঃ) য়ে ৯০ খনৰো অধিক পুস্তক ৰচনা কৰিছে, আৰু সহস্ৰ চিঠি-পত্ৰিকা লিখিছে,আৰু বহু ধৰ্মীয় যুক্তিসঙ্গত তৰ্ক-বিতৰ্ক কৰিছে। তেখেত (আঃ)য়ে কৈছে যে ইছলাম সেই জীৱিত ধৰ্ম যি মানৱ-জাতিৰ নিজৰ সত্তা স্ৰষ্টাৰ সৈতে সম্পৰ্ক গঢ়ি তুলিব পাৰে,যাৰ অনুসৰণ কৰি মানৱ চৰিত্ৰ আৰু আধ্যাত্মিক মৰ্যাদা উন্নীত কৰিব পাৰে। কম বয়সতে তেখেত (আঃ)য়ে দিব্য দৰ্শন কথোপকথনৰ মৰ্যাদা লাভ কৰিছে। ১৮৮৯ চনত তেখেত (আঃ)য়ে বয়াতৰ ছিলছিলা আৰম্ভ কৰে আৰু এক পৱিত্ৰ জমাতৰ বুনিয়াদ ৰাখে। শৃঙ্খলাবদ্ধতা কথোপকথনত প্ৰত্যেক দিন উন্নতি লাভ কৰিছে,আৰু তেখেত (আঃ)য়ে আল্লাহৰ আদেশানুযায়ী ঘোষণা কৰে যে তেখেত শেষ যুগৰ মুচলেহ (সংস্কাৰক) যাৰ ভৱিষ্যতবাণী বিভিন্ন ধৰ্ম গ্ৰন্থত বিভিন্ন নামেৰে নামাকৰণ আছে। তেখেত (আঃ)য়ে এয়াও দাবী কৰিছে যে তেখেত সেই মছীহ ও মাহদী যাৰ আৱিৰ্ভাৱৰ ভৱিষ্যতবাণী আঁহজৰত (ছাঃ)য়ে কৰি গৈছিল। আহমদীয়া মুছলিম জামাত বৰ্তমান ২০০ ৰো অধিক দেশত বিস্তাৰ লাভ কৰিছে।

১৯০৮ চনত তেখেত (আঃ)ৰ মৃত্যুৰ পিছত কোৰাণ মজিদ আৰু আঁহজৰত (ছাঃ)ৰ ভৱিষ্যতবাণী অনুযায়ী তেখেত (আঃ)ৰ মিচন পৰিপূৰ্ণ হোৱাৰ বাবে খলিফাৰ ব্যৱস্থাপনা প্ৰতিষ্ঠিত হয়। বৰ্তমান বিশ্বৰ ইমাম হজৰত মিৰ্জা মছৰুৰ আহমদ চাহাব আহমদীয়া মুছলিম জামাতৰ পঞ্চম খলিফা হয়।

بِسْمِ اللهِ الرَّحْمٰنِ الرَّحِيْمِ

نَحْمَدُهٗ وَ نُصَلِّیْ عَلٰی رَسُوْلِهِ الْکَرِیْمِ

اَلْحَمْدُ لِلّٰهِ وَسَلَامٌ عَلٰی عِبَادِهِ الَّذِیْنَ اصْطَفٰی

যদিও বৰ্তমান যুগত আকাশৰ তলত সকলো প্ৰকাৰ অত্যাচাৰ হৈ আছে; তথাপি মই এতিয়া এনে এখন অত্যাচৰৰ বৰ্ণনা কৰিম যি হৃদয় বিদাৰক আৰু হৃদয়ক আন্দোলিত লগতে কম্পিত কৰি তুলে। এই ঘটনাৰ ধাৰা-বাহিক বৰ্ণনা দিয়াৰ পূৰ্বে এই কথা বৰ্ণনা কৰা প্ৰয়োজন যে খোদা তা'লা বৰ্তমানৰ অৱস্থা অৱলোকন কৰি আৰু পৃথিৱীৰ সকলো প্ৰকাৰ দুষ্কৰ্ম,পাপাচাৰ আৰু পথভ্ৰষ্টতাত নিপতিত দেখি মোক সত্য প্ৰচাৰ আৰু সংস্কাৰৰ নিমিত্তে মনোনীত কৰিছে। এই যুগৰ মানুহ হিজৰী ১৩০০ শতাব্দী অতিক্ৰম কৰি চতুৰ্দশ শতাব্দীৰ আৰম্ভণীত উপনীত হৈছে। গতিকে মই উক্ত আদেশ অনুসৰি জগতবাসীক লিখিত বিজ্ঞাপন আৰু বক্তৃতাৰ মাধ্যমত এই আহ্বান জনাই থাকিলো যে এই শতাব্দীৰ পুনতে খোদাৰ পৰা ধৰ্ম সংস্কাৰৰ নিমিত্তে যিজন আগমন কৰাৰ কথা আছিল, মইয়েই সেই ব্যক্তি। মই যাতে পৃথিৱীৰ পৰা উঠি যোৱা ঈমান (বিশ্বাস) পুনৰ প্ৰতিষ্ঠা কৰো আৰু খোদাৰ পৰা শক্তি আহৰণ কৰি তাৰ কৃপাত জগতবাসীক পুণ্যকৰ্ম খোদাভীতি (তাকওৱা) আৰু ন্যায়পৰায়ণতাৰ দিশত আকৰ্ষণ কৰো; লগতে সিহঁতৰ আমল আৰু বিশ্বাস সংক্ৰান্তত থকা ভুল ভ্ৰান্তি সমূহ আঁতৰ কৰো।

ইয়াৰ কিছু বছৰ পিছত খোদা তা'লা ওহীৰ মাধ্যমত মোক স্পষ্ট ৰূপে অৱগত কৰিলে যে মই মছীহ যি আদিৰ পৰা এই উম্মতৰ বাবে প্ৰতিশ্ৰুতি আছিল আৰু শেষ মাহদী যি ইছলামৰ পতনৰ আৰু পথভ্ৰষ্টতা বিস্তাৰ লাভ কৰা যুগত পুনেঃপুনেঃ খোদাৰ পৰা হিদায়ৎ প্ৰাপ্ত হ'ব সেই

ঐশ্বৰিক খাদ্য সম্ভাৰ নৰৰূপত মানৱ জাতিৰ ওচৰত উপস্থাপন কৰিব, তেওঁ খোদাৰ বিধান অনুসৰি নিযুক্ত হৈছে। আজিৰ পৰা ১৩০০ বছৰ পূৰ্বে হজৰত ৰছুলে কৰিম (ছাঃ)য়ে যাৰ শুভ সংবাদ দিছিল, সেই ব্যক্তি মইয়েই। এই ক্ষেত্ৰত আল্লাহৰ ওহী আৰু ৰহমান খোদাৰ সম্ভাষণ ইমান সুস্পষ্ট আৰু অজস্ৰ ধাৰাত অৱতীৰ্ণ হৈছে যে ইয়াত কোনো সন্দেহ আৰু সংশয়ৰ অৱকাশ নাই। প্ৰতিটো ঐশ্বৰিক বাণী মোৰ হৃদয়ত লোহ শলাকাৰ নিচিনা প্ৰবিষ্ট হ'ব ধৰিছিল আৰু এইসমূহ কথোপকথন এনে মহান ভৱিষ্যদ্বাণীত পৰিপূৰ্ণ হৈছিল যে দিবালোকৰ নিচিনা পূৰ্ণ হৈছিল। ইয়াৰ ধাৰাবাহিকতা, বিপুলতা আৰু অলৌকিক শক্তি দৰ্শন আদিয়ে মোক স্বীকাৰ কৰিবলৈ বাধ্য কৰিছে যে এইবোৰ এক অদ্বিতীয় খোদাৰ কালাম যাৰ কালাম পৱিত্ৰ কোৰাণ শ্বৰীফ। ইয়াত মই তৌৰাত আৰু ইঞ্জিলৰ নাম লোৱা নাই, কাৰণ তৌৰাত আৰু ইঞ্জিল বিকৃত সৃষ্টিকাৰীৰ হাতত ইমান বিকৃত হৈছে যাক খোদাৰ কালাম বুলি ক'ব নোৱাৰি। মুঠতে খোদাৰ সেই ঐশ্বৰিক বাণী যি মোৰ ওচৰত অৱতীৰ্ণ হৈছে তাৰ মাধ্যমত মই সুনিশ্চিত ভাৱে খোদাক লভিছো। এই ওহী কেৱল ঐশ্বৰিক নিদৰ্শনৰ মাধ্যমত হাক্কুল ইয়াকিন (ব্যক্তিৰ অভিজ্ঞতা লব্ধ নিশ্চিত বিশ্বাস)ৰ মৰ্যাদা লাভ কৰা নাই, বৰং ইয়াৰ প্ৰত্যেক অংশ খোদাৰ কালাম কোৰাণ শ্বৰীফৰ সৈতে তুলনা কৰি সত্য বুলি প্ৰমাণিত হ'ল। ইয়াৰ সত্যতাৰ বাবে ঐশ্বৰিক নিদৰ্শন ধাৰাসাৰ বৰষুণৰ দৰে বৰ্ষিত হৈছে। যেনেকৈ ইমাম মাহদী (আঃ)ৰ যুগত একে ৰমজান মাহত চন্দ্ৰ আৰু সূৰ্য গ্ৰহণ হোৱাৰ উল্লেখ আছে, ঠিক সেই ভাৱে নিৰ্দিষ্ট দিনবোৰত একে ৰমজাম মাহত চন্দ্ৰ আৰু সূৰ্য গ্ৰহণ হৈছে। পৱিত্ৰ কোৰাণ শ্বৰীফ আৰু পূৰ্বৰ নবীসকলৰ সংবাদ অনুসৰি এই সময়ত মহামাৰী ব্যাপক হাৰে দেখা দিব আৰু ইমান বিস্তাৰ লাভ কৰিব যে কোনো গাওঁ, চহৰ, নগৰ আদি ইয়াৰ পৰা নিস্তাৰ নাপাব। বৰ্তমান পঞ্জাৱত প্লেগ নামৰ মহামাৰীৰ প্ৰাদুৰ্ভাৱ সেইদৰে ব্যাপক ভাৱে হৈছে আৰু হৈয়েই আছে। এই প্লেগ দেখা দিয়াৰ ২২ বছৰ পূৰ্বে যেতিয়া ইয়াৰ কোনো নামেই নাছিল। তেতিয়া খোদা

তা'লা মোক এই প্লেগ সম্পৰ্কে সু-সংবাদ প্ৰদান কৰে। ইয়াৰ পাছত এই বিষয়ে মোৰ ওচৰলৈ ধাৰাসাৰ বৰষুণৰ নিচিনা ইলহাম হয়। বিশেষকৈ নিম্ন উল্লেখিত ওহীত খোদা তা'লা মোক এইদৰে সম্বোধন কৰি কয়,

**اتٰی امر الله فلا تستعجلوه بشارة تلقاها النبيون. ان اللّٰه مع الذين اتقوا والذين هم محسنون. انه قوی عزيز. وانه غالب علی امره ولکن اکثرالناس لايعلمون. انما امره اذا اراد شيئًا ان يقول له کن فيکون. اتفرّون منی وانا من المجرمين منتقمون. يقولون ان هذا الا قول البشر و اعانه عليه قوم اٰخرون. جاهل او مجنون. قل ان کنتم تحبون اللّٰه فاتبعونی يحببکم اللّٰه. انا کفيناک المستهزئين. انی مهين من اراد اهانتک. وانی معين من اراد اعانتک. وانی لايخاف لدیّ المرسلون. اذا جاء نصراللّٰه والفتح وتمت کلمة ربک هذا الذی کنتم به تستعجلون. واذا قيل لهم لا تفسدوا فی الارض قالوا انما نحن مصلحون. الا انهم هم المفسدون. وان يتخذونک الاهزوا اهٰذا الذی بعث اللّٰه بل اتيناهم بالحق فهم للحق کارهون. وسيعلم الذين ظلموا ايّ منقلبٍ ينقلبون. سبحانهٗ وتعالٰی عمايصفون. ويقولون لست مرسلا. قل عندی شهادة من اللّٰه فهل انتم تؤمنون. انت وجيهٌ فی حضرتی. اخترتک لنفسی. اذا غضبتَ غضبتُ وکلما احببتَ احببتُ. يحمدک اللّٰه من عرشه. يحمدک اللّٰه ويمشی اليک. انت منی بمنزلة لَا يعلمها الخلق. انت منی بمنزلة توحيدی وتفريدی. انت من ماء نا وهم من فشل. الحمدللّٰه الذی جعلک المسيح ابن مريم. وعلمک مالم تعلم. قالوا انّٰی لک هٰذا قل هو اللّٰه عجيب لارآدّ لفضلهٖ. لايسئل عمايفعل وهم يسئلون. ان ربک فعّال لما يريد خلق اٰدم فاکرمه. اردت ان استخلف فخلقت اٰدم. وقالوا ا تجعل فيها من يفسد فيها قال انی اعلم ما لا تعلمون. يقولون ان هذا الااختلاق. قل الله ثم ذرهم فی خوضهم يلعبون. وبالحق انزلناه وبالحق نزل. ومارسلناک الارحمة للعالمين. يا احمدی انت مرادی ومعی. سرّک سرّی. شانک عجيب واجرک قريب. انی انرتک واخترتک ياتی عليک زمن**

كمثل زمن موسٰی. ولا تخاطبنی فی الّذین ظلموا انهم مغرقون. ویمکرون ویمکراللّٰه واللّٰه خیرالماکرین. انه کریم تمشّی امامک وعادی لک من عادی وسوف یعطیک ربّک فترضٰی. انا نرث الارض ناکلها من اطرافها. لتنذرقومًا ما انذراٰباء هم ولتستبین سبیل المجرمین. قل انی امرت وانا اوّل المومنین. قل یوحٰی الیّ انما اِلٰهکم الٰه واحد. والخیر کله فی القراٰن. لایمسه الا المطهرون. فبايّ حدیث بعده تؤمنون یریدون ان لایتم امرک. واللّٰه یابی الاان یتم امرک. وماکان اللّٰه لیترکک حتّٰی یمیز الخبیث من الطیب. هوالذی ارسل رسوله بالهدیٰ ودین الحق لیظهره علی الدین کله وکان وعداللّٰه مفعولا. انّ وعداللّٰه اتی. ورکل ورکی. یعصمک اللّٰه من العدا. ویسطو بکل من سطا. حلّ غضبه علی الارض. ذٰلک بما عصوا وکانوا یعتدون. الامراض تشاع والنفوس تضاع. امرمن السماءِ. امرمن اللّٰه العزیز الاکرم. ان اللّٰه لایغیّرما بقومٍ حتّٰی یغیروا ما بانفسهم. انه اوی القریة. لَاعَاصم الیوم الااللّٰه. اصنع الفلک باعیننا ووحینا. انه معک ومع اهلک. انی احافظ کل من فی الدار. الاالذین علوا من استکبار واحافظک خاصة. سلام قولًا من رب رّحیم. سلام علیکم طبتم. وامتازوا الیوم ایهاالمجرمون. انی مع الرسول اقوم وافطر و اصوم والوم من یلوم. واعطیک مایدوم. واجعل لک انوار القدوم. ولن ابرح الارض الی الوقت المعلوم. انی انا الصاعقة وانی انا الرحمٰن ذواللطف والندیٰ.

খোদাৰ আদেশ আহিছে গতিকে তোমালোকে লৰা-লৰি নকৰিবা। এইটো সুসংবাদ যি আদিৰে পৰাই নবীসকলে প্ৰাপ্ত হৈ আহিছে। খোদা তেখেতৰ সৈতে আছে যিয়ে তাকওৱা (খোদাভীতি) অৱলম্বন কৰে। অৰ্থাৎশিষ্টাচাৰ লাজ আৰু খোদা ভীতিৰ অনুসৰণত সেই সমূহ কল্পিত পথ পৰিত্যাগ কৰে, যাৰ মাজত পাপ আৰু অকৃতজ্ঞতাৰ ধাৰণা থাকিব পাৰে। তেওঁ নিৰ্ভীক ভাৱে কোনো পদক্ষেপ গ্ৰহণ নকৰে; বৰং খোদাভীতিৰ সৈতে কোনো কাম কৰা বা কথা কোৱাৰ সংকল্প কৰে। খোদা তেওঁলোকৰ সৈতে আছে; যিসকলে তেওঁৰ

লগত অকৃত্রিম আচৰণ কৰে আৰু তাৰ ভৃত্যসকলৰ বাবে পুণ্যকর্ম সম্পাদন কৰে। খোদা সর্বশক্তিমান আৰু বিজয়ী। সি সকলোৰে ওপৰত বিজয়ী। কিন্তু অধিক সংখ্যক মানুহে তাক নাজানে। যেতিয়া সি কোনো কিছু বিচাৰে তেতিয়া কয় "হোৱা" তেতিয়া সেয়া হৈ যায়। তোমালোকে মোৰ পৰা পলায়ন কৰিব পাৰিবা নে ? আমি অপৰাধীসকলৰ ওপৰত প্রতিশোধ গ্রহণ কৰিম। ইয়াত কেৱল সেইসকল ব্যক্তি যিসকলে "এই ব্যক্তি তো অজ্ঞ আৰু উন্মাদ" বুলি কওঁতে সাহায্য কৰিছে। সিহঁতক কৈ দিয়া যদি তোমালোকে খোদা তা'লাক বন্ধু বুলি জ্ঞান কৰা তেন্তে মোৰ অনুসৰণ কৰা, খোদাও তোমালোকক বন্ধু বুলি জ্ঞান কৰে। যিসকলে তোমাৰ প্রতি হাঁহি-বিদ্রূপ কৰে; মই সিহঁতৰ বাবে যথেষ্ট। মই সিহঁতক লাঞ্ছিত কৰিম, যিসকলে তোমাক লাঞ্ছিত কৰাৰ সংকল্প লৈছে। মই সেই ব্যক্তিক সহায় কৰিম যিয়ে তোমাক সহায় কৰিব বিচাৰে। যিজন ব্যক্তি মোৰ ওচৰত আছে মইও তেওঁৰ। মোৰ ৰছুল ভয় নকৰে। যেতিয়া খোদাৰ সাহায্য আৰু বিজয় আহিব আৰু তোমাৰ প্রভুৰ বাক্য পূর্ণ হ'ব, তেতিয়া কোৱা হ'ব যে ই সেয়াই যাৰ বাবে তোমালোক লৰা-লৰি কৰিছিলা। যেতিয়া সিহঁতক কোৱা হয় যে পৃথিৱীত বিভাজন আৰু বিশৃঙ্খলা সৃষ্টি নকৰিবা তেতিয়া সিহঁতে কয় আমিয়েই সংস্কাৰ সাধন কৰিছোঁ। সাৱধান হোৱা ! ইহঁতেই বিভাজন সৃষ্টিকাৰী। এওঁলোকে তোমাক হাঁহি-বিদ্রূপৰ লক্ষ্য বস্তু কৰিছে আৰু ঠাট্টা কৰি কয় এইজনেই সেই ব্যক্তি নে, যাক খোদাই প্রেৰণ কৰিছে। এয়া কেৱল সিহঁতৰ কথা। কিন্তু আচল কথা হ'ল মই সিহঁতৰ ওচৰত সত্য উপস্থাপন কৰিছোঁ। সিহঁতে সত্য গ্রহণ কৰিবলৈ ঘৃণাবোধ কৰিছে আৰু যিসকলে নির্যাতন কৰিছে সিহঁতে অনতিপলমে জানিব পাৰিব যে সিহঁতক কোন পিনে ঘূৰাই নিয়া হ'ব। খোদা তা'লাৰ ওপৰত যিবোৰ অপবাদ আৰোপ কৰা হৈছে সেইবোৰৰ পৰা সি পৱিত্র আৰু উর্দ্ধত। সিহঁতে কয় তুমি খোদাৰ পৰা প্রেৰিত নহয়। সিহঁতক কৈ দিয়া মোৰ ওচৰত খোদাৰ সাক্ষ্য উল্লেখ আছে। ইয়াৰ পাছতো তোমালোকে বিশ্বাস স্থাপন নকৰিবা নে ?

তুমি মোৰ দৰবাৰত সন্মানিত আৰু মই তোমাক মোৰ নিজৰ বাবে বাছি লৈছো। যেতিয়া তুমি কোনো ব্যক্তিৰ ওপৰত অসন্তুষ্ট হোৱা মইও তেওঁৰ ওপৰত অসন্তুষ্ট হওঁ। যিবোৰ বস্তুক তুমি ভাল পোৱা মইও সেইবোৰ ভাল পাওঁ। খোদা নিজৰ আচমানৰ (আৰশ্বৰ) পৰা তোমাৰ প্ৰশংসা কৰিছে; আৰু তোমাৰ পিনে আগমন কৰিছে। তুমি মোৰ ওচৰত সেই মৰ্যাদা লাভ কৰিছা যাক জগতবাসীয়ে নাজানে। তুমি মোৰ ওচৰত তৌহিদ আৰু একত্বৰ দৰে। তুমি মোৰ পানীৰ পৰা সৃষ্ট আৰু সিহঁত কাপুৰুষতাৰ পৰা। সেই খোদাৰ বাবে প্ৰশংসা যিয়ে তোমাক মছীহ ইবনে মৰিয়ম কৰিছে; আৰু সকলো অজ্ঞ বিষয় শিকাইছে। মানুহে কলে সি এই মৰ্যাদা ক'ৰ পৰা আৰু কিয় অৰ্জন কৰিলে ? সিহঁতক কৈ দিয়া মোৰ খোদা বিস্ময়কৰ ! তাৰ কল্যাণক কোনেও ৰোধ কৰিব নোৱাৰে। কিন্তু মানুহে নিজ নিজ কৰ্মৰ বাবে প্ৰশ্নৰ সন্মুখীন হয়। তোমাৰ প্ৰভু যি বিচাৰে তাকেই কৰে। উদাহৰণস্বৰূপ, মই সেই যুগত ইচ্ছা কৰিলোঁ পৃথিৱীত এজন খলিফা নিযুক্ত কৰাৰ। গতিকে মই এই আদম (আঃ)ক সৃষ্টি কৰিলোঁ আৰু তেওঁক আধিপত্য দান কৰিলোঁ। কিন্তু ফিৰিস্তাবিলাকে কলে তুমি এনে ব্যক্তিক খলিফা (প্ৰতিনিধি) নিযুক্ত কৰি পৃথিৱীত অশান্তি সৃষ্টি কৰিবা। তেতিয়া খোদা সিহঁতক কলে যি বিষয় মই জানো সেই বিষয় তোমালোকে অৱগত নহয়। সিহঁতে আকৌ কলে, এয়া এক সজোৱা বিষয়। কোৱা,খোদা নিশ্চয় আছে। যিয়ে এই ধাৰাবাহিকতাৰ সৃষ্টি কৰিছে। এই কথা কৈ সিহঁতক নিজ খেলা-ধূলা আৰু আমোদ স্ফূৰ্তিত এৰি দিয়া। মই সত্যসহ অৱতীৰ্ণ কৰিছোঁ আৰু সত্যৰ প্ৰয়োজন অনুসৰি তেওঁ অৱতীৰ্ণ হৈছে। মই তোমাক সমগ্ৰ জগতৰ এক সাৰ্বজনীন ৰহমত স্বৰূপ প্ৰেৰণ কৰিছোঁ।

হে মোৰ আহমদ ! তুমি মোৰ কাম্য, আৰু লগত আছা। তোমাৰ গভীৰ তত্ত্বয়েই মোৰ গভীৰ তত্ত্ব। তোমাৰ মহিমা অদ্ভুত আৰু পুৰস্কাৰ সমাগত। মই তোমাক মনোনীত আৰু জ্যোতিৰ্ময় কৰিছোঁ। তোমাৰ ওপৰত মুছা (আঃ)ৰ যুগৰ সদৃশ এটা যুগ আহিব। তুমি সেইবিলাক মানুহৰ সম্পৰ্কে মোৰ ওচৰত

অনুৰোধ নকৰিবা যিসকল অত্যাচাৰী। কাৰণ সিহঁতক ধ্বংস কৰা হ'ব। এনে মানুহে ষড়যন্ত্ৰ কৰিব আৰু খোদাও সিহঁতৰ বিৰুদ্ধে কৌশল আৰু কাৰ্য পৰিচালনা কৰিব। সি দয়ালু আৰু তোমাৰ সন্মুখত আছে। সি সেই ব্যক্তিক শত্ৰু জ্ঞান কৰে যিয়ে তোমাৰ সৈতে শত্ৰুতা কৰে। সি অতি সোনকালে তোমাক সেইবোৰ দ্ৰব্য প্ৰদান কৰিব যাৰ বাবে তুমি সন্তুষ্ট হোৱা। আমি পৃথিৱীৰ উত্তৰাধিকাৰী হ'ম আৰু ইয়াক চাৰিওফালৰ পৰা সঙ্কুচিত কৰি আনিছো যাতে তুমি এই জাতিক সতৰ্ক কৰিব পাৰা (যিসকলৰ পুৰ্বপুৰুষ সকলক সতৰ্ক কৰা হোৱা নাই) আৰু অপৰাধী সকলৰ বাবে প্ৰতিবন্ধকতা দূৰীভূত হয়। কোৱা, মই প্ৰত্যাদিষ্ট আৰু সৰ্বপ্ৰথম মোমিন। কোৱা, মোৰ ওপৰত এই ওহী অৱতীৰ্ণ হৈছে যে তোমালোকৰ খোদা এক আৰু সকলো কল্যাণ কোৰাণত নিহিত আছে। ইয়াৰ অন্তৰ্নিহিত সত্য আৰু তত্ত্ব জ্ঞান পৰ্যন্ত সেইসকল উপস্থিত হ'ব পাৰে; যিসকলক পৱিত্ৰ কৰা হয়। গতিকে তোমালোকে ইয়াৰ পাছত কোন হাদীছৰ ওপৰত ঈমান আনিবা ? কিছুমান লোকে এই কামনা আৰু প্ৰচেষ্টা কৰে যাতে তোমাৰ উদ্দেশ্য অসম্পূৰ্ণ ৰৈ যায়। কিন্তু খোদাৰ ইচ্ছা তোমাৰ উদ্দেশ্যক পূৰ্ণ প্ৰাপ্তলৈ নিব। তোমাৰ খোদা এনে নহয় যে পৱিত্ৰ আৰু অপৱিত্ৰৰ মাজত পাৰ্থক্য নকৰিয়েই তোমাক পৰিত্যাগ কৰিব। খোদা হ'ল সেই খোদা যিয়ে নিজ ৰছুলক (অৰ্থাৎ এই অধমক) হিদায়ৎ আৰু সত্য ধৰ্মসহ এই উদ্দেশ্যত প্ৰেৰণ কৰিছে, যাতে সি এই ধৰ্ম (দ্বীনক)সকলো ধৰ্মৰ ওপৰত জয়যুক্ত কৰে আৰু খোদাৰ প্ৰতিশ্ৰুতি এদিন পূৰ্ণ হয়। খোদাৰ প্ৰতিশ্ৰুতি আহিছে আৰু এখোজ সি পৃথিৱীত ৰাখিছে আৰু প্ৰতিবন্ধকতা আঁতৰ কৰিছে। খোদা তোমাক শত্ৰুৰ পৰা ৰক্ষা কৰিব আৰু সেই ব্যক্তিৰ ওপৰত আক্ৰমণ কৰিব যিয়ে অত্যাচাৰীৰ পথ অৱলম্বন কৰি তোমাৰ ওপৰত আক্ৰমণ কৰে। তাৰ ক্ৰোধ পৃথিৱীলৈ নামি আহিছে, কাৰণ মানুহে পাপ কাৰ্য্যত দৃঢ় প্ৰতিজ্ঞা হৈ পৃথিৱীত নামিছে আৰু সীমা লঙ্ঘন কৰিছে। ৰোগ ব্যাধি (বেমাৰ-আজাৰ) দেশত বিস্তৃত কৰা হ'ব আৰু বিভিন্ন উপায়ে প্ৰাণ নাশ কৰা হ'ব। এই আদেশ

আকাশত গৃহীত হৈছে। এয়া সেই খোদাৰ আদেশ যিয়ে বিজয়ী আৰু মহা মৰ্যাদাশীল। জাতিৰ ওপৰত যিবোৰ অৱতীৰ্ণ হৈছে খোদা সেইবোৰৰ কোনো পৰিৱৰ্তন নকৰে। যেতিয়ালৈকে সেইবিলাক মানুহে নিজ হৃদয়ৰ অৱস্থাৰ পৰিৱৰ্তন সাধন নকৰে। সি এই কাদিয়ান গাওঁ খনক কিছু পৰীক্ষাৰ পাছত নিজৰ আশ্ৰয়ত গ্ৰহণ কৰিব।* আজি খোদাৰ বাহিৰে কোনো ৰক্ষাকাৰী নাই। আমাৰ সন্মুখত আৰু ঐশ্বৰিক বাণী অনুসৰি কিস্তি (নাও) তৈয়াৰ কৰা।

সেই সৰ্বশক্তিমান খোদা তোমাৰ আৰু তোমাৰ লোকসকলৰ লগত আছে। তোমাৰ গৃহাভ্যন্তৰত যি আছে সকলোকে মই ৰক্ষা কৰিম। কিন্তু সিহঁতৰ বাহিৰে যিসকলে মোৰ বিৰুদ্ধে অহংকাৰৰ সৈতে অবাধ্য আৰু দাম্ভিক (সম্পূৰ্ণ আনুগত্য নকৰে) বিশেষকৈ মোৰ ৰক্ষাকবচ সকলো সময়ত তোমাৰ লগত থাকিব। দয়ালু খোদাৰ শান্তি তোমাৰ ওপৰত বৰ্ষিত হওঁক। তুমি পৱিত্ৰ আত্মা; হে অপৰাধীসকল ! আজি তোমালোক পৃথক হৈ যোৱা। মই ৰছুলৰ সৈতে থিয় হ'ম আৰু ইফতাৰ কৰিম আৰু ৰোজা ৰাখিম আৰু তেওঁক তিৰস্কাৰ কৰিম যিয়ে তিৰস্কাৰ কৰে আৰু তোমাক মই পুৰস্কাৰ দিম যি চিৰকাল থাকিব আৰু মোৰ বিকাশৰ জ্যোতি তোমাৰ মাজত স্থাপন কৰিম। মই এই পৃথিৱীৰ পৰা নিৰ্ধাৰিত সময়লৈকে পৃথক নহওঁ। মোৰ শাস্তিৰ বিকাশত কোনো পাৰ্থক্য নহয়। মই বজ্ৰ আৰু অযাচিত দাতা। মই দয়ালু আৰু ক্ষমাশীল।

***টোকা ঃ** اٰوٰی (আওৱা) শব্দটো আৰবী ভাষাত এনে স্থলত ব্যৱহাৰ কৰা হয়, য'ত কোনো ব্যক্তিক দুঃখ-কষ্ট (পৰীক্ষাৰ) পাছত নিজৰ আশ্ৰয়ত গ্ৰহণ কৰা হয় আৰু দুঃখ-কষ্টৰ আধিক্য আৰু প্ৰাণ হৰণৰ পৰা ৰক্ষা কৰা হয়। যেনে আল্লাহ কয়, (93:7) اَلَمۡ یَجِدۡکَ یَتِیۡمًا فَاٰوٰی ۪

অনুবাদ ঃ সেইজনাই তোমাক এতীম অৱস্থাত পাই তোমাক আশ্ৰয় দিয়া নাই নে? (ছুৰা আজ-জুহা আয়াত ৭) সেইদৰে সমগ্ৰ কোৰাণ শ্বৰীফত **আওৱা** শব্দ কেৱল সেই ক্ষেত্ৰত ব্যৱহৃত হৈছে য'ত কোনো ব্যক্তি বা জাতিক কিছু কষ্ট দিয়াৰ পাছত পুনৰ আৰাম দিয়া হৈছে।

এইদিনবোৰত যেতিয়া অবিৰাম ধাৰাত খোদাৰ ওহী মোৰ ওপৰত অৱতীৰ্ণ হ'ল, অতি দ্বীপ্তিমান আৰু শক্তিশালী নিদৰ্শন প্ৰকাশিত হ'ল আৰু মোৰ মছীহ মাওউদ হোৱাৰ দাবী দলিল প্ৰমাণসহ ছপা হৈ প্ৰচাৰিত হ'ল; তেতিয়া ঘটনাক্ৰমে খোচত অঞ্চলৰ আখোৱান্দ জাদা মৌলবী আব্দুল লতিফ নামৰ এজন বুজুৰ্গৰ ওচৰত মোৰ পুস্তাকাদি গৈ পায়। সেই সমূহ দলিল প্ৰমাণ যিবোৰ মই পূৰ্ব্ৱৰ্তী পুস্তকসমূহত ঐশ্বৰিক সাহায্যৰ মাধ্যমত উদ্ধৃতি, যুক্তি লিপিবদ্ধ কৰিছিলোঁ সেইবোৰে তেওঁৰ হৃদয় প্ৰভাম্বিত কৰিলে। যিহেতু তেওঁ অৱশ্যই পৱিত্ৰ হৃদয়ৰ অধিকাৰী অন্তদৃষ্টি সম্পন্ন, খোদাভীৰু আৰু মুত্তাকী আছিল। সেই হেতুকে তেওঁৰ হৃদয়ত এইবোৰ দলিল প্ৰমাণে বৰকৈ প্ৰভাৱ পৰিল আৰু এই দাবীৰ সত্যতাৰ বাবে তেওঁৰ কোনো কষ্ট নহ'ল। তেওঁৰ পৱিত্ৰ বিবেক শক্তিয়ে স্বতঃস্ফূৰ্ত ভাৱে স্বীকাৰ কৰিলে যে এই ব্যক্তি আল্লাহৰ মনোনীত আৰু তেওঁৰ দাবীও সঠিক। তেতিয়া তেওঁ অতি অনুৰাগৰ সৈতে মোৰ পুস্তক সমূহ অধ্যয়ন কৰিবলৈ আৰম্ভ কৰে ফলত তেওঁৰ স্বচ্ছ আৰু সৎ আগ্ৰহী আত্মা মোৰ প্ৰতি আকৃষ্ট হ'ল। আনকি মোৰ সৈতে সাক্ষাৎ নকৰাকৈ তেওঁ দূৰত বহি থকা অতি কঠিন হৈ পৰিল। অৱশেষত এই শক্তিশালী আকৰ্ষণ, অনুৰাগ আৰু আন্তৰিকতাৰ ফলত তেওঁ কাবুল চৰকাৰৰ পৰা অনুমতি লাভৰ প্ৰত্যাশাত হজ্বৰ বাবে দৃঢ় সংকল্প কৰে আৰু ইয়াৰ বাবে কাবুলৰ আমীৰৰ ওচৰত আবেদন কৰে। যিহেতু তেওঁ কাবুলৰ আমীৰৰ দৃষ্টিত এজন অতি সন্মানিত আলিম আছিল, সেই হেতুকে তেওঁক অনুমতি সহ সাহায্য স্বৰূপ কিছু অৰ্থও প্ৰদান কৰা হ'ল। গতিকে তেওঁ অনুমতি লাভ কৰি পুনে পুনে কাদিয়ান আহি উপস্থিত হয়। সেই খোদাৰ শপত কৰি কৈছো, যাৰ হাতত মোৰ জীৱন আছে। যেতিয়া মোৰ সৈতে তেওঁৰ সাক্ষাৎ হ'ল, তেতিয়া তেওঁক মোৰ আনুগত্য আৰু দাবীৰ সত্যতাত ইমান আত্মবিলীনকাৰী হিচাপে মই প্ৰত্যক্ষ কৰিলোঁ যে ইয়াতকৈ অধিক কোনো মানুহৰ পক্ষে অসম্ভৱ। যেনেকৈ এটা বটল আতৰেৰে পৰিপূৰ্ণ থাকে, ঠিক

সেইদৰে মই তেওঁক মোৰ প্ৰেমত পৰিপূৰ্ণ দেখিলো আৰু তেওঁৰ হৃদয় মোৰ ওচৰত আলোকময় ধাৰণা হৈছিল। এই মৰহুম বুজুৰ্গৰ মাজত অতি ঈৰ্ষা যোগ্য এই গুণ আছিল যে তেওঁ প্ৰকৃততে ধৰ্মক পাৰ্থিৱ বস্তুৰ ওপৰত প্ৰাধান্য দিছিল। আচলতে তেওঁ সেইসমূহ ন্যায়পৰায়ণ ব্যক্তিৰ অন্তৰ্ভুক্ত আছিল যিসকলে খোদাক ভয় কৰে, খোদাৰ আজ্ঞানুবৰ্তিতাক চৰম পৰ্যায়ত উন্নীত কৰে, খোদাক সন্তোষ কৰাৰ নিমিত্তে আৰু তাৰ প্ৰীতি লাভৰ বাবে নিজৰ ধন-সম্পদ, সন্মান আৰু জীৱনক তুচ্ছ জ্ঞান কৰি নিজকে বিসৰ্জন দিবলৈ সদায় প্ৰস্তুত থাকে। তেওঁৰ ঈমানৰ বল ইমান বৃদ্ধিপ্ৰাপ্ত হৈছিল যে যদি মই তেওঁক বৃহৎৰ পৰা বৃহত্তম পৰ্বতৰ সৈতে তুলনা কৰো, তেন্তে এই তুলনা ক্ষুদ্ৰ হোৱাৰ আশঙ্কা মই কৰিছোঁ। অধিকাংশ লোক দীক্ষা (বয়াত) গ্ৰহণ কৰা সত্ত্বেও আৰু মোৰ দাবী সত্য প্ৰমাণিত হোৱা সত্ত্বেও পাৰ্থিৱ বস্তুক ধৰ্মৰ ওপৰত প্ৰাধান্য দিয়াৰ বিষাক্ত বীজৰ পৰা সম্পূৰ্ণ ৰূপে পৰিত্ৰাণ লাভ কৰিব নোৱাৰে; বৰং সিহঁতৰ মাজত কিছু সংমিশ্ৰণ অৱশিষ্ট থাকে আৰু জীৱন সম্বন্ধতেই হওঁক বা সন্মানৰ ক্ষেত্ৰতেই হওঁক এইটো প্ৰচ্ছন্ন কৃপনতা সিহঁতৰ প্ৰবৃত্তিৰ মাজত দেখা যায়। এই কাৰণে সিহঁতৰ বাবে মোৰ হৃদয়ৰ অৱস্থা সদায় এনে থাকে যে মই সকলো সময়ত কোনো ধৰ্মীয় খেদমত উপস্থাপন কৰাৰ সময়ত ভয় কৰো যে সিহঁত যেন কোনো পৰীক্ষাত নপৰে আৰু এই খেদমতক নিজৰ বোজা বুলি নাভাৱি বয়াত গ্ৰহণক বিদায় নিদিয়ে। কিন্তু মই এই মৰহুম বুজুৰ্গক কোন ভাষাৰে প্ৰশংসা কৰিম, যিজনে নিজৰ ধন-মাল আৰু সন্মান মোৰ আনুগত্যৰ বাবে এনেকৈ বিসৰ্জন দিছে যেনেকৈ ক্ষুদ্ৰাতি ক্ষুদ্ৰ আৰু আৱৰ্জনাসমূহ বিসৰ্জন দিয়া হয়। অধিকাংশ লোকক মই দেখিবলৈ পাওঁ যে সিহঁতে প্ৰথমৰ পৰা শেষলৈ একে নাথাকে আৰু সামান্য আঘাত বা চয়তানী কু-প্ৰৰোচনা বা অসৎ সঙ্গৰ বাবে পদচ্যুৎ হয়। কিন্তু এই মৰহুম বীৰ পুৰুষৰ অটল দৃঢ়তাৰ কথা মই কোন ভাষাত বৰ্ণনা কৰিম, যিজনে বিশ্বাসৰ জ্যোতিত প্ৰতিমূহূৰ্তত উন্নতি কৰি থাকে, যেতিয়া তেওঁ মোৰ ওচৰত আহে, তেতিয়া মই তেওঁক সুধিছিলো যে

কোন দলিল প্ৰমাণৰ দ্বাৰা আপুনি মোক চিনাক্ত কৰিছে ? তেতিয়া তেওঁ মোক কলে সৰ্বপ্ৰথম বিষয় হ'ল পৱিত্ৰ কোৰাণ যিয়ে মোক আপোনাৰ প্ৰতি পথ নিৰ্দেশ কৰিছে। তেওঁ আৰু কলে মই এনে এক স্বভাৱ বিশিষ্ট লোক যিয়ে পূৰ্বৰ পৰা এই সিদ্ধান্তত উপনীত হৈছিলো যে আমি যি যুগত আছো এই যুগৰ অধিকাংশ মুছলমান ইছলামী আধ্যাত্মিকতাৰ পৰা বঞ্চিত হৈ পৰিছে। তেওঁলোকে কেৱল মুখত কয় যে আমি ঈমান আনিছো; কিন্তু সিহঁতৰ হৃদয় মোমিন বিহীন কথা আৰু কামত বি'দাত চিৰক আৰু বিভিন্ন প্ৰকাৰৰ পাপত লিপ্ত। একেদৰে বাহিৰৰ আক্ৰমণো চূড়ান্ত পৰ্যায়ত উপনীত হৈছে আৰু অধিকাংশ হৃদয় অন্ধকাৰাচ্ছন্ন পৰ্দাৰ মাজত এনে নিষ্ক্ৰিয় অৱস্থাত আছে যেন মৃত। সেই ধৰ্ম আৰু খোদা ভীৰুতা যাক আঁহজৰত (ছাঃ)য়ে আনিছিল যাৰ শিক্ষা চাহাবা (ৰাঃ) সকলক দিয়া হৈছিল, যি সত্যবাদিতা বিশ্বাস আৰু ঈমান এই পৱিত্ৰ জামাতে লাভ কৰিছিল সেইবোৰ এতিয়া আওকাণৰ বাবে নিঃসন্দেহ অদৃশ্য হৈ পৰিছে আৰু নাই বুলিলেই হয়। এই ভাৱে প্ৰত্যক্ষ কৰিছিলোঁ যে ইছলাম এক মৃতাৱস্থাত আছে আৰু এতিয়া অদৃশ্যৰ অন্তৰালৰ পৰা আল্লাহৰ মনোনীত কোনো ধৰ্ম সংস্কাৰকৰ সৃষ্টি হোৱাৰ সময় আহিছে। মই দিনে দিনে অস্থিৰ হৈ পৰিছিলোঁ সময় সঙ্কীৰ্ণ হৈ আহি আছে বুলি। এনেতে এই শব্দ মোৰ কৰ্ণ গোচৰ হয় যে পঞ্জাৱ অঞ্চলৰ কাদিয়ান গাঁৱত কোনোবাই মছীহ মাওউদ হোৱাৰ দাবী কৰিছে আৰু মই একান্ত ভাৱে চেষ্টা কৰি আপোনাৰ ৰচিত কিছু সংখ্যক পুস্তক সংগ্ৰহ কৰো লগতে ন্যায় বিচাৰৰ দৃষ্টিত সেইবোৰ পৰীক্ষা কৰি দেখিলো। সেইবোৰৰ প্ৰত্যেক কথা কোৰাণ শ্বৰীফ কৰ্তৃক সত্য দেখিবলৈ পালো। গতিকে যি বিষয়ে মোক এই পিনে ধাবিত কৰিছিল সেয়া হ'ল এয়া যে মই দেখিলো যে কোৰাণ শ্বৰীফে বৰ্ণনা কৰিছে হজৰত ঈছা (আঃ)মৃত্যু বৰণ কৰিছে আৰু তেখেত (আঃ)উভতি নাহে। আন পিনে মুছায়ী ছিলছিলাৰ বিপৰীতে এই উম্মতক প্ৰতিশ্ৰুতি দিছে যে এই উম্মতৰ বিপদ আৰু অচেতন যুগত এই বিলাক খলিফাৰ সাদৃশ খলিফা প্ৰেৰণ কৰি থাকিব যিবিলাকক

মুছায়ী ছিলছিলাৰ ধাৰাবাহিকতা প্ৰতিষ্ঠাৰ পক্ষে প্ৰেৰণ কৰা হৈছিল। গতিকে সিহঁতৰ মাজত যিহেতু হজৰত ঈছা (আঃ) এজন এনে খলিফা আছিল, যিজন মুছায়ী ছিলছিলাৰ শেষ যুগত জন্ম গ্ৰহণ কৰিছিল আৰু যুদ্ধ কৰাৰ বাবে মনোনীত হোৱা নাছিল। গতিকে খোদা তা'লাৰ কালামৰ পৰা স্পষ্ট প্ৰতীয়মান হয় যে শেষ যুগত এই উম্মতত হজৰত ঈছা (আঃ)ৰ সদৃশ কোনো এজন জন্ম গ্ৰহণ নিশ্চয় কৰিব। এইদৰে বহুত তত্ত্ব জ্ঞান আৰু প্ৰজ্ঞাপূৰ্ণ কথা মই তেওঁৰ পৰা শুনিলো। এইবোৰৰ কিছু কিছু মোৰ স্মৰণ আছে আৰু কিছু কিছু পাহৰি গৈছো। তেওঁ কেইবা মাহ ধৰি ক্ৰমাগত ভাৱে মোৰ ওচৰত অৱস্থান কৰে মোৰ কথা শ্ৰৱণ কৰিবলৈ তেওঁ ইমান আগ্ৰহী আছিল যে মোৰ কথাক তেওঁ হজ্বৰ ওপৰত প্ৰাধান্য দিলে আৰু কলে, মই এই জ্ঞানৰ মুখাপেক্ষী আছিলো যাৰ দ্বাৰা ইমান শক্তিশালী হয় আৰু উক্ত জ্ঞানৰ প্ৰাধান্য লাভ কৰো। এই কাৰণে মই তেওঁৰ উৎসাহ দেখি যিমানদূৰ সম্ভৱ নিজৰ তত্ত্ব জ্ঞান তেওঁৰ হৃদয়ত প্ৰৱিষ্ট কৰিলোঁ আৰু তেওঁক বুজালো যে এয়া স্পষ্ট যে আল্লাহ তা'লা পৱিত্ৰ কোৰাণত কৈছে,

إِنَّآ أَرْسَلْنَآ إِلَيْكُمْ رَسُولًا ۙ شَاهِدًا عَلَيْكُمْ

كَمَآ أَرْسَلْنَآ إِلَىٰ فِرْعَوْنَ رَسُولًا ۝١٦

(73:16)

অনুবাদ ঃ প্ৰকৃততে মই তোমালোকলৈ পঠিয়াইছোঁ এজন পয়গম্বৰ, যি তোমালোকৰ ওপৰত এজন সাক্ষী হ'ব, যি ধৰণে আমি ফিৰাউনলৈ এজন পয়গম্বৰ পঠাইছিলোঁ।

গতিকে উক্ত আয়াতত আল্লাহ তা'লা আমাৰ প্ৰিয় নবী হজৰত মহম্মদ মুস্তফা (ছাঃ)ক হজৰত মুছা (আঃ)ৰ সদৃশ নবী বুলি সাব্যস্ত কৰিছে। ইয়াৰ পাছত চুৰা নুৰৰ ৫৬ নং আয়াত মহম্মদী খিলাফতৰ ধাৰাক মুছায়ী খিলাফতৰ ধাৰাৰ সদৃশ বুলি বৰ্ণনা কৰিছে। সেই বাবে অন্তঃত পক্ষে সাদৃশ্য প্ৰমাণৰ পক্ষে উভয় ধাৰাৰ প্ৰথম আৰু শেষৰ মাজত এক উল্লেখযোগ্য সাদৃশ্য থকা

আৱশ্যক। অৰ্থাৎ আৰম্ভণিত হজৰত মুছা (আঃ)ৰ সদৃশ আৰু শেষত হজৰত ঈছা (আঃ)ৰ সদৃশ হোৱা জৰুৰী। আমাৰ বিৰুদ্ধবাদী আলিম সকলে এই কথা স্বীকাৰ কৰে যে ইছলাম ধৰ্মৰ ধাৰা হজৰত মুছা (আঃ)ৰ সাদৃশ্যত আৰম্ভ হৈছে। কিন্তু তেওঁলোকে প্ৰত্যক্ষ ভাবে আকোৰ গোজ মনোভাবেৰে হজৰত ঈছা (আঃ)ৰ সাদৃশ্যত এই ধৰণৰ পৰিসমাপ্তিক অস্বীকাৰ কৰে। তেওঁলোকে এই ধৰণৰ পৰিকল্পিত ভাৱে পৱিত্ৰ কোৰাণ শ্বৰীফক পৰিত্যাগ কৰে। এই কথা সঁচা নহয়নে যে পৱিত্ৰ কোৰাণ শ্বৰীফত হজৰত মহম্মদ (ছাঃ)ক হজৰত মুছা (আঃ)ৰ সদৃশ নবী সাব্যস্ত কৰিছে ? তদুপৰি এই কথাও সঁচা নহয় নে যে চুৰা নুৰৰ ৫৬ নং আয়াত

كَمَا اسْتَخْلَفَ الَّذِيْنَ مِنْ قَبْلِهِمْ

( 24:56)

অনুবাদ ঃ যেনেকৈ তেওঁলোকৰ পূৰ্ববৰ্তীসকলক তেওঁ আধিপত্য দান কৰিছিল। (চুৰা নুৰ আয়াত ৫৬)

এই আয়াতত মহম্মদী খিলাফতৰ সমগ্ৰ ধাৰাক মুছাই খিলাফতৰ ধাৰাৰ সদৃশ সাব্যস্ত কৰিছে। এই ক্ষেত্ৰত এয়া নিশ্চিত যে ইছলামী খলিফাৰ ছিলছিলাৰ শেষত এজন হজৰত ঈছা (আঃ)ৰ সদৃশ ব্যক্তি জন্ম গ্ৰহণ কৰিব। যিহেতু প্ৰথম আৰু শেষৰ সাদৃশ্য প্ৰমাণিত হলে সমগ্ৰ ধাৰাৰ সাদৃশ্য প্ৰমাণ হ'ব। সেই কাৰণে খোদা তা'লাৰ পৱিত্ৰ নবীসকলৰ গ্ৰন্থসমূহত বিভিন্ন স্থানত এই দুই ধাৰাৰ সাদৃশ্যৰ ওপৰত অধিক জোৰ দিয়া হৈছে। আনকি প্ৰথম আৰু শেষ শত্ৰুসকলৰ মাজতো সাদৃশ্য প্ৰমাণ কৰা হৈছে। উদাহৰণস্বৰূপ, আবু জাহিলক ফিৰাউনৰ সৈতে সাদৃশ্যযুক্ত কৰা হৈছে আৰু শেষৰ ঈছা মছীহ (আঃ)ৰ শত্ৰুসকলক غَيْرِ الْمَغْضُوْبِ عَلَيْهِمْ অৰ্থাৎ কোপগ্ৰস্ত ইহুদীসকলৰ সৈতে সাদৃশ্যযুক্ত কৰা হৈছে।

كَمَا اسْتَخْلَفَ الَّذِيْنَ مِنْ قَبْلِهِمْ (24:56 )

অনুবাদ ঃ যেনেকৈ তেওঁলোকৰ পূৰ্ববৰ্তীসকলক তেওঁ আধিপত্য দান কৰিছিল। (চুৰা নুৰ আয়াত ৫৬)

উক্ত আয়াতত এই ইঙ্গিত কৰা হৈছে যে এই উম্মতৰ অন্তিম খলিফা হজৰত মহম্মদ (ছাঃ)ৰ তিৰোধানৰ পাছত এনে সময়ত আৱিৰ্ভূত হ'ব; যেতিয়া হজৰত মুছা (আঃ)ৰ তিৰোধানৰ পিছত চতুৰ্দশ শতাব্দীৰ প্ৰাৰম্ভে হজৰত ঈছা (আঃ)আৱিৰ্ভূত হৈছিল। কাৰণ كَمَا (কামা) শব্দৰ দ্বাৰা যি সাদৃশ্য সূচায় তাত যুগৰ সাদৃশ্যও অন্তৰ্ভুক্ত। ইহুদীসকলৰ সমূহ ফিৰকা (দল) য়ে এই বিষয়ত ঐক্যমত পোষণ কৰে যে হজৰত মৰিয়মৰ পুত্ৰ ঈছা (আঃ) যি সময়ত নবুয়তৰ দাবী কৰিছিল সেই সময় হজৰত মুছা (আঃ)ৰ পাছত চতুৰ্দশ শতাব্দীৰ প্ৰাৰম্ভত আছিল। খ্ৰীষ্টান প্ৰটেষ্টাণ্ট সকলৰ মতে ইহুদী সকলৰ সৰ্ব সন্মত বক্তব্যৰ কোনো গুৰুত্ব বহন নকৰে; যদিও সিহঁতৰ মতামত মানি লোৱা হয়; তথাপি এনে সামান্য পাৰ্থক্যৰ বাবে সাদৃশ্যৰ কোনো পাৰ্থক্য নহয়। অৰ্থাৎ সাদৃশ্য এটা সামান্য পাৰ্থক্যৰ দাবী জনায়। এইদৰে পৱিত্ৰ কোৰাণ শ্বৰীফৰ আলোকত মহম্মদী ছিলছিলা আৰু মুছায়ী ছিলছিলাৰ সৈতে প্ৰত্যেক পাপ পুণ্যৰ সাদৃশ্যযুক্ত। এই সম্পৰ্কে নিম্ন লিখিত আয়াতবোৰত ইঙ্গিত সন্নিবিষ্ট আছে। পৱিত্ৰ কোৰাণৰ চুৰা আল আৰাফৰ ১৩০ নং আয়াতত ইহুদী সকলৰ বিষয়ে আছে,

(7:130) فَيَنْظُرَ كَيْفَ تَعْمَلُوْنَ ۝

অনুবাদ ঃ তোমালোকে কিৰূপে কাৰ্য্য সম্পাদন কৰা সেয়া তেওঁ দৰ্শন কৰিব। (চুৰা আৰাফ আয়াত ১৩০)

আৰু চুৰা আল ইউনুচ ১৫ নং আয়াতত আছে,

(10:15) لِنَنْظُرَ كَيْفَ تَعْمَلُوْنَ ۝

অনুবাদ ঃ তোমালোকে কি ধৰণৰ কাৰ্য্য কৰা যাতে আমি লক্ষ্য ৰাখো। (চুৰা ইউনুচ আয়াত ১৫)

উভয় আয়াতৰ অৰ্থ হ'ল খোদা তোমালোকৰ খিলাফত আৰু শাসন ক্ষমতা দান কৰি দৰ্শন কৰিব যে তোমালোকে কেনেকৈ কাৰ্য্য সম্পাদন কৰা; অৰ্থাৎ ন্যায়পৰায়ণতাৰ ওপৰত প্ৰতিষ্ঠিত থকা নে নথকা। প্ৰথম আয়াতত ইহুদীসকলৰ বাবে যি শব্দ ব্যৱহাৰ কৰা হৈছে; দ্বিতীয় আয়াতত মুছলমান সকলৰ বাবেও একেই শব্দ ব্যৱহাৰ কৰা হৈছে। অৰ্থাৎ একে আয়াতৰ অধীনত উভয় সম্প্ৰদায়ক অন্তৰ্ভুক্ত কৰা হৈছে। ইয়াতকৈ অধিক কি প্ৰমাণ থাকিব পাৰে যে খোদা তা'লা কোন কোন মুছলমানক ইহুদী সাব্যস্ত কৰিছে ? ইহুদী আলিম সকলে যি সমূহ পাপত লিপ্ত হৈছিল এই উম্মতৰ আলিম সকলেও সেই একেই পাপ কাৰ্য্যত লিপ্ত হ'ব। এই বিষয়ে চুৰা ফাতিহাৰ ৭ নং আয়াতত সন্নিবিষ্ট আছে,

غَيْرِ الْمَغْضُوْبِ عَلَيْهِمْ (1:7)

অনুবাদ ঃ যিসকলৰ ওপৰত তোমাৰ ক্ৰোধ প্ৰকাশ হৈছে সিহঁতৰ বাটেদি নহয়। (চুৰা ফাতিহা আয়াত ৭)

সকলো তফচীৰ কাৰকৰ মতে مَغْضُوْبِ عَلَيْهِمْ আয়াতৰ ৰ দ্বাৰা সেইসকল ইহুদীক বুজোৰা হৈছে যিসকলে হজৰত ঈছা (আঃ)ক অস্বীকাৰ কৰাৰ বাবে তেওঁলোকৰ ওপৰত আল্লাহ কোপগ্ৰস্ত ধ্বংসলীলা অৱতীৰ্ণ কৰিছিল। আনহাতে চহী হাদীছত مَغْضُوْبِ عَلَيْهِمْৰ দ্বাৰা সেইবিলাক ইহুদীক বুজোৰা হৈছে যিসকল পৃথিৱীত আল্লাহৰ ক্ৰোধৰ পাত্ৰ হৈছিল। পৱিত্ৰ কোৰাণ শ্বৰীফত এই প্ৰমাণো দিছে যে ইহুদীসকলক مَغْضُوْبِ عَلَيْهِمْ আখ্যায়িত কৰাৰ বাবে হজৰত ঈছা (আঃ)ৰ মুখৰ পৰা অভিশাপ নিৰ্গত হৈছিল। এই কাৰণে ই নিশ্চিত যে غَيْرِ الْمَغْضُوْبِ عَلَيْهِمْ সেইসকল ইহুদী যিসকলে হজৰত ঈছা (আঃ)ক ক্ৰুছত হত্যা কৰিব বিচাৰিছিল। এতিয়া খোদা তা'লাৰ এই দোৱা যে হে খোদা ! আমি যেন সেই বিলাক ইহুদীত পৰিণত নহওঁ যিসকলে হজৰত ঈছা (আঃ)ক হত্যা কৰিব বিচাৰিছিল। এই শিক্ষাই এইটো স্পষ্ট প্ৰতীয়মান হয় যে উম্মতে মহম্মদীয়াতো এজন ঈছা জন্ম গ্ৰহণ কৰিব। নহলে

এই দোৱা শিকাৰ কি প্ৰয়োজন ? তদুপৰি যিহেতু ওপৰত উল্লেখিত আয়াতবোৰত প্ৰমাণিত হয় যে কোনো এক যুগত মুছলিম আলিমসকল সম্পূৰ্ণৰূপে ইহুদী আলিম সকলৰ সদৃশ হ'ব; সেই কাৰণে এই কথা সম্পূৰ্ণ অযুক্তিকৰ যে ইহুদী সকলক সংস্কাৰ সাধন কৰাৰ বাবে বনি ইস্ৰাইলৰ নবী হজৰত ঈছা (আঃ) পুনৰ আকাশৰ পৰা অৱতীৰ্ণ হ'ব। কাৰণ বাহিৰৰ পৰা এজন নবীৰ আগমনত খাতামে নবুয়তৰ মোহৰ ভাঙি যাব।

কিন্তু পৱিত্ৰ কোৰাণ শ্বৰীফত দ্ব্যৰ্থহীন ভাষাত হজৰত মহম্মদ (ছাঃ)ক খাতামুল আম্বিয়া (নবীসকলৰ মোহৰ) আখ্যায়িত কৰিছে আৰু এই উম্মতক শ্ৰেষ্ঠ জাতি বুলি কৈছে। গতিকে এই উম্মতৰ বাবে ইয়াতকৈ অধিক অৱমাননাকৰ আন একো হ'ব নোৱাৰে যে এই উম্মত ইহুদীত পৰিণত হ'ব অথচ হজৰত ঈছা (আঃ) উম্মতৰ বাহিৰৰ পৰা আগমন কৰিব। যদি এই কথা সঁচা হয় যে এই উম্মতৰ অধিকাংশ আলিম ইহুদীত পৰিণত হ'ব আৰু সিহঁতৰ স্বভাৱ চৰিত্ৰও ইহুদী সদৃশ হ'ব তেন্তে এই কথাও সঁচা যে ইহুদীসকলক সংস্কাৰৰ বাবে বাহিৰৰ পৰা হজৰত ঈছা (আঃ) আগমন নকৰে যদি غَيۡرِ الۡمَغۡضُوۡبِ عَلَيۡهِمۡ আয়াতত এই কথা প্ৰমাণ নহলহেঁতেন। যিহেতু আদিকালৰ পৰাই পৃথিৱীত ঐশ্বৰিক গ্ৰন্থসমূহৰ মাজত এই পৰম্পৰা চলি আহিছে যে যেতিয়া কোনো জাতিক নিষেধ কৰা হয় যে তোমালোকে ব্যভিচাৰ নকৰিবা, চুৰি নকৰিবা আৰু ইহুদীত পৰিণত নহ'বা তেতিয়া উক্ত নিষেধাজ্ঞাৰ মাজত এই ভৱিষ্যদ্বাণীও নিহিত থাকে যে সিহঁতৰ কোনো কোনোৱে এই অপৰাধত লিপ্ত হ'ব। পৃথিৱীত কোনেও এই দৃষ্টান্ত দেখুৱাব নোৱাৰে যে খোদা তা'লা কোনো এক জামাত বা জাতিক কোনো ঘৃণনীয় কাম কৰিবলৈ নিষেধ কৰিলে, সকলোৱে তাৰ পৰা বিৰত থাকে; বৰং সিহঁতৰ কোনো কোনোৱে এই ঘৃণনীয় কৰ্মত লিপ্ত থাকে যেনে, আল্লাহ্ তা'লা তৌৰাত গ্ৰন্থত ইহুদী সকলক এই আদেশ দিছে যে তোমালোকে তৌৰাতক বিকৃত নকৰিবা। এই আদেশৰ ফলত দেখা গ'ল কোনো কোনো ইহুদীয়ে তৌৰাত গ্ৰন্থখনক

বিকৃত কৰিলে। কিন্তু পৱিত্ৰ কোৰাণ শ্বৰীফত আল্লাহ তা'লাই মুছলমান সকলক পৱিত্ৰ কোৰাণ শ্বৰীফক বিকৃত কৰিবলৈ আদেশ দিয়া নাই; বৰং এই কথাৰ উল্লেখ আছে যে,

إِنَّا نَحْنُ نَزَّلْنَا الذِّكْرَ وَإِنَّا لَهُ لَحٰفِظُونَ ۝١٠ (15:10)

অনুবাদ ঃ নিশ্চয় আমি কোৰাণ শ্বৰীফ অৱতীৰ্ণ কৰিছোঁ আৰু আমিয়েই ইয়াৰ সংৰক্ষণ কৰিম। (চুৰা আল হিজৰ আয়াত ১০)

এই কাৰণে পৱিত্ৰ কোৰাণ শ্বৰীফ বিকৃতৰ পৰা ৰক্ষা পাইছে। আচল কথা হ'ল যে ই খোদা তা'লাৰ চিৰন্তন নিয়ম যে যেতিয়া কোনো ঐশ্বৰিক গ্ৰন্থত কোনো জাতিক বেয়া কাম কৰিবলৈ নিষেধ কৰা হয় আৰু পুণ্য কামৰ আদেশ দিয়া হয় তেতিয়া নিশ্চয় কোনো কোনো লোকে ইয়াৰ বিৰুদ্ধাচৰণও কৰে। এই কাৰণে চুৰা ফাতিহাত এই কথা কোৱা হৈছে যে তোমালোকে এই দোৱা কৰা যেন সেই সকল ইহুদীত পৰিণত নোহোৱা যিসকলে হজৰত ঈছা (আঃ)ক ক্ৰুছত হত্যা কৰিব বিচাৰিছিল, যাৰ বাবে সিহঁতৰ ওপৰত ঐশ্বৰিক ক্ৰোধ অৱতীৰ্ণ হৈছিল। ইয়াৰ পৰা স্পষ্ট বুজা যায় যে এয়া খোদা তা'লাৰ নিৰ্ধাৰিত আছিল যে এই উম্মতৰ কিছু কিছু নামধাৰী আলিম সকলে নিজৰ দুষ্কৃতি কৰে আৰু যুগৰ মছীহক মিছলীয়া বুলি প্ৰত্যাখান কৰাৰ বাবে ইহুদী পোছাক পৰিধান কৰিব; নহলে এই অযথা দোৱা শিকাৰ প্ৰয়োজন নাছিল। এই উম্মতৰ আলিম সকল সেই ইহুদীত পৰিণত হ'ব নোৱাৰে যিসকলে বনি ইস্ৰাইল বংশৰ আৰু মৰিয়মৰ পুত্ৰ ঈছা (আঃ)ক ( যি দীৰ্ঘদিন ধৰি পৃথিৱীৰ পৰা বিদায় মাগিছে) ক্ৰুছবিদ্ধ কৰিব বিচাৰিব; কাৰণ এই যুগত সেই ইহুদীসকলও ধৰাপৃষ্ঠত বিদ্যমান নাই আৰু সেই ঈছা (আঃ)ও বিদ্যমান নাই। এই কাৰণে ই স্পষ্ট যে উক্ত আয়াতত এই ভৱিষ্যদ্বাণীৰ ইঙ্গিত কৰে যে শেষ যুগত এই উম্মতত ঈছা মছীহ (আঃ)ৰ সদৃশ এজন ব্যক্তি প্ৰেৰিত হ'ব আৰু তেতিযা কোনো কোনো মুছলিম আলিম সেই ইহুদী আলিমৰ নিচিনা মছীহ (আঃ)ক কষ্ট আৰু গালি-শপনি দিব; যিসকলে হজৰত ঈছা

(আঃ)ক কষ্ট আৰু গালি-শপনি দিছিল; বৰঞ্চ ছহী হাদীছ অনুসৰি ইহুদী হোৱাৰ অৰ্থ ইহুদীসকলৰ বেয়া চৰিত্ৰ আৰু কু-অভ্যাস মুছলিম আলিম সকলৰ মাজত সৃষ্টি হ'ব। যদিও তেওঁ লোক বাহ্যিক ৰূপে মুছলমান বুলি পৰিগণিত হ'ব। কিন্তু তেওঁলোকৰ হৃদয় বিকৃত হৈ সেই সকল ইহুদীৰ ৰঙত ৰঙীণ হ'ব যিসকলে হজৰত ঈছা (আঃ)ক কষ্ট দি ঐশ্বৰিক কোপগ্ৰস্ত হৈছিল। যিহেতু এইসকল লোক ইহুদী হ'ব যিসকল মুছলমান ৰূপে পৰিচিত। সেই কাৰণে এই মৃত উম্মতৰ বাবে এয়া অমান্যকৰ নহ'বনে যে ইহঁতকো ইহুদী ৰূপে সাব্যস্ত কৰা হ'ব; কিন্তু যি মছীহ ইহঁতকসংশোধন কৰিব সি আন জাতিৰ পৰা আগমন কৰিব। ই প্ৰত্যক্ষ ভাৱে পৱিত্ৰ কোৰাণ শ্বৰীফৰ উদ্দেশ্যৰ বিপৰীত; কাৰণ কোৰাণ শ্বৰীফত কেৱল মাত্ৰ বেয়াৰ নহয়, বৰঞ্চ প্ৰত্যেক উত্তম আৰু বেয়াৰ ক্ষেত্ৰত মহম্মদী ছিলছিলাক মুছায়ী ছিলছিলাৰ সৈতে তুলনা কৰিছে। তদুপৰি غَيْرِ الْمَغْضُوْبِ عَلَيْهِمْ আয়াতৰ স্পষ্ট উদ্দেশ্য এই যে সেইসকল মানুহ এই কাৰণে ইহুদী বুলি প্ৰচলিত হ'ব যে সিহঁতে খোদাৰ প্ৰত্যাদিষ্ট মহাপুৰুষ যি তেওঁলোকৰ সংশোধনৰ নিমিত্তে আৱিৰ্ভুত হ'ব, তেওঁক তাচ্ছিল্য ভাৱে মিছলীয়া বুলি প্ৰত্যাখান কৰিব আৰু নিজ ক্ৰোধাগ্নি প্ৰজ্জ্বলিত কৰি হত্যা কৰিবলৈ উদ্যত হ'ব। এই কাৰণে তেওঁলোক আকাশত এই বিলাক ইহুদীৰ নিচিনা مَغْضُوْبِ عَلَيْهِمْ বুলি গন্য হ'ব যিসকলে হজৰত ঈছা (আঃ)ক প্ৰত্যাখ্যান কৰিছিল। অৱশেষত এই প্ৰত্যাখানৰ পৰিণতিত ইহুদী সকলৰ মাজত ভয়ঙ্কৰ প্লেগ ৰোগৰ প্ৰাদুৰ্ভাৱ হৈছিল। আনকি সম্ৰাট টাইটাচৰ হাতত তেওঁলোক পৰাস্ত হৈছিল। গতিকে غَيْرِ الْمَغْضُوْبِ عَلَيْهِمْ আয়াতৰ পৰা স্পষ্ট প্ৰতীয়মান হয় যে পৃথিৱীত সেই ইহুদী সদৃশ মুছলিমৰ ওপৰত এক ভয়াবহ ক্ৰোধ অৱতীৰ্ণ হ'ব; কাৰণ পৰকালৰ ক্ৰোধত প্ৰত্যেক কাফিৰ (অবিশ্বাসী) অংশীদাৰ হ'ব আৰু সেই ফালৰ পৰা مَغْضُوْبِ عَلَيْهِمْ অৰ্থাৎ কোপগ্ৰস্ত হ'ব। তেন্তে কি কাৰণত খোদা তা'লা উক্ত আয়াতত ইহুদী সকলক مَغْضُوْبِ عَلَيْهِمْ নামাকৰণ কৰিছে; যিসকলে হজৰত ঈছা (আঃ)ক

ক্ৰুছত হত্যা কৰিব বিচাৰিছিল আৰু নিজৰ ধাৰণা অনুসৰি হত্যা কৰিছিল বুলি প্ৰচাৰ কৰিছিল ? এই কাৰণে আমি মনত ৰখা উচিত যে এই বিলাক ইহুদীক مَغۡضُوۡبِ عَلَيۡهِمۡ ৰ অন্তৰ্ভুক্ত এই কাৰণেই কৰা হৈছিল যে পৃথিৱীত তেওঁলোকৰ ওপৰত ঐশ্বৰিক ক্ৰোধ অৱতীৰ্ণ হৈছিল। সেই বাবে এই উম্মতক চুৰা ফাতিহাত এই প্ৰাৰ্থনা শিকোৱা হৈছে যে হে খোদা ! ইয়াকে কৰা যাতে আমি ইহুদীত পৰিণত নহওঁ। এয়া আছিল এক ভৱিষ্যদ্বাণী। ইয়াৰ অৰ্থ এয়েই আছিল যে যেতিয়া এই উম্মতৰ মছীহ প্ৰেৰিত হ'ব। তেতিয়া তাৰ প্ৰতিদ্বন্দ্বিতাত সেই ইহুদীও সৃষ্টি হ'ব যিসকলৰ ওপৰত ঐশ্বৰিক ক্ৰোধ অৱতীৰ্ণ হ'ব। গতিকে দোৱাৰ তাৎপৰ্য্য এয়ে অনিবাৰ্য্য যে তোমালোকৰ মাজৰ পৰাও এজন মছীহৰ জন্ম হ'ব আৰু তাৰ বিৰোধীতাত ইহুদীৰো জন্ম হ'ব; যিসকলৰ ওপৰত ঐশ্বৰিক ক্ৰোধ এই পৃথিৱীতেই অৱতীৰ্ণ হ'ব। এই কাৰণে কেৱল দোৱা কৰি থকা যাতে তোমালোকৰ ওপৰত এই ঐশ্বৰিক গজব (ক্ৰোধ) নহয় আৰু তোমালোক সেই ইহুদীত পৰিণত নোহোৱা।

এই কথা স্মৰণ যোগ্য যে বিনা চৰ্তে প্ৰত্যেক কাফিৰ পৰকালত ঐশ্বৰিক ক্ৰোধৰ পাত্ৰ হ'ব। কিন্তু এই ক্ষেত্ৰত ক্ৰোধৰ অৰ্থ ইহকালৰ গজব যি কেৱল অপৰাধীক শাস্তি দিয়াৰ বাবে এই পৃথিৱীতেই অৱতীৰ্ণ হৈ থাকে। যিসকল লোকে হজৰত ঈছা (আঃ)ক কষ্ট দিছিল; কোৰাণ শ্বৰীফৰ ভাষাত কোপগ্ৰস্ত বুলি স্বীকৃত হৈছিল; তেওঁলোকেই সেই ইহুদী যি সকলৰ ওপৰত এই পৃথিৱীত ঐশ্বৰিক গজব (ক্ৰোধ) অৱতীৰ্ণ হৈছিল। প্ৰথমে যিসকল অৱশিষ্ট আছিল, সিহঁতে ৰোম সম্ৰাট টাইটাচৰ কঠোৰ শাস্তিত দেশৰ পৰা বহিষ্কাৰ হৈছিল। এই কাৰণে غَيۡرِ الۡمَغۡضُوۡبِ عَلَيۡهِمۡ আয়াতত এই মহান ভৱিষ্যদ্বাণী নিহিত আছে যে মুছলমান সকলৰ মাজত যিসকলে ইহুদী বুলি আখ্যায়িত হ'ব; তেওঁলোকেও এজন মছীহক প্ৰত্যাখান কৰিব, যিজন পূৰ্বৰ মছীহ ৰূপে আগমন কৰিব। অৰ্থাৎ তেওঁ যুদ্ধও নকৰিব আৰু তৰোৱালও ধাৰণ নকৰিব; বৰঞ্চ পৱিত্ৰ শিক্ষা আৰু ঐশ্বৰিক নিৰ্দেশনাৱলীৰ মাধ্যমত ধৰ্মক সম্প্ৰসাৰিত কৰিব,

এই শেষ মছীহৰ প্ৰত্যাখানৰ পাছত পৃথিৱীত প্লেগ বিস্তৃত হ'ব আৰু সেই সকলো কথা পূৰ্ণ হ'ব, যি আদিৰে পৰা নবী সকলে কৈ আহিছে। শেষ যুগত সেই মৰিয়মৰ পুত্ৰ মছীহ পুনৰ পৃথিৱীলৈ আগমণ কৰাৰ কু-ধাৰণাটো পৱিত্ৰ কোৰাণ শ্বৰীফৰ মূল বিৰোধী। যি ব্যক্তিয়ে পৱিত্ৰ কোৰাণ শ্বৰীফ খোদাভীৰু, ঈমান (বিশ্বাস), ইনছাফ (ন্যায়) আৰু সূক্ষ্ম বিচাৰ বুদ্ধিৰ দৃষ্টিত দেখিব, তেওঁৰ ওচৰত দিবালোকৰ নিচিনা পৰিষ্কাৰ হ'ব যে কাদিৰ কৰীম খোদাবন্দ এই মহম্মদী উম্মতক হুবহু মুছায়ী উম্মতৰ তুল্য কৰি সৃষ্টি কৰিছে। অৰ্থাৎ উম্মতে মুহাম্মদীয়াক উত্তম বিষয়ৰ তুলনাত উত্তম আৰু বেয়া বিষয়ৰ তুলনাত বেয়া প্ৰতিদান প্ৰদান কৰিছে। এই উম্মতৰ এনে বহুত লোক আছে, যিসকলে বনি ইস্ৰাইলৰ নবীসকলৰ সদৃশ আৰু এনে কোনো কোনো লোক مَغْضُوْبِ عَلَيْهِمْ ইহুদী সকলৰ সদৃশ। উদাহৰণস্বৰূপ ধৰা হ'ল কোনো এখন গৃহত উত্তম, মনোৰম আৰু সু-সজ্জিত কোঠা আছে, য'ত ক্ষমতাৱান আৰু সংস্কৃতি সম্পন্ন লোকৰ বাসস্থান আৰু গৃহ মনৰ আন অংশত শৌচাগাৰ আৰু নৰ্দমা মুক্ত। গৃহৰ গৰাকীয়ে বিচাৰিলে যে উক্ত প্ৰাসাদৰ সদৃশ আন এখন নিৰ্মাণ কৰিব য'ত পূৰ্বৰ প্ৰাসাদৰ সমূহ আচবাব পত্ৰ নব নিৰ্মিত প্ৰাসাদটো থাকে। গতিকে এই দ্বিতীয় প্ৰাসাদ খন হ'ল ইছলামৰ প্ৰাসাদ। প্ৰথম প্ৰাসাদখন বনি ইস্ৰাইলৰ আছিল। দ্বিতীয়খন কোনো ক্ষেত্ৰতেই প্ৰথনখনৰ মুখাপেক্ষী নহয় আৰু এই উম্মতো কোনো ইস্ৰাইলী নবীৰ মুখাপেক্ষী নহয়; আনকি পৱিত্ৰ কোৰাণ শ্বৰীফত তৌৰাতৰ মুখাপেক্ষী নহয়। এই উম্মতৰ বাবে আগমন কৰা প্ৰত্যেক কামিল পুৰুষ হজৰত মহম্মদ (ছাঃ)ৰ কল্যাণত লালিত-পালিত আৰু অনুধাৱনৰ যোগ্য তাৰ মহম্মদী ওহীৰ প্ৰতিচ্ছায়া। কিন্তু পৰিতাপৰ বিষয় এয়া যে আমাৰ বিৰুদ্ধবাদী সকলে হজৰত ঈছা (আঃ)ক পুনৰ পৃথিৱীলৈ অৱতীৰ্ণ কৰি আছে। সিহঁতে অনুধাবন নকৰে ইয়াৰ অৰ্থ ইছলাম যাতে সাদৃশ্যৰ গৌৰৱ অৰ্জন নকৰে; আনকি এই উম্মতৰ সংশোধনৰ নিমিত্তে কোনো ইস্ৰাইলী নবীৰ আগমন হোৱাৰ দৰে লাঞ্ছনা নাপায়।

তদুপৰি খোদাৰ গ্ৰন্থত যাৰ কোনো উপমা নাই এনে অযথা বিশ্বাসৰ ওপৰত জোৰ দিয়া একান্ত নিৰ্থক কাম। পৱিত্ৰ কোৰাণ শ্বৰীফত সন্নিবিষ্ট আছে যে হজৰত মহম্মদ (ছাঃ)ক আকাশত উঠি যোৱাৰ বাবে আবেদন কৰা হৈছিল। কিন্তু সেয়া এই বুলি প্ৰত্যাখান কৰা হৈছিল যে,

قُلْ سُبْحَانَ رَبِّيْ هَلْ كُنْتُ اِلَّا بَشَرًا رَّسُوْلًا ۝٩٤

(17:94)

অনুবাদ ঃ তুমি কোৱা (হে মহম্মদ) মোৰ প্ৰভু পৰম পৱিত্ৰ; মই (আল্লাহৰ প্ৰেৰিত) ৰছুল হৈ অহা এজন মানুহ মাত্ৰ। (চুৰা বনি ইস্ৰাইল আয়াত ৯৪)

তেন্তে হজৰত ঈছা (আঃ)এজন মানৱ ৰছুল নাছিলনে যাক কোনো আবেদন নোহোৱাকৈ আকাশত উঠাই নিয়া হৈছে ? পৱিত্ৰ কোৰাণ শ্বৰীফত কেৱল মাত্ৰ **ৰাফা ইলাল্লাহ** (আল্লাহৰ পিনে আধ্যাত্মিক উন্নতি লাভ) প্ৰমাণিত হয়। কিন্তু ৰাফা ইলাচ্ছামায়ে (আকাশৰ ফালে উন্নীত হোৱা অনুবাদক) প্ৰমাণিত নহয়। ইহুদীসকলৰ আপত্তি এয়া আছিল যে যি ব্যক্তিক ক্ৰুছত উঠোৱা হয় সি অন্যান্য নবীসকলৰ নিচিনা খোদাৰ পিনে আধ্যাত্মিক ভাৱে উন্নীত সাধন নহয়। এয়া খণ্ডন যোগ্য আছিল।

কিন্তু পৱিত্ৰ কোৰাণ শ্বৰীফৰ কোন স্থানত এই আপত্তিৰ খণ্ডন কৰিছে ? অৰ্থাৎ এই সমগ্ৰ বিবাদৰ মূল বিষয় বস্তু এয়েই আছিল যে ইহুদীসকলে হজৰত ঈছা (আঃ)ক্ৰুছত নিহত বুলি কৈছিল আৰু যি ব্যক্তি ক্ৰুছত নিহত হয়; তেওঁ খোদা তা'লাৰ পিনে উন্নীত নহয়। এই কাৰণে হজৰত ঈছা (আঃ) অন্যান্য নবীসকলৰ নিচিনা আধ্যাত্মিক ভাৱে আল্লাহৰ পিনে উন্নীত হোৱা নাই। তেখেত (আঃ) এজন মোমিনও নহয় (নাজাত) মুক্তি প্ৰাপ্তও নহয়। আনহাতে পৱিত্ৰ কোৰাণ যিহেতু পূৰ্বৱতী কাজিয়া-বিবাদৰ মীমাংসা কৰাৰ দায়িত্ব প্ৰাপ্ত; সেই বাবে হজৰত ঈছা (আঃ)ও অন্যান্য নবীসকলৰ নিচিনা আধ্যাত্মিক উন্নীত লাভ কৰিছে বুলি সিদ্ধান্ত দান কৰিছে; কিন্তু কতো বিৰোধীতাৰ মীমাংসা কৰা নাই। খোদা তা'লা যদি এইবোৰ আয়াতত বিৰোধীতাৰ মীমাংসা

কৰি নাথাকে; তেন্তে ক'ত ইয়াৰ মীমাংসা কৰিছে? নাউজুবিল্লাহ আল্লাহৰ প্ৰতি এনে ভুল ধাৰণা আৰোপ কৰা যায়নে যে ইহুদীসকলৰ বিবাদ আছিল আধ্যাত্মিক উন্নতি লাভ কৰা; কিন্তু খোদা তা'লা কয় যে হজৰত ঈছা (আঃ) সশৰীৰত উঠি দ্বিতীয় আকাশত বহি আছে? উল্লেখ থাকে যে মুক্তি লাভৰ উদ্দেশ্যত সশৰীৰত আকাশত যোৱাৰ চৰ্ত নহয়, কেৱল মাত্ৰ আধ্যাত্মিক উন্নতি লাভৰ হে চৰ্ত।

এই কাৰণে এই ক্ষেত্ৰত বিবাদৰ মীমাংসাৰ বাবে ইয়াকে কোৱা উচিত আছিল যে হজৰত ঈছা (আঃ)য়ে আধ্যাত্মিক ভাৱে উন্নীত হোৱাৰ সৌভাগ্য অৰ্জন কৰিছে। ইয়াৰ উপৰিও পৱিত্ৰ কোৰাণ শ্বৰীফত "ৰাফা" ৰ পূৰ্বে "তাওৱাফ্‌ফা" শব্দটো ব্যৱহাৰে ইয়াক প্ৰমাণ কৰে যে এয়া সেই "ৰাফা" যি মৃত্যুৰ পাছত মোমিনৰ নচিবত হয়। "তাওৱাফ্‌ফা" শব্দৰ অৰ্থ হজৰত ঈছা (আঃ)ক জীৱিত অৱস্থাত সশৰীৰত আকাশত উঠোৱা ইহুদীসকলৰ দৰে কোৰাণ শ্বৰীফ বিকৃত কৰা। পৱিত্ৰ কোৰাণ শ্বৰীফ আৰু সকলো হাদীছ গ্ৰন্থত "তাওৱাফ্‌ফা" শব্দটো দেহৰ পৰা আত্মাক বিচ্ছিন্ন কৰাৰ অৰ্থে ব্যৱহাৰ কৰা হৈছে। এই শব্দ কতো কোনো ব্যক্তিক জীৱিত অৱস্থাত সশৰীৰত আকাশত উঠোৱা অৰ্থত ব্যৱহাৰ হোৱা নাই। তদুপৰি এই অৰ্থ গ্ৰহণ কৰিলে বিতৰ্ক হয় যে পৱিত্ৰ কোৰাণ শ্বৰীফত হজৰত ঈছা (আঃ)ৰ মৃত্যু সম্বন্ধে কতো উল্লেখ নাই যে কেতিয়াও মৃত্যু বৰণ নকৰে। কাৰণ যি স্থানত হজৰত ঈছা (আঃ)ৰ মৃত্যু সম্পৰ্কে "তাওৱাফ্‌ফা" শব্দ থাকিব তাত হজৰত ঈছা (আঃ)য়ে সশৰীৰত আকাশত উঠি গৈছে বা যাব অৰ্থ কৰিব লাগিব। তেনেহলে কেনেকৈ হজৰত ঈছা (আঃ)ৰ মৃত্যু প্ৰমাণিত হ'ব?

তদুপৰি যদি মানুহে পৃথিৱীত পুনৰ আগমন কৰিব পাৰে তেনেহলে খোদা তা'লা হজৰত ঈছা (আঃ)ক কিয় ইহুদীসকলৰ আগত লজ্জিত কৰিলে? কাৰণ ইহুদীসকলে প্ৰমাণ উত্থাপন কৰিছিল যে আমি তোমাক সত্য মছীহ বুলি মানিব নোৱাৰো কাৰণ মালাকী নবীৰ গ্ৰন্থত যাৰ আগমনৰ ভৱিষ্যদ্বাণী সন্নিবিষ্ট

আছে, তাৰ পূৰ্বে নিশ্চয় হজৰত ইলিয়াচ নবী পৃথিৱীত আগমন কৰিব। কিন্তু তেওঁ এতিয়ালৈকে পৃথিৱীত আগমন কৰা নাই। তেতিয়া হজৰত মছীহ (আঃ)য়ে উত্তৰ দিলে, সেই আগমনকাৰী সকলে তেওঁক ইয়াহিয়া নবী বুলি সম্বোধন কৰে। উক্ত উত্তৰত ইহুদী সকলে বৰকৈ অসন্তুষ্ট হ'ল আৰু হজৰত ঈছা (আঃ)ক আল্লাহৰ প্ৰতি মিছা আৰোপকাৰী আৰু মিছলীয়া বুলি সাব্যস্ত কৰিলে। প্ৰকৃততে যিসকলে নিজৰ গ্ৰন্থসমূহত (যাৰ কিছুমান গ্ৰন্থ মোৰ ওচৰত আছে) হজৰত ঈছা (আঃ)ক মিছলীয়া বুলি প্ৰত্যাখান কৰে আৰু লিখে যে যদি খোদা তা'লা কিয়ামতৰ দিন আমাক প্ৰশ্ন কৰে তোমালোকে কিয় এই ব্যক্তিক গ্ৰহণ কৰা নাছিলা ? তেতিয়া আমি মালাকী নবীৰ গ্ৰন্থ সন্মুখত ৰাখি উত্তৰ দিম, যেতিয়ালৈকে ইলিয়াচ নবী পুনৰ পৃথিৱীত আগমন নকৰে, তেতিয়ালৈকে বনি ইস্ৰাইলৰ সৈতে প্ৰতিশ্ৰুতিবদ্ধ নবী দ্বিতীয়বাৰ পৃথিৱীত আগমন কৰা নাই। আমাক এই কথা কোৱা নাছিল যে যেতিয়ালৈকে ইলিয়াচৰ সাদৃশ্যপূৰ্ণ কোনো ব্যক্তি আগমন নকৰে তেতিয়ালৈকে সত্য মছীহ আগমন নকৰে। বৰঞ্চ আমাক কোৱা হৈছিল যে সত্য মছীহৰ পূৰ্বে যথাৰ্থ ভাৱে ইলিয়াচৰ পুনৰাগমন জৰুৰী। কিন্তু সেই কথা পূৰ্ণ হোৱা নাই। ইয়াৰ পাছত এই বিজ্ঞ ইহুদী যাৰ পুস্তক মোৰ ওচৰত আছে তেওঁ নিজ যুক্তিৰে অতি গৰ্বৰ সৈতে জনসাধাৰণৰ ওচৰত আবেদন কৰে যে আল্লাহৰ প্ৰতি এনে মিছা আৰোপকাৰীক কোনোৱে গ্ৰহণ কৰিবনে যি ৰূপকৰ মাধ্যমত কাম কৰে আৰু নিজ গুৰু ইউহান্নাক অযথা ইলিয়াচ প্ৰতিপন্ন কৰে ? তাৰ পিছত উক্ত ইহুদীজনে বৰ উত্তেজনা প্ৰকাশ কৰে আৰু এনেকুৱা বিদ্ৰূপাত্মক আৰু তাচ্ছিল্য পূৰ্ণ ভাষাত মছীহ সম্পৰ্কে বৰ্ণনা কৰে যে ইয়াত মই সেয়া উদ্ধৃত কৰিবলৈ অক্ষম। যদি পৱিত্ৰ কোৰাণ অৱতীৰ্ণ নহ'লহেঁতেন তেন্তে বাহ্যিক ভাৱে ইহুদী সকলক সত্যবাদী বুলি ধাৰণা হ'লহেঁতেন; কাৰণ মালাকী নবীৰ গ্ৰন্থত প্ৰকৃতপক্ষে এই কথাৰ উল্লেখ নাই যে সঁচাকৈয়ে মছীহৰ পূৰ্বে ইলিয়াচৰ সাদৃশ্যপূৰ্ণ কোনো ব্যক্তিৰ আগমন হ'ব; বৰঞ্চ স্পষ্ট ভাৱে লিখা আছে যে মছীহৰ পূৰ্বে

স্বয়ং ইলিয়াচৰ পুনৰাগমন জৰুৰী। এনে অৱস্থাত যদিও খ্ৰীষ্টান সকলে হজৰত মছীহৰ ঈশ্বৰত্বৰ বাবে ক্ৰন্দন কৰে, অথচ তাৰ নবুয়ত প্ৰমাণিত হোৱা অসম্ভৱ; বৰঞ্চ ইহুদীসকলক সঠিক বুলি ধাৰণা হয়। গতিকে খ্ৰীষ্টান সকলৰ ওপৰত পবিত্ৰ কোৰাণ শ্বৰীফৰ এই অনুগ্ৰহ আছে যে ই মছীহৰ সত্যতা প্ৰকাশ কৰিছে।

এই ক্ষেত্ৰত এটা প্ৰশ্ন উদয় হয় যে যি অৱস্থাত মালাকী নবীৰ গ্ৰন্থত স্পষ্ট ভাষাত লিখিত আছে যে যেতিয়ালৈকে ইলিয়াচ নবী পৃথিৱীত পুনৰাগমন নকৰে তেতিয়ালৈকে বনি ইস্ৰাইলৰ সৈতে প্ৰতিশ্ৰুত সেই সত্য মছীহ পৃথিৱীত আগমন নকৰিব। তেনেহলে হজৰত মছীহক গ্ৰহণ নকৰি তেওঁক কাফিৰ, ধৰ্মত্যাগী আৰু ধৰ্মহীন আখ্যা দি ইহুদীসকলে অপৰাধ কৰিছিল নে ? সিহঁতৰ সৎ উদ্দেশ্যৰ সমৰ্থনত এয়াই যথেষ্ট নহয় নে ? সিহঁতে আল্লাহৰ গ্ৰন্থৰ দলিল অনুসৰি আমল কৰিছিল নে ? হয় যদি মালাকী নবীৰ গ্ৰন্থত ইলিয়াচৰ সদৃশ কোনো ব্যক্তিৰ আগমনৰ কথা উল্লেখ থাকিলেহেঁতেন তেন্তে ইহুদীসকল কোপগ্ৰস্ত হ'ব পাৰিলেহেঁতেন। কাৰণ ইয়াহিয়া নবীক ইলিয়াচ সদৃশ আখ্যায়িত কৰা বৰ বিতৰ্কযোগ্য নহয়।

ইয়াৰ উত্তৰ এই যে ইহুদীসকলে ভালকৈ অৱগত আছে যে কোনো ব্যক্তি পৃথিৱীলৈ পুনৰাগমনৰ আল্লাহৰ কোনো বিধান নাই আৰু পূৰ্বৰ পৰা ইয়াৰ কোনো দৃষ্টান্তও নাই। এয়া কেৱল ৰূপক আছিল। আল্লাহৰ গ্ৰন্থসমূহত এনে শ শ ৰূপক ব্যৱহৃত হয়। এনে ৰূপক সম্পৰ্কে ইহুদীসকল অজ্ঞ আছিল। তদুপৰি হজৰত ঈছা (আঃ)ৰ সৈতে ঐশ্বৰিক সমৰ্থনো যুক্ত হৈছিল আৰু তাৰ সঠিক অন্তঃদৃষ্টিৰ বাবে প্ৰচুৰ ধন ভঁৰাল আছিল। ইহুদীসকলে সেইবোৰ চিনাক্ত কৰিব পাৰিলেহেঁতেন আৰু সেইবোৰৰ ওপৰত ঈমান আনিব পাৰিলেহেঁতেন। কিন্তু সিহঁতে দিনক দিনে সিহঁতৰ দুষ্টামী আৰু দুষ্কৃতি বৃদ্ধি কৰি থাকিল। যি জ্যোতি সত্যবাদীসকলৰ মাজত নিহিত থাকে সেয়া নিশ্চয় সিহঁতে হজৰত ঈছা (আঃ)ৰ মাজত প্ৰত্যক্ষ কৰিছিল অথচ হিংসা, বিদ্বেষ,

কৃপণতা আৰু বদমাচিৰ পৰা মুক্ত নহ'ল। কিন্তু স্মৰণ ৰখা উচিত যে এই প্ৰশ্ন কেৱল ইহুদীসকলৰ বাবেহে প্ৰযোজ্য, যিসকলে প্ৰথম বাৰৰ বাবে এই পৰীক্ষাৰ সন্মুখীন হৈছিল। কিন্তু মুছলমান সকলে যদি তাকওৱা (খোদাভীতি) অৱলম্বন কৰিলেহেঁতেন, তেনেহলে কোৰাণ শ্বৰীফৰ এই পৰীক্ষাৰ পৰা সিহঁত ৰক্ষা পালেহেঁতেন। কাৰণ পৱিত্ৰ কোৰাণ শ্বৰীফে স্পষ্ট ভাষাত কৈ দিছিল যে হজৰত ঈছা (আঃ)য়ে স্বাভাৱিক মৃত্যু বৰণ কৰিছে। কেৱল এয়াই নহয় বৰঞ্চ চুৰা মাইদাত দ্ব্যৰ্থহীন ভাৱে বুজাই দিয়া হৈছে যে তেখেত (আঃ)পুনৰাগমন নকৰে। কিয়নো "ফালাম্মা তাওৱাফ্‌ফায়তানি" আয়াতত কোৱা হৈছে যে কিয়ামতৰ দিন আল্লাহ তা'লা হজৰত ঈছা (আঃ)ক সুধিব যে তুমি ইয়াকে কৈছিলা নে যে মোক আৰু মোৰ মাতৃক খোদা ৰূপে মান্য কৰা ? তেতিয়া হজৰত ঈছা (আঃ)য়ে উত্তৰ দিব, হে মোৰ প্ৰভু ! যদি মই ইয়াকে কলোহেঁতেন তেন্তে তুমি নিশ্চয় জানিলাহেঁতেন; কাৰণ তোমাৰ অজ্ঞাতে একো নাই। মই কেৱল এয়া কৈছিলোঁ যাৰ আদেশ তুমি দিছিলা। তাৰ পাছত যেতিয়া তুমি মোৰ মৃত্যু ঘটালা তেতিয়াৰ পৰা তুমিয়েই সিহঁতৰ তত্ত্বাৱধায়ক আছিলা। মই সিহঁতৰ বিষয়ে একোৰে নাজানো। এতিয়া এয়া স্পষ্ট যে যদি এই কথা সত্য হয় যে হজৰত ঈছা (আঃ)কিয়ামতৰ পূৰ্ব্বে পুনৰ পৃথিৱীলৈ আগমন কৰিব, চল্লিশ বছৰ পৃথিৱীত অৱস্থান কৰিব আৰু খ্ৰীষ্টান সকলৰ সৈতে যুদ্ধ কৰিব তেনেহলে কিয়ামতৰ দিন কেনেকৈ ক'ব যে যেতিয়া তুমি মোৰ মৃত্যু ঘটালা ইয়াৰ পাছত সিহঁতে কোন পথ অৱলম্বন কৰিছিল মই জানো নে ? যদি হজৰত ঈছা (আঃ)য়ে এই কথা কয় যে মই নাজানো তেনেহলে ইয়াতকৈ ডাঙৰ মিছলীয়া পৃথিৱীত আন কোনো নাই। কাৰণ যি ব্যক্তিয়ে এয়া জানে যে তেওঁ পৃথিৱীত পুনৰাগমন কৰিছিল আৰু খ্ৰীষ্টানসকলে তেওঁৰ সৈতে যুদ্ধ কৰা প্ৰত্যক্ষ কৰিছিল। তদুপৰি খোদা তা'লাৰ ওচৰত অস্বীকাৰ কৰিছে যে মই একো নাজানো, মোৰ পাছত সিহঁতে কি কৰিছিল ? তেওঁতকৈ ডাঙৰ মিছলীয়া কোন হ'ব পাৰে ? প্ৰকৃততে তেওঁ ক'ব লাগিছিল যে হয় মোৰ প্ৰভু!

মই খ্ৰীষ্টান সকলৰ অজ্ঞতাৰ বিষয়ে সামান্য জ্ঞাত আছো। কাৰণ মই দ্বিতীয়বাৰ পৃথিৱীলৈ আহি চল্লিশ বছৰ অৱস্থান কৰিছিলোঁ; আৰু ক্ৰুছ ভাঙিছিলোঁ। গতিকে মোৰ কোনো অপৰাধ নাই। যেতিয়া মই জানিব পাৰিলো যে সিহঁত মুশৰীক (মূতি পূজাৰী) তেতিয়া সিহঁতৰ শত্ৰু হলো; বৰঞ্চ যিহেতু কিয়ামতৰ পূৰ্ব্বে হজৰত ঈছা (আঃ) চল্লিশ বছৰ পৰ্যন্ত পৃথিৱীত অৱস্থান কৰিব; আৰু সেই বিলাক লোকক শাস্তি প্ৰদান কৰিব যিসকলে তেওঁক খোদা মানিছিল। কাৰণ যিহেতু খোদা তা'লা অৱগত আছে যে এই ব্যক্তি নিজেই উপাস্য হৈছে আৰু মানুহক কঠোৰ শাস্তি প্ৰদান কৰিছিল, গতিকে তেওঁ এই ধৰণৰ প্ৰশ্ন কৰা মৰ্যদাৰ পৰিপন্থী।

আচল কথা হ'ল খোদা তা'লা মুছলমান সকলক যিমানদূৰ সম্ভৱ জনাই দিছে যে হজৰত ঈছা (আঃ) মৃত্যু বৰণ কৰিছে আৰু তেওঁ পৃথিৱীলৈ পুনৰাগমন নকৰে। অৱশ্যে তেখেত (আঃ)ৰ সদৃশ কোনো ব্যক্তিৰ আগমন জৰুৰী হ'ব। যদি এই ধৰণৰ সুস্পষ্ট ব্যাখ্যা মালাকী নবীৰ গ্ৰন্থত থাকিলেহেঁতেন তেন্তে ইহুদী জাতি বিনাশ নহ'লহেঁতেন। গতিকে নিশ্চয় সেইবিলাক লোক ইহুদীতকৈ নিকৃষ্ট যিসকলে খোদাৰ পৱিত্ৰ কালামত ইমান ব্যাখ্যা পোৱা সত্ত্বেও হজৰত ঈছা (আঃ)ক পুনৰাগমনৰ অপেক্ষাত বাট চাই আছে।

তথাপি আমাৰ বিৰোধী মৌলৱী সকলে চকু মুদা কুলিৰ দৰে এই কথা কয় যে হজৰত ঈছা (আঃ) পৃথিৱীত পুনৰাগমন কৰিব; কিন্তু সিহঁতে নাজানে যে হাদীছ শ্বৰীফৰ কোন ঠাইত লিখা আছে যে হজৰত মুহাম্মাদুৰ ৰাছুলুল্লাহ (ছাঃ) খাতামুল আম্বিয়া হোৱা সত্ত্বেও সেই বনি ইস্ৰাইলৰ নবী যাৰ নাম হজৰত ঈছা (আঃ)আৰু যাৰ ওপৰত ইঞ্জিল অৱতীৰ্ণ হৈছিল; সি পুনৰাগমন কৰিব ? যদি ঈছা অথবা ঈছা ইবনে মৰিয়ম প্ৰবঞ্চনাত পৰিব লাগে তেনেহলে চুৰা তাহৰিমত এই উম্মতৰ কোনো কোনো ব্যক্তিৰ নামও ঈছা বা ঈছা ইবনে মৰিয়ম ৰখা হৈছে। কাৰণ যিহেতু খোদা তা'লা উক্ত চুৰাত এই উম্মতৰ কোনো কোনো ব্যক্তিক হজৰত মৰিয়মৰ সৈতে সাদৃশ্য যুক্ত কৰিছে; আৰু

সিহঁতৰ মাজত ৰূহ ফুৎকাৰৰ কথা উল্লেখ কৰিছে। গতিকে ই স্পষ্ট যে সেই ৰূহ যি হজৰত মৰিয়মৰ মাজত ফুঁকি দিয়া হৈছিল, সেয়া হজৰত ঈছা (আঃ) আছিল। ই এই বিষয়ৰ প্ৰতি ইঙ্গিত কৰিছে যে এই উম্মতৰ কোনো ব্যক্তি প্ৰথমে নিজ খোদা প্ৰদত্ত "তাকওৱাৰ" বাবে মৰিয়ম হ'ব তাৰ পাছত ঈছা হ'ব। উদাহৰণস্বৰূপ বাৰাহীনে আহামদীয়াত প্ৰথমে খোদা তা'লা মোৰ নাম মৰিয়ম ৰাখিছে তাৰ পাছত ৰূহ ফুঁকি দিয়াৰ কথা উল্লেখ কৰিছে আৰু অৱশেষত মোৰ নাম ঈছা নামাকৰণ কৰিছে।

হাদীছ গ্ৰন্থত স্পষ্ট লিখা আছে যে হজৰত মহম্মদ (ছাঃ)য়ে মি'ৰাজৰ (আধ্যাত্মিক ভ্ৰমণৰ) ৰাতিত হজৰত ঈছা (আঃ)ক মৃতসকলৰ (ৰূহ)ৰ আত্মাৰ মাজত দেখিছিল। হজৰত মহম্মদ (ছাঃ)য়ে আকাশ পৰ্য্যন্ত উপনীত হৈছিল, কিন্তু কতো ঈছা নামৰ কোনো ব্যক্তিক সশৰীৰত বহি থকা দেখা পোৱা নাছিল। তেখেত (ছাঃ)য়ে কেৱল মৃত ইয়াহিয়াৰ কাষত সেই (ৰূহ) আত্মাক হে দেখিবলৈ পাইছিল। নকলেও হয় যে, জীৱিত সকলে কেতিয়াও মৃতদেহৰ আৱাস্থলত অৱস্থান কৰিব নোৱাৰে। মুঠতে খোদা তা'লা নিজ আয়াতৰ দ্বাৰা হজৰত ঈছা (আঃ)ৰ মৃত্যু সম্বন্ধে সাক্ষ্য দান কৰিছে। আনহাতে হজৰত ৰছুল কৰীম (ছাঃ)য়ে নিজ কাৰ্য্যৰ দ্বাৰা সেই একেই সাক্ষ্য প্ৰদান কৰিছে। যদি এতিয়াও কোনোৱে নুবুজে, তেন্তে স্বয়ং খোদা তেওঁৰ সৈতে বুজা পৰা (বন্দৱস্ত) কৰিব। ইয়াৰ উপৰিও ইহুদীসকলতকৈ এওঁলোকৰ অভিজ্ঞতা বেছি যে, মানুহক দ্বিতীয়বাৰ পৃথিৱীত প্ৰেৰণ কৰা খোদা তা'লাৰ বিধান নহয়। নাইবা হজৰত ঈছা (আঃ)তকৈ হজৰত মহম্মদ (ছাঃ) পৃথিৱীত দ্বিতীয়বাৰ আগমণ কৰাৰ আমাৰ অধিক প্ৰয়োজন আছিল, আৰু ইয়াতেই আমাৰ আনন্দ নিহিত আছিল। কিন্তু "ইন্নাকা মাইয়্যীতুন" (অৰ্থাৎ নিশ্চয় মানুহ মৰণশীল-অনুবাদক) বুলি খোদা তা'লা আমাক এই আশাৰ পৰা বঞ্চিত কৰিছে। কথাটো আমি গভীৰ ভাৱে ভাৱি চোৱা উচিত যে যদি মানুহৰ দ্বিতীয়বাৰ পৃথিৱীত আগমন কৰাৰ পথ মুকলি থাকিলেহেঁতেন, তেন্তে কিছুদিনৰ বাবে

হলেও ইলিয়াচ নবীক আল্লাহ তা'লাই দ্বিতীয়বাৰ পৃথিৱীত প্ৰেৰণ কৰা নাই কিয় ? লাখ লাখ ইহুদীক এই ভাৱে জাহান্নামত নিক্ষেপ কৰিলে কিয় ? অৱশেষত হজৰত মছীহ (আঃ)য়ে এই সিদ্ধান্ত দিলে যে দ্বিতীয়বাৰ আগমনৰ দ্বাৰা কোনো সাদৃশ্যপূৰ্ণ ব্যক্তিৰ আগমনক সুচায়। এই ফয়চলা এতিয়ালৈকে ইঞ্জিল গ্ৰন্থত লিপিবদ্ধ অৱস্থাত বিদ্যমান আছে। এই কাৰণে এবাৰ যি প্ৰশ্নৰ সমাধান হৈছে আৰু যি পথ বিপদজনক প্ৰতীয়মান হৈছে, সেই পথত অগ্ৰসৰ হোৱা বুদ্ধিমানৰ কাম নহয়। ইলিয়াচ নবী পৃথিৱীত দ্বিতীয়বাৰ আগমন কৰাৰ প্ৰতিক্ষাত ইহুদীসকলে জিদ কৰি কুফৰী আৰু লাঞ্ছনাৰ বাহিৰে আন কি কল্যাণ লভিছে ? এই যুগৰ মুছলমান সকলেও সেই কল্যাণ লাভৰ আশা কৰেনে ? যি গাঁতত সোমাই এটা বৃহৎ দল বা জাতি নিহত আৰু ধ্বংসপ্ৰাপ্ত হৈছে, সেই গাঁতত মুছলমান সকলে কিয় হাত দিছে ?
অৰ্থাৎ

**لا يلـدغ المؤمن من جحر واحد مرّتين**

অৰ্থ ঃ মোমিন ব্যক্তি একে গাঁতত দুবাৰ দংশিত নহয়- (অনুবাদক)
উক্ত হাদীছটো মনত নাই নে ? ইয়াৰ পৰা প্ৰতীয়মান হয় যে এওঁলোকে মৃত্যুৰ কথা পাহৰি গৈছে ? সেইসকল মানুহে কিয় দিনত পাঁচ বাৰ নামাজত পাঠ কৰা (2:7) غَيْرِ الْمَغْضُوْبِ عَلَيْهِمْ وَلَا الضَّآلِّيْنَ۝ ৰ তাৎপৰ্য্য চিন্তা নকৰে যে আমাৰ প্ৰিয় নবী হজৰত মহম্মদ (ছাঃ) ৰ মৃত্যুতেও কোনো কোনো চাহাবা (ৰাঃ)ৰ এনেকুৱা ধাৰণা উপজিছিল যে তেখেত (ছাঃ) য়ে পুনৰ পৃথিৱীত আগমন কৰিব। কিন্তু হজৰত আবু বক্কৰ ছিদ্দিক (ৰাঃ)য়ে এই আয়াত পাঠ কৰে।

وَمَا مُحَمَّدٌ اِلَّا رَسُوْلٌ ۚ قَدْ خَلَتْ مِنْ قَبْلِهِ الرُّسُلُ ۭ

(3:145)
অৰ্থ ঃ আৰু মহম্মদ এজন ৰছুল মাথোন; তেওঁৰ পূৰ্বৰ আন সকলো ৰছুল সংসাৰ এৰি গৈছে। (চুৰা আল ইমৰান আয়াত ১৪৫)

হাদীছ পাঠ কৰি উক্ত ধাৰণা নিৰ্মূল কৰি দিছিল আৰু উক্ত আয়াতৰ অৰ্থ বুজাই দিছিল যে এনে কোনো নবী নাই যিয়ে মৃত্যু বৰণ কৰা নাই। গতিকে ইয়াত পৰিতাপ কৰিব লগীয়া একো নাই। এই বিষয় সকলোৰে বাবে অভিন্ন। ই স্পষ্ট যে যদি চাহাবা (ৰাঃ) সকলৰ এই ধাৰণা থাকিলেহেঁতেন যে হজৰত ঈছা (আঃ) ৬০০ (ছয় শ) বছৰ ধৰি আকাশত জীৱিত আছে তেনেহলে সিহঁতে হজৰত আবু বক্কৰ ছিদ্দিক (ৰাঃ)ৰ আগত নিশ্চয় উক্ত ধাৰণা উপস্থাপন কৰিলেহেঁতেন। কিন্তু তাকে নকৰি সকলোৱেই এই আয়াত স্বীকাৰ কৰিলে যে সকলো নবী মৃত্যু বৰণ কৰিছে। যদিও কাৰো মনত এই ধাৰণা আছিল তথাপি পৰিত্যাক্ত বস্তুৰ নিচিনা তাক নিজ হৃদয়ৰ পৰা বাহিৰত নিক্ষেপ কৰিছিল। এই কথা মই এই কাৰণে কৈছো যে হয়তো খ্ৰীষ্টান ধৰ্মৰ সংশ্ৰব আৰু সহচৰ্য্যৰ প্ৰভাৱত কোনো নিৰ্বোধ আৰু কম বুদ্ধি সম্পন্ন ব্যক্তিৰ এনে ধাৰণা উপজিব পাৰে যে হজৰত ঈছা (আঃ) এতিয়াও জীৱিত আছে। কিন্তু নিঃসন্দেহ হজৰত আবু বক্কৰ ছিদ্দিক (ৰাঃ)ৰ উপদেশৰ পাছত সকলো চাহাবা (ৰাঃ)য়ে ঐক্যমত পোষণ কৰিছিল যে আঁহজৰত (ছাঃ)ৰ পূৰ্বৰ সকলো নবীয়েই মৃত্যু বৰণ কৰিছিল। এয়াই আছিল চাহাবা সকলৰ মাজত স্থাপিত হোৱা সৰ্বপ্ৰথম ইজমা (ঐক্যমত)। আঁহজৰত (ছাঃ)ৰ প্ৰেমত যিসকল চাহাবা বিভোৰ আছিল তেওঁলোকে কেনেকৈ ইয়াক মানি ল'ব পাৰে যে সিহঁতৰ সন্মানিত নবী সকলৰ চৰ্দাৰ মহান নবী ৬৪ (চৌষষ্ঠি) বছৰ আয়ু লাভ নকৰিলে অথচ বনি ইস্ৰাইলৰ নবী হজৰত ঈছা (আঃ) ৬০০ বছৰ ধৰি আকাশত সশৰীৰত জীৱিত বহি আছে ? নবী প্ৰেমে সিহঁতক কেতিয়াও হজৰত ঈছা (আঃ)ৰ প্ৰতি বিশেষ ভাৱে এনেকৈ শ্ৰেষ্ঠত্ব আৰোপ কৰি থাকিবলৈ অনুমতি নিদিয়ে। এনেকুৱা বিশ্বাসৰ ওপৰত আল্লাহৰ অভিশাপ, যাৰ দ্বাৰা আঁহজৰত (ছাঃ)ৰ অবমাননা নিশ্চিত হৈ পৰে। এই সকল লোকতো আঁহজৰত (ছাঃ)ৰ প্ৰেমিক আছিল। সিহঁতে এই কথা শ্ৰৱণ কৰিলেই জীৱন্ত মৃত্যুক আকোৱালী ল'বলৈ বাধ্য হ'লহেঁতেন যে সিহঁতৰ প্ৰিয় ৰছুল মৃত্যু বৰণ কৰিছে, কিন্তু ঈছা (আঃ)

আকাশত জীৱিত আছে। সেই ৰছুল কেৱল সিহঁতৰ প্ৰিয় নাছিল বৰঞ্চ স্বয়ং খোদা তা'লাৰ ওচৰতো সকলো নবীতকৈ প্ৰিয় আছিল। এই কাৰণে যেতিয়া খ্ৰীষ্টানসকলে দুৰ্ভাগ্যক্ৰমে হজৰত ঈছা (আঃ)ক গ্ৰহণ নকৰি ইমান উৰ্দ্ধত তুলিলে যে খোদাত পৰিণত হ'ল; তেতিয়া খোদা তা'লা আত্মাভিমানৰ প্ৰেৰণাত মুহাম্মদী দাস সকলৰ মাজৰ পৰা এজন দাসক (অৰ্থাৎ এই অধমক) হজৰত ঈছা (আঃ)ৰ সদৃশ কৰি এই উম্মতত সৃষ্টি কৰিলে আৰু তেওঁৰ তুলনাত নিজ কল্যাণ আৰু পুৰস্কাৰৰ বহলাংশ তেওঁক (অধমক) দান কৰিলে যাতে খ্ৰীষ্টান সকলে বুজিব পাৰে যে সমূহ কল্যাণ খোদা তা'লাৰ নিয়ন্ত্ৰণত আছে।

প্ৰকৃত কথা হ'ল ইবনে মৰিয়মৰ সদৃশ তেওঁৰ আগমনৰও এটা উদ্দেশ্য আছিল যে হজৰত ঈছা (আঃ)ৰ ঈশ্বৰত্ব যেন চূৰ্ণ-বিচূৰ্ণ কৰি দিয়া হয়। যেনেকৈ ফিৰিস্তাবিলাকৰ সশৰীৰ ধাৰণ কৰি আকাশত বাস কৰা আল্লাহৰ বিধানৰ পৰিপন্থী। তদ্ৰূপ মানুহেও সশৰীৰত আকাশত গৈ বসবাস কৰা বিধানৰ পৰিপন্থী। পৱিত্ৰ কোৰাণত আছে,

وَلَنْ تَجِدَ لِسُنَّةِ اللّٰهِ تَبْدِيْلًا ۝٢٤ (48:24)

অনুবাদ ঃ আৰু তোমালোকে আল্লাহৰ বিধানৰ কোনো পৰিৱৰ্তন দেখিবলৈ নাপাবা।

তদুপৰি এই নিৰ্বোধ সম্প্ৰদায়ে চিন্তা কৰি নেচালে যে, ক্ৰুছত দিয়াৰ সময়ত হজৰত ঈছা (আঃ)ৰ প্ৰচাৰ কাৰ্য্য অসমাপ্ত আছিল আৰু সিহঁতৰ আনা দহটা গোত্ৰ বিভিন্ন দেশত সিচঁৰিত হৈ আছিল, সিহঁতে তেওঁৰ নাম সম্পৰ্কেও অজ্ঞাত আছিল। এনে অৱস্থাত হজৰত ঈছা (আঃ)য়ে কেনেকৈ ভাবিলে যে, নিজৰ কাৰ্য্য অসমাপ্ত ৰাখি আকাশত গৈ বহি থাকিব? এয়া আশ্চৰ্য্যৰ বিষয় নহয় নে যে, ইছলামী কিতাপ সমূহত হজৰত ঈছা (আঃ)ক এজন ভ্ৰমণকাৰী নবী হিচাপে লিখা হৈছে, অথচ তেখেত (আঃ) মাত্ৰ তিনি বছৰ ছয় মাহ নিজ গাঁৱত থাকি আকাশৰ পথৰ যাত্ৰী হ'ল?

নকলেও হয় যে, যিহেতু কেৱল গল্প-কাহিনীৰ ওপৰত ভিত্তি কৰি

হজৰত ঈছা (আঃ)ক খোদাৰূপে মান্য কৰা হৈছে, পিছত যদি তেখেত (আঃ) ফিৰিস্তাসহ আকাশৰ পৰা অৱতীৰ্ণ হোৱাৰ অলৌকিক ক্ৰিয়াও প্ৰদৰ্শন কৰে, তথাপি সেই সময়ত কি অৱস্থা সৃষ্টি হ'ব ? স্মৰণ ৰাখিবা যাৰ অৱতীৰ্ণ হোৱা নিৰ্ধাৰিত আছিল সি যথা সময়ত অৱতীৰ্ণ হৈছে। আজি সকলো লিখন পূৰ্ণ হৈছে। সমূহ নবীৰ কিতাপেও এই যুগৰ উদ্ধৃতি দিছে। খ্ৰীষ্টান সকলৰো এই বিশ্বাস যে, এই যুগতেই প্ৰতিশ্ৰুত মছীহৰ আগমণ জৰুৰী আছিল। সকলো গ্ৰন্থত সুস্পষ্ট লিপিবদ্ধ আছিল যে, হজৰত আদম (আঃ)ৰ পৰা ৬০০০ (ছয় হাজাৰ) বছৰৰ অন্তত প্ৰতিশ্ৰুত মছীহৰ আগমন জৰুৰী। এই কথাও লিপিবদ্ধ আছিল যে, হজৰত আদম (আঃ)ৰ পৰা ৬০০০ বছৰ অতিক্ৰমও কৰিছে। ইয়াৰ পূৰ্বে পুচ্ছ বিশিষ্ট তৰা উদয় হ'ব (ইতিপূৰ্বে এই তৰা উদয় হৈছে), তেওঁৰ যুগত একে ৰমজান মাহত চন্দ্ৰ আৰু সূৰ্য গ্ৰহণ হ'ব (ইতিপূৰ্বে ইও পূৰ্ণ হৈছে) আৰু তেওঁৰ যুগত ব্যাপকহাৰে প্লেগ ৰোগৰ প্ৰাদুৰ্ভাব হ'ব। এই সংবাদ ইঞ্জিল গ্ৰন্থতো বিদ্যমান আছে আৰু মই নিজে প্ৰত্যক্ষ কৰিছোঁ যে, এই প্লেগ ৰোগ পিছ এৰা নাই। ইয়াৰ উপৰিও পৱিত্ৰ কোৰাণ শ্বৰীফ, হাদীছ শ্বৰীফ আৰু পূৰ্বৰ গ্ৰন্থ সমূহত লিপিবদ্ধ আছিল যে, এই যুগত এখন নতুন বাহনৰ আৱিষ্কাৰ হ'ব, যি জুই আৰু পানীৰ দ্বাৰা চলিব, লগতে বাহন উট অচল হ'ব। শেষাংশৰ উক্ত হাদীছ চহী মুছলিম শ্বৰীফতও উল্লেখ আছে আৰু উক্ত বাহন ৰেল গাড়ীৰও আৱিষ্কাৰ হৈছে। এয়াও লিখা আছিল যে, প্ৰতিশ্ৰুত মচীহ চতুৰ্দশ শতাব্দীৰ আৰম্ভণিত আৰ্বিভূত হ'ব। অথচ আজি শতাব্দীৰ পিছত একুইশ (২১) বছৰ অতিক্ৰম কৰিছে। আল্লাহ তা'লাৰ এই সমূহ নিদৰ্শনৰ পাছতো যি ব্যক্তিয়ে মোক অস্বীকাৰ কৰে, তেওঁ মোক নহয় বৰঞ্চ সকলো নবীক অস্বীকাৰ কৰে আৰু খোদা তা'লাৰ সৈতে সংগ্ৰাম কৰিছে। যদি মোৰ (প্ৰতিশ্ৰুত মছীহৰ) জন্ম নহ'লহেঁতেন, তেন্তে তেওঁৰ বাবে উত্তম আছিল।

ভালকৈ স্মৰণ কৰা যে যিবোৰ বেয়া কাৰ্য্য আৰু পতন ইছলামৰ মাজত

দেখা দিছে আনকি সমগ্ৰ ভাৰতবৰ্ষত ২৯ লাখ মানুহ ধৰ্ম ত্যাগী হৈ খ্ৰীষ্টান হৈছে; ইয়াৰ মূল কাৰণ হ'ল মুছলমান সকলে হজৰত ঈছা (আঃ)ৰ সম্পৰ্কে অযথা আৰু মাত্ৰাধিক আশা পোষণ কৰি তেওঁক প্ৰত্যেক গুণ বিশিষ্টৰ অধিকাৰ দান কৰি খ্ৰীষ্টান সকলৰ নিচেই ওচৰ চাপিছে। তদুপৰি যিবোৰ মানৱীয় বৈশিষ্ট সিহঁতে আঁহজৰত (ছাঃ)ৰ প্ৰতি আৰোপ কৰে সেইবোৰ যদি কোনো ঐতিহাসিক কিতাপত হজৰত ঈছা (আঃ)ৰ সম্পৰ্কে লিখা থাকে তেনেহলে সিহঁতে তৌবা তৌবা বুলি চিঞৰি উঠে। উদাহৰণস্বৰূপে, কেতিয়াবা কেতিয়াবা আঁহজৰত (ছাঃ)ৰ জ্বৰ হৈছিল আৰু অসুস্থ হৈ পৰিছিল তেখেত (ছাঃ)য়ে ঔষধ সেৱন কৰিছিল আৰু শিঙ্গাও লগাইছিল। কিন্তু এই সাদৃশ্য যদি হজৰত মছীহৰ সম্বন্ধে লিখা হয় যে তেখেত (আঃ)ৰও জ্বৰ আৰু অন্যান্য ৰোগত আক্ৰান্ত হৈছিল; তেনেহলে সিহঁতে চক-খাই উঠে যে এয়া মছীহৰ মৰ্যাদাৰ পৰিপন্থী। যদিও তেখেত (আঃ) এজন অক্ষম আৰু সকলো মানৱীয় দুৰ্বলতাৰ অংশীদাৰ আছিল তেওঁৰ আৰু চাৰিওজন সহোদৰ ভাতৃ আছিল। (অৱশ্য কোনো কোনোৱে তেওঁৰ বিৰোধীও আছিল) দুজনী সহোদৰ ভনী আছিল আৰু এজন দুৰ্বল গঠনৰ মানুহ আছিল। তেখেত (আঃ)ক ক্ৰুছত মাত্ৰ দুটা পেৰাক মাৰাৰ লগে লগে অজ্ঞান হৈ পৰিছিল। হায় পৰিতাপৰ বিষয় ! যদি মুছলমানসকলে হজৰত ঈছা (আঃ)ৰ ক্ষেত্ৰত পৱিত্ৰ কোৰাণ শ্বৰীফ অনুসৰি চলিলেহেঁতেন আৰু তেখেত (আঃ)ক মৃত্যু বুলি বিশ্বাস কৰিলেহেঁতেন তেন্তে ইছলামৰ আজি এনে পতন মুখী অৱস্থা নহ'লহেঁতেন আৰু খ্ৰীষ্টান ধৰ্ম অনতি পলমে শেষ হৈ গ'লহেঁতেন। পৰম কৰুণাময় আল্লাহৰ কোটি কোটি প্ৰশংসা যে বৰ্তমানত আকাশৰ পৰা এই পতন মুখী ইছলামৰ হস্ত টানি ধৰিছে।

এই সকলোবোৰ কথা মই চাহাবজাদা মৌলবী আব্দুল লতিফ চাহাবক কৈছিলো। অৱশেষত যি বিষয়ে মই তেওঁক বুজাইছিলোঁ সেয়া হ'ল ধৰ্মীয় দৃষ্টি কোণৰ পৰা হজৰত ঈছা (আঃ)ৰ মাজত ১৬ টা বিশেষত্ব আছিল। সেয়া তলত উল্লেখ কৰা হ'ল।

(১) বনি ইস্রাইলৰ নবীসকলৰ গ্ৰন্থ সমূহৰ সাক্ষী অনুসৰি হজৰত ঈছা (আঃ) বনি ইস্রাইলৰ এজন প্ৰতিশ্ৰুত নবী আছিল।

(২) হজৰত ঈছা (আঃ)য়ে যেতিয়া আৱিৰ্ভূত হৈছিল তেতিয়া ইহুদী সকলে নিজ নিজ সাম্ৰাজ্য হেৰুৱাইছিল। অৰ্থাৎ এই দেশ (পেলেষ্টাইন)ত ইহুদী সকলৰ কোনো সাম্ৰাজ্য নাথাকিল,তদ্ৰূপ কাশ্মীৰ সকলেও ইহুদীসকলৰ অন্তৰ্ভুক্ত আছিল। তেওঁলোকে ইছলাম গ্ৰহণ কৰাৰ পাছত সম্ৰাট সকলৰ অধীন হোৱা ঘটনাক অস্বীকাৰ কৰিব নোৱাৰে। সি যিয়েই নহওঁক হজৰত ঈছা মছীহ (আঃ)ৰ আগমনৰ সময়ত দেশৰ এই অংশ (পেলেষ্টাইন অনুবাদক) ৰ পৰা ইহুদী সকলৰ সাম্ৰাজ্য লোপ পাইছিল আৰু সিহঁতে ৰোমান শাসনৰ অধীনত জীৱন অতবাহিত কৰিছিল। ৰোমান শাসনৰ সৈতে তেতিয়া ইংৰাজ শাসনৰ বৰ সাদৃশ্য আছিল।

(৩) হজৰত ঈছা (আঃ)ৰ আগমনৰ সময়ত ইহুদী সকল বিভিন্ন ফিৰকাত বিভক্ত হৈ পৰিছিল আৰু প্ৰত্যেক ফিৰকা (দল উপদল)আন ফিৰকাৰ বিৰোধী আছিল। তেওঁলোকৰ মাজত পৰস্পৰ কঠোৰ শত্ৰুতা আৰু কলহ বিবাদৰ সৃষ্টি হৈছিল; আৰু মতভেদৰ আধিক্যৰ বাবে তৌৰাতৰ অধিকাংশ বিধি নিষেধ সন্দেহজনক হৈ পৰিছিল। কেৱল মাত্ৰ খোদাৰ একত্ববাদ সম্পৰ্কে সিহঁতে পাৰস্পাৰিক ঐক্যমত পোষণ কৰিছিল। অৱশিষ্ট সৰু সৰু মচলা মচায়েলৰ অধিকাংশৰ ক্ষেত্ৰত সিহঁত একে অইনৰ বিৰোধী আছিল। কোনো উপদেষ্টায়ে সিহঁতৰ পৰস্পৰৰ মাজত আপোচ-মীমাংসা কৰিব নোৱাৰিছিল। এনে অৱস্থাত সিহঁত এজন স্বৰ্গীয় হাকিম বা ন্যায় বিচাৰকৰ মুখাপেখী আছিল; যিজন খোদাৰ পৰা সতেজ ওহী প্ৰাপ্ত হৈ সত্যবাদী সকলক সমৰ্থন কৰিব। কিন্তু আল্লাহৰ ঐশ্বৰিক বিধানত সকলো ফিৰকাৰ মাজত এনে অজ্ঞতা মিশ্ৰিত হৈছিল ফলত এনে ব্যক্তিকো সত্যবাদী বুলি কোৱা সম্ভৱ নাছিল। প্ৰত্যেক ফিৰকাৰ মাজত কিছু নহয় কিছু মিছা আৰু ধৰ্ম সম্পৰ্কে হ্ৰাস বৃদ্ধিৰ প্ৰৱণতা বিদ্যমান আছিল। গতিকে ইয়াকে সৃষ্টি হৈছিল যে ইহুদী সকলৰ সকলো

ফিৰকাই হজৰত ঈছা (আঃ)ক শত্ৰু প্ৰমাণ কৰিছিল আৰু তেওঁৰ প্ৰাণ নাশৰ চেষ্টাত লিপ্ত হৈছিল। কাৰণ প্ৰত্যেক ফিৰকাই বিচাৰিছিল যে হজৰত ঈছা (আঃ)য়ে সম্পূৰ্ণ ৰূপে তেওঁলোকৰ সত্যায়নকাৰী হওঁক আৰু তেওঁলোকক ন্যায়নিষ্ঠ লগতে পুণ্যবান সাব্যস্ত কৰক। আনহাতে বিৰোধীবাদী সকলক মিছলীয়া বুলি কওঁক। কিন্তু এনেকুৱা মনোৰঞ্জন খোদাৰ নবীৰ বাবে অসম্ভৱ আছিল।

(৪) মছীহ ইবনে মৰিয়মৰ (জিহাদ) ধৰ্ম যুদ্ধৰ আদেশ নাছিল। এই কাৰণে হজৰত মুছা (আঃ)ৰ ধৰ্ম গ্ৰীক (ইউনানী) আৰু ৰূম সকলৰ দৃষ্টিত বৰ নিন্দনীয় হৈছিল যে তেওঁলোকে ধৰ্মৰ উন্নতিৰ পক্ষে যিকোনো অজুহাতত তৰোৱাল ধাৰণ কৰিছিল। গতিকে আজিও তেওঁলোকৰ পুস্তক সমূহত এই আপত্তি ধৰ্ম সম্বন্ধে উত্থাপন হৈ আছে যে হজৰত মুছা (আঃ)ৰ আদেশত আৰু তেওঁৰ স্থলাভিষিক্ত খলিফা হজৰত যিশুৰ আদেশত কেইবা লাখ দুগ্ধ পোষ্য (স্তনপানকাৰী) শিশুক হত্যা কৰা হৈছিল। তদুপৰি হজৰত দাউদ (আঃ) আৰু অন্যান্য নবীসকলৰ যুদ্ধ-বিগ্ৰহবোৰত এই আপত্তিক জোৰদাৰ কৰিছিল। গতিকে মানৱ প্ৰকৃতিয়ে এই কঠোৰ আদেশক সহ্য কৰিব নোৱাৰিলে। যেতিয়া অন্যান্য ধৰ্মাৱলম্বী সকলৰ উক্ত ধাৰণা চৰম সীমাত উপনীত হ'ল তেতিয়া খোদা তা'লা এনে এজন নবী প্ৰেৰণ কৰিব বিচাৰিলে যিয়ে কেৱল মাত্ৰ শান্তি আৰু সন্ধিৰ মাধ্যমত ধৰ্মক বিস্তাৰ দান কৰিব আৰু তৌৰাতৰ ওপৰত হোৱা অন্যান্য জাতিৰ সমালোচনা মুক্ত কৰিব। এই কাৰণেই উক্ত সন্ধি আৰু শান্তিৰ নবী একমাত্ৰ ঈছা ইবনে মৰিয়মহে আছিল।

(৫) হজৰত ঈছা (আঃ)ৰ মৃত্যুৰ যুগত সাধাৰণতে ইহুদী আলিমসকলৰ চলন-ফুৰণ বৰকৈ বিকৃত হৈছিল আৰু সিহঁতৰ কাৰ্য্য আৰু কথাৰ মাজত কোনো সঙ্গতি নাছিল। সিহঁতৰ নামাজ আৰু ৰোজা কেৱল প্ৰদৰ্শনীমূলক আছিল। এই মৰ্যাদালোভী আলিম সম্প্ৰদায় ৰোমান শাসনৰ অধীনত পৃথিৱীৰ এনে কীটত পৰিণত হৈছিল যে প্ৰতাৰণা,আত্মসাৎ,প্ৰবঞ্চনা,মিছা সাক্ষী,মিছা

ফতুৱা আদিৰ দ্বাৰা পাৰ্থিৱ স্বাৰ্থ সিদ্ধিৰ হকে সিহঁতৰ সকলো শক্তি নিয়োজিত কৰিছিল। কেৱল মাত্ৰ সাধু বেশ ধাৰণ,দীঘল দীঘল জুববা পৰিধান অবিহনে সিহঁতৰ মাজত এক বিন্দু পৰিমাণও আধ্যাত্মিকতা নাছিল। সিহঁতে ৰোমান চৰকাৰৰ কৰ্মচাৰীসকলৰ পৰা মৰ্যাদা লাভৰ বৰ অভিলাষী আছিল আৰু বিভিন্ন ধৰণৰ সংযোজন আৰু মিছা অনুনয় বিনয়ৰ দ্বাৰা চৰকাৰৰ পৰা সন্মান আৰু কিছু পৰিমান শাসন ক্ষমতা লাভ কৰিছিল। যিহেতু পাৰ্থিৱ স্বাৰ্থ অবিহনে সিহঁতৰ একো অৱশিষ্ট নাছিল; সেই হেতুকে তৌৰাতৰ আমল কৰিলে যে আকাশত মৰ্যাদা লাভ কৰা সম্ভৱ, সেই বিষয়ে সিহঁত সম্পূৰ্ণ অমনোযোগী হৈ পাৰ্থিৱ কীটত পৰিণত হৈছিল; আৰু সকলো গৌৰৱ পাৰ্থিৱ মান মৰ্যাদাত নিহিত বুলি ঠাৱৰ কৰিছিল। এই কাৰণে ধাৰণা হৈছিল যে ৰূম সম্ৰাটৰ দ্বাৰা নিয়োজিত সেই দেশৰ চৰকাৰৰ ওপৰত সিহঁতৰ কিছু প্ৰভাৱও আছিল। কাৰণ সিহঁতৰ ডাঙৰ ডাঙৰ পাৰ্থিৱ আসক্ত মৌলবী দূৰ-দুৰণিলৈ ভ্ৰমণ কৰি সম্ৰাটৰ সৈতে সাক্ষাৎ কৰিছিল আৰু চৰকাৰৰ লগত মধুৰ সম্পৰ্ক স্থাপন কৰিছিল। তেওঁলোকৰ অনেক লোক চৰকাৰী বৃত্তি ভোগীও আছিল। এই সুযোগত তেওঁলোকে নিজকে চৰকাৰৰ নামজলা ব্যক্তি বুলি প্ৰচাৰ কৰিছিল। এই বাবে যদিও সিহঁতে চৰকাৰৰ তত্ত্বাৱধাত আছিল, তথাপি অনুনয়-বিনয়ৰ মাধ্যমত সম্ৰাট আৰু ডাঙৰ ডাঙৰ কৰ্মচাৰীৰ ওচৰত সু-ধাৰণাৰ সৃষ্টি কৰিব পাৰিছিল। এই চক্ৰান্তৰ বাবে সিহঁতৰ আলিম সকলে চৰকাৰৰ উচ্চ-পদস্থ কৰ্মচাৰীৰ ওচৰত সন্মানিত বুলি গন্য হৈছিল আৰু মৰ্যাদাৰ আসনত অধিষ্ঠিত হৈছিল। যিকেই নহওঁক সেই গলীলৰ অধিবাসী ঈছা ইবনে মৰিয়মক এই দুষ্কৃতিপৰায়ণ লোকে মৰ্মান্তিক অৱস্থাৰ সৃষ্টি কৰিছিল। তেওঁৰ মুখত কেৱল থু-থুয়েই দিয়া হোৱা নাছিল, বৰঞ্চ চৰকাৰী নিৰ্দেশত জেলত দিয়া হৈছিল যদিও তেওঁৰ কোনো অপৰাধ নাছিল। এয়া কেৱল ইহুদীসকলৰ সন্তুষ্টিৰ বাবে চৰকাৰে কৰিছিল। কাৰণ চৰকাৰী নীতি হ'ল সংখ্যাগৰিষ্ঠ লোকক সন্তুষ্টি প্ৰদান কৰা। গতিকে এই নিচলা ব্যক্তিৰ  কথা কোনে গ্ৰহণ কৰিব ? আদালতৰ

ফয়চলা অনুসৰি তেওঁক ইহুদী মৌলবীসকলৰ হাতত হস্তান্তৰ কৰা হ'ল আৰু সিহঁতে তেওঁক ক্ৰুছত উঠালে। এই আচমান আৰু পৃথিৱীৰ প্ৰভু খোদা এই আদালতৰ ওপৰত কোপ বৰ্ষণ কৰক; কিন্তু পৰিতাপৰ বিষয় এই চৰকাৰৰ প্ৰতিও যিসকলে আচমানৰ খোদাৰ প্ৰতি দৃষ্টি পাত নকৰে। লোকৰ কথা মতে দেশৰ শাসনকৰ্তা পিলাতুছৰ স্ত্ৰী হজৰত ঈছা (আঃ)ৰ শিষ্য আছিল। তেওঁ তেওঁক মুক্ত কৰি দিব বিচাৰিছিল। কিন্তু চতুৰ ইহুদী আলিম সকলে পিলাতুছক ধমকি দি কলে, যদি তুমি এওঁক শাস্তি প্ৰদান নকৰা তেন্তে আমি সম্ৰাটৰ ওচৰত তোমাৰ বিৰুদ্ধে অভিযোগ কৰিম। তেতিয়া পিলাতুছ ভীত হৈ পৰিল কাৰণ সি কাপুৰুষ আছিল আৰু নিজৰ উদ্দেশ্যত অটল থাকিব নোৱাৰিছিল। এই ভয় তেওঁক এই কাৰণে দেখুৱা হৈছিল যে কোনো কোনো ইহুদী আলিমৰ সম্ৰাটৰ সৈতে যথেষ্ট যোগাযোগ আছিল। তেওঁলোকে গোপনে সম্ৰাটক এই সংবাদ প্ৰেৰণ কৰিছিল যে এই ব্যক্তি এজন বিদ্ৰোহ সৃষ্টিকাৰী আৰু চৰকাৰৰ গোপন শত্ৰু (পানীৰ তলত কাঁইট) লগতে সি এখন দল গঠন কৰি সম্ৰাটৰ ওপৰত আক্ৰমণ কৰিব বিচাৰিছিল। আনহাতে বাহ্যিক ভাৱে এই অসুবিধাও আছিল যে এই সজ সৰল দৰিদ্ৰ মানুহ জনৰ সৈতে সম্ৰাট আৰু উচ্চ পদস্থ কৰ্মচাৰীৰ কোনো যোগ সুত্ৰ নাছিল আৰু ধৰ্মৰ মুখা-পিন্ধা আৰু স্বাৰ্থান্বেষী মানুহৰ দৰে সিহঁতৰ লগত তাৰ কোনো পৰিচয় নাছিল। তেওঁ একমাত্ৰ খোদাৰ ওপৰত ভৰসা ৰাখিছিল। কিন্তু অধিকাংশ ইহুদী আলিমে নিজৰ স্বাৰ্থপৰতা, চতুৰী আৰু অনুৰোধৰ মাধ্যমত চৰকাৰৰ আভ্যান্তৰত ঘাইকৈ শিপাইছিল। আচলতে সিহঁত চৰকাৰৰ প্ৰকৃত বন্ধু নাছিল। কিন্তু ধাৰণা হয় নিশ্চয় চৰকাৰ এই প্ৰৱঞ্চনাত পৰিছিল যে সিহঁত চৰকাৰৰ বন্ধু। এই কাৰণে সিহঁতৰ বাবে এনে এজন নিষ্পাপ নবীক সৰ্ব প্ৰকাৰ লাঞ্ছিত কৰা হৈছে। কিন্তু যিজনে আকাশৰ পৰা প্ৰত্যক্ষ কৰিছে আৰু মানৱ হৃদয়ৰ গৱাকী তাৰ দৃষ্টিৰ পৰা এই দুষ্কৃতি পৰায়ণ সকল নিষ্কৃতি পোৱা নাছিল। অৱশেষত হজৰত ঈছা (আঃ)ক ক্ৰুছত উঠোৱাৰ পাছত খোদা তা'লা তেওঁক ৰক্ষা কৰিলে আৰু

কৰুণচিত্তে ৰজনি বাগিছাত যি প্ৰাৰ্থনা কৰিছিল খোদা তাৰ সেই প্ৰাৰ্থনা গৃহীত কৰিছিল। উল্লেখনীয় যে হজৰত মছীহ (আঃ) দৃঢ় ৰূপে বিশ্বাস কৰিছিল যে দুষ্ট ইহুদীসকল তাৰ প্ৰাণৰ শত্ৰু আৰু তেওঁক কোনো মতেই ৰক্ষা নিদিব। সেই কাৰণে তেওঁ ৰজনি যোগে এখন বাগিছাত গৈ বিগলিত চিত্তে ক্ৰন্দন কৰে আৰু প্ৰাৰ্থনা কৰে। হে ইলাহি খোদা ! যদি তুমি মৃত্যুৰ এই পিয়লা মোৰ পৰা আঁতৰাই নিব বিচৰা, তেন্তে তোমাৰ বাবে অসম্ভৱ নহয়। তুমি যি ইচ্ছা তাকেই কৰা। এই বিষয়ত আৰবী ইঞ্জিলত এই বাক্য লিখা আছে যে,

**فبـكـٰى بدموع جارية و عبرات متحدّرة فسُمِع لتقواه**

অৰ্থ ঃ হজৰত ঈছা মছীহ ইমান ক্ৰন্দন কৰিলে যে প্ৰাৰ্থনা কৰোঁতে কৰোঁতে তেওঁৰ মুখমণ্ডল অশ্ৰু সিক্ত হৈ গ'ল; আৰু সেই অশ্ৰু পানীৰ নিচিনা তাৰ কপালত বৈ গ'ল। তেওঁ বৰকৈ ক্ৰন্দন কৰিলে আৰু যতপৰনাস্তি দুঃখিত হ'ল। তেতিয়া খোদা ভীৰুতাৰ বাবে তেওঁৰ দোৱা গৃহীত হ'ল, খোদাৰ ফজলত কিছু উপকৰণ সৃষ্টি কৰিলে যাৰ বাবে তেওঁক ক্ৰুছৰ পৰা জীৱিত নমোৱা হ'ল। ইয়াৰ পাছত সি গোপনে মালীৰ বেশত সেই বাগিছাৰ পৰা (য'ত তেওঁক কবৰত ৰখা হৈছিল) ওলাই আহি খোদাৰ আদেশত আন পিনে প্ৰস্থান কৰে; তেওঁৰ মাতৃও গমন কৰে। যেনে আল্লাহ তা'লা কৈছে,

وَاٰوَيۡنٰهُمَاۤ اِلٰی رَبۡوَۃٍ ذَاتِ قَرَارٍ وَّمَعِیۡنٍ﴿۵۱﴾

(23:51)

অনুবাদ ঃ আমি দুয়োকে (মছীহ আৰু তেওঁৰ মাতৃক অনুবাদক)এনে সেউজীয়া ওখ ঠাইত আশ্ৰয় দিলো যি আছিল শান্তিৰে অৱস্থান কৰিবৰ উপযোগী আৰু জৰণসমূহৰে পৰিপূৰ্ণ। (চুৰা আল মুমিনুন আয়াত ৫১)

অৰ্থাৎ ক্ৰুছৰ উক্ত বিপদৰ পৰা ৰক্ষা কৰি হজৰত ঈছা (আঃ) আৰু তাৰ মাতৃক সু-উচ্চ ভূমিত আশ্ৰয় দান কৰিছিল যাৰ নিজৰাসমূহ বিশুদ্ধ পানীৰে পৰিপূৰ্ণ আৰু শান্তিৰ আবাসস্থল আছিল। হাদীছত উল্লেখ আছে যে

উক্ত ঘটনাৰ পাছত ঈছা ইবনে মৰিয়ম ১২০ বছৰ জীৱিত থাকি স্বাভাৱিক মৃত্যু বৰণ কৰি পৰকালত ইয়াহিয়াৰ সম মৰ্যাদাভুক্ত হয়। কাৰণ তেওঁ আৰু হজৰত ইয়াহিয়া নবীৰ ঘটনা পৰস্পৰ সাদৃশ্যযুক্ত আছিল। ইয়াত কোনো সন্দেহ নাই যে তেওঁ পুণ্যবান মানুহ আৰু খোদাৰ নবী আছিল। কিন্তু তেওঁক খোদা বুলি সম্বোধন কৰা কুফৰী। তেওঁৰ দৰে লাখ লাখ মানুহ পৃথিৱীৰ পৰা চিৰ বিদায় মাগিছে আৰু ভৱিষ্যতেও হ'ব। খোদা তা'লা কেতিয়াও কাকো সন্মান কৰোঁতে ক্লান্ত হোৱা নাই আৰু ভৱিষ্যতেও নহ'ব।

(৬) হজৰত ঈছা (আঃ) ৰূম সম্রাটৰ শাসনাধীনত প্রেৰিত হৈছিল।

(৭) ৰূমান সম্রাট খ্রীষ্ট ধৰ্মৰ বিৰুদ্ধাচৰণ কৰিছিল। কিন্তু পৰিণামত খ্রীষ্ট ধৰ্ম সেই সম্রাটৰ জাতিৰ মাজত প্ৰৱেশ কৰিছিল। আনকি কিছু কালৰ পাছত সি নিজেই খ্রীষ্টান হৈছিল।

(৮) (যীশু মছীহ যাক ইছলাম ধৰ্মাৱলম্বীসকলে হজৰত ঈছা (আঃ)বুলি জানে তেওঁৰ সময়ত এখন নতুন তাৰকা উদয় হৈছিল।

(৯) যেতিয়া হজৰত ঈছা (আঃ)ক ক্রুছত উঠোৱা হৈছিল তেতিয়া সূৰ্য গ্ৰহণ লাগিছিল।

(১০) হজৰত যীশু খ্রীষ্ট অৰ্থাৎ ঈছা (আঃ)ক ক্রুছত কষ্ট দিয়াৰ পাছত ইহুদীসকলৰ মাজত ভয়ঙ্কৰ প্লেগ ৰোগৰ প্রাদুৰ্ভাৱ হৈছিল।

(১১) ধৰ্মীয় বিদ্বেষ বশত তেওঁৰ বিৰুদ্ধে মিছা মোকৰ্দমা সজোৱা হৈছিল আৰু প্ৰচাৰ কৰা হৈছিল যে তেওঁ ৰূমান চৰকাৰৰ বিৰুদ্ধাচৰণকাৰী আৰু বিদ্রোহী।

(১২) যেতিয়া হজৰত ঈছা (আঃ)ক ক্রুছত উঠোৱা হৈছিল তেতিয়া তেওঁৰ সৈতে এজন চুৰকো ক্রুছত আঁৰি থোৱা হৈছিল।

(১৩) যেতিয়া হজৰত ঈছা (আঃ)ক পিলাতুচৰ সন্মুখত মৃত্যুদণ্ডৰ বাবে উপস্থিত কৰা হৈছিল তেতিয়া পিলাতুচে কৈছিল মই এই ব্যক্তিৰ কোনো উপৰাধ দেখা নাই।

(১৪) পিতৃহীন হোৱা বাবে যদিও হজৰত ঈছা (আঃ) বনি ইস্রাইলৰ অন্তৰ্ভুক্ত

নাছিল; তথাপিও সিহঁতৰ ছিলছিলাৰ তেওঁ এজন শেষ পয়গম্বৰ আছিল আৰু হজৰত মুছা (আঃ)ৰ পাছত চতুৰ্দশ শতাব্দীত আৱিৰ্ভূত হৈছিল।

(১৫) ঈছা ইবনে মৰিয়মৰ যুগত থকা সম্ৰাটৰ ৰাজত্ব কালত প্ৰজা সকলৰ বিশ্ৰাম, ভ্ৰমণ আৰু অৱস্থানৰ সুযোগ-সুবিধাৰ বাবে বহুত নতুন বস্তুৰ উদ্ভৱ হৈছিল। ৰাস্তা-ঘাটৰ নিৰ্মাণ বন্দীশাল তৈয়াৰ আৰু আদালতৰ ন-ন পদ্ধতি উদ্ভাৱন কৰা হৈছিল। ই ইংৰাজ আদালতৰ সৈতে সাদৃশ্য যুক্ত আছিল।

(১৬) হজৰত ঈছা মছীহ (আঃ) পিতৃ বিহীন জন্ম হোৱাত হজৰত আদম (আঃ)ৰ সৈতে সাদৃশ্য যুক্ত আছিল।

মুছায়ী ছিলছিলাৰ উপৰোক্ত ১৬ টা বিশেষত্ব হজৰত ঈছা (আঃ)ৰ মাজত ৰাখিছিল। ইয়াৰ পাছত যেতিয়া নবীসকলৰ গ্ৰন্থ সমূহৰ প্ৰতিশ্ৰুতি অনুসৰি খোদা তা'লা মুছায়ী ছিলছিলাক ধ্বংস কৰি মহম্মদী ছিলছিলাক প্ৰতিষ্ঠা কৰে; তেতিয়া প্ৰজ্ঞাময় আৰু সৰ্বজ্ঞানী খোদা এই উভয় ছিলছিলাৰ প্ৰথম আৰু শেষৰ মাজত সাদৃশ্য সৃষ্টি কৰে। এই কাৰণে প্ৰথমে আঁহজৰত (ছাঃ)ক হজৰত মুছা (আঃ)ৰ সাদৃশ্য আখ্যা দিয়ে যেনে পৱিত্ৰ কোৰাণ শ্বৰীফত সন্নিবিষ্ট আছে,

اِنَّآ اَرْسَلْنَآ اِلَيْكُمْ رَسُوْلًا ۙ شَاهِدًا عَلَيْكُمْ كَمَآ
اَرْسَلْنَآ اِلٰى فِرْعَوْنَ رَسُوْلًا ؕ﴿۱۶﴾ (73:16)

অনুবাদ ঃ প্ৰকৃততে আমি তোমালোকলৈ এই পয়গম্বৰক এজন সাক্ষী ৰূপে পঠিয়াইছোঁ যি ধৰণে ফিৰাউনলৈ এজন পয়গম্বৰ (ৰচুল) পঠিয়াইছিলোঁ।

হজৰত মুছা (আঃ)য়ে কাফিৰ সকলৰ বিৰুদ্ধে তৰোৱাল ধাৰণ কৰিছিল। সেইদৰে আঁহজৰত (ছাঃ)ক যেতিয়া মক্কাৰ পৰা বহিষ্কাৰ কৰা হৈছিল আৰু পাছে পাছে খেদি নিয়া হৈছিল তেতিয়া মুছলমানসকলৰ হিফাজত অৰ্থাৎ সুৰক্ষাৰ বাবে তেখেত (ছাঃ)য়েও তৰোৱাল ধাৰণ কৰিছিল। তদ্ৰূপ যেনেকৈ হজৰত মুছা (আঃ)ৰ ঘোৰ শত্ৰু ফিৰাউনক পানীত ডুবাই ধ্বংস কৰা হৈছিল;

ঠিক তেনেকৈ আঁহজৰত (ছাঃ)ৰ ঘোৰ শত্রু আবু জাহিলক তেখেত (ছাঃ)ৰ সন্মুখতেই ধ্বংস কৰা হৈছিল। এনেকুৱা বহুত সাদৃশ্য আছে যাক বৰ্ণনা কৰিলে পুস্তকখনৰ বিষয়বস্তু দীৰ্ঘতম হ'ব। এয়া হ'ল উক্ত ছিলছিলাৰ প্ৰথম দিশৰ সাদৃশ্যৱলী। কিন্তু মহম্মদী ছিলছিলাৰ শেষ খলিফাৰ সাদৃশ্য থকা আৱশ্যক আছিল।

খোদা তা'লাৰ এই কথা যেন সঠিক হয় যে ইমাম আৰু খলিফাৰ ধাৰাৰ ক্ষেত্ৰত মহম্মদী আৰু মুছায়ী ছিলছিলাৰ সৈতে সাদৃশ্যপূৰ্ণ। সদায় প্ৰথম শেষৰ সাদৃশ্যৰ পৰা এই ধাৰণা উপজে যে মধ্যৱৰ্তী কালতো নিশ্চয় সাদৃশ্য থাকিব; যদিও জ্ঞানৰ দৃষ্টিত ই ধৰা নপৰে।

এই মাত্ৰ মই লিখিছো যে ধৰ্মীয় দৃষ্টি কোণৰ পৰা হজৰত ঈছা (আঃ)ৰ মাজত ১৬ টা বিশেষত্ব আছিল সেইবোৰ ইছলামৰ শেষ খলিফাৰ মাজত থকা আৱশ্যক; যাতে দুয়োৰে মাজত পৰিপূৰ্ণ সাদৃশ্য প্ৰমাণ হয়। গতিকে বিশেষত্ববোৰ তলত উল্লেখ কৰা হ'ল

(১) প্ৰতিশ্ৰুত হোৱাৰ বিশেষত্ব আছে। যদিও ইছলামত হাজাৰ হাজাৰ ওলী আৰু দৰবেশ সৃষ্টি হৈছে তথাপি সিহঁতৰ কোনেও প্ৰতিশ্ৰুত নাছিল। কিন্তু মছীহ নামৰ আগমনকাৰী হ'ল প্ৰতিশ্ৰুত। সেই বাবে হজৰত ঈছাৰ পূৰ্বে কোনো নবীয়েই প্ৰতিশ্ৰুত নাছিল, এক মাত্ৰ মছীহ (আঃ)য়েই প্ৰতিশ্ৰুত আছিল।

(২) সাম্ৰাজ্য বিনষ্ট হোৱাৰ বিশেষত্ব আছে। গতিকে ইয়াত কোনো সন্দেহ আছেনে যে ঈছা (আঃ)ৰ কিছুকাল পূৰ্বে যেনেকৈ পেলেষ্টাইনৰ পৰা ইস্ৰাইলী সাম্ৰাজ্য বিলুপ্ত হৈছিল; সেইদৰে এই অন্তিম মছীহ (আঃ)ৰ জন্মৰ পূৰ্বে ভাৰতবৰ্ষৰ পৰা ইছলামী সাম্ৰাজ্য (বেয়া আচৰণৰ বাবে) বিলুপ্ত হৈছিল আৰু ইয়াৰ সলনি বৃটিছ সাম্ৰাজ্য প্ৰতিষ্ঠিত হৈছিল।

(৩)প্ৰথম মছীহৰ সময়ত ইহুদী সম্প্ৰদায় বিভিন্ন ফিৰকাত বিভক্ত হৈছিল আৰু মীমাংকাৰীৰ বাবে এজন ন্যায় বিচাৰকৰ মুখাপেক্ষী আছিল। সেইদৰে শেষ মছীহৰ সময়তো মুছলমান সকলৰ মাজত বহু ফিৰকা (দল-উপদল)

বিস্তাৰ লাভ কৰিছিল।

(৪) প্ৰথম মছীহ জিহাদৰ (ধৰ্ম যুদ্ধৰ) বাবে প্ৰেৰিত হোৱা নাছিল। সেইদৰে শেষ মছীহও জিহাদৰ বাবে প্ৰেৰিত হোৱা নাই আৰু কিয়নো হ'ব? যুগেই জাতিক সতৰ্ক কৰিছে যে, তৰোৱালৰ দ্বাৰা কোনো হৃদয় সান্তনা আৰু ধৈৰ্য্য লভিব নোৱাৰে। বৰ্তমান যুগত ধৰ্মৰ বাবে কোনো সু-সভ্য ব্যক্তিয়ে তৰোৱাল ধাৰণ নকৰে। ইয়াৰ অৱস্থায়েই প্ৰমাণ কৰে যে, মুছলমান সকলৰ সেই ফিৰকা সমূহে হত্যাকাৰী (খুনী) মাহদী আৰু মছীহৰ অপেক্ষাত বাট চাই আছে। সিহঁত সম্পূৰ্ণ ভ্ৰান্তিৰ মাজত আছে, সিহঁতৰ ধাৰণাবোৰ খোদা তা'লাৰ উদ্দেশ্যৰ পৰিপন্থী আৰু জ্ঞান সমূহেও এই পৰিচয় দিয়ে। কাৰণ যদি আল্লাহৰ উদ্দেশ্য হয় মুছলমান সকলে ধৰ্মৰ নামত যুদ্ধ কৰিব; তেন্তে বৰ্তমান যুগৰ যুদ্ধ-বিগ্ৰহৰ ক্ষেত্ৰত সিহঁতেই সৰ্ব শ্ৰেষ্ঠ হ'লহেঁতেন আৰু কামান, নতুন নতুন বন্দুক আৱিষ্কাৰ কৰিলেহেঁতেন। সিহঁতক সকলো পিনে যুদ্ধ বিদ্যাৰ পাৰদৰ্শীতা প্ৰদান কৰা হ'লহেঁতেন আৰু আসন্ন যুদ্ধৰ বাবে বেলুন তৈয়াৰ কৰি লৈ মনোনীত হ'লহেঁতেন। সমুদ্ৰ তল দেশত ঘূৰি ফুৰা টৰ-পে-দ অৰ্থাৎ জাহাজ ভঙা আগ্নিয় অস্ত্ৰ নিৰ্মাণ কৰি পৃথিৱী বাসীক বিস্ময় কৰি দিলেহেঁতেন। কিন্তু এয়া নহে বিপৰীতে খ্ৰীষ্টান সকলেহে এইবোৰ ক্ষেত্ৰত উন্নতি সাধন কৰিছে। ইয়াৰ দ্বাৰা প্ৰমাণ কৰা হয় যে, যুদ্ধ-বিগ্ৰহৰ দ্বাৰা ইছলাম সম্প্ৰসাৰিত আল্লাহৰ অভিপ্ৰায় নহয়। কিন্তু খ্ৰীষ্টান ধৰ্ম দিনে দিনে দুৰ্বল হৈ পৰিছে আৰু ডাঙৰ ডাঙৰ পণ্ডিত আৰু গৱেষক ত্ৰিত্ববাদৰ বিশ্বাস পৰিহাৰ কৰিছে। আনকি বৰ্তমানৰ জাৰ্মান সম্ৰাটও এই বিশ্বাসৰ পৰিহাৰ কৰাৰ প্ৰতি ইঙ্গিত প্ৰদান কৰিছে। ইয়াৰ পৰা প্ৰতীয়মান হয় যে, খোদা তা'লা কেৱল যুক্তি প্ৰমাণৰ অস্ত্ৰৰ দ্বাৰাহে খৃষ্টীয় ত্ৰিত্ববাদক ভূ-পৃষ্ঠৰ পৰা নিঃচিহ্ন কৰিব বিচাৰিছে। এয়াই নিয়ম যে যি অধিক গুৰুত্বপূৰ্ণ তাৰ লক্ষণাৱলী পূৰ্বৰ পৰা প্ৰকাশ পাব ধৰে। কিন্তু মুছলমান সকলৰ বাবে আকাশৰ পৰা যুদ্ধ জয়ৰ কোনো লক্ষণ প্ৰকাশ পোৱা নাই। অৱশ্যে ধৰ্মীয় যুক্তি প্ৰমাণৰ লক্ষণ প্ৰকাশ পাইছে আৰু

খ্ৰীষ্ট ধৰ্ম নিজে নিজেই নীৰৱ হৈ আছে আৰু অনতিপলমে ভূ-পৃষ্ঠৰ পৰা দ্ৰুত বেগত বিলুপ্ত হৈ যাব।

(৫) প্ৰথম মছীহৰ যুগত ইহুদীসকলৰ আচৰণ বিকৃত হৈছিল। বিশেষকৈ সিহঁতৰ অধিকাংশ মুখা-পিন্ধা আলিম ভয়ানক প্ৰতাৰক আৰু পাৰ্থিৱ লোভী হৈছিল। সিহঁতে পাৰ্থিৱ লোভ-লালসা আৰু সন্মানৰ কামনাত মগ্ন হৈ পৰিছিল। শেষ যুগৰ মছীহৰ যুগতো সাধাৰণ মানুহ আৰু ইছলামৰ অধিকাংশ আলিমৰ ঠিক তেনেকুৱাই হৈ আছে।

(৬) হজৰত মছীহ (আঃ) ৰূম সম্ৰাটৰ অধীনত প্ৰেৰিত হৈছিল। গতিকে শেষ মছীহৰ এই ক্ষেত্ৰত অভিন্নতা আছে। কাৰণ মইও ৰূম সম্ৰাটৰ ৰাজত্বৰ অধীনত প্ৰেৰিত হৈছো। কিন্তু এই ৰূম সম্ৰাট হজৰত মছীহ (আঃ)ৰ যুগৰ ৰূম সম্ৰাটতকৈ শ্ৰেয়। কাৰণ ইতিহাস সাক্ষ্য যে যেতিয়া ৰূম সম্ৰাট অৱগত হৈছিল যে শাসন কৰ্তা পিলাতুচ কৌশল কৰি হজৰত মছীহ (আঃ)ক ক্ৰুছত নিহত কৰাৰ শাস্তিৰ পৰা ৰক্ষা কৰিছে আৰু অতি গোপনে তেওঁক আন কোনো ঠাইলৈ স্থানান্তৰ কৰি দিছে। তেতিয়া তেওঁ বৰ অসন্তুষ্ট হৈছিল। ইওঁ সঁচা যে ইহুদী ধৰ্ম যাজকসকলেও (মৌলবী সকলে) এই গোপন সংবাদ দিছিল যে পিলাতুচ সম্ৰাটৰ এজন বিদ্ৰোহীক স্থানান্তৰ কৰি দিছে। এই সংবাদ ভিত্তিত সম্ৰাটৰ আদেশত তৎক্ষণাত পিলাতুচক কাৰাৰুদ্ধ কৰিছিল আৰু শেষত কাৰাগাৰতেই তেওঁৰ শিৰচ্ছেদ কৰা হৈছিল। এইদৰে গভৰ্ণৰ পিলাতুচ মছীহৰ প্ৰেমত শ্বহীদ হ'ল। এয়া জনা যায় অধিকাংশ শাসক আৰু সম্ৰাট ধৰ্মৰ পৰা বঞ্চিত হয়। এই নিৰ্বোধ সম্ৰাটে ইহুদী আলিম সকলক অতি নিৰ্ভৰ যোগ্য ভাৱিছিল। সিহঁতক সন্মান কৰিছিল, সিহঁতৰ মতে কাম কৰিছিল আৰু হজৰত মছীহ (আঃ)ক হত্যাৰ মাজত দেশৰ স্বাৰ্থ নিহিত আছে বুলি প্ৰমাণ কৰিছিল। কিন্তু মোৰ ধাৰণা এয়া যে বৰ্তমান যুগৰ পৰিৱৰ্তন ঘটিছে। এই কাৰণে আমাৰ সম্ৰাট (বৃটিছ সম্ৰাট) মৰ্যাদাত উক্ত অজ্ঞ আৰু জালিম ৰূম সম্ৰাটতকৈ শ্ৰেয়।

(৭) অৱশেষত খ্ৰীষ্টান ধৰ্ম ৰূম সম্ৰাটৰ জাতিৰ মাজত বিলীন হৈ গৈছিল। এই বৈশিষ্টও শেষ মছীহৰ ক্ষেত্ৰত মিল আছে। কাৰণ মই দেখিবলৈ পাইছো যে ইউৰোপ আৰু আমেৰিকাত মোৰ দাবী আৰু যুক্তি প্ৰমাণসমূহ অতি আগ্ৰহৰে নিৰীক্ষণ কৰা হৈছে আৰু তেওঁলোকে স্বত:স্ফূৰ্ত ভাৱে শ শ পত্ৰ পত্ৰিকাত ইয়াৰ সমৰ্থন প্ৰকাশ কৰিছে। তেওঁলোকে মোৰ দাবীৰ সমৰ্থনত এনে কথা লিখিছে যে এজন খ্ৰীষ্টানৰ মুখৰ বা কলমৰ পৰা এনে কথা প্ৰকাশ হোৱা জটিল। আনকি কোনো কোনোৱে সু-স্পষ্টকৈ লিখিছে যে এই ব্যক্তি নিশ্চয় সত্যবাদী বুলি ধাৰণা হয় আৰু প্ৰকৃততে ঈছা মছীহক খোদা বনোৱা এক ভয়ঙ্কৰ ভ্ৰম। আকৌ কোনো কোনোৱে এই কথাও লিখিছে যে এই সময়েই হজৰত ঈছা মছীহৰ দাবীৰ সঠিক সময় আৰু সময় নিজেই তাৰ এক প্ৰমাণ। মুঠতে তেওঁলোকৰ এইবোৰ বৰ্ণনাৰ পৰা সুস্পষ্ট প্ৰতীয়মান হয় যে তেওঁলোকে মোৰ দাবী মানি লোৱাৰ বাবে প্ৰস্তুতি গ্ৰহণ কৰিছে আৰু সিহঁতৰ হৃদয়ৰ পৰা খৃষ্ট ধৰ্ম দিনক দিনে বৰফৰ নিচিনা গলি যাব ধৰিছে।

(৮) প্ৰথম মছীহৰ যুগত এটা নক্ষত্ৰৰ উদয় হৈছিল। ইওঁ মোৰ বাবে প্ৰযোজ্য। কাৰণ তেওঁৰ যুগত যি নক্ষত্ৰৰ উদয় হৈছিল; সেয়া মোৰ সময়ত পুনৰ উদয় হৈছে। ইংৰাজী কাকত সংবাদ আৰু পত্ৰিকাও ইয়াক প্ৰমাণ কৰিছে আৰু এই সিদ্ধান্তত উপনীত হৈছে যে মছীহৰ আৱিৰ্ভাবৰ সময় অত্যাসন্ন।

(৯) হজৰত ঈছা মছীহক ক্ৰুছত উঠোৱাৰ সময়ত সূৰ্য গ্ৰহণ লাগিছিল। গতিকে খোদা এই ঘটনাত মোক অংশীদাৰ কৰিছে। কাৰণ যেতিয়া মোক অস্বীকাৰ কৰা হ'ল তেতিয়া কেৱল সূৰ্য গ্ৰহণেই নহয় বৰঞ্চ একে ৰমজান মাহত চন্দ্ৰ গ্ৰহণ এবাৰ নহয় দুবাৰ সংগঠিত হৈছে। এই দুই গ্ৰহণ সম্পৰ্কে কেৱল হাদীছত নহয়, বৰঞ্চ কোৰাণ শ্বৰীফ আৰু ইঞ্জিলতো সংবাদ দিয়া আছে। যেনে হাদীছ দাৰে কুতনীত এই সংবাদ বিদ্যমান আছে।

(১০) প্ৰথম ঈছা মছীহক কষ্ট দিয়াৰ পাছত ইহুদীসকলৰ মাজত ভয়ঙ্কৰ প্লেগ ৰোগৰ প্ৰাদুৰ্ভাৱ ঘটিছিল। গতিকে মোৰ সময়তো এই প্লেগ ৰোগৰ ভয়ঙ্কৰ

প্ৰাদুৰ্ভাৱ ঘটিছে।

(১১) ইহুদী আলিমসকলে প্ৰথম মছীহক বিদ্ৰোহী প্ৰমাণৰ বাবে চেষ্টা কৰিছিল। তেওঁৰ বিৰুদ্ধে মোকৰ্দমা সাজিছিল আৰু মৃত্যুদণ্ড দিয়াৰ বাবে অপ্ৰাণ চেষ্টা কৰিছিল। গতিকে এই মোকৰ্দমাতো খোদাৰ চিৰাচৰিত বিধানে মোক অংশীদাৰ কৰিছে। মোৰ বিৰুদ্ধে এটা হত্যাৰ গোচৰ সজোৱা হৈছিল আৰু অনুৰূপ ভাৱেই মোক বিদ্ৰোহী প্ৰমাণ কৰাৰ চেষ্টা কৰা হৈছিল। এই মোকৰ্দমাৰ দ্বিতীয় পক্ষৰ সাক্ষী স্বৰূপ মৌলবী আবু ছৈয়দ মহম্মদ হুচেইন বাটালৱী চাহাব আছিল।

(১২) দ্বাদশ বিশেষত্ব হ'ল হজৰত ঈছা মছীহৰ সৈতে এজন চুৰক ক্ৰুছত উঠোৱা হৈছিল। গতিকে এই ঘটনাৰ সৈতেও মোৰ সামঞ্জস্য আছে। কাৰণ যিদিনা খোদা তা'লা মোক উক্ত মোকৰ্দমাৰ পৰা মুক্তি দিলে (খোদাৰ ওহী আৰু মোৰ ভৱিষ্যদ্বাণী অনুসৰি) সেই একেই দিনা এজন খ্ৰীষ্টান চুৰকো মোৰ লগত আদালতত উপস্থিত কৰা হৈছিল। এই চুৰ খ্ৰীষ্টান সকলৰ পৱিত্ৰ জামাত মুক্তি বাহিনীৰ লোক আছিল। তেওঁ টকা চুৰি কৰিছিল। তেওঁক মাত্ৰ তিনি মাহৰ শাস্তি দিয়া হৈছিল। কিন্তু প্ৰথম মছীহৰ সঙ্গী চুৰৰ দৰে এওঁকো মৃত্যুদণ্ড দিয়া হোৱা নাই।

(১৩) মছীহৰ ত্ৰয়োদশ বিশেষত্ব হ'ল যে যেতিয়া হজৰত ঈছা মছীহ (আঃ)ক শাসনকৰ্তা পিলাতুচৰ আগত উপস্থিত কৰা হৈছিল আৰু তেওঁৰ মৃত্যুদণ্ডৰ বাবে আবেদন কৰিছিল; তেতিয়া পিলাতুচ কৈছিল, মই তেওঁক শাস্তি প্ৰদানৰ বাবে তেনে কোনো অপৰাধ দেখা নাই। সেইদৰে জিলা শাসনকৰ্তা ক্যাপ্তেইন ডগলাচ চাহাবে মোৰ প্ৰশ্নৰ উত্তৰত কলে, মই আপোনাৰ ওপৰত কোনো অভিযোগ অনা নাই। মোৰ মতে ক্যাপ্তেইন ডগলাচ চাহাব স্বীয় দৃঢ়তা আৰু ন্যায় বিচাৰৰ ক্ষেত্ৰত শাসনকৰ্তা পিলাতুচতকৈ শ্ৰেয় আছিল। কাৰণ পিলাতুচ অৱশেষত ভয় কাপুৰুষতা প্ৰদৰ্শন কৰিছিল। কিন্তু কেপ্তেইন ডগলাচ কেতিয়াও ভীতি প্ৰদৰ্শন কৰা নাই। তেওঁৰ ওচৰত মহম্মদ হুচেইন বাটালৱী চিয়াৰ বিচাৰি কলে যে মোৰ হাতত লেফটেন্যাণ্ট চাহাবৰ চিঠি আছে। কিন্তু ক্যাপ্তেইন

ডগলাচ ইয়াৰ কোনো ভ্ৰূক্ষেপ কৰা নাছিল। অথচ মই এজন অভিযুক্ত হোৱা সত্ত্বেও মোক চিয়াৰ দিয়া হৈছিল; আৰু মহম্মদ হুচেইন বাটালৱী চাহাবক ধমকি দিয়া হৈছিল। তেওঁক কোনো চিয়াৰ দিয়া নাছিল। যদিও আচমানত আসনপ্ৰাপ্ত ব্যক্তি পাৰ্থিৱ আসনৰ মুখাপেক্ষী নহয়, তথাপি মই আৰু মোৰ জামাত চিৰদিন এই পুণ্য স্বভাৱ বিশিষ্ট ব্যক্তিক স্মৰণ ৰাখিম; ই আমাৰ নমস্য তেওঁৰ নাম কিয়ামত পৰ্য্যন্ত শ্ৰদ্ধাৰে সোঁৱৰণ কৰা হ'ব।

(১৪) প্ৰথম মছীহৰ চতুৰ্দশ বিশেষত্ব এয়া আছিল যে তেওঁ পিতৃ নথকাৰ কাৰণে বনি ইস্ৰাইলৰ বংশধৰ নাছিল তদুপৰি হজৰত মুছায়ী ছিলছিলাৰ শেষ আৰু চতুৰ্দশ শতাব্দীত জন্ম গ্ৰহণ কৰিছিল। সেইদৰে মইও কুৰাইশ বংশধৰ নহয় আৰু মহম্মদী ছিলছিলাৰ শেষ আৰু চতুৰ্দশ শতাব্দীত প্ৰেৰিত হৈছো।

(১৫) প্ৰথম মছীহৰ যুগত পৃথিৱীৰ প্ৰাকৃতিক পৰিৱেশ আৰু পৰিমণ্ডলৰ এক বিশেষ পৰিৱৰ্তন সাধন হৈছিল। যেনে ৰাস্তা-ঘাট নিৰ্মাণ, ডাক ঘৰৰ উত্তম ব্যৱস্থা,বাটৰুৱাৰ বাবে চৰাঘৰ আৰু সেনা বাহিনীৰ উন্নত সা-সুবিধা সৃষ্টি কৰা হৈছিল। পূৰ্বৰ তুলনাত আইন কানুন বৰ নিকা হৈছিল। সেইদৰে মোৰ সময়তো পৃথিৱীত বিশ্ৰামৰ বহুত উন্নত উপকৰণ উদ্ভাৱন হৈছে। আনকি যাত্ৰী বাহী ৰেল গাড়ীৰ আবিষ্কাৰ হৈছে। ইয়াৰ ভৱিষ্যদ্বাণী পৱিত্ৰ কোৰাণ শ্বৰিফত পোৱা যায়। বাকীবোৰ পাঠক নিজেই বুজি লওঁক।

(১৬) প্ৰথম মছীহৰ ষষ্ঠদশ বৈশিষ্ট হ'ল তেওঁ পিতৃহীন জন্ম গ্ৰহণ হোৱাত হজৰত আদম (আঃ)ৰ সদৃশ আছিল। সেইদৰে যমজ জন্ম গ্ৰহণ কৰাৰ কাৰণে মইও হজৰত আদম (আঃ)ৰ সদৃশ। খলিফা ছীনি বংশোদ্ভত হ'ব; অৰ্থাৎ মোগল সকলৰ পৰা হ'ব। তেওঁ যমজ জন্ম গ্ৰহণ কৰিব। কিন্তু প্ৰথমে ছোৱালীৰ পাছত তেওঁ জন্ম গ্ৰহণ কৰিব। মোৰ জন্ম ঠিক এই দৰেই হৈছে। শুক্ৰবাৰ দিন প্ৰাতঃ কালত মই যমজ জন্ম গ্ৰহণ কৰো আৰু প্ৰথমে ছোৱালী পাছত মই জন্ম গ্ৰহণ কৰো। নাজানো ইবনে আৰবী চাহাবে এই ভৱিষ্যদ্বাণী ক'ৰ পৰা সংগ্ৰহ কৰিছিল। এতিয়া ই পূৰ্ণ হৈছে আৰু তেওঁৰ পুস্তক সমূহত

এই ভৱিষ্যদ্বাণীৰ এতিয়াও উল্লেখ আছে। মোৰ আৰু হজৰত মছীহ (আঃ)ৰ মাজত এই ১৬ টা বিশেষত্ব আছে। এই কথা হ'ল, যদি ই মানুহৰ দ্বাৰা সম্ভৱ হ'লহেঁতেন তেন্তে আমাৰ মাজত ইমান সাদৃশ্য নাথাকিলহেঁতেন। মিছলীয়া সাব্যস্ত কৰি প্ৰত্যাখান কৰা আদি কালৰ পৰাই সিহঁতৰ কাম যিসকলে সৌভাগ্যৰ অধিকাৰী নহয়। কিন্তু এই যুগৰ মৌলবী সকলৰ মিছাৰোপ এক অদ্ভুত কাৰ্য্য। মই সেই ব্যক্তি যি নিৰ্ধাৰিত আৰু নিৰ্দিষ্ট সময়ত আৱিৰ্ভূত হৈছোঁ। কোৰাণ, হাদীছ, বাইবেল আৰু অন্যান্য নবী সকলৰ ভৱিষ্যদ্বাণী আনুসৰি আচমানত মোৰ বাবে এক ৰমজান মাহত চন্দ্ৰ আৰু সূৰ্য গ্ৰহণ হৈছে। মই সেই ব্যক্তি যাৰ যুগত কোৰাণ আৰু নবীসকলৰ ভৱিষ্যদ্বাণী অনুসৰি এই দেশত অলৌকিক ভাৱে প্লেগ ৰোগ বিয়পাইছে। মই সেই ব্যক্তি যাৰ যুগত ছহী হাদীছ অনুসৰি হজ্ব বন্ধ কৰা হৈছে। যাৰ যুগত নক্ষত্ৰ উদয় হৈছিল। যাৰ যুগত ৰেলগাড়ী প্ৰচলনৰ বাবে বাহন উট অচল হৈছে আৰু অনতিপলমে মক্কা আৰু মদিনাৰ মাজত ৰেল লাইন নিৰ্মাণ হৈ সকলো বাহন উট অচল হৈ যাব। যাৰ সময়ত ১৩০০ বছৰ ধৰি ভ্ৰমণ কল্যাণকৰ আছিল। তেতিয়া ছহী মুছলিম শ্বৰীফৰ হাদীছ মছীহৰ যুগত বাহন উট অচল হ'ব আৰু কোনেও সেইবোৰেৰে ভ্ৰমণ নকৰিব। সেইদৰে মইয়ো সেই ব্যক্তি যাৰ হাতত শ শ নিদৰ্শন প্ৰদৰ্শিত হৈছে। পৃথিৱীত এনে কোনো জীৱিত মানুহ আছে নে যিয়ে নিদৰ্শন প্ৰদৰ্শনৰ প্ৰতিযোগীতাত মোৰ ওপৰত বিজয়ী হ'ব পাৰে ? মোৰ প্ৰাণ যাৰ হাতত সেই খোদাৰ শপত খাই কৈছো যে এতিয়ালৈকে মোৰ হাতত দুই লাখতকৈ অধিক নিদৰ্শন প্ৰদৰ্শন হৈছে আৰু দহ হাজাৰতকৈ অধিক ব্যক্তিয়ে আঁহজৰত (ছাঃ)ক সপোনত দেখিছে আৰু তেখেত (ছাঃ)য়ে মোক সত্যায়ন কৰিছে। এই দেশৰ কোনো কোনো খ্যাতনামা আহলে কাশ্‌ফ (দিব্য দৰ্শী) যিসকলৰ লাখ লাখ ভক্ত আছিল; সিহঁতক সপোনত দেখুৱা হৈছিল যে এওঁ খোদাৰ পৰা প্ৰেৰিত হৈছে। সিহঁতৰ কোনো কোনোৱে মোৰ আৱিৰ্ভাবৰ ত্ৰিশ বছৰ আগতেই পৃথিৱীৰ পৰা বিদায় মাগিছে। উদাহৰণস্বৰূপ, লুধিয়ানা জিলাৰ নিবাসী গোলাব

শ্বাহ নামৰ এজন ব্যক্তি আছিল, তেওঁ জামালপুৰ জিলাৰ বাসিন্দা মৰহুম মিঞা কৰিম বক্সক এই সংবাদ দিছিল যে ঈছা কাদিয়ানত জন্ম গ্ৰহণ কৰিছে আৰু তেওঁ লুধিয়ানাত আগমন কৰিব। মিঞা কৰিম বক্স এজন আল্লাহ প্ৰেমী বৃদ্ধ বয়সীয়াল আছিল। তেওঁ লুধিয়ানাত মোৰ সৈতে সাক্ষাৎ কৰে আৰু উক্ত ভৱিষ্যদ্বাণী সমূহ মোক শুনায়। এই কাৰণে মৌলবীসকলে তাক অশেষ কষ্ট দিয়ে। কিন্তু তেওঁ কোনো ভ্ৰূক্ষেপ কৰা নাই। তেওঁ মোক কলে, গোলাব শ্বাহ মোক কৈছিল, ঈছা ইবনে মৰিয়ম জীৱিত নাই বৰঞ্চ তেওঁ মৃত্যু বৰণ কৰিছে। আনকি পৃথিৱীত কেতিয়াও পুনৰ নাহে। মিৰ্জা গোলাম আহমদেই এই উম্মতৰ বাবে ঈছা। খোদাৰ কুদৰত আৰু প্ৰজ্ঞাত প্ৰথমে তেওঁক ঈছা সদৃশ কৰিছে আৰু আচমানত তেওঁৰ নাম ঈছা নামাকৰণ কৰিছে। তেওঁ আৰু কলে, হে কৰিম বক্স ! যেতিয়া উক্ত ঈছাৰ আৱিৰ্ভাব হ'ব তেতিয়া সম সাময়িক মৌলবী সকলে তেওঁৰ ঘোৰ বিৰোধীতা কৰিব; কিন্তু বিফল হ'ব। পৱিত্ৰ কোৰাণ শ্বৰীফৰ ওপৰত যিবোৰ মিছা চিহ্ন আৰোপ কৰা হৈছে তেওঁ এইবোৰ দূৰ কৰাৰ বাবে আৰু পৱিত্ৰ কোৰাণৰ প্ৰকৃত স্বৰূপ পৃথিৱীবাসীৰ আগত উত্থাপনৰ বাবে আগমন কৰিব। উক্ত বুজুৰ্গ ব্যক্তি মুক্ত কণ্ঠে দ্ব্যৰ্থহীন ভাষাত এই ইঙ্গিত কৰিছিল যে তুমি ইমান আয়ু লাভ কৰিবা যে তুমি তাক দেখিবলৈ পাবা।

এইবোৰ প্ৰমাণ মু'জিজা (অলৌকিক ঘটনা) আৰু শক্তিশালী নিদৰ্শন থকা সত্বেও মৌলবী সকলে মোক মিছলীয়া বুলি প্ৰত্যাখান কৰে। অৱশ্যে غَيْرِ الْمَغْضُوْبِ عَلَيْهِمْ আয়াতৰ ভৱিষ্যদ্বাণী পূৰ্ণ হোৱাৰ বাবে এনে কৰা আৱশ্যক। কিন্তু স্মৰণ ৰখা উচিত যে এই বিৰুদ্ধাচৰণৰ ঘাই শিপা হ'ল অমূলক। সিহঁতে ভাৱে যে সিহঁতৰ ওচৰত বিস্ময়কৰ লক্ষণ সমূহৰ যি ভাণ্ডাৰ আছে সেই সকলোবোৰ মছীহৰ মাজত প্ৰকাশ হোৱা আৱশ্যক। যদিও আদি কালৰ পৰায়েই এয়া অসম্ভৱ বুলি প্ৰতীয়মান হৈ আহিছে, তথাপি ইয়াৰ এটা হাদীছও পূৰ্ণ নহলে মছীহ আৰু মাহদীৰ দাবী কাৰকক মানি লোৱা

উচিত নহয়। ইহুদীসকলে যিবোৰ হজৰত ঈছা (আঃ)ৰ বাবে নিজ কিতাপ সমূহত নির্ধাৰিত কৰি ৰাখিছিল সেইবোৰ পূৰ্ণ হোৱা নাই। তদুপৰি এই হতভগা সকলে হজৰত ৰছুলে কৰীম (ছাঃ)ৰ বাবেও যিবোৰ লক্ষণ নির্ধাৰিত কৰি ৰাখিছিল আৰু বহল ভাৱে প্ৰচাৰ কৰিছিল; তাৰ খুব কম সংখ্যকহে পূৰ্ণ হৈছে। তেওঁলোকৰ ধাৰণা আছিল আখেৰী নবী বনি ইস্রাইলৰ বংশৰ পৰা আৱির্ভূত হ'ব। কিন্তু হজৰত মহম্মদ (ছাঃ)য়ে বনি ইছমাইলৰ বংশত জন্ম গ্রহণ কৰিছিল। যদি খোদাৰ এনে অভিপ্রায় থাকিলেহেঁতেন তেন্তে তৌৰাত গ্রন্থত লিখিলেহেঁতেন যে সেই নবীৰ নাম মহম্মদ (ছাঃ),পিতাৰ নাম আব্দুল্লাহ,ককাৰ নাম আব্দুল মুত্তালিব হ'ব আৰু জন্ম স্থান মক্কা আৰু প্রব্রজনৰ স্থান মদিনা হ'ব। কিন্তু আল্লাহ তা'লা এয়া লিখা নাই। কাৰণ এনে ভৱিষ্যদ্বাণীৰ মাজত কিছু পৰীক্ষাও নিহিত থাকে। প্রকৃত কথা হ'ল প্রতিশ্রুত মছীহৰ বাবে আগৰে পৰাই সংবাদ দিয়া হৈছিল যে তেওঁ ইছলামৰ বিভিন্ন ফিৰকাৰ মাজত ন্যায় বিচাৰক ৰূপে আগমন কৰিব। অৱশ্যে এয়া সঁচা যে প্রত্যেক ফিৰকাৰ বেলেগ বেলেগ হাদীছ আছে। গতিকে এয়া কেনেকৈ সম্ভৱ যে তেওঁ সমূহ ধাৰণা আৰু বিশ্বাসৰ সত্যতা কৰিব। যদি তেওঁ আহলে হাদীছৰ সত্যতা প্রমাণ কৰে তেন্তে হানাফি সকলে অসন্তুষ্ট হ'ব; আৰু যদি হানাফি সকলক সত্যতা প্রমাণ কৰে তেন্তে শ্বাফী সকলে ক্রোধান্বিত হ'ব। পক্ষান্তৰে ছিয়া সম্প্রদায়ৰ লোকে পৃথক নীতি নির্ধাৰণ কৰিব। সিহঁতৰ মতে তেওঁৰ আগমন হোৱা উচিত কিন্তু এই ক্ষেত্রত তেওঁ কেনেকৈ সকলোকে সন্তুষ্ট কৰিব ? ইয়াৰ বাহিৰে ন্যায় বিচাৰক শব্দটো ইয়াকে সূচায় যে তেওঁ এনে সময়ত আগমন কৰিব যেতিয়া সকলো ফিৰকা সত্যৰ পৰা অলপ হলেও বিচ্যুত হৈ পৰিব। তেনে অৱস্থাত নিজৰ নিজৰ হাদীছৰ দ্বাৰা তেওঁক নির্ণয় কৰা মাৰাত্মক ভুল হ'ব; বৰঞ্চ সঠিক পদ্ধতি হ'ল যিবোৰ নিদর্শন আৰু লক্ষণ তেওঁৰ যুগত প্রকাশ পাব, সেইবোৰৰ পৰা কল্যাণ গ্রহণ কৰা উচিত আৰু অৱশিষ্ট লক্ষণ সমূহক ভ্রান্ত আৰু মানুহে মিছা ৰচনা কৰা বুলি মনে কৰা উচিত। এই পদ্ধতি

সেই সকল ইহুদীয়ে গ্ৰহণ কৰিছিল যিসকলে পুণ্য স্বভাৱ বিশিষ্ট আৰু মুছলমানত পৰিণত হৈছিল। কাৰণ ইহুদীসকলৰ নিৰ্দিষ্ট হাদীছ অনুসৰি যিবোৰ পূৰ্ণ হৈছিল আৰু হজৰত মুহাম্মাদুৰ ৰছুলুল্লাহ (ছাঃ)ৰ স্বপক্ষে প্ৰকাশিত হৈছিল সেইবোৰ হাদীছ সিহঁতে সঠিক মানিছিল বাকীবোৰক ভুল বুলি আখ্যা দিছিল। যদি এনে নহ'লহেঁতেন আৰু আমাৰ প্ৰিয় নবী হজৰত মুস্তাফা (ছাঃ)ৰ নবুয়তো সিহঁতৰ ওচৰত প্ৰমাণিত নহ'লহেঁতেন; যিসকল ইহুদী মুছলমান হৈছিল তেওঁলোকে শ শ হাদীছ মিছা বুলি পৰিত্যাগ কৰিছিল। যেতিয়া তেওঁলোকে দেখিলে যে কোনো কোনো নিৰ্ধাৰিত লক্ষণ পূৰ্ণ হৈছে আৰু আনপিনে খোদাৰ ৰছুলৰ অনুকুলে সমুদ্ৰ সমূহ ঐশ্বৰিক সাহায্য তৰংগৰ নিচিনা প্ৰবাহিত হৈছে তেতিয়া তেওঁলোকে সেই হাদীছ সমূহৰ পৰা কল্যাণ লাভ কৰে যিবোৰ পূৰ্ণ হৈছিল। যদি তেওঁলোকে এনে নকৰিলেহেঁতেন তেনেহলে এজনো মুছলমান হ'ব নোৱাৰিলেহেঁতেন।

উপৰোক্ত কথাবিলাক মই কেইবা বাৰ মৌলবী আব্দুল লতিফ চাহাবক শুনাইছিলোঁ। কিন্তু আশ্চৰ্য্যৰ বিষয় হ'ল যে তেওঁ মোক কলে যে, তেওঁ আগৰে পৰাই এই বিষয়ে অৱগত আছিল। হজৰত মছীহৰ মৃত্যু সম্পৰ্কে আৰু এই যুগতেই এই উম্মতৰ মাজৰ পৰাই প্ৰতিশ্ৰুত মছীহৰ আৱিৰ্ভাৱ হোৱা বাঞ্চনীয় বুলি তেওঁ মোক এনে বহু আশ্চৰ্য্যজনক যুক্তি প্ৰমাণ শ্ৰৱণ কৰালে যে মই একেবাৰে বিস্মিত হলো। তেতিয়া হাচাব আচ বাচৰা বিলাল আজ হাবশাৰ কথা মোৰ মনত পৰিল। তেওঁৰ অধিকাংশ যুক্তি প্ৰমাণ পৱিত্ৰ কোৰাণ শ্বৰীফৰ পৰা আছিল; তেওঁ বাৰম্বাৰ কৈছিল এইবিলাক মানুহ কি যে নিৰ্বোধ ! সিসকলে ভাৱে মছীহ মাওউদৰ ভৱিষ্যদ্বাণী কেৱল হাদীছ গ্ৰন্থতেই আছে। যদিও কোৰাণ কৰীমৰ পৰা যিমানখিনি প্ৰমাণ পোৱা যায় যে হজৰত ঈছা (আঃ) মৃত্যু বৰণ কৰিছে আৰু মছীহ মাওউদ (আঃ)এই উম্মতৰ পৰাই আগমন কৰিব সিমান প্ৰমাণ হাদীছত পোৱা নাযায়। মুঠতে খোদা তা'লা তেওঁৰ হৃদয় নিশ্চিত বিশ্বাস আৰু পূৰ্ণ তত্ত্বজ্ঞানে পৰিপূৰ্ণ কৰি দিছিল যাৰ

দ্বাৰা তেওঁ মোক চিনাক্ত কৰিছিল, যেনেকৈ এজন ব্যক্তিক ফিৰিস্তা সহ আকাশৰ পৰা অৱতৰণ কৰা দেখা যায়। তেতিয়াৰ পৰাই মোৰ মনত আছে যে হাদীছসমূহত হজৰত মছীহ মাওউদ (আঃ)ৰ যি অৱতৰণৰ কথা উল্লেখ আছে সেই শব্দটো যদি সন্মান আৰু প্ৰভাৱৰ বাবে আৰব সকলৰ ভাষাত ব্যৱহৃত হয়; যেনে অমুক সেনাবাহিনী অমুক স্থানত অৱতৰণ কৰিছে; চহৰত কোনো নতুন ব্যক্তিক যদি সোধা হয় তুমি ক'ত অৱতৰণ কৰিছা ? কোৰাণ শ্বৰীফত আল্লাহ তা'লা কৈছে, মই এই ৰছুলক অৱতীৰ্ণ কৰিছোঁ। বাইবেলত আছে ঈছা (আঃ)আৰু ইয়াহিয়া (আঃ) আকাশৰ পৰা অৱতীৰ্ণ কৰিছে। তেনেহলে এই অৱতৰণ শব্দটোৱে এই বিষয়ৰ প্ৰতি ইঙ্গিত কৰে যে মছীহৰ সত্যতাৰ বাবে ইমান যুক্তি প্ৰমাণৰ সমাৱেশ হ'ব যে তেওঁৰ মছীহ মাওউদ হোৱা সম্পৰ্কে দুৰদৃষ্টি সম্পন্ন লোকসকলৰ নিশ্চিত আৰু দৃঢ় বিশ্বাস হ'ব যে তেওঁ সিহঁতৰ আগত আকাশৰ পৰা অৱতৰণ কৰিছে। বাস্তৱতে চাহাবজাদা মৌলবী শ্বহীদ আব্দুল লতিফ চাহাব আছিল এনে পৰিপূৰ্ণ বিশ্বাসৰ জলন্ত উদাহৰণ। জীৱন দিয়াতকৈ মহান কাম একো নাই আৰু তেওঁ তাকেই দৃঢ়চিত্তাৰ সৈতে কৰি পৰিষ্কাৰ ভাৱে বুজাইছে যে তেওঁ মোক আকাশৰ পৰা অৱতৰণ কৰা নিশ্চয় দেখিছে আৰু অন্যান্য লোকৰ বাবেও এয়া পৰিষ্কাৰ যে মোৰ দাবীৰ সকলো দিশ প্ৰথমত পৱিত্ৰ কোৰাণ শ্বৰীফত এই ফয়চলা কৰিছে যে ঈছা ইবনে মৰিয়ম (আঃ) স্বাভাৱিক মৃত্যুবৰণ কৰিছে আৰু কোনো দিন তেওঁ পৃথিৱীলৈ পুনৰাগমন নকৰে। যদিও ধৰি লোৱা হয় যে কোৰাণৰ বিপক্ষে এক লাখ হাদীছ আছে, তথাপি সেই সকলোবোৰ হাদীছ ভ্ৰান্ত আৰু মিছা নতুবা কোনো মিছলীয়া কৰ্তৃক সজোৱা বুলি প্ৰতিপন্ন হ'ব। পৱিত্ৰ কোৰাণ শ্বৰীফে যি কৈছে সেয়াই সত্য আৰু সেইবোৰ হাদীছ গ্ৰহণ যোগ্য যাৰ বিষয়বস্তু কোৰাণৰ বৰ্ণিত চুৰা নুৰত মিনকুম (তোমালোকৰ মাজৰ পৰাই) শব্দৰ দ্বাৰা কৰা হৈছে যে সকলো খলিফা এই উম্মতৰ পৰা সৃষ্টি হ'ব আৰু সিহঁত মুছায়ী ছিলছিলাৰ খলিফাসকলৰ সদৃশ হ'ব আৰু সিহঁতৰ এজন ধাৰাবাহিকতাৰ

শেষত প্ৰতিশ্ৰুত হ'ব যি ঈছা ইবনে মৰিয়ম (আঃ)ৰ সাদৃশ্যযুক্ত হ'ব। বাকীবিলাক প্ৰতিশ্ৰুত নহ'ব; অৰ্থাৎ সিহঁতৰ নামৰ উল্লেখসহ কোনো ভৱিষ্যদ্বাণী নাথাকিব। উক্ত মিনকুম শব্দটো বুখাৰী শ্বৰীফ আৰু মুছলিম শ্বৰীফতো উল্লেখ আছে; ইয়াৰ অৰ্থ হ'ল সেই প্ৰতিশ্ৰুত মছীহ এই উম্মতৰ মাজৰ পৰা সৃষ্টি হ'ব। যদি কোনো চিন্তাশীল ব্যক্তিয়ে গভীৰ ভাৱে চিন্তা কৰে আৰু প্ৰতাৰণামূলক পন্থা অৱলম্বন নকৰে; তেন্তে এই তিনিওটা শব্দৰ প্ৰতি লক্ষ্য কৰিলে তাৰ বিশ্বাস জন্মিব যে এয়া চূড়ান্ত প্ৰতিশ্ৰুত মছীহ এই উম্মতৰ পৰাই উদ্ভৱ হ'ব।

এতিয়া বাকী থাকিল মোৰ দাবীৰ বিষয়। এই বিষয়ে মোৰ সপক্ষে ইমানবোৰ যুক্তি প্ৰমাণ আছে যে যদি কোনো ব্যক্তি নিৰ্লজ্জ নহয়; তেন্তে যেনেকৈ হজৰত মুহাম্মদ ৰছুলুল্লাহ (ছাঃ)ৰ দাবীক মান্য কৰিছে, ঠিক তেনেকৈ মোৰ দাবী মান্য কৰাৰ বাহিৰে তেওঁৰ কোনো উপায় নাই। মোৰ সম্পৰ্কে পৱিত্ৰ কোৰাণ শ্বৰীফত ইমান পৰিপূৰ্ণ লক্ষণ আৰু নিদৰ্শন বৰ্ণনা কৰিছে যে এফালে মোৰ নামৰ উল্লেখ কৰিছে আনফালে হাদীছ সমূহত মোৰ গাঁৱৰ নাম কাদিয়া শব্দৰ দ্বাৰা বুজাইছে। এয়া মোৰ দাবীৰ প্ৰমাণৰ বাবে যথেষ্ট নহয় নে? হাদীছ সমূহৰ দ্বাৰা প্ৰমাণিত হয় যে এই প্ৰতিশ্ৰুত মছীহ (আঃ)ত্ৰয়োদশ শতাব্দীত জন্ম গ্ৰহণ কৰিব আৰু চতুৰ্দশ শতাব্দীত প্ৰকাশিত হ'ব। চহী বুখাৰী শ্বৰীফত মোৰ আকৃতি, ৰং আৰু মোৰ বিষয়ে বৃহৎ প্ৰাচ্য কেন্দ্ৰ (ভাৰতবৰ্ষ)ক বুজোৱা হৈছে আনকি প্ৰতিশ্ৰুত মছীহ দামেস্কৰ পূৰ্ব দিশত প্ৰকাশিত হ'ব বুলি উল্লেখ আছে। সেইমতে কাদিয়ান গাঁৱখন দামেস্কৰ পূৰ্ব দিশত অৱস্থিত। তদুপৰি মোক মিছলীয়া বুলি প্ৰত্যাখান কৰাৰ সময়ত এনে ৰমজান মাহত চন্দ্ৰ আৰু সূৰ্য গ্ৰহণ হোৱা, প্লেগ ৰোগৰ প্ৰাদুৰ্ভাৱ হোৱা হাদীছ আৰু কোৰাণ অনুসৰি ৰেল গাড়ীৰ প্ৰৱৰ্তন হোৱা, হজ্ব বন্ধ হোৱা, ক্ৰুছৰ বিজয়ৰ সময় হোৱা, মোৰ হাতত শ শ নিদৰ্শন প্ৰকাশিত হোৱা, নবীসকলৰ নিৰ্ধাৰিত সময়ত প্ৰতিশ্ৰুত মছীহৰ আৱিৰ্ভাৱৰ এইটোৱেই সময় হোৱা, শতাব্দীৰ আৰম্ভণীত আৱিৰ্ভাৱ হোৱা, মোৰ সত্যতাৰ বাবে এইটোৱেই সময় তাৰ বাবে হাজাৰ

হাজাৰ পুণ্যবান ব্যক্তি সপোন দেখা, হজৰত মহম্মদ (ছাঃ) আৰু কোৰাণৰ বাণী অনুসৰি প্ৰতিশ্ৰুত মছীহ (আঃ)এই উম্মতৰ পৰাই সৃষ্টি হ'ব। খোদা তা'লাৰ সহায় আৰু সমৰ্থন মোৰ লগত থকা, প্ৰায় দুই লাখ লোক মোৰ হাতত দীক্ষা গ্ৰহণ কৰি ন্যায়নিষ্ঠা আৰু পৱিত্ৰতা অৱলম্বন কৰা, মোৰ সময়ত খ্ৰীষ্টান ধৰ্মৰ এক আলোড়ন সৃষ্টি হোৱা আনকি ত্ৰিত্ববাদৰ যাদু বৰফৰ দৰে পমিবলৈ আৰম্ভ হোৱা, মোৰ সময়ত মুছলমান সকলে বহু ফিৰকাত বিভক্ত হৈ পতনমুখী হোৱা, বিভিন্ন ধৰণৰ চিৰক বি'দাত, মদ্যপান, অবৈধ উপাৰ্জন, আত্মসাৎ আৰু মিছলীয়াৰ বিস্তাৰ লাভ কৰি পৃথিৱীত এক পৰিৱৰ্তন সৃষ্টি হোৱা, চাৰিওফালৰ পৰা এই পৃথিৱীত এক মহা বিপ্লৱ সাধিত হোৱা, প্ৰত্যেক জ্ঞানীৰ সাক্ষীৰ দ্বাৰা এজন সংস্কাৰকৰ মুখাপেক্ষী হোৱা, অলৌকিক বাণী আৰু স্বীয় নিদৰ্শনত মোৰ প্ৰতিযোগীতাত সকলোৱে ব্যৰ্থ আৰু নিৰুপায় হৈ পৰা; আৰু মোৰ সমৰ্থনত খোদাৰ লাখ লাখ ভৱিষ্যদ্বাণী পূৰ্ণ হোৱা, আদি লক্ষণসমূহ এজন খোদা ভীৰুৰ বাবে মোক গ্ৰহণ কৰাৰ কাৰণ হিচাপে যথেষ্ট। আকৌ কোনো কোনো অজ্ঞ ব্যক্তিয়ে ইয়াত আপত্তি উত্থাপন কৰে যে কোনো কোনো ভৱিষ্যদ্বাণ পূৰ্ণ হোৱা নাই। যেনে আথমৰ মৃত্যু আৰু আহমদ বেগৰ জোঁৱাই সম্পৰ্কে কৰা ভৱিষ্যদ্বাণী। কিন্তু খোদা তা'লাৰ ওচৰত তেওঁলোক লজ্জিত হোৱা উচিত। কাৰণ, যি ক্ষেত্ৰত কেইবা লাখ ভৱিষ্যদ্বাণী দিবালোকৰ নিচিনা পূৰ্ণ হৈছে; সেই ক্ষেত্ৰত দুই এটা ভৱিষ্যদ্বাণী অনুধাৱন কৰিব নোৱাৰা; সিহঁতৰ হৃদয়ৰ কঠোৰতা কু-ধাৰণা বশতঃ খোদাৰ হাজাৰ হাজাৰ নিদৰ্শন,শক্তি প্ৰমাণ আৰু অলৌকিক ক্ৰিয়াক অস্বীকাৰ কৰা সিহঁতৰ অপবাধ। যদি এনেকৈ অস্বীকাৰ কৰা যায়। তেন্তে মোক এনে কোনো পয়গম্বৰৰ কথা ক'ব পাৰিবনে, যাৰ কোনো ভৱিষ্যদ্বাণী পূৰ্ণ হোৱাৰ ক্ষেত্ৰত সিহঁতে অস্বীকাৰ কৰা নাছিল।

অথচ মালাকী নবীৰ ভৱিষ্যদ্বাণী বাহ্যিক অৰ্থত আজিলৈকে পূৰ্ণ হোৱা নাই। এই ভৱিষ্যদ্বাণী অনুসৰি মছীহৰ পূৰ্বে হজৰত ইলিয়াচ নবীৰ আগমন আৱশ্যক আছিল। কিন্তু যদিও ইহুদী সকলে আজিলৈকে তাৰ অপেক্ষা কৰি

আছে; তথাপি তেওঁ পৃথিৱীত আগমন কৰিছে নে? এই যুগৰ মানুহৰ জীৱন কালতেই হজৰত মছীহৰ পুনৰাগমন হ'ব, এয়া পূৰ্ণ হৈছে নে? আকাশৰ চাবি-কাঠি ত্ৰিত্ববাদৰ হাতত কথাষাৰ পূৰ্ণ হৈছে নে? তেওঁ হজৰত দাউদ (আঃ)ৰ ৰাজত্ব প্ৰতিষ্ঠা কৰিব, ই পূৰ্ণ হৈছে নে? হজৰত মছীহ (আঃ)ৰ ১২ জন শিষ্য ১২ খন আসনত আৰোহণ কৰিব, বাণীটো পূৰ্ণ হৈছে নে? তেওঁৰ এজন ইহুদা আছক্ৰাইউতি নামৰ শিষ্য যাৰ বাবে সিংশাসনৰ প্ৰতিশ্ৰুতি আছিল, তেওঁৰ পৰিৱৰ্তে আন এজন নতুন শিষ্যক নিৰ্বাচন কৰা হ'ল,যি মছীহৰ কল্পনাতীত আছিল। পৱিত্ৰ হাদীছ গ্ৰন্থ আনকি দূৰৰে মনচুৰ গ্ৰন্থতো লিখা আছে যে হজৰত ইউনুচ নবী সুনিশ্চিত ভাৱে আৰু বিনা চৰ্তে ভৱিষ্যদ্বাণী কৰিছিল যে "নাইনুৱাৰ" অধিবাসী সকলৰ ওপৰত ৪০ দিনৰ ভিতৰত আযাব (শাস্তি) নাযিল হ'ব; যিয়ে সিহঁতক ধ্বংস কৰিব। কিন্তু সিহঁতৰ ওপৰত কোনো শাস্তি নাযিল হোৱা নাই আৰু সিহঁত ধ্বংসও হোৱা নাই। অৱশেষত হজৰত ইউনুচ (আঃ)য়ে লজ্জিত হৈ সেই স্থান ত্যাগ কৰিলে; এই ভৱিষ্যদ্বাণী সমূহ বাইবেলত উল্লেখ আছে যাক খ্ৰীষ্টান সকলে খোদা তা'লাৰ বুলি ভাৱে। তদুপৰি মুছলমান সকলে এইবিলাক নবীৰ ওপৰত ঈমান ৰাখে; আৰু এই সমূহ আপত্তিৰ প্ৰতি ভ্ৰূক্ষেপ নকৰে। কিন্তু ওপৰত উল্লেখিত আথম আৰু মহম্মদ বেগৰ জোঁৱাই সম্পৰ্কে। সিহঁতৰ যি আপত্তি আছে সেই সম্পৰ্কে মই বাৰে বাৰে লিখিছো যে আথমৰ ভৱিষ্যদ্বাণী পৰিপূৰ্ণ আৰু সু স্পষ্টতাৰ সৈতে পূৰ্ণ হৈছে। এতিয়া বিচাৰি চোৱা আথম ক'ত আছে? সি জীয়াই আছে নে মৰিছে? ভৱিষ্যদ্বাণী অনুসৰি চৰ্ত আছিল যিয়ে মিছলীয়া সি সত্যবাদীৰ আগতেই মৰিব। গতিকে আথম মৰাৰ বহু বছৰ অতীত হৈছে। ভৱিষ্যদ্বাণীত আৰু এটা কথা অন্তৰ্ভুক্ত আছিল যে যদি আথম সত্যৰ পিনে প্ৰত্যাৱৰ্তন নকৰে তেন্তে তেওঁ ১৫ (পোন্ধৰ) মাহৰ ভিতৰত মৰিব। কিন্তু আথম সেই বিতৰ্ক সভাতেই নিজৰ বে আদাবীৰ পৰা প্ৰত্যাৱৰ্তন কৰিছিল। কাৰণ যেতিয়া মই কলো এই ভৱিষ্যদ্বাণী এই কাৰণে কৰা হৈছে যে তুমি নিজৰ কিতাপত আঁহজৰত

(ছাঃ)ক দাজ্জাল বুলি উল্লেখ কৰিছা। এই কথা শুনাৰ লগে লগে তাৰ মুখাকৃতি মেঘাছিন্ন হয় আৰু অতি বিনম্রতাৰ সৈতে নিজৰ জিভা বাহিৰ কৰি দুই হাতত দুই কাণ ধৰি কলে, মই আঁহজৰত (ছাঃ) সম্পৰ্কে এনে কথা কেতিয়াও কোৱা নাই। ঠিক এই সময়ত প্রায় ৬০ জনতকৈ অধিক মুছলমান আৰু খ্রীষ্টান সহ অন্যান্য লোক উপস্থিত আছিল। এয়া তেওঁৰ দাম্ভিকতা আৰু শিষ্টাচাৰ বিহীনৰ পৰা প্রত্যাৱর্তন বুলি ক'ব নে বাৰু ? ইয়াৰ বাহিৰেও তেওঁ ১৫ (পোন্ধৰ) মাহ পর্যন্ত বিৰুদ্ধাচৰণৰ পৰা সম্পূর্ণ বিৰত থাকে আৰু অধিক সময় গীর্জা বাসীৰ মাজত ক্রন্দন কৰি দিন অতিবাহিত কৰে আৰু নিজকে সম্পূর্ণ ৰূপে পৰিৱৰ্তন কৰে। এই কাৰণে এজন পুণ্য হৃদয় বিশিষ্ট ঈমানদাৰৰ বাবে এয়েই যথেষ্ট যে সি ১৫ মাহৰ ভিতৰত কিছু হলেও নিজকে সি খোদা তা'লাৰ ওচৰত ভীত হৈ নম্রতা আৰু বিনয় অৱলম্বন কৰে আনকি দাম্ভিকতা আৰু বে আদাবী সম্পূর্ণ ৰূপে পৰিহাৰ কৰে। অমৃতছৰৰ যিসকল বন্ধু-বান্ধৱৰ সৈতে তেওঁৰ উঠা-বহা আছিল সেয়া পৰিহাৰ কৰে লগতে অমৃতছৰৰ বাৰীঘৰ পৰিত্যাগ কৰি তেওঁ ফিৰোজপুৰত বসতি স্থাপন কৰে।সেই হেতুকে এনে ভীতিৰ পৰা তেওঁৰ উপকাৰ হোৱা আৱশ্যক আছিল। গতিকে যদিও এই ভৱিষ্যদ্বাণী পূর্ণ হ'ল যে তেওঁ মোৰ পূর্বতে ই নির্দিষ্ট দিন বোৰৰ মাজত মৃত্যু বৰণ কৰিছিল; কিন্তু চর্ত কিছু পূৰণ কৰাৰ বাবে উপকৃত হৈছিল। ইয়াৰ বিপৰীতে পণ্ডিত লেখৰামৰ ভৱিষ্যদ্বাণীৰ কালছোৱাত কোনো বিনয় আৰু ভীতি প্রকাশ কৰা নাছিল; বৰঞ্চ পূর্বতকৈ অধিক বে-আদবী মন মানসিকতাৰে তেওঁ গাওঁৱে ভূঁইয়ে, চহৰে, বন্দৰে, ৰাস্তা-ঘাটে, বজাৰত আৰু অলি-গলিতে ইছলামৰ অবমাননা কৰিব ধৰিছিল। এই কাৰণে তেওঁ ম্যায়াদ কালৰ ভিতৰতেই নিজৰ কু-কৰ্মৰ বাবে ছুৰিৰ চালিত জিহ্বাৰ দ্বাৰা ধ্বংস হৈছিল; যি জিহ্বাৰ দ্বাৰা মানুহক অশ্লীল গালি-শপনি পাৰিছিল।

এতিয়া বাকী থাকিল আহমদ বেগৰ জোঁৱাইৰ কথা। এই বিষয়ে প্রত্যেকেই অৱগত আছিল যে উক্ত ভৱিষ্যদ্বাণীটো দুজন ব্যক্তি সম্পৰ্কে আছিল। সিহঁতৰ

এজন আছিল আহমদ বেগ আৰু আনজন তেওঁৰ জোঁৱাই। এই ভৱিষ্যদ্বাণীৰ ম্যায়াদ কালতেই পূর্ণ হৈছিল; অর্থাৎ আহমদ বেগ ম্যায়াদ কালতেই মৰিছিল। কিন্তু ভৱিষ্যদ্বাণীৰ আন অংশ সম্পর্কে যি আপত্তি উত্থাপন কৰা হয় সেয়া সত্যতাৰ সৈতে কৰা নহয়।

আজিলৈকে আপত্তিকাৰীৰ মুখত মই এই কথা শুনা নাই যে সি কয় মই শুদ্ধ অন্ত:কৰণে স্বীকাৰ কৰিছোঁ যে ভৱিষ্যদ্বাণীৰ এক অংশ পূর্ণ হৈছে অথচ আন অংশ পূর্ণ হোৱা নাই; বৰঞ্চ আপত্তিকাৰী সকলে ইহুদীসকলৰ দৰে ভৱিষ্যদ্বাণীৰ এক অংশ গোপন কৰি আপত্তি উত্থাপন কৰে। এনে নীতি লজ্জা আৰু ন্যায় নিষ্ঠাৰ সমর্থক নে? সিহঁতৰ অসৎ আপত্তিৰ উত্তৰ হ'ল, এই ভৱিষ্যদ্বাণীটোও আথমৰ নিচিনা চর্ত সাপেক্ষে আছিল। চর্তটো আছিল এই যদি সিহঁতৰ কোনেও ভয় ভীতি প্রদর্শন নকৰে। তেন্তে ভৱিষ্যদ্বাণীটো ম্যায়াদ কালতে পূর্ণ হ'ব। আহমদ বেগ ভয়-ভীতি প্রদর্শন কৰা নাছিল আৰু ভৱিষ্যদ্বাণীটোক ঘটনাৰ বিপৰীত বুলি ভাৱিছিল। কিন্তু তেওঁৰ জোঁৱাই আৰু তেওঁৰ আত্মীয়-স্বজন ভীত হৈ পৰিছিল। কাৰণ আহমদ বেগৰ মৃত্যুয়ে সিহঁতৰ হৃদয়ত কম্পনৰ সৃষ্টি হৈছিল। যেনে কঠোৰতাৰ হৃদয়ৰ মানুহে নিদর্শন দেখাৰ পাছত ভীত হৈ পৰে। এই কাৰণে তেওঁকো অৱকাশ দিয়া জৰুৰী আছিল। গতিকে এই সমূহ আপত্তি অজ্ঞতা, দৃষ্টিহীনতা আৰু বিদ্বেষমূলক। এয়া ন্যায়নিষ্ঠা আৰু সত্যান্বেষণৰ পৰা উদ্ভৱ নহয়। যি ব্যক্তিৰ হাতত এতিয়ালৈকে দহ লাখতকৈ অধিক নিদর্শন প্রকাশিত হৈছে যদি কোনো অজ্ঞ আৰু কু-ধাৰণা পোষণকাৰীয়ে এটা দুটা ভৱিষ্যদ্বাণী অনুধাৱন কৰিব নোৱাৰে; তেন্তে সেই ভৱিষ্যদ্বাণী সমূহ সঠিক নহয় বুলি সিদ্ধান্ত কৰা যায় নে? মই নিশ্চয় প্রতিশ্রুতি দিছো যে যদি কোনো বিৰুদ্ধবাদী (সি খ্রীষ্টানেই হওঁক অথবা মুছলমানেই হওঁক) য়ে প্রমাণ কৰিব পাৰে যে ভৱিষ্যদ্বাণী সমূহৰ তুলনাত যাক আকাশৰ পৰা অৱতৰণ কৰাৰ ধাৰণা কৰা হয়, তেওঁৰ ভৱিষ্যদ্বাণী সমূহ সু-স্পষ্ট বিশ্বাস আৰু স্বচ্ছতাৰ মাপ-কাঠিত অধিক গুৰুত্বপূর্ণ তেনেহলে মই

তেওঁক নগদ ১০০০ (এক হাজাৰ) টকা প্ৰদান কৰিবলৈ প্ৰস্তুত আছো। কিন্তু প্ৰমাণ কৰাৰ এই পদ্ধতি নহ'ব যে কোৰাণ শ্বৰিফ দাখিল কৰিয়েই ক'ব পৱিত্ৰ কোৰাণত হজৰত ঈছা (আঃ)ক নবী বুলি স্বীকাৰ কৰা হৈছে; অৰ্থাৎ তেখেত (আঃ)ক নবী সাব্যস্ত কৰা হৈছে। কাৰণ এইদৰে মই দৃঢ়তাৰ সৈতে দাবী কৰিছোঁ যে পৱিত্ৰ কোৰাণ শ্বৰীফ মোৰ সত্যতাৰ সাক্ষী। সমগ্ৰ কোৰাণ শ্বৰীফত কতো "ঈছু" শব্দটো নাই। কিন্তু মোৰ সম্পৰ্কে منكم (তোমালোকৰ মাজৰ পৰা অনুবাদক) শব্দ উল্লেখ আছে, বৰঞ্চ এই ক্ষেত্ৰত মোৰ কোৰাৰ উদ্দেশ্য কেৱল এয়া যে কোৰাণ শ্বৰীফৰ প্ৰতি দৃষ্টিপাত নকৰি কেৱল মাত্ৰ মোৰ ভৱিষ্যদ্বাণী সমূহ আৰু ঈছা (আঃ)ৰ ভৱিষ্যদ্বাণী সমূহৰ ওপৰত আদালতৰ সাধাৰণ অনুসন্ধান নীতিৰে দৃষ্টিপাত কৰা হওঁক আৰু দেখা যাওঁক এই দুই ব্যক্তিৰ কোন কোন ভৱিষ্যদ্বাণী (আদালতৰ অধিকাংশ বুদ্ধিক বিচাৰে)স্বচ্ছতাৰ সৈতে আৰু গুণগত মানদণ্ডত পূৰ্ণ হোৱা নাই। অৰ্থাৎ এই অনুসন্ধান আৰু প্ৰতিদ্বন্দ্বিতা এনে হোৱা উচিত যে যদি কোনো ব্যক্তি কোৰাণ শ্বৰীফৰ অস্বীকাৰকাৰীও হয়, তথাপি সি যেন ৰায় দিব পাৰে যে প্ৰমাণৰ জোৰ কোন পিনে আছে। তদুপৰি মোৰ অনুতাপ হয় যে আমাৰ বিৰুদ্ধবাদী সকলে নিজকে মুছলমান বুলি কয়; অথচ ইছলামৰ ৰীতি-নীতি সম্বন্ধে সিহঁত অৱগত নহয়। ইছলামত সৰ্বজন স্বীকৃত এয়ে যে ভীতি প্ৰদৰ্শনমূলক ভৱিষ্যদ্বাণী সম্পৰ্কে ই আৱশ্যক নহয় যে খোদা ইয়াক পূৰ্ণ কৰিব। অৰ্থাৎ এয়াও সম্ভৱ যে ভৱিষ্যদ্বাণীৰ বিষয় বস্তু কোনো ব্যক্তি বা দলৰ ওপৰত বিপদ আপতিত কৰিলে খোদা তা'লা তাক অপসাৰণ নকৰে। যেনে হজৰত ইউনুচ নবীৰ ভৱিষ্যদ্বাণী যি চল্লিশ দিন পৰ্যন্ত সীমিত আছিল তাক অপসাৰণ কৰা হয়। কিন্তু যি ভৱিষ্যদ্বাণীত প্ৰতিশ্ৰুতি থাকে অৰ্থাৎ কোনো মহান পুৰস্কাৰ সম্পৰ্কে ভৱিষ্যদ্বাণী থাকে, সেইটো কেতিয়াও কোনো প্ৰকাৰেই অপসাৰিত হ'ব নোৱাৰে।

খোদা তা'লা কয়,

(3:10) اِنَّ اللّٰهَ لَا يُخْلِفُ الْمِيْعَادَ۝

অনুবাদ ঃ বাস্তৱতে আল্লাহ কেতিয়াও নিজৰ অঙ্গীকাৰ ভঙ্গ নকৰে। (চুৰা আল ইমৰান আয়াত ১০)
কিন্তু কোনো ঠাইত এয়া কোৱা নাই যে,

اِنَّ اللّٰہ لا یخلف الوعید

গতিকে ইয়াত এই ৰহস্য নিহিত আছে যে ভীতি প্ৰদৰ্শনমূলক ভৱিষ্যদ্বাণী, ভয়, মিনতি আৰু ছাদকা খায়ৰাতৰ দ্বাৰা অপসাৰিত হ'ব পাৰে। সকলো নবীয়েই এই বিষয়ত একমত যে ছাদকা, মিনতি আৰু ভয়-ভীতিৰ দ্বাৰা সেই সমূহ বিপদ যিবোৰ খোদা তা'লা অৱগত আছে আৰু কোনো ব্যক্তিৰ ওপৰত নিপতিত হয়, সেয়া অপসাৰিত হ'ব পাৰে। এতিয়া ভাবি চোৱা আৱশ্যক যে প্ৰত্যেক বিপদ যি সম্পৰ্কে খোদা তা'লা অৱগত যদি সেই সম্পৰ্কে কোনো নবী ৰছুল বা ওলীক অৱগত কৰা হয়, তেনেহলে ইয়াৰ নাম সেই সময়ত ভৱিষ্যদ্বাণী হ'ব যেতিয়া উক্ত নবী ৰছুল বা ওলীয়ে সেই বিপদ সম্পৰ্কে মানুহক অৱগত কৰিব। এয়া প্ৰমাণসহ বিপদ অপসাৰিত হ'ব পাৰে। ইয়াৰ দ্বাৰা নিশ্চিত ৰূপে ক'ব পাৰি যে এনে ভৱিষ্যদ্বাণী যিয়ে কোনো বিপদ সম্পৰ্কে পূৰ্বতে সংকেত দিয়ে সেয়া পূৰ্ণতা লভিবলৈ পলম হ'ব পাৰে।

ইয়াৰ পিছত মই মোৰ পূৰ্বৰ বক্তব্যৰ প্ৰতি দৃষ্টি আকৰ্ষণ কৰি লিখিছোঁ যে মৌলবী চাহাবজাদা আব্দুল লতিফ চাহাব যেতিয়া কাদিয়ানত আহে তেতিয়া তেওঁ কেৱল এই ফলয়েই লাভ কৰা নাই যে তেওঁ বিস্তাৰিত ভাৱে মোৰ দাবীৰ যুক্তি প্ৰমাণ সমূহ শ্ৰৱণ কৰে, বৰঞ্চ তেওঁ কেই মাহ মান মোৰ সৈতে কাদিয়ানত আছিল আৰু ঝিলাম নৈ পৰ্যন্ত মোৰ লগত ভ্ৰমণ কৰিছিল। সেই সময়তে তেওঁ মোৰ সমৰ্থনত ঐশ্বৰিক নিদৰ্শন সমূহ প্ৰত্যক্ষ কৰে। এই সমূহ দলিল প্ৰমাণ, জ্যোতি আৰু অলৌকিক নিদৰ্শন দেখাৰ ফলস্বৰূপে তেওঁ এক অসাধাৰণ বিশ্বাসত পৰিপূৰ্ণ হৈ উঠে; আৰু ঐশ্বৰিক শক্তিয়ে তেওঁক আকৰ্ষণ কৰে; মই কোনো এক উদ্দেশ্যত এক আপত্তিৰ উত্তৰো তেওঁক বুজাইছিলোঁ। তাৰ বাবে তেওঁ বৰ সন্তুষ্ট হৈছিল। বিষয়টো হ'ল যি অৱস্থাত হজৰত ৰছুলে

কৰিম (ছাঃ) মুছা (আঃ)ৰ সদৃশ আৰু তেখেত (ছাঃ)ৰ খলিফাসকল বনি ইস্রাইলৰ নবীসকলৰ সদৃশ, তেনে স্থলত কি কাৰণে হজৰত মছীহ মাওউদ (আঃ)ক হাদীছ শ্বৰীফত নবী বুলি সম্বোধন কৰিছে; কিন্তু অন্যান্য খলিফা সকলক এই নামে আখ্যায়িত কৰা নাই ? প্ৰতিউত্তৰত মই কলো, যিহেতু আঁহজৰত (ছাঃ) খাতামুল আম্বিয়া আছিল আৰু তেখেত (ছাঃ)ৰ পাছত আন কোনো নবী নাছিল, এই কাৰণে যদি সকলো খলিফাক নবী বুলি মাতিলেহেঁতেন তেন্তে সাদৃশ্যহীনতাৰ আপত্তি থাকিলেহেঁতেন। কাৰণ হজৰত মুছা (আঃ)ৰ খলিফাসকল নবী নাছিল। এই কাৰণে আল্লাহৰ প্ৰজ্ঞাৰ দাবী অনুসৰি খাতমে নবুয়তৰ প্ৰতি লক্ষ্য ৰাখি বহু খলিফা প্ৰেৰণ কৰা হয় কিন্তু তেওঁলোকৰ নাম নবী ৰখা হোৱা নাই আৰু এই মৰ্য্যদাও সিহঁতক প্ৰদান কৰা হোৱা নাই, যাতে খাতমে নবুয়তৰ ওপৰত এটা নিদৰ্শন স্বৰূপ থাকে। অৱশেষত অন্তিম খলিফা হজৰত মছীহ মাওউদ (আঃ)ক নবী নামেৰে সম্বোধন কৰা হয় যাতে খিলাফতৰ ক্ষেত্ৰত উভয় ছিলছিলাৰ সাদৃশ্য প্ৰমাণিত হয়। মই কেইবা বাৰো বৰ্ণনা কৰিছোঁ যে, হজৰত মছীহ মাওউদ (আঃ)ৰ নবুৱাত প্ৰতিচ্ছায়া স্বৰূপ। কাৰণ তেখেত (আঃ) হজৰত ৰছুলে কৰীম (ছাঃ)ৰ পৰিপূৰ্ণ প্ৰতিচ্ছায়া হোৱাৰ অধিকাৰী আছিল। যেনে এক ওহীত খোদা তা'লা মোক সম্বোধন কৰি কলে,

**يا احمد جُعلتَ مُرسلا**

অৰ্থাৎ হে আহমদ ! তোমাক ৰছুল কৰা হৈছে। অৰ্থাৎ যদিও তোমাৰ নাম গোলাম আহমদ আছিল তথাপি তুমি প্ৰতিচ্ছায়া ৰূপে আহমদ নামৰ অধিকাৰী হৈছা। গতিকে তুমি প্ৰতিচ্ছায়া ৰূপে নবী নামৰ অধিকাৰী। কাৰণ আহমদ এজন নবী আৰু নবুয়তো তাৰ পৰা পৃথক হ'ব নোৱাৰে। পৱিত্ৰ হাদীছ গ্ৰন্থত বৰ্ণিত আছে যে, হজৰত মছীহ মাওউদ (আঃ)য়ে দুখন হালধীয়া ৰঙৰ চাদৰ পৰিধান কৰি অৱতীৰ্ণ হ'ব। এখন চাদৰ তেখেত (আঃ)ৰ দেহৰ উপৰৰ অংশত আৰু আনখন তলৰ অংশত আবৃত থাকিব। গতিকে মই কলো, এয়া এই কথাৰ প্ৰতি ইঙ্গিত কৰিছে যে হজৰত মছীহ মাওউদ (আঃ)য়ে

দুটা ৰোগ লৈ অৱতীৰ্ণ হ'ব। কাৰণ তাবীৰ শাস্ত্ৰত (সপোনৰ ব্যাখ্যা সংক্ৰান্ত পুস্তক) হালধীয়া বস্ত্ৰৰ অৰ্থ হ'ল ব্যাধি (ৰোগ) আৰু এই দুই ব্যাধি মোৰ আছে। এটা হ'ল মস্তিষ্কৰ আৰু দ্বিতীয়টো হ'ল প্ৰস্ৰাৱৰ আধিক্য আৰু পেটৰ বেমাৰ। তেওঁ (চাহাবজাদা আব্দুল লতিফ) তেতিয়া ইয়াতেই অৱস্থান কৰিছিল। যেতিয়া পৰিপূৰ্ণ বিশ্বাস আৰু গভীৰ পৰিৱৰ্তন সাধন হয়; তেতিয়া তেওঁৰ ওচৰত ইলহাম আৰু ওহীৰ দুৱাৰ মুকলি কৰি দিয়া হয়। তেওঁ খোদা ত'লাৰ পৰা দ্ব্যৰ্থহীন ভাষাত মোৰ সত্যতাৰ সম্পৰ্কে শ্বাহাদতৰ সংবাদ প্ৰাপ্ত হয়। যাৰ ফলত তেওঁ অৱশেষত এই শ্বাহাদতৰ চৰ্বত নিজেই গ্ৰহণ কৰে। এতিয়া এই সম্পৰ্কে বিস্তাৰিত লিখাৰ সময় হৈছে। নিশ্চয় মনত ৰাখিবা ! যেনেকৈ তেওঁ মোৰ সত্যতাৰ বাটত মৃত্যুক আকোৱালি লয়; এনে মৃত্যু ইছলামৰ তেৰ শ বছৰৰ ইতিহাসত চাহাবা (ৰাঃ) সকলৰ বাহিৰে কতো দেখিবলৈ নাপাবা। নিঃসন্দেহ তেওঁ এইদৰে মৃত্যু বৰণ কৰা আৰু মোৰ সত্যতাৰ বাবে নিজৰ প্ৰাণ আল্লাহৰ ওচৰত সমৰ্পন কৰা এক অতি মহান নিদৰ্শন। কিন্তু ই সেইসকলৰ বাবেহে যিসকলৰ বুদ্ধি জ্ঞান আছে। কোনো বুদ্ধি সম্পন্ন ব্যক্তিয়ে সন্দেহ আৰু সংশয় অৱস্থাত নিজৰ সন্তান-সন্ততি আৰু পত্নীক ধ্বংসৰ মাজত নিক্ষেপ কৰি নিজ প্ৰাণ বিসৰ্জন দিব বিচাৰেনে ? তদুপৰি আশ্বৰ্যৰ বিষয় হ'ল, এই বুজুৰ্গ কোনো সাধাৰণ মানুহ নাছিল। কাবুল ৰাজ্যত তেওঁৰ কেই লাখ টকাৰ সম্পত্তি আছিল। তেওঁৰ জ্ঞানৰ শক্তি এই পৰ্যায়ৰ আছিল যে, চৰকাৰে তেওঁক মৌলবীসকলৰ নেতা নিৰ্বাচিত কৰিছিল। কোৰাণ, হাদীছ আৰু ফিকাহ শাস্ত্ৰৰ জ্ঞানত তেওঁক আটাইতকৈ ডাঙৰ আলিম বুলি গণ্য কৰা হৈছিল। নতুন আমীৰৰ সম্বোৰ্ধনা অনুষ্ঠান তেওঁৰ দ্বাৰা সম্পন্ন হৈছিল আৰু যদি আমীৰৰ মৃত্যু হয় পাছত জানাজা নামাজৰ বাবে তেওঁৰেই ইমাম মনোনীত হৈছিল। নিৰ্ভৰযোগ্য সূত্ৰ অনুসৰি এইবোৰ কথা মোৰ ওচৰলৈ আহে। তেওঁৰ মুখৰ পৰাও মই কাবুল ৰাজ্যত প্ৰায় ৫০,০০০ (পঞ্চাছ হাজাৰ) শিষ্য থকা বুলি শুনিছিলোঁ, যি সকলৰ কোনো কোনোৱে ৰাষ্ট্ৰীয় পৰ্যায়ৰ কৰ্মকৰ্তা আছিল।

মুঠতে তেওঁ কাবুলৰ এজন বিশিষ্ট ব্যক্তি আছিল। জ্ঞান খোদাভীৰু, সন্মান, প্ৰতিপত্তি আৰু বংশ মৰ্য্যদাৰ ক্ষেত্ৰত দেশৰ ভিতৰত কোনেও তেওঁৰ সমতুল্য নাছিল। মৌলবী পদবীৰ বাহিৰেও তেওঁ সেই দেশত চাহেবজাদা আখোৱান্দজাদা আৰু শ্বাহাজাদা উপাধিত ভূষিত আছিল। শ্বহীদ মৰহুমৰ হাদীছ, তফচীৰ, ফিকাহ শাস্ত্ৰ আৰু ইতিহাসৰ এটা বৃহৎ গ্ৰন্থাগাৰ আছিল। তেওঁ নতুন নতুন পুস্তক ক্ৰয় কৰাৰ ক্ষেত্ৰত সদায় উৎসাহী আছিল। তেওঁ সদায় শিক্ষা-দীক্ষাৰ চৰ্চাত নিমগ্ন থাকিছিল আৰু শত-সহস্ৰ মানুহ তেওঁৰ শিষ্যত্ব গ্ৰহণৰ গৌৰৱ অৰ্জন কৰি মৌলবী পদবী লাভ কৰিছিল। তথাপি আশ্বৰ্য্যৰ বিষয় হ'ল যে, স্বাৰ্থহীনতা আৰু বিনয়ৰ ক্ষেত্ৰত তেওঁ এনে পৰ্যায়ত উপনীত হৈছিল যে, ফানাফিল্লাহ (আল্লাহত বিলীন প্ৰাপ্ত) নহলে কোনেও এই পৰ্যায়ত উপনীত হ'ব নোৱাৰে। প্ৰত্যেক মানুহে সুনাম আৰু জ্ঞানৰ বাবে কিছু আত্মাহাৰ হয় আৰু নিজকে কিবা এটা ভাবিবলৈ ধৰে, ফলত এই জ্ঞান আৰু সু-নামেই তাৰ সত্যান্বেষণৰ বাটত অন্তৰায় হৈ পৰে। কিন্তু এই ব্যক্তি এনে স্বাৰ্থহীন আছিল যে, আল্লাহৰ কল্যাণ আৰু ফজল ৰাশিৰ এক মূৰ্তিমান প্ৰতীক হোৱা সত্বেও তেওঁৰ জ্ঞান, আমল আৰু বংশ মৰ্যদায়ে প্ৰকৃত সত্য গ্ৰহণৰ ক্ষেত্ৰত কোনো অন্তৰায় সৃষ্টি কৰিব পৰা নাছিল। সদৌ শেষত তেওঁ সত্যৰ বাবে নিজ প্ৰাণ বিসৰ্জন দিয়ে আৰু মোৰ জামাতৰ হকে এনে এক দৃষ্টান্ত ৰাখি গৈছে যাক অনুসৰণ কৰা খোদাৰ প্ৰকৃত ইচ্ছা। এতিয়া মই এই বুজুৰ্গৰ শ্বাহাদতৰ ঘটনা নিম্নত লিপিবদ্ধ কৰিছোঁ; কেনেকৈ বেদনাদায়ক পন্থা অৱলম্বণ কৰি তেওঁক হত্যা কৰা হৈছিল আৰু এই ক্ষেত্ৰত তেওঁ কি দৰে দৃঢ়চিত্ততা প্ৰদৰ্শন কৰিছিল। ঈমানৰ পৰিপূৰ্ণ শক্তি অবিহনে এই অহংকাৰী জগতত কোনেও এনে দৃঢ়চিত্ততা প্ৰদৰ্শন কৰিব নোৱাৰে। অৱশেষত মই এই কথাও লিখিম যে, এনেকুৱা হোৱাই আৱশ্যক আছিল। কাৰণ, আজিৰ পৰা ২৩ (তেইছ) বছৰ পূৰ্বে তেওঁ আৰু তেওঁৰ এজন শিষ্যৰ শ্বাহাদত সম্পৰ্কে খোদা তা'লা মোক সংবাদ প্ৰেৰণ কৰিছিল। এই কাৰণে এই মৰহুম বুজুৰ্গ কেৱল সেই নিদৰ্শনেই দেখুৱা নাই

বৰঞ্চ দ্বিতীয় নিদৰ্শনো তেওঁৰ মাধ্যমত প্ৰকাশিত হৈছিল, যি তেওঁৰ শ্বহীদৰ মাধ্যমত পূৰ্ণ হৈছে। ইনশা আল্লাহ মই উক্ত ভৱিষ্যৎবাণী অৱশেষত লিপিবদ্ধ কৰিম। উল্লেখ থাকে যে, বাৰাহীনে আহামদীয়াত লিপিবদ্ধ ভৱিষ্যদ্বাণী দুটাত শ্বহীদৰ উল্লেখ আছে। প্ৰথম শ্বহীদ হ'ল মিঞা আব্দুৰ ৰহমান। তেওঁ পূৰ্বোক্ত মৌলবী চাহেবজাদা আব্দুল লতিফ চাহাবৰ শিষ্য আছিল। মিঞা আব্দুৰ ৰহমান শ্বহীদ হ'ল আমীৰ আব্দুৰ ৰহমানৰ, অৰ্থাৎ এই আমীৰৰ পিতাৰ দ্বাৰা কাৰ্য্যকৰ হৈছিল। এই কাৰণে মই সময়ৰ ধাৰাবাহিকতা অনুসৰি প্ৰথমে মৰহুম মিঞা আব্দুৰ ৰহমানৰ শ্বহীদ সম্পৰ্কে বৰ্ণনা কৰিছোঁ।

## আফগানিস্তানৰ খোচত অঞ্চলৰ প্ৰধান মৌলবী চাহাবজাদা আব্দুল লতিফ চাহাবৰ অনুসাৰী মৰহুম মিঞা আব্দুৰ ৰহমান শ্বহীদৰ বৰ্ণনা

মৰহুম মৌলবী আব্দুল লতিফ চাহাবৰ শ্বহীদৰ প্ৰায় দুই বছৰ পূৰ্বে তেওঁৰ আদেশ আৰু ইঙ্গিতত সুযোগ্য শিষ্য মিঞা আব্দুৰ ৰহমান চাহাব যথা সম্ভৱ দুই তিনি বাৰ কাদিয়ানত আহে। প্ৰতিবাৰতে তেওঁ কেই মাহ পৰ্যন্ত কাদিয়ানত অৱস্থান কৰে আৰু অবিৰত সংস্পৰ্শ, শিক্ষা আৰু যুক্তি প্ৰমাণ শ্ৰৱণৰ ফলত তেওঁৰ ঈমান শ্বহীদৰ ৰং ধাৰণ কৰে। যেতিয়া তেওঁ অন্তিম বাৰৰ বাবে কাবুল প্ৰত্যাৱৰ্তন কৰে, তেতিয়া তেওঁ মোৰ শিক্ষা সম্পূৰ্ণ ৰূপে গ্ৰহণ কৰিছিল। ঘটনাক্ৰমে তেওঁ কাদিয়ান অৱস্থান কালে জিহাদ নিষিদ্ধ কৰণ সম্পৰ্কে মোৰ কেইখন মান পুস্তক প্ৰকাশিত হৈছিল, যাৰ ফলত তেওঁৰ দৃঢ় বিশ্বাস উপজিছিল যে এই জামাত জিহাদৰ বিৰোধী। ইয়াৰ পাছত এয়া ঘটিল যে যেতিয়া তেওঁ মোৰ পৰা বিদায় লৈ পেশাৱাৰত উপস্থিত হয় তেতিয়া ঘটনাক্ৰমে পেশাৱাৰত অৱস্থানকাৰী মুৰীদ (বয়াত গ্ৰহণ কাৰী) উকিল খাজা কামাল উদ্দিন চাহাবৰ সৈতে তেওঁৰ সাক্ষাৎ হয়। সেই সময়ত খাজা কামাল উদ্দিন চাহাব জিহাদ নিষিদ্ধ কৰণ সম্পৰ্কে এখন পুস্তক প্ৰকাশ কৰিছিল। তেওঁ সেই পুস্তক পাঠ কৰে। উক্ত প্ৰবন্ধটোৱে তেওঁৰ হৃদয়ত এইদৰে গাঁথি পৰিছিল যে কাবুলত গৈ এই কথা তেওঁ যতে-ততে ক'বলৈ আৰম্ভ কৰে যে ইংৰাজৰ বিৰুদ্ধে জিহাদ কৰা উচিত নহয়। কাৰণ সিহঁত মুছলমান সকলৰ এক বৃহৎ দলৰ সমৰ্থক আনকি কেইবা কোটি মুছলমান তেওঁলোকৰ আশ্ৰয়ত নিৰাপদে আৰু শান্তিত জীৱন-যাপন কৰি আছে। ইয়াৰ পাছত এই সংবাদ আমীৰ আব্দুৰ ৰহমানৰ ওচৰত পৰেগৈ। এয়া কোনো কোনো দুষ্ট প্ৰকৃতিৰ পঞ্জাৱী যিসকলে তেওঁৰ সৈতে চাকুৰীৰ সুযোগত সম্পৰ্ক ৰহিত আছিল, তেওঁলোকে আমীৰক

বুজালে যে এই ব্যক্তি পঞ্জাৱৰ এক ব্যক্তিৰ মুৰীদ (শিষ্য) যিজনে নিজকে মছীহ মাওউদ বুলি প্ৰচাৰ কৰে লগতে এই শিক্ষাও দিয়ে যে ইংৰাজৰ বিৰুদ্ধে জিহাদ কৰা উচিত নহয়; বৰঞ্চ তেওঁ এই যুগত জিহাদৰ সম্পূৰ্ণ বিৰোধী। এই কথা শুনাৰ লগে লগে আমীৰ বৰ ক্ৰোধান্বিত হয় আৰু মিঞা আব্দুৰ ৰহমানক বন্দী কৰাৰ আদেশ দিয়ে যাতে অনুসন্ধান কৰি অতিৰিক্ত কিছু জানিব পৰা যায়। অৱশেষত সত্য প্ৰতিপন্ন হয় যে নিশ্চয় এই ব্যক্তি মছীহ কাদিয়ানৰ মুৰীদ (শিষ্য) আৰু জিহাদৰ বিৰোধী। তেতিয়া এই মযলুম ব্যক্তিৰ গলত কাপোৰ মেৰিয়াই শ্বাসৰুদ্ধ কৰি শ্বহীদ কৰা হয়। কথিত আছে যে তেওঁৰ শ্বহীদৰ সময়ত কেইবাটাও ঐশ্বৰিক নিদৰ্শন প্ৰকাশিত হৈছিল।

এয়াই হ'ল মিঞা আব্দুৰ ৰহমানৰ শ্বহীদৰ কাহিনী। এতিয়া মৰহুম মৌলবী আব্দুল লতিফ চাহাবজাদাৰ শ্বহীদৰ মৰ্মান্তিক কাহিনী বৰ্ণনা কৰি আছো আৰু মোৰ জামাতৰ সদস্যসকলক উপদেশ দিছো যে তেওঁলোকে যেন এই ধৰণৰ ঈমান লাভৰ বাবে প্ৰাৰ্থনা কৰি থাকে। কাৰণ যিমানদিন মানুহ কিছু খোদাৰ আৰু কিছু পাৰ্থিৱৰ থাকে সিমান দিন আকাশত তাৰ নাম মোমিন ৰূপে আখ্যায়িত নহয়।

# কাবুলৰ খোচত অঞ্চলৰ মহান নেতা মৰহুম মৌলবী চাহাবজাদা আব্দুল লতিফ চাহাব গাফাৰুল্লাহ (আল্লাহ পাক তেওঁক মাৰ্জনা কৰক)ৰ মৰ্মান্তিক শ্বহীদৰ ঘটনাৰ বৰ্ণনা

মই পূৰ্বতে বৰ্ণনা কৰিছোঁ যে মৌলবী চাহাব কাবুলৰ খোচত অঞ্চলৰ পৰা কাদিয়ানত আহি কেইমাহ মোৰ সংস্পৰ্শত অৱস্থান কৰিছিল। ইয়াৰ পাছত যেতিয়া আকাশত চূড়ান্ত ফয়চালা হ'ল যে তেওঁ শ্বহীদৰ মৰ্যাদা লাভ কৰিব তেতিয়া তেওঁৰ বাবে এই পৰিস্থিতিৰ সৃষ্টি হ'ল যে তেওঁ মোৰ পৰা বিদায় গ্ৰহণ কৰি নিজ মাতৃ ভূমিত উভতি গ'ল। এক বিশ্বাসী সুত্ৰে আৰু প্ৰত্যক্ষ দৰ্শীৰ মাধ্যমত মই জানিব পাৰিলো যে খোদাৰ অপৰিৱৰ্তনীয় আৰু নিৰ্ধাৰিত বিধানত যেতিয়া মৌলবী চাহাব কাবুল অঞ্চলত উপস্থিত হয় তেতিয়া তেওঁ ইংৰাজ শাসিত অঞ্চলত অৱস্থান কৰে পুলিচৰ উৰ্দ্ধতম কতৃপক্ষ ব্ৰিগেডীয়াৰ মুহাম্মদ হুছেইন (তাৰ প্ৰিয় শিষ্য)লৈ এখন চিঠি লিখে। চিঠিত তেওঁ উল্লেখ কৰিছিল যে যদি আপুনি আমীৰ চাহাবৰ পৰা মোৰ যোৱাৰ অনুমতি লৈ মোক সংবাদ প্ৰেৰণ কৰে তেন্তে মই কাবুলত গৈ আমীৰ চাহাবৰ ওচৰত উপস্থিত হ'ম। তেওঁ অনুমতি নোলোৱাকৈ এই কাৰণে যাব বিচৰা নাছিল যে ভ্ৰমণৰ সময়ত তেওঁ আমীৰ চাহাবক হজ্বৰ কথা কৈছিল। কিন্তু তেওঁ হজ্বলৈ নগৈ পুনে পুনে কাদিয়ানলৈ আহি দীৰ্ঘ দিন অতিবাহিত কৰাৰ ফলত হজ্বৰ সময় শেষ হৈ যায় আৰু তেওঁৰ ইচ্ছা অপূৰ্ণ হৈ থাকে। যিহেতু তেওঁ মোকেই প্ৰতিশ্ৰুত মছীহ বুলি চিনাক্ত কৰিছিল; সেই হেতুকে মোৰ সংস্পৰ্শত থকাটো অধিক শ্ৰেয় জ্ঞান কৰিছিল আৰু

اَطِيۡعُوا اللّٰهَ وَاَطِيۡعُوا الرَّسُوۡلَ (4:60)

অনুবাদ ঃ আল্লাহৰ অনুসাৰী হোৱা আৰু ৰছুলৰ অনুসাৰী হোৱা। (চুৰা আন নিছা আয়াত ৬০)

অৰ্থাৎ এই দলিল অনুসৰি তেওঁ হজ্বৰ ইচ্ছা পৰৱৰ্তী কোনো বছৰলৈ সলনি কৰে। প্ৰত্যেক হৃদয়ে এই কথা উপলব্ধি কৰিব পাৰে যে হজ্বৰ আকাঙ্খা পোষণকাৰী কোনো ব্যক্তিৰ আগত যদি এনে বিষয় আহি পৰে যে তেওঁ সেই প্ৰতিশ্ৰুত মছীহক দৰ্শন কৰিব যাৰ বাবে ১৩০০ (তেৰ শ) বছৰ ধৰি ইছলামৰ অনুসাৰী সকলে বাট চাই আছে। তেনেহলে পৱিত্ৰ কোৰাণ আৰু হাদীছৰ অকাট্য দলিল অনুসৰি সি হজ্বত যাব নোৱাৰে। অৱশ্যে মছীহ (আঃ)ৰ অনুমতি লৈ আন কোনো সময়ত হজ্বত যাব পাৰে। মুঠতে যিহেতু উক্ত মৰহুম “ছৈয়দুশ শুহাদ” অৰ্থাৎ শ্বহীদসকলৰ চৰ্দাৰ আছিল; সেই কাৰণে নিজ ইচ্ছাত হজ্ব কৰিব নোৱাৰে আনকি কাদিয়ানত তেওঁৰ অধিক সময় অতিবাহিত হৈছিল। সেই হেতুকে তেওঁ কাবুল অঞ্চলৰ সীমাত ভৰি ৰখাৰ আগতে সতৰ্কমূলক ব্যৱস্থা হিচাপে এয়া উচিত বুলি ভাবি সিদ্ধান্ত গ্ৰহণ কৰিলে যে ইংৰাজ শাসিত অঞ্চলৰ পৰা কাবুলৰ আমিৰৰ ওচৰত তেওঁ হজ্ব সম্পাদন কৰিব নোৱাৰাৰ ইতিবৃত্ত প্ৰকাশ কৰিব। গতিকে ব্ৰিগেডিয়াৰ মুহাম্মদ হুচেইন চাহাবক চিঠি লিখাটো তেওঁ যুক্তি সঙ্গত বুলি ভাৱিলে,যাতে সুযোগ মতে সঠিক ভাষাত উক্ত ঘটনা আমীৰৰ কৰ্ণগোচৰ কৰিব পাৰে। উক্ত চিঠিত তেওঁ লিখিছিল যে যদিও মই হজ্ব কৰিবলৈ যাত্ৰা কৰিছিলোঁ কিন্তু প্ৰতিশ্ৰুত মছীহ (আঃ)ৰ সৈতে মোৰ সাক্ষাৎ হয়। আনহাতে যিহেতু মছীহ (আঃ)ৰ সৈতে সাক্ষাৎ কৰাৰ কাৰণে আৰু তেওঁৰ আনুগত্য প্ৰাধান্য দিয়াৰ বাবে খোদা আৰু ৰছুলৰ আদেশ আছে, সেই কাৰণে মই কাদিয়ানত অৱস্থান কৰিব লাগিছিল। মই নিজৰ পৰা নহয়, বৰঞ্চ পৱিত্ৰ কোৰাণ আৰু হাদীছৰ আলোকত ইয়াক জৰুৰী জ্ঞান কৰিছিলোঁ। উক্ত চিঠি পুলিচৰ উৰ্দ্ধতম কৰ্মকৰ্তা ব্ৰিগেডিয়াৰ মুহাম্মদ হুছেইন চাহাবৰ হাতত পৰাৰ লগে লগে নিজৰ আঠুৰ তলত ৰাখে আৰু সেই সময়ত চিঠিখন আমীৰৰ ওচৰত উপস্থাপন কৰা নাছিল। কিন্তু পৰিতাপৰ বিষয় যে তেওঁৰ সহকাৰীজন আছিল এজন বিৰুদ্ধবাদী আৰু দুষ্ট প্ৰকৃতিৰ লোক। চিঠিখন যে মৌলবী চাহাবজাদা আব্দুল লতিফ চাহাবৰ আৰু

সি যে কাদিয়ানত অৱস্থান কৰিছে সেয়া তেওঁ কোনো উপায়ে জানিব পাৰিছিল। তেতিয়া তেওঁ উক্ত চিঠিখন উলিয়াই আমীৰ চাহাবৰ ওচৰত দাখিল কৰে। আমীৰ চাহাবে পুলিচ কৰ্মকৰ্তা ব্ৰিগেডিয়াৰ মুহাম্মদ হুছেইন চাহাবক সুধিলে, এই চিঠিখন তোমাৰ নামত আহিছে নে নাই ? তেওঁ আমীৰ চাহাবৰ ক্ৰোধত ভীত হৈ অস্বীকাৰ কৰিছিল। ইয়াৰ পাছত মৌলবী চাহাবে চিঠিৰ উত্তৰৰ অপেক্ষাত আৰু এখন চিঠি ডাক যোগে পুলিচ কৰ্মকৰ্তা মুহাম্মদ হুছেইন চাহাবক প্ৰেৰণ কৰে। ডাক ঘৰৰ কৰ্মকৰ্তায়ে উক্ত চিঠিখন খুলি আমীৰ চাহাবৰ হাতত দিয়ে। যিহেতু আল্লাহৰ চিৰা-চৰিত বিধানে মৌলানা চাহাবৰ ভাগ্যত শ্বাহাদত লিপিবদ্ধ আছিল, সেই কাৰণে আমীৰ চাহাবে তেওঁক মাতি অনাৰ ক্ষেত্ৰত এক কৌশল অৱলম্বন কৰি গুচি আহিবলৈ তেওঁ পত্ৰ প্ৰেৰণ কৰে। চিঠিত তেওঁ উল্লেখ কৰে যে, যদি এই দাবী সত্য হয়, তেন্তে মইও বয়াত গ্ৰহণ কৰিম। বৰ্ণনাকাৰীয়ে কয় যে, আমীৰ চাহাবে উক্ত চিঠিখন ডাক যোগে প্ৰেৰণ কৰিছিল নে মানুহৰ মাধ্যমত মোৰ মনত নাই। যিকেই নহওঁক কিয় চিঠিখন পোৱাৰ লগে লগে শ্বহীদ মৌলবী আব্দুল লতিফ চাহাবে কাবুল ৰাজ্যলৈ যাত্ৰা কৰিলে আৰু খোদাৰ চিৰাচৰিত বিধান প্ৰকাশিত হ'বলৈ আৰম্ভ কৰে। বৰ্ণনাকাৰী সকলে কয় যে, মৰহুম শ্বহীদ আব্দুল লতিফ চাহাব কাবুলৰ ৰাস্তা অতিক্ৰম কৰাৰ সময়ত ঘোঁৰাত উপবিষ্ট আছিল আৰু তেওঁৰ পিছত আঠজন চৰকাৰী অশ্বাৰোহী আছিল। কিন্তু তেওঁৰ আগমনৰ পূৰ্বে সমগ্ৰ কাবুল ৰাজ্যত এই সংবাদ বিয়পি পৰে যে, আমীৰ চাহাবে আখোৱান্দ জাদা শ্বহীদ আব্দুল লতিফ চাহাবক প্ৰতাৰণামূলক ভাবে মাতি আনিছে। প্ৰত্যক্ষদৰ্শী সকলৰ মতে, যেতিয়া মৰহুম শ্বহীদ আখোৱান্দজাদা (ভাই) চাহাবে এখন বজাৰ অতিক্ৰম কৰিছিল, তেতিয়া আমি আৰু বজাৰৰ অন্যান্য বহুত লোক তেওঁৰ লগত আছিলোঁ। তেওঁলোকৰ মতে আঠ জন চৰকাৰী অশ্বাৰোহী খোচত অঞ্চলৰ পৰাই মৰহুমৰ সঙ্গী হৈছিল। কাৰণ খোচত অঞ্চলত প্ৰৱেশ কৰাৰ পূৰ্বেই মৰহুম শ্বহীদৰ গ্ৰেপ্তাৰী কৰাৰ বাবে খোচত অঞ্চলৰ পৰা শাসনকৰ্তাৰ নাম

আহিছিল।

মুঠতে যেতিয়া তেওঁক আমীৰ চাহাবৰ সন্মুখত হাজিৰ কৰা হয় তেতিয়া তেওঁ মৰহুম শ্বহীদৰ সৈতে বৰ অন্যায় আচৰণ কৰে। কাৰণ বিৰুদ্ধবাদীসকলে আগৰে পৰাই আমীৰ চাহাবক উত্তেজিত কৰিছিল। আমীৰ চাহাবে কলে এওঁৰ পৰা মই দুৰ্গন্ধ পাই আছো। এওঁক আঁতৰত থিয় কৰোৱা। কিছু সময় পিছত তেওঁ আদেশ দিলে এওঁক এই দুৰ্গত বন্দী কৰি ৰখা যি দুৰ্গত স্বয়ং আমীৰ চাহাব থাকে আৰু আপাদ মস্তক শিকলিত আবদ্ধ কৰা। উক্ত শিকলি ৬৪ কিঃগ্ৰা ওজন আছিল। এই শিকলি হাতকড়া সহ ডিঙিৰ পৰা কঁকাললৈকে আবৃত থাকে। তেওঁ পুনৰ আদেশ দিলে এওঁৰ ভৰিত ৮ কিঃগ্ৰাঃ ওজনৰ শিকলি দিয়া। এই অৱস্থাত মৰহুম আব্দুল লতিফ চাহাব চাৰি মাহ জেল খানাত থাকে। এই সময় ছোৱাত আমীৰ চাহাবে তেওঁক কেইবাবাৰো মাতি আনি কৈছিল, যদি তুমি এই ভুল ধাৰণা ত্যাগ কৰা যে কাদিয়ানী প্ৰকৃততে প্ৰতিশ্ৰুত মছীহ নহয়; তেন্তে তোমাক মুক্তি দিয়া হ'ব। কিন্তু প্ৰত্যেক বাৰতেই তেওঁ এই উত্তৰ দিছিল মোৰ জ্ঞান আছে আৰু খোদা মোক সঁচা মিছা চিনাক্ত কৰাৰ সামৰ্থ দান কৰিছে। মই পূৰ্ণ অনুসন্ধানৰ মাধ্যমত জানিব পাৰিছোঁ যে এই ব্যক্তিয়েই প্ৰকৃততে মছীহ। যদিও মই জানো যে এই কথা বিশ্বাস কৰাৰ ফলত মোৰ জীৱন বিপন্ন হ'ব আৰু পৰিয়াল ধ্বংস হ'ব। তথাপি মই ঈমানক পাৰ্থিৱ সুখ শান্তি ভোগ বিলাস স্বাচ্ছন্দ আনকি নিজৰ প্ৰাণতকৈ শ্ৰেয় জ্ঞান কৰো। মৰহুম শ্বহীদ মৌলবী আখোৱানজাদা (ভাই) আব্দুল লতিফ চাহাবে এবাৰ নহয় বৰঞ্চ বন্দী অৱস্থাতেই বাৰম্বাৰ সেই একেই উত্তৰ দিছিল। এই জেলখানা ইংৰাজ সকলৰ জেলখানাৰ দৰে নাছিল, য'ত মানসিক দুৰ্বলতাৰ প্ৰতি কিছু লক্ষ্য ৰখা হয়; বৰং ই এক ভয়ঙ্কৰ জেলখানা আছিল। যাক মানুহে মৃত্যুতকৈ জঘন্য জ্ঞান কৰে। এই কাৰণে মানুহে শ্বহীদ আব্দুল লতিফৰ এই দৃঢ় চিত্ততা আৰু অটল মনোবলক অত্যন্ত অবাক দৃষ্টিত দেখিছিল। বিস্ময় হোৱাৰ অৱশ্যেই কাৰণ আছিল। কাৰণ এনে মৰ্যাদাশীল ব্যক্তি যাৰ

কাবুলত কেইবা লাখ টকাৰ সম্পত্তি আছিল আৰু জ্ঞান আনকি খোদা ভীৰুতাৰ যিজন সমগ্ৰ কাবুল ভূ-খণ্ডৰ নেতা আছিল। যিজনে প্ৰায় ৫০ (পঞ্চাশ) বছৰ পৰ্যন্ত সুখ-সম্পদ আৰু বিলাসী জীৱন-যাপন কৰিছিল; যাৰ বৃহৎ পৰিয়াল লগতে পুত্ৰ সন্তান আছিল তেওঁক এনে এক ভয়ঙ্কৰ জেলখানাত ৰখা হৈছিল যি মৃত্যুতকৈয়ো বেছি ভয়ঙ্কৰ আছিল। যাৰ কথা কল্পনা কৰিলেই শৰীৰ কঁপি উঠে। এনে কোমল দেহ বিশিষ্ট অন্তৰাত্মা কল্পনাকাৰী জেলখানাত অতি ধৈৰ্যৰ সৈতে অৱস্থান কৰে আৰু নিজ প্ৰাণক ঈমানৰ বাবে বিলীন কৰি দিয়ে। বিশেষকৈ উল্লেখনীয় যে কাবুলৰ আমীৰৰ পৰা বাৰে বাৰে তেওঁৰ ওচৰলৈ সংবাদ আহিছিল যে সেই কাদিয়ানী ব্যক্তিৰ দাবীৰ সত্যতা অস্বীকাৰ কৰিলে তোমাক এই মুহূৰ্ততে স-সন্মানে মুক্ত কৰি দিয়া হ'ব। তথাপি এই শক্তিশালী ঈমানদাৰ বুজুৰ্গ বাৰে বাৰে দিয়া প্ৰতিশ্ৰুতিৰ বিন্দু মাত্ৰ ভ্ৰূক্ষেপ কৰা নাছিল বৰঞ্চ প্ৰতিবাৰেই এই উত্তৰ দিছিল যে মোৰ পৰা এই আশা নকৰিব যে মই পাৰ্থিৱ বস্তুক ঈমানৰ ওপৰত প্ৰাধান্য দিওঁ। তেওঁ আৰু কয় যাক মই স্পষ্ট ভাৱে চিনাক্ত কৰিছোঁ আৰু সকলো প্ৰকাৰে তেওঁৰ সত্যতা সম্বন্ধে নিশ্চিত হৈছো তেওঁক নিজ প্ৰাণৰ ভয়ত কেনেকৈ অস্বীকাৰ কৰা সম্ভৱ? ই মোৰ বাবে অসম্ভৱ। মই প্ৰত্যক্ষ কৰিছোঁ আৰু সত্যক গ্ৰহণ কৰিছোঁ। গতিকে অতি কম দিনৰ জীৱনৰ বাবে এই বে-ঈমানী কাম কৰা মোৰ পক্ষে সম্ভৱ নহয়। মই নিজ প্ৰাণ বিসৰ্জন দিবলৈ প্ৰস্তুত আছো আৰু এয়ে মোৰ শেষ কথা। এই বুজুৰ্গৰ বাৰে বাৰে একেই উত্তৰৰ বাবে কাবুল ভূ-খণ্ডৰ মানুহে কেতিয়াও তেওঁক পাহৰিব নোৱাৰে। আনকি সিহঁতৰ সমগ্ৰ জীৱনত এনে ঈমানদাৰী আৰু দৃঢ় চিত্ততাৰ দৃষ্টান্ত ইতিপূৰ্বে কেতিয়াও দেখা নাছিল। উল্লেখযোগ্য যে বাৰম্বাৰ ক্ষমাৰ প্ৰতিশ্ৰুতি দি এক ধৰ্ম বিশ্বাস ত্যাগ কৰাৰ বাবে মনোযোগ আকৰ্ষণ কৰা কাবুল আমীৰৰ ৰীতি নহয়। কিন্তু মৌলবী আব্দুল লতিফ চাহাবক এই বিশেষ অনুগ্ৰহ এই কাৰণে কৰা হৈছিল যে তেওঁ আমীৰৰ দৃষ্টিত ইমান ডাঙৰ বিজ্ঞ আলিম আছিল যে তেওঁক আলিম জগতৰ সূৰ্য মানিছিল।

নতুবা ইও সম্ভৱ হ’ব পাৰে যে স্বয়ং আমীৰৰ মনত এই দুঃখ আছিল যে আলিম সকলৰ সৰ্ব সন্মতি ক্ৰমে এনে মহান ব্যক্তিক নিশ্চয় হত্যা কৰা হ’ব। এই কথাও সঁচা যে আজিকালি কাবুল চৰকাৰৰ চাবি-কাঠি মৌলবী সকলৰ হাতত ন্যস্ত আৰু যি বিষয়ত সিহঁতে একমত হয় তাৰ বিপৰীত কৰা আমীৰৰ পক্ষে সম্ভৱ নাছিল। গতিকে ই স্পষ্ট যে ইপিনে আমীৰ চাহাব মৌলবীসকলক ভয় কৰিছিল; আনপিনে মৰহুম শ্বহীদ আব্দুল লতিফ চাহাবক নিৰ্দোষ বুলি জানিছিল। গতিকে তেওঁ মৰহুমৰ কাৰাবাস অৱস্থাত সদায় এই পৰামৰ্শ দিছিল যে আপুনি কাদিয়ানী ব্যক্তিক প্ৰতিশ্ৰুত মছীহ ৰূপে গ্ৰহণ নকৰিব; আৰু এই ধৰ্ম বিশ্বাস ত্যাগ কৰক তেনেহলে আপোনাক সন্মানৰ সৈতে মুক্তি দিয়া হ’ব। এই উদ্দেশ্যত তেওঁ নিজে যি দুৰ্গত থাকিছিল শ্বহীদ মৰহুমক সেই দুৰ্গত বন্দী কৰিছিল যাতে বাৰে বাৰে তেওঁক মাতি অনাৰ সুযোগ পোৱা যায়। ইয়াত আন এক কথা লিখাৰ প্ৰয়োজন যি প্ৰকৃততে বিপদৰ কাৰণ হৈ পৰিছে। কথাটো হ’ল শ্বহীদ আব্দুৰ ৰহমানৰ সময়ৰ পৰাই এই আমীৰ আৰু মৌলবীসকলে বৰ ভালকৈ জানিছিল যে প্ৰতিশ্ৰুত মছীহ হোৱাৰ দাবীকাৰক কাদিয়ানী জিহাদৰ ঘোৰ বিৰোধী আৰু নিজৰ পুস্তক সমূহত এই বিষয়ৰ ওপৰত বাৰে বাৰে জোৰ দিছে যে এই যুগত তৰোৱালৰ যুদ্ধ নিষিদ্ধ। কিন্তু এই আমীৰৰ পিতৃয়ে তৰোৱালৰ জিহাদ ওৱাজিব অৰ্থাৎ অৱশ্যই কৰ্তব্য বুলি এখন কিতাপ লিখিছিল যি মোৰ প্ৰকাশিত পুস্তকৰ সম্পূৰ্ণ বিৰোধী। পঞ্জাৱৰ কিছু দুষ্ট প্ৰকৃতিৰ লোকে যিসকলে নিজকে একত্ববাদী আৰু আহলে হাদীছ বুলি কৈ ফুৰিছিল তেওঁলোক আমীৰৰ ওচৰত গৈছিল। হয়তো সিহঁতৰ মুখৰ পৰা বৰ্তমান আমীৰৰ পিতা আব্দুৰ ৰহমানে সেই কিতাপসমূহৰ বিষয়বস্তু জানিব পাৰিছিল আৰু শ্বহীদ আব্দুৰ ৰহমানৰ হত্যাৰও এটা কাৰণ এয়াই আছিল যে আমীৰ আব্দুৰ ৰহমান ধাৰণা কৰিছিল যে এই ব্যক্তিয়েই সেই দলৰ মানুহ যিসকলে জিহাদক হাৰাম গন্য কৰে। ই নিশ্চিত আৰু অনিবাৰ্য্য বিধি-বিধানৰ আকৰ্ষণত মৰহুম মৌলবী আব্দুল লতিফও এই ভুল কৰিছিল

যে বন্দী অৱস্থাতো তেওঁ প্ৰমাণ কৰে যে বৰ্তমান যুগ জিহাদৰ যুগ নহয় আৰু সেই প্ৰতিশ্ৰুত মছীয়েই হ'ল প্ৰকৃত মছীহ। তাৰ শিক্ষা হ'ল বৰ্তমান যুগ যুক্তি প্ৰমাণ উপস্থাপন কৰাৰ যুগ; কিন্তু তৰোৱালৰ দ্বাৰা ধৰ্ম বিস্তাৰ কৰা নিষিদ্ধ। বৰ্তমান এনে বৃক্ষই কোনো ফল ধাৰণ নকৰে বৰঞ্চ অতি সোনকালে এয়া শুকাই যাব। যিহেতু মৰহুম সত্য কথা ক'বলৈ কাকো ভয় নকৰে আনকি সত্য প্ৰচাৰ কৰিবলৈ তেওঁ মৃত্যুকো ভয় কৰা নাছিল। সেই কাৰণে এনে কথা তেওঁৰ মুখৰ পৰা নিঃশৃত হ'ল। আশ্চৰ্য্যৰ বিষয় হ'ল তেওঁৰ কোনো কোনো শিষ্যই বৰ্ণনা কৰে যে যেতিয়া তেওঁ নিজৰ মাতৃ-ভূমিৰ পিনে যাত্ৰা কৰে, তেতিয়া তেওঁ বাৰে বাৰে কয় যে কাবুলৰ মাটি নিজৰ সংশোধনৰ বাবে মোৰ তেজৰ মুখাপেক্ষী। প্ৰকৃততে তেওঁ সত্য কথা কৈছিল। কাৰণ যদি কাবুলৰ ভূ-খণ্ডত এক কোটি বিজ্ঞাপন প্ৰকাশ কৰা হ'লহেঁতেন আৰু শক্তিশালী যুক্তি প্ৰমাণৰ দ্বাৰা সেইবোৰত মোৰ প্ৰতিশ্ৰুত মছীহ হোৱাৰ প্ৰমাণ কৰা হ'লহেঁতেন, তথাপি কেতিয়াও সেই বিজ্ঞাপনসমূহত এনে প্ৰভাৱ নহ'লহেঁতেন যি প্ৰভাৱ এই শ্বহীদৰ তেজৰ দ্বাৰা হৈছে। কাবুলৰ ভূমিত এই তেজ সেই ক্ষুদ্ৰ বীজৰ দৰে পৰিছে যি নিৰ্দ্দিষ্ট সময়ত এক প্ৰকাণ্ড বৃক্ষত পৰিণত হয় আৰু সহস্ৰ চৰাইয়ে তাত নিজৰ নিজৰ বাবে বাঁহ সাজে। এতিয়া এই হৃদয়বিদাৰক ঘটনাৰ অৱশিষ্ট অংশ নিজৰ জামাতৰ বাবে লিখি এই প্ৰবন্ধটো শেষ কৰিছোঁ। চাৰি মাহ জেলখানত অতিবাহিত কৰাৰ পাছত আমীৰ শ্বহীদ মৰহুমক নিজৰ ওচৰলৈ মাতে আৰু সাধাৰণ সভাত তৌবা কৰিবলৈ তেওঁক আহ্বান জনায়। তেওঁ কঠোৰ ভাৱে তেওঁক কলে, যদি তুমি এতিয়াও কাদিয়ানীৰ সত্যতা আৰু তাৰ নীতি সমূহৰ সত্যতাক মোৰ সন্মুখত অস্বীকাৰ কৰা তেন্তে তোমাক প্ৰাণ ভীক্ষা দিয়া হ'ব কিন্তু শ্বহীদ মৰহুম প্ৰতি উত্তৰত কলে, সত্যৰ পৰা তৌবা কৰাটো অসম্ভৱ। এই পৃথিৱীত শাসকৰ শাস্তি মৃত্যুতেই পৰি সমাপ্তি ঘটে। কিন্তু মই তেওঁকহে ভয় কৰোঁ যাৰ শাস্তি কেতিয়াও শেষ নহয়। হয়, যিহেতু মই সত্যৰ ওপৰত প্ৰতিষ্ঠিত সেই হেতুকে মোৰ ধৰ্ম বিশ্বাসৰ বিৰোধী আলিম

সকলৰ সৈতে বাহাচ (যুক্তি সঙ্গত তৰ্ক-বিতৰ্ক)ৰ ব্যৱস্থা কৰা হওঁক। যদি মই যুক্তি প্ৰমাণত মিছলীয়া প্ৰমাণিত হওঁ তেন্তে মোক শাস্তি দিয়া হওঁক। বৰ্ণনাকাৰী সকলে কয়, আমি এই আলোচনাৰ সময়ত উপস্থিত আছিলো। আমীৰ চাহাব এই প্ৰস্তাৱ পছন্দ কৰে আৰু শ্বাহী মছজিদৰ খান মোল্লা খান আঠজন মুফতিক বাহাচৰ বাবে নিৰ্বাচিত কৰা হয় আৰু লাহোৰি চিকিৎসক যি নিজেই পাঞ্জাৱী হোৱাৰ বাবে বিৰোধী আছিল তেওঁক বিচাৰপতি হিচাপে নিয়োগ কৰি প্ৰেৰণ কৰা হয়।

বিতৰ্কৰ সময়ত বিশাল জন সমাৰেশ ঘটিছিল। শ্ৰোতা মণ্ডলীয়ে কয় আমি বিতৰ্কৰ সময়ত সভাত উপস্থিত আছিলো। এই বিতৰ্ক সভাখন লিখিত আছিল বাবে শ্ৰোতা মণ্ডলীয়ে একো শুনিবলৈ পোৱা নাছিল। গতিকে এই বিতৰ্ক সম্পৰ্কে একো জনা নাযায়। ৰাতিপুৱা ৭ বজাৰ পৰা আবেলি ৩ বজালৈ বিতৰ্ক সভা চলিছিল। ইয়াৰ পিছত যেতিয়া আছৰৰ নমাজৰ শেষ সময় আহি পায়। তেতিয়া মৰহুম চাহাবক কুফৰী ফতোৱা দিয়া হৈছিল। শেষত মৰহুমক সুধা হৈছিল যে যদি এই কাদিয়ানী ব্যক্তিয়েই প্ৰতিশ্ৰুত মছীহ (আঃ) হয় তেন্তে তুমি হজৰত ঈছা (আঃ)ৰ সম্বন্ধে কি কোৱা? তেখেত (আঃ)য়ে পুনৰ পৃথিৱীলৈ উভতি আহিব নে নাহিব? তেতিয়া তেওঁ বৰ দৃঢ়চিত্তাৰ সৈতে উত্তৰ দিছিল যে হজৰত ঈছা (আঃ) অৱশ্যই মৃত্যু বৰণ কৰিছে। তেখেত (আঃ) কেতিয়াও পৃথিৱীলৈ পুনৰ নাহে। পৱিত্ৰ কোৰাণ শ্বৰীফ তেখেত (আঃ)ৰ মৃত্যু হোৱা আৰু পুনৰাই উভতি নহাৰ সাক্ষী। সিসকল মৌলবীয়ে হজৰত ঈছা (আঃ)ৰ কথা শুনি নিজৰ বস্ত্ৰ ছিঙি পেলাইছিল সেইসকলৰ দৰে আন লোকেও তেতিয়া শ্বহীদ মৰহুমক গালি-শপনি দিবলৈ আৰম্ভ কৰে আৰু কয় যে এই ব্যক্তি কাফিৰ হোৱাৰ কোনো সন্দেহ আছে নে? ইয়াৰ পিছত সিহঁতে অত্যন্ত ক্ৰোধান্বিত হৈ কুফৰী ফতোৱা লিখিছিল আৰু হজৰত শ্বহীদ মৰহুমক ভৰিত শৃংখলিত অৱস্থাত কাৰাগাৰত প্ৰেৰণ কৰিছিল। ইয়াত অৱশিষ্ট থাকিল যে যেতিয়া চাহাবজাদা মৰহুমৰ সৈতে সেই

সকল হতভাগ্য মৌলবীৰ বিতৰ্ক চলিছিল তেতিয়া আঠ জন ব্যক্তি শ্বহীদ মৰহুমৰ ওপৰত খোলা তৰোৱাল লৈ থিয় হৈ আছিল। ইয়াৰ পিছত এই কুফৰী ফতোৱা ৰজনীযোগে আমীৰ চাহাবৰ ওচৰত প্ৰেৰণ কৰা হৈছিল। কিন্তু চতুৰতা কৰি ষড়যন্ত্ৰমূলক ভাৱে জানি শুনি এই বিতৰ্কৰ কাগজ পত্ৰ তেওঁৰ ওচৰত পঠোৱা নাছিল আনকি ইয়াৰ বিষয়বস্তুও জন সাধাৰণৰ ওচৰত প্ৰকাশ কৰা নাছিল।

ইয়াৰ দ্বাৰা স্পষ্ট প্ৰমাণ হয় যে বিৰুদ্ধবাদী মৌলবী সকলে শ্বহীদ মৰহুমৰ উপস্থাপিত কোনো দলিল প্ৰমাণেই খণ্ডন কৰিব নোৱাৰিছিল। কিন্তু পৰিতাপৰ বিষয় এই যে আমীৰ চাহাবে বিতৰ্কৰ কাগজ পত্ৰ চালি-জাৰি নাচায়েই কুফৰী ফতোৱাৰ ওপৰত আদেশ দিছিল; আৰু তেওঁৰ উচিত আছিল যে সেই প্ৰকৃত বিচাৰকৰ ভয়ত যাৰ ওচৰত তেওঁ এই সমূহ ধন ঐশ্বৰ্য্য আৰু সাম্ৰাজ্য পৰিত্যাগ কৰি অতি সোনকালে এদিন উভতি যাব তাৰ ভয়ত বিতৰ্ক সভাত নিজে উপস্থিত থকা। ফলত তেওঁ জানিব পাৰিলেহেঁতেন যে, এজন নিষ্পাপ ব্যক্তিৰ প্ৰাণ নাশ হ'ব। এই ক্ষেত্ৰত এজন খোদাভীৰুৰ উচিত আছিল যে, তেওঁ নিজে যিকেনো উপায়ে সভাত উপস্থিত থাকি কোনো অপৰাধ সাব্যস্ত নোহোৱালৈকে এই (মজলুম) অত্যাচাৰিত ব্যক্তিৰ উপৰত এনে অত্যাচাৰ,নিপীড়ন নচলোৱা, যি অন্যায় ভাৱে তেওঁক দীৰ্ঘ সময় কাৰাগাৰত কষ্ট দিয়া হৈছিল, তেওঁৰ মূৰৰ উপৰত মুক্ত তৰোৱাল আঠজন চিপাহীৰ দ্বাৰা ধৰি ৰাখিছিল, এক বেদনাদায়ক শাস্তি আৰু চাপৰ মাজত ৰাখি তেওঁক প্ৰমাণ উপস্থাপন কৰিবলৈ বাধা দিয়া হৈছিল। যদি তেওঁ (আমীৰ) এনে কৰা নাছিল তেন্তে কমপক্ষে ন্যায় বিচাৰৰ দাবী অনুসৰি বিতৰ্ক সভাৰ কাগজ-পত্ৰ বিচৰা কৰ্তব্য আছিল। সভাৰ পূৰ্বেই এই নিৰ্দেশ দিয়া উচিত আছিল যে, বিতৰ্ক সভাৰ সকলো কাগজ-পত্ৰ যেন মোৰ ওচৰত প্ৰেৰণ কৰা হয়। আনকি এই কাগজ-পত্ৰ তেওঁ নিজে চোৱাৰ উপৰিও চৰকাৰী ভাৱে ছপা কৰি বিতৰণ কৰা উচিত আছিল; লগতে প্ৰমাণ কৰিব লাগিছিল যে, চাওঁক কেনেকৈ এই মজলুম ব্যক্তি আমাৰ মৌলবীসকলৰ

প্ৰতিদ্বন্দ্বিতাত হাৰ মানিছে আৰু কাদিয়ানীৰ প্ৰতিশ্ৰুত মছীহ হোৱা, জিহাদ নিষিদ্ধ হোৱা আৰু হজৰত মছীহ (আঃ)ৰ মৃত্যু হোৱাৰ কোনো প্ৰমাণ উপস্থাপন কৰিব পৰা নাই। হায় ! অথচ এই নিৰ্দোষী ব্যক্তিক তেওঁৰ চকুৰ আগতে এটি ছাগলীৰ দৰে জবাই কৰা হৈছিল। সত্যবাদী হোৱা সত্ত্বেও, সম্পূৰ্ণ দলিল প্ৰমাণ উপস্থাপন কৰা সত্ত্বেও, এজন দৃঢ় চিত্ততা ব্যক্তি হোৱা সত্ত্বেও যি কেৱল এজন আল্লাহৰ ওলীগনক দিয়া হয়, তেওঁক তথাপি শিল নিক্ষেপ কৰি টুকুৰা-টুকুৰা কৰি দিয়া হৈছিল। তেওঁৰ বিধৱা স্ত্ৰী আৰু এতীম শিশু সকলক খোচত অঞ্চলৰ পৰা গ্ৰেপ্তাৰ কৰি অতি লাঞ্ছনা আৰু যন্ত্ৰণাদায়ক শাস্তিৰে সশস্ত্ৰ পহৰাত অন্য স্থানলৈ প্ৰেৰণ কৰা হৈছিল। হে নিৰ্বোধ ! মুছলমান সকলৰ ধৰ্মীয় মতভেদ আৰু ভিন্ন মত অৱলম্বনৰ শাস্তি এয়ে নে ? তুমি কেনেকৈ এই হত্যাকাণ্ড সংগঠিত কৰিলা ? এই আমীৰৰ দৃষ্টিত আৰু তেওঁৰ মৌলবীসকলৰ ধাৰণা অনুসৰি ইংৰাজ ৰাজত্ব এটা কাফিৰ সকলৰ ৰাজত্ব। কিন্তু বিভিন্ন ধৰণৰ ধৰ্মীয় দল-উপদল এই ৰাজত্বত বাস কৰি আছে। আজিলৈকে কোনো মুছলমান বা কোনো হিন্দুক এই অপৰাধৰ বাবে ইংৰাজ চৰকাৰে ফাঁচিৰ হুকুম ধৰ্মীয় মত বিৰোধৰ বাবে দিছে নে ? হায় ! সত্যবাদী, ন্যায়বান আৰু হাজাৰ হাজাৰ সন্মানিত ব্যক্তিৰ সাক্ষী ভিত্তিক পাক পৱিত্ৰতাত ভূষিত হোৱা সত্ত্বেও এজন নিষ্পাপ আৰু নিৰীহ ব্যক্তিক ধৰ্মীয় মতানৈক্যৰ বাবে এনে নিৰ্দয় ভাৱে হত্যা কৰা হ'ল। আকাশৰ তলত এক ডাঙৰ নিৰ্যাতন অনুষ্ঠিত হৈছে। এই আমীৰতকৈ সেই গভৰ্ণৰ হাজাৰ গুণে উত্তম আছিল। যি জনে এটা গোপন সংবাদৰ ভিত্তিতেই হজৰত মছীহ (আঃ)ক গ্ৰেপ্তাৰ কৰিছিল। মই ইয়াত পিলাতুছৰ কথা কৈছো যাৰ বৰ্ণনা আজিলৈকে বাইবেলত বিদ্যমান আছে। ইহুদী মৌলবীসকলে যেতিয়া হজৰত মছীহ (আঃ)ৰ ওপৰত কুফৰী ফতোৱা লিখি এই আবেদন কৰিছিল যে এওঁক ক্ৰুছবিদ্ধ কৰি হত্যা কৰা হওঁক। যেতিয়া পিলাতুচে কৈছিল মই এই ব্যক্তিৰ কোনো অপৰাধ দেখা নাই। হায় ! এই আমীৰ চাহাবে অন্তত পক্ষে মৌলবীসকলক এই কথা সুধা

উচিত আছিল যে কি ধৰণৰ কুফৰীৰ বাবে তেওঁক প্ৰাণ দণ্ডৰ ফতোৱা দিয়া হ'ল আৰু এই মতভেদক কিয় কুফৰীৰ অন্তৰ্ভুক্ত কৰা হ'ল। সিহঁতক কিয় প্ৰশ্ন কৰা নহ'ল যে তোমালোকৰ মাজতো ফিৰকাসমূহৰ মাজত নিশ্চয় মতভেদ আছে। কোনো এটা ফিৰকা বাদ দি অন্যান্য ফিৰকাৰ লোক সকলক প্ৰাণ নাশ কৰা উচিত নে ? যিজন আমীৰৰ বিচাৰ এনেকুৱা, নাজানো তেওঁ খোদাৰ ওচৰত কি উত্তৰ দিব ?

ইয়াৰ পাছত শ্বহীদ মৰহুমক কুফৰী ফতোৱা দি কাৰাগাৰত প্ৰেৰণ কৰা হৈছিল। সোমবাৰ ৰাতিপুৱা তেওঁক ছালাম খানা অৰ্থাৎ আমীৰ চাহাবৰ গৃহত মাতা হ'ল। সেই দৰবাৰতো বৃহৎ জন সমাগম হৈছিল। যেতিয়া আমীৰ চাহাব দুৰ্গৰ পৰা ওলাই আহিলে, তেতিয়া শ্বহীদ মৰহুম ৰাস্তাৰ একাষত বহি আছিল। আমীৰ চাহাবে তেওঁৰ ওচৰেদি অতিক্ৰম কৰাৰ সময়ত সুধিলে হে আখুৱান্দজাদা (ভাই) চাহাব ! আপুনি কি সিদ্ধান্ত গ্ৰহণ কৰিলে ? উত্তৰত শ্বহীদ মৰহুম চাহাবে একো নকলে। কিন্তু চিপাহী সকলৰ মাজৰ পৰা এজনে কলে, লাঞ্ছিত হৈছে; অৰ্থাৎ তেওঁৰ গাত কুফৰী ফতোৱা লাগিছে। ইয়াৰ পাছত যেতিয়া আমীৰ চাহাব সভাত উপস্থিত হয় তেতিয়া সভাত বহিয়েই তেওঁ প্ৰথমে আখুৱান্দজাদা চাহাবক মাতি কলে, আপোনাৰ ওপৰত কুফৰী ফতোৱা দিয়া হৈছে। এতিয়া কওঁক তৌবা কৰিব নে শাস্তি গ্ৰহণ কৰিব ? তেতিয়া স্বৰ্গীয় মৰহুম চাহাবে স্পষ্ট ভাষাত সেয়া অস্বীকাৰ কৰে আৰু কলে মই সত্যক বিসৰ্জন দি তৌবা কৰিব নোৱাৰো আনকি নিজৰ প্ৰাণৰ ভয়ত অসত্যক স্বীকাৰ কৰা মোৰ পক্ষে সম্ভৱ নে ? মোৰ পক্ষে এয়া অসম্ভৱ। তেতিয়া আমীৰ চাহাবে তেওঁক পুনৰাই তৌবা কৰিবলৈ আহ্বান কৰে আৰু তাকে কৰিলে বহু সুযোগ সুবিধা লগতে ক্ষমা কৰি দিব বুলি প্ৰতিশ্ৰুতি দিয়ে। কিন্তু শ্বহীদ মৰহুম চাহাবে অতি দৃঢ়তাৰ সৈতে তাক অস্বীকাৰ কৰে আৰু কয় মোৰ পৰা এয়া আশা নকৰিব যে মই সত্যক পৰিত্যাগ কৰি তৌবা কৰিম। উক্ত ঘটনাৰ বৰ্ণনাকাৰী সকলে কয় এয়া আমাৰ শুনা কথা নহয়; বৰঞ্চ উক্ত

ঘটনাস্থলীত আমি উপস্থিত আছিলো আৰু ই এক বৃহৎ জন সমাৰেশ আছিল। শ্বহীদ মৰহুম চাহাবে প্ৰতিটো আবেদন অত্যন্ত দৃঢ়তাৰ সৈতে নাকচ কৰি থাকে আৰু নিজৰ বাবে মৃত্যুক আকোৱালি ল'বলৈ সিদ্ধান্ত গ্ৰহণ কৰে; লগতে তেওঁ এই কথাও কয় যে নিহত হোৱাৰ পিছত ছয় দিনৰ ভিতৰত মই পুনৰ জীৱিত হ'ম। এই গ্ৰন্থৰ লিখক মই কৈছো যে তেওঁ উক্ত কথা হয়তো ওহীৰ ভিত্তিত কৈছিল যি ওহী সেই সময়ত তেওঁৰ ওপৰত অৱতীৰ্ণ হৈছিল। কাৰণ সেই সময়ত শ্বহীদ মৰহুম মুনকাতেইনত প্ৰৱেশ কৰিছিল আৰু ফিৰিস্তাবিলাকে তেওঁৰ সৈতে কৰমৰ্দন কৰিছিল। তেতিয়া ফিৰিস্তাবিলাকৰ পৰা এই সংবাদ পায়েই তেওঁ এনে কথা কৈছিল। এই কথাৰ অৰ্থ আছিল যে ওলীউল্লাহ আবদাল সকলৰ যি জীৱন দিয়া হয় মই সেই জীৱন ছয় দিনৰ ভিতৰতে প্ৰাপ্ত হ'ম আৰু যেতিয়া খোদাৰ দিন আহিব অৰ্থাৎ সপ্তম দিনত মই পুনৰ জীৱিত হৈ যাম। স্মৰণ ৰাখিব লাগিব যে আল্লাহৰ ওলীবিলাক আৰু সেই সকল বিশেষ ব্যক্তি যিসকলে খোদা তা'লাৰ পথত শ্বহীদ হয় সিহঁতক কিছু দিন পাছতেই জীৱিত কৰা হয়। যেনেকুৱা আল্লাহ তা'লা কয়,

وَلَا تَحْسَبَنَّ الَّذِيْنَ قُتِلُوْا فِيْ سَبِيْلِ اللّٰهِ اَمْوَاتًا ؕ بَلْ اَحْيَآءٌ

(3:170)

অনুবাদ ঃ অৰ্থাৎ যিসকল আল্লাহৰ পথত নিহত হৈছে সেইসকলক কদাপি মৃত বুলি নধৰিবা; তেওঁলোকে নিজ প্ৰভুৰ কাষত জীৱিত। (চুৰা আল ইমৰান আয়াত ১৭০)

গতিকে শ্বহীদ মৰহুমৰ ইঙ্গিত এই মৰ্যাদাৰ পিনেই আছিল। মই এক দিব্য দৰ্শনত দেখিলো যে চৰো নামৰ বৃক্ষৰ এটা বৰ দীঘল শাখা যি অতি সুন্দৰ আৰু সতেজ আছিল। সেইটো মোৰ বাগিছাৰ পৰা কাটি পেলোৱা হৈছে আৰু সেয়া এজন ব্যক্তিৰ হাতত আছে। তেতিয়া কোনো এজন ব্যক্তিয়ে কলে, এই কাটা শাখাটো সেই ভূমিত ( যি মোৰ গৃহৰ পাশে অৱস্থিত) সেই বগৰি গছৰ ওচৰত লগাই দিয়া, যাক ইতিপূৰ্বে কৰ্তন কৰা হৈছে। ই আকৌ

গজালি মেলিব। তৎক্ষণাত মোৰ ওচৰত ওহী হ'ল যে কাবুলে কটা হৈছে আৰু পুনে: পুনে: মোৰ পিনে আহি আছে। মই এই তাবীৰ (সপোনৰ ব্যাখ্যা) কৰিছোঁ যে শ্বহীদ মৰহুমৰ তেজ বীজৰ নিচিনা মাটিত পৰি অত্যন্ত ফলৱন্ত হৈ মোৰ জামাতক শ্রীবৃদ্ধি কৰিব। ইপিনে মই সপোনত দেখিলো আনপিনে শ্বহীদ মৰহুমে কলে যে ছয় দিনৰ ভিতৰত তেওঁক জীৱিত কৰা হ'ব। মোৰ সপোন আৰু শ্বহীদ মৰহুমৰ এই উক্তিৰ পৰিণাম একেই। শ্বহীদ মৰহুমৰ মৃত্যুৰে জামাত এক বৃহৎ দৃষ্টান্তৰ মুখাপেক্ষী আছিল। আজিও আমাৰ মাজত এনে বহু ব্যক্তি আছে যিসকলে সামান্য খেদমত (সেৱা) কৰি ভাৱিব যে সিহঁতে যেন মহৎ কাম কৰিছে আৰু মোক যেন কৰুণা কৰিছে। অথচ ই সিহঁতৰ ওপৰত এক খোদাৰ (এহচান) দয়া; পৰম কৰুণাময় সিহঁতক এনে সেৱাৰ বাবে সৌভাগ্য দান কৰিছে। কোনো কোনোৱে এনেও আছে যিসকলে সম্পূৰ্ণ দৃঢ়তা আৰু সত্যতাৰ সৈতে ইপিনে অহা নাই আৰু সিহঁতে যি ঈমানৰ (বিশ্বাসৰ) শক্তি চৰম সত্যতা আৰু পৱিত্ৰতাৰ দাবী কৰে। শেষত তেওঁলোকে তাৰ ওপৰত স্থায়ী থাকিব নোৱাৰে। জড় জগতৰ প্ৰেমত, লোভ-লালসাত সিহঁতে ধৰ্মক হেৰুৱাই পেলায় আৰু সামান্য পৰীক্ষাতেই সিহঁতে সহ্য কৰিব নোৱাৰে। খোদাৰ জামাতত প্ৰৱেশ কৰিও সিহঁতৰ পাৰ্থিৱ লোভ, মোহ হ্ৰাস নাপায়। কিন্তু খোদা তা'লাৰ হাজাৰ শলাগৰ-শৰাই জ্ঞাপন কৰিছোঁ যে পৃথিৱীত আজিও এনে বহু লোক আছে যিসকলে সৰল অন্ত:কৰণে বিশ্বাস স্থাপন কৰিছে আৰু এই পথ গ্ৰহণ কৰিছে। এই পথত যিকোনো কষ্ট স্বীকাৰ কৰিবলৈ বাধ্য। কিন্তু উল্লেখিত এই বীৰ পুৰুষে যি দৃষ্টান্ত স্থাপন কৰিছে। সেই শক্তি আজিও এই জামাতত বিদ্যমান আছে। পৰম কৰুণাময় আল্লাহ সকলোকে সেই ঈমান আৰু দৃঢ়চিত্ততা দান কৰক; যাৰ দৃষ্টান্ত এই শ্বহীদ মৰহুমে দাঙি ধৰিছে। এই পাৰ্থিৱ জীৱন যাৰ সৈতে চয়তানৰ আক্ৰমণ সংমিশ্ৰিত আছে তাক কেৱল কামেল পুৰুষে বাধা প্ৰদান কৰে। এই জামাতত বহু লোক প্ৰৱেশ কৰিব; কিন্তু পৰিতাপৰ বিষয় অতি কম সংখ্যক লোকেহে এই দৃষ্টান্ত

প্ৰত্যক্ষ কৰিব।

বৰ্তমান মই প্ৰকৃত ঘটনাৰ প্ৰতি মনোযোগ আকৰ্ষণ কৰি লিখিছো যে যেতিয়া শ্বহীদ মৰহুমে প্ৰত্যেকবাৰ তৌবা কৰাৰ আবেদনক প্ৰত্যাখান কৰিছিল, তেতিয়া আমীৰ চাহাবে নিজ হাতে এখন আহল-বাহল কাগজ লিখিছিল আৰু তাত মৌলবী সকলৰ ফতোৱা তালিকাভুক্ত কৰিছিল। তাত লিখিছিল যে প্ৰাণদণ্ড দিয়াই হ'ল এনে কাফিৰৰ বাবে এক মাত্ৰ দণ্ড। তেতিয়া এই ফতোৱা আখুৱান্দজাদা মৰহুমৰ নাকত ছিদ্ৰ কৰি তাত ৰচী সুমোৱাই টানি লৈ বধ্যভূমিত অৰ্থাৎ প্ৰাণদণ্ড কাৰ্যকৰী কৰাৰ স্থানত লৈ যাবলৈ আদেশ দিলে। তেতিয়া সেই জালিম আমীৰৰ আদেশ মতে তাকেই কৰা হ'ল। এই শ্বহীদ মৰহুমৰ নাকত ছিদ্ৰ কৰি ভয়াভহ কষ্টৰ মাজত তাৰ মাজেৰে ৰচী সোমোৱাই দিয়া হ'ল। তাৰ পিছত সেই ৰচীৰ সহায়েৰে শ্বহীদ মৰহুমক অতি হাঁহি-বিদ্ৰূপ গালি-শপনি আৰু অভিশাপ দিওঁতে-দিওঁতে উক্ত বধ্যভুমি পৰ্যন্ত লৈ যোৱা হ'ল। জালিম আমীৰ তেওঁৰ সমূহ দলবল, কাজী, মুফতী আৰু অন্যান্য কৰ্মচাৰী লগত লৈ এই মৰ্মান্তিক দৃশ্য প্ৰত্যক্ষ কৰোঁতে কৰোঁতে বধ্যভুমি পৰ্যন্ত উপস্থিত হ'ল। তেওঁ তাত উপস্থিত হোৱাৰ পিছত শ্বাহজাদা মৰহুমক কঁকাললৈকে মাটিত পুতি দিয়া হ'ল। এই অৱস্থাত সেই জালিম আমীৰ তেওঁৰ ওচৰত গৈ কলে, যদি তুমি কাদিয়ানীক অৰ্থাৎ প্ৰতিশ্ৰুত মছীহ হোৱা দাবীকাৰকক অস্বীকাৰ কৰা, তেন্তে মই এতিয়াও ৰক্ষা কৰিব পাৰোঁ। এতিয়া তোমাৰ অন্তিম সময় আৰু তোমাক শেষ সুযোগ দিয়া হৈছে। তুমি তোমাৰ প্ৰাণ আৰু পৰিবাৰৰ ওপৰত অনুগ্ৰহ কৰা। প্ৰতি উত্তৰত শ্বহীদ মৰহুম কলে, নাউজুবিল্লাহ! সত্যক কেনেকৈ অস্বীকাৰ কৰোঁ ? লগতে কলে যে, এই তুচ্ছ প্ৰাণৰ অৰ্থ কি আৰু স্ত্ৰী, সন্তান-সন্ততিয়েই কি বস্তু, যিসকলৰ বাবে মই মোৰ ঈমান বিসৰ্জন দিম ? মোৰ দ্বাৰা এয়া কেতিয়াও সম্ভৱ নহয়; বৰঞ্চ মই সত্যৰ বাবে নিজ প্ৰাণ হাঁহি মূখে বিসৰ্জন দিবলৈ প্ৰস্তুত। তেতিয়া কাজী আৰু ফিকাহবিদ সকলে এই ব্যক্তি কাফিৰ, এই ব্যক্তি কাফিৰ, ইয়াক অনতি

পলমে প্ৰাণদণ্ড দিয়া বুলি হৈ-চৈ আৰম্ভ কৰিলে। এই সময়ত সেই জালিম আমীৰ, তাৰ ভাই নাচৰুল্লাহ খান আৰু কাজী আব্দুল আহমদ কামিদান প্ৰমূখ্য ঘোঁৰাত উপবিষ্ট আছিল বাকী সকলো মানুহ পদচাৰী আছিল। যেতিয়া এনে অসহায় অৱস্থাত শ্বহীদ মৰহুমে বাৰে বাৰে কলে যে, মই ঈমানক প্ৰাণতকৈ শ্ৰেয় জ্ঞান কৰোঁ, তেতিয়া আমীৰে কাজীক আদেশ দিলে যে, তুমি প্ৰথমে শিল নিক্ষেপ কৰা কাৰণ তুমিয়েই কুফৰী ফতোৱা প্ৰদান কৰিছা। কাজীয়ে কলে, আপুনি যুগৰ বাদশ্বাহ, গতিকে আপুনিয়েই প্ৰথমে পাথৰ নিক্ষেপ কৰক। আমীৰে আকৌ কলে, চৰিয়তৰ বাদশ্বাহ তুমিয়েই আৰু ই তোমাৰেই ফতোৱা। ইয়াত মোৰ কোনো অধিকাৰ নাই। তেতিয়া কাজীয়ে ঘোঁৰাৰ পৰা অৱতৰণ কৰে আৰু এটি পাথৰ নিক্ষেপ কৰে। এই পাথৰত শ্বহীদ মৰহুম চাহাব আহত হয় আৰু ডিঙি হালি পৰে। তাৰ পিছত সেই হতভাগ্য আমীৰ নিজ হাতে শিলগুটি নিক্ষেপ আৰম্ভ কৰে আৰু তাৰ অনুসৰণত হাজাৰ হাজাৰ পাথৰ নিক্ষিপ্ত হ'ল। উপস্থিত লোক সকলৰ ভিতৰত এনে কোনো লোক নাছিল যিয়ে শিল গুটি নিক্ষেপ কৰা নাছিল। ইমান শিল গুটি নিক্ষেপ কৰা হ'ল যে শ্বহীদ মৰহুমৰ মূৰৰ ওপৰত শিল গুটিৰ স্তপ জমা হৈ গ'ল। উভতি যোৱাৰ সময়ত আমীৰে কলে, এই ব্যক্তি কৈছিল যে ছয় দিন পাছত তেওঁ পুনৰ জীৱিত হ'ব। গতিকে ছয় দিন পহৰা দিয়া উচিত। বৰ্ণনাকাৰীৰ মতে এই প্ৰাণদণ্ড ১৪ জুলাইত অনুষ্ঠিত হৈছিল। এই বৰ্ণনাৰ অধিকাংশ সিহঁতৰ যিসকলে পাথৰ নিজেই নিক্ষেপ কৰিছিল,যিসকলে জামাতৰ বিৰোধী আছিল; আৰু যিসকলে মাৰাৰ কথা স্বয়ং স্বীকাৰ কৰিছে। বৰ্ণনাকাৰী সকলৰ মাজত এনে লোকও আছিল যিসকলে শ্বহীদ মৰহুমৰ শিষ্য আছিল। এই বৰ্ণনা শ্ৰৱণ কৰি ধাৰণা হয় যে ই বৰ্ণনাতকৈ অধিক বেদনা দায়ক। কাৰণ কোনেও আমীৰৰ অত্যাচাৰক সম্পূৰ্ণৰূপে প্ৰকাশ কৰা সমীচীন বুলি ভৰা নাই। মই যি লিখিছো সেয়া বহু চিঠি পত্ৰৰ অভিন্ন অৰ্থৰ পৰা সংক্ষিপ্ত ৰূপে সকলো কাহিনীত সাধাৰণতে অতিৰিক্ত কিছু থাকে। কিন্তু এই কাহিনীত

মানুহে আমীৰৰ ভয়ত তেওঁৰ অত্যাচাৰ সম্পূৰ্ণৰূপে বৰ্ণনা কৰা নাই আৰু বহুত গোপন কৰি বৰ্ণনা কৰিছে। শ্বাহজাদা আব্দুল লতিফ চাহাবৰ বাবে যি শ্বাহাদত নিৰ্ধাৰিত আছিল সেয়া পূৰ্ণ হ'ল। এতিয়া জালিমৰ শাস্তি বাকী আছে।

اِنَّهٗ مَنْ یَّاْتِ رَبَّهٗ مُجْرِمًا فَاِنَّ لَهٗ جَهَنَّمَ ؕ لَا

یَمُوْتُ فِیْهَا وَلَا یَحْیٰی ﴿۷۵﴾ (20:75)

অনুবাদ ঃ প্ৰকৃততে যিয়ে নিজ প্ৰভুৰ ওচৰলৈ অপৰাধী হৈ আহিব নিশ্চয় তাৰ কাৰণে থাকিব নৰক,যাৰ ভিতৰত তাৰ মৰণো নাই আৰু জীৱনো নাই। (চুৰা তাহা আয়াত ৭৫)

হায় ! আমীৰ, এই আমীৰৰ এই নিম্ন আয়াত,

وَمَنْ یَّقْتُلْ مُؤْمِنًا مُّتَعَمِّدًا (4:94)

অনুবাদ ঃ আৰু যিয়ে এজন মোমিনক ইচ্ছা কৰি হত্যা কৰে। (চুৰা নিছা আয়াত ৯৪) তেওঁ দোজখত প্ৰৱেশ কৰিব; এই শ্বহীদ এক বিন্দুও আল্লাহক ভয় কৰা নাই। আনপিনে শ্বহীদ মৰহুমও এনেকুৰা মোমিন যাৰ দৃষ্টান্ত সমগ্ৰ কাবুলত বিচাৰিলেও পোৱা নাযায়। এনে ব্যক্তিসকল হ'ল অমূল্য ৰত্ন যিসকলে ঈমান আৰু সত্যৰ বাবে জীৱন বিসৰ্জন দিয়ে আৰু নিজ পুত্ৰ কন্যা, স্ত্ৰীৰ বাবেও কোনো ভ্ৰূক্ষেপ নকৰে।

**হে আব্দুল লতিফ তোমাৰ ওপৰত হাজাৰ হাজাৰ ৰহমত; তুমি মোৰ জীৱন্ত কালতেই নিজ সত্যবাদীতাৰ নিদৰ্শন দেখুৱালা। মই নাজানো মোৰ মৃত্যুৰ পিছত জামাতৰ সদস্য সকলে কি কৰিব ?**

**ফাৰ্চী কবিতাৰ অসমীয়া অনুবাদ**

খোদাৰ বীৰ সেই নজোৱান
পৰম গুণ প্ৰকাশত মহীয়ান।
নিজকে উচৰ্গা কৰিলে সি

পাবলৈ খোদাৰ ধাম,
অস্থায়ী নিবাস ত্যাগ কৰিলে
দিয়া প্ৰাণৰ দাম।
জীৱনৰ মোহত অনেক
ভয় ভীতি বিৰাজ কৰে,
অগণিত অজগৰে
বিষ ঢালিবলৈ আহে।
ধৰণীৰ পৰা আকাশ পথে
অগ্নিৰ কুণ্ডলী,
ৰক্ত পিপাসু,জল প্লাবনৰ
সহস্ৰ মণ্ডলী।
দীৰ্ঘ পথ বন্ধুৰ ঘৰ
কণ্টক জোপোহাৰণ,
সহস্ৰ বিপদ আহে
জানিবা নিশ্চয়।
চোৱা এই অনাৰবৰ
অদম্য সাহস,
মুহূৰ্তত অতিক্ৰম কৰিলে,
পৃথিৱীৰ শিখৰ
খোদাৰ এনে সৎ সাহসী
বান্দাইহে কৰে এনে,
আদেশ পালে খোদাৰ আগত
থিয় হয় নতশিৰে।
বিষ ভক্ষণ কৰে এই
সাহসী প্ৰেমিক,

অমৃত লভিলে সি
মৰিয়া অধিক।
মৰণৰ পিয়লা যদি
কোনেও পান নকৰে,
কোৱা সেই অধম কেনেকৈ
জীৱন লাভ কৰে ?
জানিবা এই মৰণত আছে
জীৱনৰ কুন্তলা,
জীৱন বিচাৰিলে তুলি লোৱা
সেই মৰণৰ পিয়লা।
কামনা-বাসনাৰ দাসত্বত
যদি বন্দী থাকা
মুক্তিৰ সোৱাদ জন্মাবলৈ
তুচ্ছ সোৱাদ মাতা,
যদি প্ৰশংসাৰ আসক্তি
তোমাৰ সৈতে চলে,
জানিবা তুমি পাপৰ বাবেই
মান-সন্মান হেৰুৱালে।
চয়তান সেনা বিচাৰে তোমাক
শুকান ঘাঁহৰ দৰে,
নিক্ষেপ কৰিবলৈ নৰকাগ্নিতে
ফুৰে সকলো সময়তে।
আশাৰ লোভত ভয়ে ক্ষোভে
সদায় ঈমানৰ,
ইস্তেকামত নষ্ট হয় যে

জানিবা মোমিনৰ।
হায় ! শত দুনিয়াৰ
মিছা মায়াৰ জালে,
ধৰ্ম মৰ্যাদাৰ কিয়
হানি কৰিলে ?
খোদাৰ দ্বীনৰ প্ৰেমিক যিসকল
খোদাৰ প্ৰেমত মাতে,
কলুষিত আত্মা ! ধৰ্ম সেৱাৰ
কি দৃষ্টান্ত আছে ?
দুৰাত্মা ! নৰধম
ইহ সংসাৰত থাকা,
কথাৰ মালা আৰু নাগাঁথিবা
সীমাৰ ভিতৰত থাকা।
নিজকে ভাৰিছা সাধু
হে ! পাপাসক্ত নৰ;
ভুল বুজিলে হিদায়ৎ
খোদা অধীনশ্বৰ নে ?
সুখৰ কথাত দয়াল খোদাৰ
সন্ধান যে নোপোৱা,
তাৰ বাবে নমৰিলে চিৰ,
সুখৰ জীৱন মানা।
অহংকাৰ বৈৰিতা ত্যাগ কৰি
বিচৰা খোদা তা'লাৰ কৰুণা,
বেয়া মস্তিষ্ক দুৰ্ভগা ! যেন পোৱা
খোদাৰ নুৰৰ ছায়া।

উৰিছা যিমান উচ্চতাত
মনত ৰাখিবা আজি,
হ'ব পাৰে বিশ্ব স্রষ্টাৰ হৃদয়ত
তুমিয়েই অবিশ্বাসী।
পাৰ্থিৱ গৃহক তুমি
ভাৱা চিৰস্থায়ী,
নিঃশেষ হ'লা এই অতিথি শালাত
হ'লা তাৰ পিয়াসী।
ডাক আহিলে যিহেতু যাব
লাগিব এই গৃহ এৰি,
বুদ্ধিমান বান্দা কিয়
ডুবিছা বন্দৰে ?
দুৰ্ভাগ্য দুৰ্দশাৰ
কাৰণ জনা তুমি,
লোভৰ বশত খোদা পাহৰি
কিয় থাকিবা তুমি ?
আল্লাহৰ কৰুণাৰ ইচ্ছা
যাৰ হৃদয়ত পৰে,
সংসাৰ পৰিত্যাগ কৰে সি
পাহৰে তাক তৎক্ষণাতে।
তপ্ত মৰুভূমিতৰ জনহীন
সহীন বনত সি
ভাল পায় থাকিবলৈ অকলসৰে
ক্রন্দন কৰে খোদাৰ প্ৰেমৰ নিশাত।
যিয়েই খোদাৰ বান্দা হয়

যিয়ে সত্যক দেখা পায়,
মৃত্যুৰ আগতেই সি মৰিব বিচাৰে
ভঙ্গুৰ ভুবন ত্যাগ কৰি।
খোদা অবিহনে কোনেও নাই
সাৰধান হৈ থাকিবা,
নশ্বৰ ভুবন ত্যাগ কৰাৰ
সেই ছবিটো আঁকিবা।
কেনেকৈ বুজিম আমি
বুদ্ধি তোমাৰ আছে,
বিষ পান কৰা যদি
জীৱন নাশৰ বাবে।
আব্দুল লতিফ ! পুণ্য পুৰুষ
হে ! প্ৰত্যক্ষ কৰা তাকে
বিলীন কৰিলে জীৱনখনি
খোদাৰ প্ৰাণ খোদাৰ হকে
উচ্ছৰ্গা কৰিছে সি
পাথৰ তলে আজিও সেই প্ৰাণ
গায় বিশ্বৰ কাহিনী।
যিসকল খোদাৰ পুৰুষ হয়,
এনেকুৱাই যে কৰে,
সত্যৰ সেৱক দিগদ্বিজয়ী
আদৰ্শৰ ৰূপে
নিজকে সি উচ্ছৰ্গা কৰিছে
খোদাৰ বাবে বিলীন,
সেই বিধানত শ্বহীদ সি

সেয়াও ত্যাগীৰ জানা।
মাটিত মূৰৰ টুপি
প্ৰাণ সীমাৰ বাহিৰত,
যি বস্ত্ৰ বেনাম হৈ
শ্বাহী পদও এৰে।
নিজকে নিজে পাহৰিলে
খোদাত বিলীন যাৰ,
মান-সন্মান পাহৰিলে পাবলৈ
প্ৰভুৰ জ্যোতি সমাহাৰ।
তাক সোঁৱৰিলে মোৰ
খোদা মনত পৰে,
খোদাৰ বাটত কবুল সি
বিশ্বাসী দাস ৰূপে।
ঈমানৰ পথ বিচাৰে যিজনে
সন্ধান পায় সিজনে,
সাধনৰ পথ যে খুলি যায়
সহজে অমিয়।
পাৰ্থিৱ মোহত তুমি
বন্ধিয়ে থাকা,
বন্ধন ছিন্ন কৰি নমৰিলে
মুক্ত কেনেকৈ হ'বা ?
পাৰ্থিৱ পূজাৰী কুকুৰ সম
যদি নমৰা,
পুত-বন্ধুৰ আচল নাপাক !
কেনেকৈ ধৰা ?

জীৱনৰ বাবে মৰা তুমি
নিজকে নাশ কৰা,
আল্লাহৰ দয়া হৃদয়ৰ মাজত
নিৰ্গত হয় যেন অনিৰ্গত।
ঈৰ্ষা-বিদ্বেষ, অহংকাৰে
জীৱন কটালা তাত,
বিমুখ হ'লা, সত্যতা আৰু
দৃঢ় বিশ্বাসতে।
পুণ্যাত্মা পুণ্যাত্মাত হয়
হৃদয়ৰ মিল ভাই,
মন্দ লোকে থু-থু পেলায়
মণি মুক্তাত হায় !
মৃত্যুৰ বীজ ৰোপন কৰা
সত্যকাৰৰ দ্বীন,
সংসাৰ পাহৰি যোৱা
নিতৌ প্ৰতিদিন।
বেদনাত কাতৰ হৈ কোনোৱে
যদি আৰ্তনাদ কৰে,
কোনো নহয় কোনোৱে থিয় হয় তাত
উদ্ধাৰ কৰিবলৈ তাকে।
অসাৱধান লোকৰ বাবে
সাবধানী ব্যাকুল হয়,
তেনেকৈ অন্ধৰ প্ৰতি চক্ষুস্মানৰ
বৰ স্নেহ হয়।
খোদাৰ নিয়ম এনেকৈয়েই

কাৰ্য্যকৰী হয়,
সবল যিজন দুৰ্বলেৰে
জনায় তাক নিশ্চয়

# মোৰ জামাতৰ বাবে কিছু উপদেশ

হে মোৰ খোদা ! খোদা তা'লা আপোনালোকৰ সৈতে থাকক। সেই ক্ষমতাবান খোদা তা'লা আপোনালোকৰ পৰকালৰ যাত্ৰাৰ বাবে এনেকৈ প্ৰস্তুত কৰক, যেনেকৈ আঁহজৰত (ছাঃ)ৰ চাহাবা সকলক প্ৰস্তুত কৰা হৈছিল। ভালকৈ স্মৰণ ৰাখিবা যে ইহসংসাৰ এক নিৰৰ্থক বস্তু। অভিশপ্ত সেই জীৱন, যিয়ে কেৱল পাৰ্থিৱৰ বাবে আৰু হতভাগ্য সেই ব্যক্তি যাৰ সমূহ চিন্তা-ধাৰণা কেৱল দুনিয়াৰ বাবে। এনেকুৱা মানুহ যদি মোৰ জামাতত থাকে তেন্তে অযথা সি মোৰ জামাতত প্ৰৱেশ কৰিছে। কাৰণ সি সেই শুষ্ক শাখাৰ দৰে যিয়ে ফল নিদিয়ে।

হে সৌভাগ্যশালী ব্যক্তি সকল ! তোমালোক দৃঢ়তাৰ সৈতে এই শিক্ষাত প্ৰৱেশ কৰা, যি শিক্ষা তোমালোকৰ পৰিত্ৰতাৰ বাবে মোক প্ৰদান কৰা হৈছে। তোমালোকে খোদাক এক আৰু অদ্বিতীয় বুলি জানিবা। তাৰ সৈতে আকাশ আৰু পৃথিৱীত কোনো বস্তুক অংশীদাৰ নকৰিবা। খোদা তা'লাই কোনো উপকৰণ ব্যৱহাৰ কৰিবলৈ নিষেধ নকৰে, কিন্তু যি ব্যক্তিয়ে এই উপকৰণৰ ওপৰত নিৰ্ভৰ কৰি প্ৰকৃততে খোদাক পৰিত্যাগ কৰে, সি এজন মুশৰিক (অংশীবাদী)। আদি কালৰ পৰাই খোদা তা'লাই কৈ আহিছে যে হৃদয় পৰিত্ৰ নোহোৱা পৰ্যন্ত কোনো পৰিত্ৰাণ নাই। গতিকে তোমালোক পৰিত্ৰচিত্ত হৈ যোৱা আৰু হীন মনস্ক, হিংসা-বিদ্বেষ আৰু ক্ৰোধৰ পৰা আঁতৰত থকা। মানুহৰ নফচে আম্মাৰা ( অবাধ্য আত্মা) ত বহু ধৰণৰ অশুদ্ধি নিহিত থাকে। আটাইতকৈ অধিক অশুদ্ধি হ'ল অহংকাৰ। অহংকাৰ নাথাকিলে কোনো ব্যক্তি কাফিৰ নাথাকিলেহেঁতেন। গতিকে তোমালোক প্ৰকৃত বিনয়ী হোৱা। সাধাৰণতে মানৱ জাতিৰ প্ৰতি সহানুভূতি প্ৰদৰ্শন কৰা। যি ক্ষেত্ৰত তোমালোকে সিহঁতক বেহেস্ত প্ৰাপ্তিৰ বাবে বক্তৃতা আৰু উপদেশ বাণী শুনাই থকা, সেই ক্ষেত্ৰত তোমালোকৰ এই বক্তব্য কেনেকৈ সঠিক হ'ব পাৰে যদি তোমালোকে এই ক্ষণস্থায়ী পৃথিৱীত সিহঁতৰ অমঙ্গল কামনা কৰা। খোদা তা'লাৰ প্ৰতি

কৰ্তব্য সমূহ আন্তৰিকতাৰ সৈতে সম্পাদন কৰিবা। কাৰণ তোমালোক প্ৰশ্নৰ সন্মুখীন হ'বা। নমাজত বেছি বেছি দোৱা কৰিবা যাতে তোমালোকৰ খোদা নিজৰ পিনে আকৰ্ষণ কৰে আৰু তোমালোকৰ হৃদয় পৱিত্ৰ কৰে। কাৰণ মানুহ হ'ল দুৰ্বল। খোদাৰ শক্তিতেই প্ৰত্যেকটো মন্দ স্বভাৱ দূৰ হয়। যেতিয়ালৈকে মানুহে আল্লাহৰ পৰা শক্তি লাভ নকৰে, তেতিয়ালৈকে কোনো মন্দ স্বভাৱ দূৰ কৰিবলৈ সমৰ্থ নহ'ব। ইছলাম কেৱল এয়ে নহয় যে প্ৰথা অনুযায়ী কেৱল নিজকে কলেমা বিশ্বাসী বুলি আখ্যায়িত কৰে, বৰঞ্চ ইছলামৰ যথাৰ্থ হ'ল তোমালোকৰ আত্মা খোদা তা'লাৰ দৰবাৰত অৱনত হৈ যোৱা আৰু তাৰ আদেশ সমূহ প্ৰত্যেক ফালৰ পৰা তোমালোকৰ পাৰ্থিৱ জীৱনৰ ওপৰত প্ৰাধান্য দিবা।

হে মোৰ প্ৰিয় জামাত ! নিশ্চয়কৈ জানিবা যে যুগ নিজৰ শেষ প্ৰান্তত আহি উপস্থিত হৈছে আৰু এটা সুস্পষ্ট বিপ্লৱৰ সূচনা হৈছে। গতিকে তোমালোকৰ আত্মাক প্ৰতাৰিত নকৰিবা আৰু অতি সোনকালে সত্যবাদীতাত কামেল হৈ যোৱা। পৱিত্ৰ কোৰাণ কৰিমক নিজৰ নেতা হিচাপে হাৱটি ধৰা আৰু ইয়াৰ পৰা সকলো বিষয়ত জ্যোতি গ্ৰহণ কৰা। হাদীছ্ শ্বৰীফক আৱৰ্জনাৰ নিচিনা নিক্ষেপ নকৰিবা। কাৰণ ই অত্যাৱশ্যকীয় আৰু ইয়াৰ ভঁৰাল অত্যন্ত পৰিশ্ৰমৰ সৈতে প্ৰস্তুত কৰা হৈছে। কিন্তু যেতিয়া কোৰাণৰ বিৱৰণ হাদীছৰ কোনো বৰ্ণনাৰ পৰা বিৰোধপূৰ্ণ বা পৃথক হয়, তেতিয়া এনে হাদীছ ত্যাগ কৰা উচতি যাতে পথভ্ৰষ্টত নপৰা। খোদা তা'লা পৱিত্ৰ কোৰাণ শ্বৰীফক অত্যন্ত সংৰক্ষিত ভাৱে তোমালোকৰ ওচৰত অৱতীৰ্ণ কৰিছে। গতিকে তোমালোকে এই পৱিত্ৰ কালামৰ সন্মান কৰা। ইয়াৰ ওচৰত কোনো বস্তুক প্ৰাধান্য নিদিবা। কাৰণ সকলো সত্যতা আৰু বিশ্বস্ততা ইয়াৰ ওপৰত নিৰ্ভৰশীল। কোনো ব্যক্তিৰ কথা মানুহৰ হৃদয় সেই পৰিমাণে প্ৰভাৱান্বিত কৰে, যি পৰিমাণে সেই ব্যক্তিৰ তত্ত্বজ্ঞান আৰু তাকওৱাৰ ওপৰত আস্থা থাকে। এতিয়া চোৱা খোদা তা'লাৰ হুজ্জত (দলিল প্ৰমাণৰ দ্বাৰা কোনো বিষয়ৰ সত্যতা প্ৰতিষ্ঠিত কৰা-অনুবাদক)

তোমালোকৰ ওপৰত এনেকৈ পূৰ্ণ কৰি দিছে যে মোৰ দাবীৰ অনুকুলে হাজাৰ হাজাৰ দলিল প্ৰমাণ সৃষ্টি কৰি তোমালোকক এই সুযোগ দিয়া হৈছে যাতে তোমালোকে চিন্তা কৰা যে যি ব্যক্তিয়ে তোমালোকক এই জামাতৰ পিনে আহ্বান জনাইছে; তেওঁ কোন পৰ্যায়ৰ তত্ত্বজ্ঞানী আৰু কিমান পৰিমাণ যুক্তি প্ৰমাণ উপস্থাপন কৰিছে। তোমালোকে মোৰ পূৰ্বৰ জীৱনৰ ওপৰত কোনো ধৰণৰ দোষাৰোপ বা মিছলীয়া বা প্ৰতাৰণাৰ অভিযোগ আনিব নোৱাৰিবা। যাতে তোমালোকে এই ধাৰণা পোষণ কৰিব পাৰা যে যি ব্যক্তি পূৰ্বৰ পৰাই মিছলীয়া আৰু প্ৰতাৰণাৰ অভ্যস্ত সি এইটোও মিছা কৈছে। তোমালোকৰ মাজত কোন আছে যিয়ে মোৰ জীৱনত দোষাৰোপ কৰিব পাৰে ? গতিকে এয়া খোদাৰ অনুগ্ৰহ সি মোক প্ৰথমৰ পৰাই খোদা ভীতিৰ ওপৰত প্ৰতিষ্ঠিত ৰাখিছে। যিসকলে চিন্তা কৰে, সিহঁতৰ বাবে ই এটা দলিল। ইয়াৰ ওপৰত মোৰ খোদা মোক শতাব্দীৰ ঠিক আৰম্ভণীতেই প্ৰেৰণ কৰিছে; আৰু সত্যবাদী বুলি গ্ৰহণ কৰাৰ বাবে যিমান দলিল-প্ৰমাণৰ প্ৰয়োজন সেই সকলো মোক যোগান ধৰিছে। মোৰ বাবে আকাশৰ পৰা পৃথিৱীলৈ সমূহ নিদৰ্শন প্ৰকাশ কৰিছে আৰু সকলো নবীয়ে আদিৰ পৰা আজিলৈকে মোৰ সংবাদ প্ৰেৰণ কৰিছে। গতিকে যদি এই বিষয়ত মানুহৰ কোনো হাত থাকিলেহেঁতেন; তেন্তে এই বিপুল পৰিমাণ দলিল প্ৰমাণ কেতিয়াও একত্ৰিত নহলহেঁতেন। তদুপৰি খোদা তা'লাৰ সমূহ কিতাপ এই কথাৰ সাক্ষী যে যিয়ে খোদাৰ নামত মিছা কথা কয় খোদা তা'লা তেওঁক অতি সোনকালে ধৃত কৰে আৰু অতি লাঞ্ছনাৰ সৈতে ধ্বংস কৰে। কিন্তু তোমালোকে প্ৰত্যক্ষ কৰিছা আল্লাহৰ ফালৰ পৰা মোৰ প্ৰেৰিত হোৱাৰ দাবী ৩০ (ত্ৰিশ) বছৰৰ অধিক হৈছে; যাক বৰাহীনে আহমদীয়াৰ প্ৰথম অংশৰ প্ৰতি লক্ষ্য কৰিলে বুজিব পাৰিবা নিশ্চয়। গতিকে প্ৰত্যেক বুদ্ধিমান ব্যক্তি বুজিব পাৰে যে কেতিয়াবা খোদা এই নীতি গ্ৰহণ কৰিছে নে, আৰু যেতিয়াৰ পৰা মানৱ সৃষ্টি হৈছে তেতিয়াৰ পৰা খোদা এনে কাৰ্য্য কৰিছে নে, যি ব্যক্তি এনে বেয়া স্বভাৱ বিশিষ্ট ধূৰ্ত, অশিষ্ট আৰু

খোদাৰ নামত মিছা প্ৰতিপন্ন কৰে আৰু ৩০ (ত্ৰিশ) বছৰ ধৰি প্ৰতি দিন ৰাতিয়েই খোদাৰ নামত মিছা কথা কয়, মনে সজা নতুন ইলহাম প্ৰস্তুত কৰি মানুহক কয় যে খোদা তা'লাৰ পৰা এই ওহী অৱতীৰ্ণ হৈছে আৰু খোদা তা'লা এনে ব্যক্তিক ধ্বংস নকৰি শক্তিশালী নিদৰ্শনাৱলীৰ জৰিয়তে তেওঁক সহায় কৰে। তেওঁৰ দাবীৰ সপক্ষে ভৱিষ্যদ্বাণী অনুসৰি আকাশত চন্দ্ৰ আৰু সূৰ্য গ্ৰহণ সংগঠিত কৰে। ঠিক সেইদৰে পূৰ্বৰ বিভিন্ন গ্ৰন্থ, হাদীছ আৰু পৱিত্ৰ কোৰাণত আনকি তেওঁৰ বিখ্যাত গ্ৰন্থ বৰাহীনে আহমদীয়াত যি ভৱিষ্যদ্বাণী লিপিবদ্ধ আছিল সেয়া জগতবাসীক পূৰ্ণ কৰি দেখুৱায়। সত্যবাদীৰ নিচিনা ঠিক শতাব্দীৰ প্ৰাৰম্ভতেই তেওঁক প্ৰেৰণ কৰে। ক্ৰুছৰ প্ৰাধান্যৰ সময়ত যাক ক্ৰুছ ধ্বংসকাৰী প্ৰতিশ্ৰুত মছীহ ৰূপে আগমন নিৰ্ধাৰিত আছিল তেওঁকেই দাবীৰ সৈতে থিয় কৰায়। আনকি তেওঁৰ সমৰ্থনত ১০ (দহ) লাখতকৈ অধিক নিদৰ্শন প্ৰকাশ কৰে আৰু পৃথিৱীত তেওঁক সন্মান প্ৰদান কৰে। পৃথিৱীত তেওঁৰ গৃহীত বিস্তাৰ কৰে আৰু শত-সহস্ৰ ভৱিষ্যদ্বাণী তেওঁৰ সপক্ষে পূৰ্ণ কৰে। প্ৰতিশ্ৰুত মছীহৰ আৱিৰ্ভাবৰ বাবে নবীসকল কতৃক নিৰ্ধাৰিত দিনতে তেওঁ সৃষ্টি কৰে আৰু তেওঁৰ দোৱা গ্ৰহণ কৰে। তেওঁৰ বৰ্ণনাত প্ৰভাৱ সৃষ্টি কৰে একেদৰে প্ৰত্যেক ক্ষেত্ৰতেই তেওঁক সকলো প্ৰকাৰে সহায় কৰে। অথচ তেওঁ জানে যে তেওঁ এজন মিছলীয়া আৰু জানি-শুনি অন্যায় ভাৱে মিছা ওহীৰ দাবী কৰে। তোমালোকে ক'ব পাৰা নে, মোৰ পূৰ্বে খোদা তা'লা আন কোনো মিছলীয়াৰ প্ৰতি এনে দয়া আৰু কৰুণা প্ৰদৰ্শন কৰিছিল ?

হে মোৰ খোদাৰ বান্দাসকল ! অমনোযোগী নহ'বা। তোমালোকক যেন চয়তানে কুপ্ৰৰোচনা নিদিয়ে। নিশ্চয় জানিবা যে সেই প্ৰতিশ্ৰুতি পূৰ্ণ হ'ল যি আদিৰ পৰা খোদাৰ পৱিত্ৰ নবীসকলে কৰি আহিছে। আজি খোদাৰ প্ৰেৰিত মহাপুৰুষগণ আৰু চয়তানৰ মাজত শেষ যুদ্ধ। এয়া সেই যুগ যাৰ প্ৰতি হজৰত দানিয়াল নবীও ইঙ্গিত কৰিছিল। মই সত্যবাদী সকলৰ বাবে এক আশীৰ্বাদ স্বৰূপ আগমন কৰিছোঁ। কিন্তু মোক লৈ হাঁহি ঠাট্টা কৰা হৈছে।

মোক কাফিৰ আৰু দাজ্জাল আখ্যা দিয়া হৈছে। এনে হোৱাই স্বাভাৱিক যাতে এই ভৱিষ্যদ্বাণী পূৰ্ণ হৈ যায় যি (1:7) غَيْرِ الْمَغْضُوبِ عَلَيْهِمْ ত সন্নিৱিষ্ট আছে। কাৰণ খোদা তা'লা "মুনইম আলাইহিম"ৰ প্ৰতিশ্ৰুতি দি এই আয়াতত কয় যে এই উম্মতৰ মাজত সেই সমূহ ইহুদীও সৃষ্টি হ'ব যিসকল ইহুদী আলিমৰ সদৃশ হ'ব। যিসকলে হজৰত ঈছা (আঃ)ক ক্ৰুছত হত্যা কৰিব বিচাৰিছিল তেওঁলোকে হজৰত ঈছা (আঃ)ক কাফিৰ, দাজ্জাল আৰু নাস্তিক আখ্যা দিছিল। এতিয়া ভাৱি চোৱা এয়া কোন বিষয়ৰ প্ৰতি ইঙ্গিত আছিল। এইটো এই বিষয়ৰ প্ৰতি ইঙ্গিত আছিল যে প্ৰতিশ্ৰুত মছীহ (আঃ)এই উম্মতৰ মাজৰ পৰাই আগমন কৰিব। এই কাৰণে তেওঁৰ যুগতে ইহুদী স্বভাৱ বিশিষ্ট মানুহৰও সৃষ্টি হ'ব, যিসকলে নিজকে আলিম বুলি ক'ব। সেই বাবে আজি তোমালোকৰ দেশত এই ভৱিষ্যদ্বাণী পূৰ্ণ হৈছে। যদি এই আলিম নাথাকিলেহেঁতেন তেন্তে এতিয়ালৈকে এই দেশত বসবাসকাৰী সকলো মুছলমান অধিবাসীয়ে মোক গ্ৰহণ কৰিলেহেঁতেন। গতিকে সকলো অস্বীকাৰকাৰীৰ পাপ ইহঁতৰ ওপৰত ন্যস্ত হ'ব। এওঁলোকে ন্যায়পৰায়ণতাৰ অট্টালিকাত নিজেও প্ৰৱেশ কৰা নাই, আনকি স্বল্প বুদ্ধি সম্পন্ন লোক সকলোকো প্ৰৱেশ কৰিব দিয়া নাই। ইহঁত কিমান যে ষড়যন্ত্ৰ কৰিছে ! ইহঁতৰ গৃহত গোপনত কিমান যে পৰিকল্পনা ৰচা হৈছে। কিন্তু ইহঁত খোদাৰ ওপৰত জয়লাভ কৰিব নে ? ইহঁতে সৰ্ব শক্তিমান খোদাৰ ইচ্ছাত বাধা সৃষ্টি কৰিবলৈ সক্ষম হ'ব নে, যাৰ সম্বন্ধে নবীয়ে ভৱিষ্যদ্বাণী কৰি গৈছে। ইহঁতে এই দেশৰ খল নায়ক প্ৰকৃতিৰ আমীৰ সকলৰ আৰু হতভাগ্য ঐশ্বৰ্যশালী বস্তুবাদী লোক সকলৰ ওপৰত নিৰ্ভৰ কৰিছে। কিন্তু খোদাৰ দৃষ্টিত এওঁলোক কি ? খোদাৰ দৃষ্টিত এওঁলোক মৃত কীট মাথোঁ।

হে মানৱ জাতি ! শুনক এয়া তাৰ ভৱিষ্যদ্বাণী যিয়ে এই পৃথিৱী আৰু আকাশ সৃষ্টি কৰিছে। সি তাৰ এই জামাতক সকলো দেশত বিস্তৃত কৰি দিব আৰু হুজ্জত (দলিল প্ৰমাণ) আৰু সত্য অসত্যৰ মাজত পাৰ্থক্যকাৰী দলিলৰ

দ্বাৰা সকলোৰে ওপৰত সিহঁতক বিজয় দান কৰিব। সেই দিন আহি আছে, বৰঞ্চ সেই দিন সন্নিকট যেতিয়া পৃথিৱীত কেৱল মাত্ৰ এই এটাইহে ধৰ্ম হ'ব যাক সন্মানৰ দৃষ্টিত চোৱা হ'ব। খোদা তা'লা এই ধৰ্মক আৰু জামাতক উচ্চ মৰ্যাদা আৰু অসাধাৰণ কল্যাণত বিভূষিত কৰিব। যদি কোনোৰে ইয়াক শেষ কৰাৰ কথা ভাৱে তেন্তে তেওঁক ব্যৰ্থ কৰি দিয়া হ'ব। এই বিজয় চিৰকাল। আনকি কিয়ামতলৈকে প্ৰতিষ্ঠিত থাকিব। যদি মোৰ সৈতে ঠাট্টা-বিদ্ৰূপ কৰা হয় তেন্তে এই ঠাট্টা-বিদ্ৰূপ মোৰ কি ক্ষতি কৰিব ? কাৰণ এনে কোনো নবী নাই যাৰ সৈতে ঠাট্টা-বিদ্ৰূপ কৰা হোৱা নাই। গতিকে এয়া আৱশ্যক আছিল যে প্ৰতিশ্ৰুত মছীহৰ সৈতে ঠাট্টা-বিদ্ৰূপ কৰা হ'ব। উদাহৰণ স্বৰূপে আল্লাহ তা'লা কয়,

يٰحَسۡرَةً عَلَى الۡعِبَادِ ۚ مَا يَاۡتِيۡهِمۡ مِّنۡ رَّسُوۡلٍ اِلَّا كَانُوۡا بِهٖ يَسۡتَهۡزِءُوۡنَ ۝٣١ (36:31)

অনুবাদ ঃ হায় ! মোৰ ভৃত্যসকলৰ বাবে অতি আক্ষেপ হয় যে সিহঁতৰ ওচৰলৈ এনে কোনো ৰছুল অহা নাই, যাৰ সৈতে তেওঁলোকে ঠাট্টা-বিদ্ৰূপ কৰা নাই (চুৰা ইয়াছিন আয়াত ৩১)

কিন্তু সি এনে ব্যক্তি যিয়ে সকলো মানুহৰ সন্মুখত আকাশৰ পৰা অৱতীৰ্ণ হ'ব আৰু তেওঁৰ লগত আল্লাহৰ ফিৰিস্তাবিলাক থাকিব, তেন্তে তেওঁৰ লগত কোনে ঠাট্টা-বিদ্ৰূপ কৰিব ? গতিকে এই যুক্তিৰ দ্বাৰাও বুদ্ধিমান ব্যক্তি সকলে বুজিব পাৰিব যে প্ৰতিশ্ৰুত মছীহৰ আকাশৰ পৰা অৱতৰণ হোৱা এটা মিছা ধাৰণাহে। স্মৰণ ৰাখিবা যে কোনোৰেই আকাশৰ পৰা অৱতীৰ্ণ নহ'ব। আমাৰ সমূহ বিৰুদ্ধবাদী যিসকল আজি জীৱিত তেওঁলোক সকলোৰে মৰিব, কিন্তু সিহঁতৰ পৰা কোনেও মৰিয়মৰ পুত্ৰ ঈছা (আঃ)ক আকাশৰ পৰা অৱতীৰ্ণ হোৱা নেদেখিব। ইয়াৰ পাছত ইহঁতৰ সন্তান-সন্ততি সকলো মৰিব, কিন্তু সিহঁতেও মৰিয়মৰ পুত্ৰ ঈছা (আঃ)ক আকাশৰ পৰা অৱতীৰ্ণ হোৱা নেদেখিব।

তেতিয়া খোদা তা'লা তেওঁলোকৰ হৃদয়ত ভয়-ভীতিৰ সঞ্চাৰ কৰিব যে ক্ৰুছৰ প্ৰাধান্যৰ যুগও অতিবাহিত হৈছে; আৰু পৃথিৱীৰ অৱস্থাও অন্যৰূপ ধাৰণ কৰিছে। অথচ মৰিয়মৰ পুত্ৰ ঈছা (আঃ)য়ে আজিলৈকে আকাশৰ পৰা অৱতীৰ্ণ নহ'ল। সেই সময়ত বুদ্ধিমান ব্যক্তি সকলে এই বিশ্বাসৰ প্ৰতি বিতৃষ্ণ হৈ পৰিব যে আজিৰ পৰা তৃতীয় শতাব্দী পূৰ্ণ নহ'ব যেতিয়া হজৰত ঈছা (আঃ)ৰ বাবে চাই থকাসকল (মুছলমান আৰু খ্ৰীষ্টানসকল) অত্যন্ত হতাশ আৰু বিৰক্ত হৈ এই মিছা বিশ্বাসক পৰিত্যাগ কৰিব, তেতিয়া পৃথিৱীত মাত্ৰ এটাই ধৰ্ম আৰু নেতা হ'ব। মই কেৱল সেই এটা বীজ ৰোপন কৰিবলৈ আহিছো। গতিকে মোৰ হাতেৰে সেই বীজ ৰোপন কৰা হৈছে। এতিয়া ই বৃদ্ধি লাভ কৰিব আৰু বিকাশিত হ'ব। কোনেও ইয়াক ৰোধ কৰিব নোৱাৰিব। এই ধাৰণা নকৰিবা যে আৰ্য্য অৰ্থাৎ হিন্দু দয়ানন্দী ধৰ্মৰ অনুসাৰীসকল কোন কামৰ। তেওঁলোক সেই ভীমৰুলৰ নিচিনা যাৰ মাজত কাঁইট বিন্দোৱাৰ অবিহনে আন একো নাই। তেওঁলোকে তৌহিদ কি বস্তু নাজানে আৰু আধ্যাত্মিকতাৰ পৰা সম্পূৰ্ণ বঞ্চিত। তেওঁলোকৰ কাম হ'ল ত্ৰুটি ধৰা আৰু খোদাৰ নবী সকলক গালি-শপনি দিয়া। তেওঁলোকৰ আটাইতকৈ ডাঙৰ কীৰ্তি হ'ল চয়তানী কু-প্ৰৰোচনাৰ এক আপত্তি ভাণ্ডাৰ সঞ্চয় কৰিছে আৰু খোদা ভীতি আৰু পৱিত্ৰতাৰ ৰূহ সিহঁতৰ মাজত নাই। স্মৰণ ৰাখিবা আধ্যাত্মিকতা অবিহনে কোনো ধৰ্ম চলিব নোৱাৰে আৰু এয়া অবিহনে কোনো ধৰ্ম অৰ্থহীন। যি ধৰ্মত আধ্যাত্মিকতা নাই সেই ধৰ্মত খোদাৰ সৈতে বাৰ্তালাপৰ কোনো সম্পৰ্ক নাই; সত্যতা আৰু বিশ্বস্ততাৰ আত্মা নাই, সেই ধৰ্ম মৃত। তাক ভয় নকৰিবা। তোমালোকৰ লাখ লাখ, কোটি কোটি মানুহ জীৱিত থাকিব যিসকলে এই ধৰ্ম নিঃচিহ্ন হৈ যোৱা প্ৰত্যক্ষ কৰিব। কাৰণ আৰ্য সকলৰ ধৰ্ম আকাশৰ পৰা নহয়, বৰং পৃথিৱীতহে সৃষ্টি হৈছে আৰু ই আকাশৰ কথা প্ৰকাশ নকৰি কেৱল পৃথিৱীৰ কথা উপস্থাপন কৰে। গতিকে তোমালোক আনন্দিত হোৱা আৰু আনন্দিত উৎসাহিত হোৱা খোদা তা'লা তোমালোকৰ সৈতে আছে।

যদি তোমালোক সত্যতা আৰু ঈমানৰ ওপৰত প্ৰতিষ্ঠিত থকা তেন্তে ফিৰিস্তাবিলাকে তোমালোকক শিক্ষা প্ৰদান কৰিব। ঐশ্বৰিক শান্তি তোমালোকৰ ওপৰত অৱতীৰ্ণ হ'ব। পৱিত্ৰ আত্মাৰ মাধ্যমে তোমালোক সাহায্য লাভ কৰিবা, প্ৰত্যেক পদক্ষেপত খোদা তোমালোকৰ সৈতে থাকিব আৰু কোনেও তোমালোকৰ ওপৰত বিজয়ী হ'ব নোৱাৰিব। ধৈৰ্যসহ খোদাৰ কল্যাণৰ অপেক্ষা কৰা। গালি শুনা আৰু নীৰৱ থকা মাৰ-পিট খোৱা আৰু ধৈৰ্য ধাৰণ কৰা। যথাসম্ভৱ বেয়া কাৰ্য্যৰ প্ৰতিযোগীতাৰ পৰা বিৰত থকা যাতে আকাশত তোমালোকৰ কবুলিয়ত (গ্ৰহণ যোগ্যতা) লিখিত হয়। নিশ্চয় মনত ৰাখিবা যে যিসকলে খোদাক ভয় কৰে আৰু যিসকলৰ হৃদয় খোদাৰ ভয়ত বিগলিত হয়, খোদা সিহঁতৰ সৈতেই থাকে; আৰু সিহঁতৰ শত্ৰুসকলৰ শত্ৰু হয়। পৃথিৱীয়ে সত্যবাদী সকলক সদায় প্ৰত্যক্ষ কৰি থাকে লগতে নিজ হাতে সিহঁতক ৰক্ষা কৰে যি ব্যক্তিয়ে সৰল অন্ত:কৰণে তোমালোকক ভাল পায় আৰু সঁচাকৈয়েই তোমালোকৰ বাবে মৃত্যুৰ কাৰণে প্ৰস্তুত হৈ যায় আৰু তোমালোকৰ ইচ্ছা অনুসৰি তোমালোকৰ আজ্ঞানুৱৰ্তিতা কৰে আৰু তোমালোকৰ বাবে সকলো পৰিত্যাগ কৰে, তোমালোকে তেওঁক ভাল নোপোৱা নে? তোমালোকে তেওঁক আটাইতকৈ প্ৰিয় বুলি নাভাৱনে? গতিকে যি ঠাইত মানুহ হৈ ভাল পোৱাৰ প্ৰতিদান ভাল পোৱা সেই ক্ষেত্ৰত খোদা কিয় ভাল নাপাব?

খোদা তা'লা ভালকৈ অৱগত আছে যে প্ৰকৃততে তাৰ বিশ্বস্ত বন্ধু কোন, বিশ্বাস ঘাতক কোন আৰু পাৰ্থিৱ জগতক কোনে প্ৰাধান্য দিয়ে। গতিকে তোমালোকে যদি এনেকৈ বিশ্বস্ত হোৱা তেন্তে তোমালোক আৰু আনৰ মাজত খোদাৰ শক্তিয়ে এটা পাৰ্থক্য প্ৰতিষ্ঠা কৰি দেখুৱাব।

**বৰাহীনে আহমদীয়াৰ ৫১০ আৰু ৫১১ পৃষ্ঠাত লিপিবদ্ধ ভৱিষ্যদ্বাণীৰ বৰ্ণনা অৰ্থাৎ সেই ভৱিষ্যদ্বাণী যি চাহাবজাদা মৰহুম মৌলবী মহম্মদ আব্দুল লতিফ চাহাব আৰু মিঞা আব্দুৰ ৰহমানৰ শ্বাহাদত সম্পৰ্কে কৰা হৈছে আৰু সেই ভৱিষ্যদ্বাণী যি মোৰ সুৰক্ষা কৰাৰ বাবে কৰা হৈছে।**

**وان لم يعصمك الناس يعصمك الله من عنده. يعصمك اللّٰه من عنده وان لم يعصمك الناس. شاتان تذبحان. وكلّ من عليها فان. ولا تهنوا ولا تحزنوا. اليس اللّٰه بكافٍ عبده. الم تعلم انّ اللّٰه علٰى كلّ شَیْءٍ قدير. وجئنابک علی هٰؤلاءِ شهيدا. وفی اللّٰه اجرک. ويرضٰی عنک ربّک. ويتمّ اسمک وعسٰی ان تحبّوا شيئا وهوشرّلكم. وعسی ان تكرهوا شيئا وهو خير لكم واللّٰه يعلم وانتم لا تعلمون.**

অনুবাদ ঃ যদি মানুহে তোমাক নিহত হোৱাৰ পৰা ৰক্ষা নকৰে তথাপি খোদা তা'লা নিশ্চয় তোমাক ৰক্ষা কৰিব। খোদা তা'লা তোমাক নিশ্চয় নিহত হোৱাৰ পৰা ৰক্ষা কৰিব যদিও মানুহে ৰক্ষা নকৰে। এয়া এই বিষয়ৰ প্ৰতি ইঙ্গিত আছিল যে মানুহে নিজেই হওঁক অথবা চৰকাৰক প্ৰতাৰিত কৰিয়েই হওঁক তোমাক হত্যা কৰাৰ বাবে চেষ্টা অব্যাহতি ৰাখিব, কিন্তু খোদা তেওঁলোকৰ প্ৰচেষ্টা সমূহ ব্যৰ্থ কৰি দিব। এই ঐশ্বৰিক অভিপ্ৰায়ৰ উদ্দেশ্য হ'ল যদিও নিহত হোৱা মোমিনৰ বাবে শ্বহীদ, কিন্তু আল্লাহৰ বিধান অনুসৰি দুই ধৰণৰ প্ৰেৰিত পুৰুষ নিহত নহয়। (ক) প্ৰথমে সেই নবী যিয়ে ছিলছিলাৰ সূচনাতেই আগমন কৰে। যেনে মুছায়ী ছিলছিলাত হজৰত মুছা (আঃ)আৰু মহম্মদী ছিলছিলাত আমাৰ আকা আৰু মাউলা হজৰত মহম্মদ (ছাঃ)। দ্বিতীয়তে সেইবিলাক নবী আৰু আল্লাহৰ প্ৰেৰিতসকল যিসকলে ছিলছিলাৰ শেষত আগমন কৰে। যেনে মুছায়ী ছিলছিলাৰ শেষত হজৰত ঈছা (আঃ) আৰু

মহম্মদী ছিলছিলাত (ধাৰাত) এই অধম। এই গোপন ৰহস্য যেনে আঁহজৰত (ছাঃ) সম্বন্ধে পৱিত্ৰ কোৰাণ শ্বৰীফত সন্নিবিষ্ট আছে, يعصمك الله অৰ্থাৎ আল্লাহ তা'লাই তোমাক ৰক্ষা কৰিব। (অনুবাদক) আৰু সুংবাদ আছে মোৰ সম্পৰ্কে খোদা তা'লাই এই يعصمك الله ওহীত। এই ঐশ্বৰিক প্ৰজ্ঞাৰ কাৰণ ছিলছিলাৰ (ধাৰাৰ) প্ৰথম আৰু শেষ প্ৰেৰিত পুৰুষক হত্যাৰ পৰা ৰক্ষা কৰা হয়। যদি ছিলছিলাৰ প্ৰথম প্ৰেৰিত পুৰুষক শ্বহীদ কৰা হয় তেন্তে এই প্ৰেৰিত পুৰুষ সম্পৰ্কে জনগণৰ মাজত বহু সংশয় সৃষ্টি হৈ যাব। কাৰণ, এতিয়াও তেওঁ এই ছিলছিলাৰ প্ৰথম ইট। গতিকে ধাৰাবাহিকতাৰ ভিত্তি স্থাপন নহওঁতেই যদি এই ধাৰাবাহিকতাৰ উপৰত এই আঘাত আহে, ইয়াৰ যিজন প্ৰতিষ্ঠাতা সিয়েই যদি নিহত হৈ যায় তেনেহ'লে এই পৰীক্ষা জনগণৰ ক্ষমতাৰ বাহিৰত গুচি যাব আৰু নিশ্চয় সিহঁতে সন্দেহত নিপতিত হ'ব। এনে ধৰ্ম প্ৰতিষ্ঠাতাক নাউজুবিল্লাহ মুফতাৰি (মিছলীয়া) প্ৰমাণিত কৰা হ'ব। উদাহৰস্বৰূপে যদি হজৰত মুছা (আঃ) ফিৰাউনৰ সন্মুখত গৈ সেইদিনাই নিহত হ'লহেঁতেন নাইবা আমাৰ প্ৰিয় নবী হজৰত মহম্মদ (ছাঃ)ক হত্যা কৰাৰ বাবে যিদিনা মক্কাত তেখেত থকা ঘৰ ঘেৰাও কৰা হৈছিল, যদি সেই দিনেই কাফিৰ (অবিশ্বাসী) সকলৰ হাতত তেখেতৰ শ্বহীদ হ'লহেঁতেন তেন্তে চৰিয়ত আৰু শৃঙ্খলাৰ সেই দিনাই পৰিসমাপ্তি ঘটিলহেঁতেন। ইয়াৰ পিছত কোনেও এওঁৰ নাম নললেহেঁতেন। গতিকে এই হিকমত আছিল যে হাজাৰ হাজাৰ ঘোৰ শত্ৰু থকা সত্বেও হজৰত মুছা (আঃ) শ্বহীদ হোৱা নাছিল আৰু আমাৰ প্ৰিয় নবী হজৰত মহম্মদ মুস্তফা (ছাঃ)ও শ্বহীদ হোৱা নাছিল। আনহাতে যদি ধাৰাবাহিকতাৰ শেষ প্ৰেৰিত পুৰুষক শ্বহীদ কৰা হয় তেনেহলে জনসাধাৰণৰ দৃষ্টিত ইয়াৰ সমাপ্তিৰ ওপৰত অকৃত কাৰ্য্যতা আৰু ব্যৰ্থতাৰ কলঙ্ক লাগি যাব। কিন্তু পৰম কৰুণাময় খোদা তা'লাৰ বাঞ্ছা হ'ল বিজয় আৰু কৃতকাৰ্য্যতাৰ সৈতে এই ছিলছিলাৰ সমাপ্তি ঘটাব। কাৰণ ফয়চলা সদায় শেষত সংঘটিত ঘটনাসমূহৰ ওপৰত হৈ থাকে আৰু ছিলছিলাৰ সমাপ্তিৰ সময়ত

অভিশপ্ত শত্ৰুৱে কোনো প্ৰকাৰ আনন্দ লাভ কৰিব ই কেতিয়াও খোদা তা'লাৰ আকাঙ্খা নহয়। যেনেকৈ খোদা তা'লাৰ ইচ্ছা নহয় যে ছিলছিলাৰ সূচনাতেই প্ৰথম ইটা ভাঙি যাব আৰু অভিশপ্ত শত্ৰুৱে আনন্দত উৎসৱ কৰিব; সেই কাৰণে খোদা তা'লাই মুছায়ী ছিলছিলাৰ শেষ নবী হজৰত ঈছা (আঃ)ক অভিশপ্ত মৃত্যুৰ পৰা ৰক্ষা কৰে। মহম্মদী ছিলছিলাৰ শেষতো এই উদ্দেশ্যত চেষ্টা কৰা হৈছিল অৰ্থাৎ মহম্মদী মছীহক ফাঁচি কাঠত ওলমি হত্যাৰ দাবী কৰা হৈছিল। কিন্তু খোদাৰ ফজলে প্ৰথম মছীহৰ তুলনাত এই মছীহৰ ওপৰত উল্লেখযোগ্য ভাৱে অধিক বৰ্ণিত হৈছে যে মৃত্যুদণ্ড আৰু যিকোনো শাস্তিৰ পৰা তেওঁক ৰক্ষা কৰিব। মুঠতে যিহেতু প্ৰথম আৰু শেষ ছিলছিলাৰ দুটা প্ৰাচীৰ আৰু দুটা স্তম্ভ আছে গতিকে আল্লাহৰ বিধান যে প্ৰথম আৰু শেষ ছিলছিলাৰ প্ৰেৰিত মহাপুৰুষক হত্যাৰ পৰা ৰক্ষা কৰিব। যদিও দুষ্ট আৰু নিকৃষ্ট প্ৰকৃতিৰ লোকে সিহঁতক হত্যা কৰিবলৈ চেষ্টা কৰে, তথাপি খোদাৰ হাত তেওঁলোকৰ সৈতে থাকে। কেতিয়াবা কেতিয়াবা নিৰ্বোধ শত্ৰুৱে প্ৰতাৰণাৰ বলি হৈ এই ধাৰণা কৰে যে সিহঁত ধাৰ্মিক নহয় নে আৰু সিহঁতৰ নামাজ ৰোজাৰ প্ৰতি মনোযোগ নাই নে? ইহুদী ফিকাহবিদ আৰু আলিম সকলৰ ঠিক এনে ধাৰণা আছিল; বৰঞ্চ সিহঁতৰ কোনো কোনোৱে হজৰত ঈছা (আঃ)ৰ সময়ত ইলহাম প্ৰাপ্তিৰ দাবী কৰিছিল। কিন্তু হজৰত মুছা (আঃ)ৰ সৈতে আল্লাহৰ এক মধুৰ সম্পৰ্ক আছিল যাক ভাষাত ব্যক্ত কৰা অসম্ভৱ। এই কাৰণে অন্ধ বালক এই সম্পৰ্ক সম্বন্ধে অৱগত আছিল আৰু যিজন তেওঁতকৈ ডাঙৰ আছিল; তেওঁ তাৰ প্ৰতিদ্বন্দ্বিতা কৰি মৃত্যুক আকোৱালি লৈছিল। গতিকে এই বাস্তৱ ঘটনা সদায় ঘটি থাকে। যিসকল খোদাৰ বিশেষ প্ৰিয় আৰু বিশ্বস্ত বান্দা সিহঁতৰ সৈতে খোদাৰ সম্পৰ্ক এই পৰ্যায়ত উপনিত হয়। কিন্তু জড়বাদী অন্ধ সকলে ইয়াক প্ৰত্যক্ষ কৰিব নোৱাৰে। এই কাৰণে প্ৰত্যেক গাদীশীল আৰু মৌলবীয়ে তাক প্ৰতিহত কৰাৰ বাবে মাৰ বান্ধি থিয় দিয়ে। কিন্তু এই প্ৰতিদ্বন্দ্বিতা তেওঁৰ সৈতে নহে স্বয়ং খোদাৰ সৈতে হয়।

হায়! ই কেনেকৈ সম্ভৱ হ'ব পাৰে যি ব্যক্তিক খোদা এক মহান উদ্দেশ্য সাধনৰ নিমিত্তে সৃষ্টি কৰিছে আৰু যাৰ মাধ্যমত পৃথিৱীত এক বিশাল পৰিৱৰ্তন আনিব বিচাৰে এনে ব্যক্তিক কেতিয়াবা জাহিল কাপুৰুষ অপৰিপক্ক সম্পন্ন আৰু অবিশ্বস্ত সাধকৰ বাবে বিনাশ কৰি দিব ? যদি এনে দুখন নাওৰ মাজত মুখা-মুখি সংঘৰ্ষ হয় যাৰ এখন নাওত ন্যায় বিচাৰক কোমল প্ৰাণ দয়ালু আৰু সৎ স্বভাৱ বিশিষ্ট যুগ বাদশ্বাহ নিজৰ বিশেষ পৰিষদবৰ্গ সহ অৱস্থান কৰিছে; আৰু আনখন নাওত কিছু সংখ্যক মেতৰ বা কৰ্কশ বা দুষ্ট প্ৰকৃতিৰ কুৎসিত লোক বহি আছে। এনে পৰিস্থিতিত এখন নাওক ৰক্ষা কৰিব লাগে আৰু আৰোহীসহ আনটো ধ্বংস কৰিব লাগে। তেনেহলে কোৱা কেনে পদক্ষেপ গ্ৰহণ কৰা উত্তম হ'ব ? ন্যায় বিচাৰকৰ নাও নে, হীন মনষ্ক দুষ্ট কুৎসিত আৰোহণ কাৰীৰ নাও ? মই সঁচাকৈয়ে কৈছো, পূৰ্ণ জোৰ আৰু সমৰ্থনৰ সৈতে বাদশ্বাহৰ নাওকহে ৰক্ষা কৰা হ'ব; আৰু এই দুষ্ট প্ৰকৃতি কুৎসিত স্বভাৱৰ লোকৰ নাওখন ধ্বংস কৰা হ'ব সম্পূৰ্ণ নিৰ্ভীক ভাৱে। সিহঁতৰ বিনাশ সাধনত পৰম কৰুণাময় আল্লাহ সন্তুষ্ট হ'ব; কাৰণ জগতবাসীৰ বাবে ন্যায়পৰায়ণ বাদশ্বাহৰ প্ৰয়োজন অধিক বেছি আৰু তেওঁ মৰি যোৱা এটা জগত মৰি যোৱাৰ সমতুল্য। যদি কিছু সংখ্যক অসৎ প্ৰকৃতিৰ লোকৰ মৃত্যু হয় তেনেহলে পাৰ্থিৱ ব্যৱস্থাপনাৰ কোনো অন্তৰায় সৃষ্টি নহ'ব। গতিকে খোদা তা'লাৰ এটাই বিধান যে যেতিয়া প্ৰেৰিত পুৰুষসকলৰ প্ৰতিদ্বন্দ্বিতাত আন দল থিয় হয় তেতিয়া সিহঁতে নিজকে যিমানেই পুণ্যাত্মা বুলি নাভাৱক কিয়, খোদা তা'লা সিহঁতক বিনাশ কৰিব আৰু সিহঁতৰ ধ্বংসৰ সময় অতি সন্নিকট হয়। কাৰণ খোদা তা'লা নিবিচাৰে যে যি উদ্দেশ্য সাধনৰ বাবে তেওঁ কোনো নবীক প্ৰেৰণ কৰে তাক বিনাশ কৰা হওঁক। যদি সি এনে কৰে তেন্তে নিজেই লক্ষ্যৰ শত্ৰু হৈ পৰিব।

ইয়াৰ পাছত কোনে তেওঁৰ উপাসনা কৰিব ? জগতবাসীয়ে সংখ্যা গৰিষ্ঠৰ প্ৰতি লক্ষ্য কৰি ভাৱে যে এই দলটোৱেই আটাইতকৈ ডাঙৰ কাৰ্য্য সমাধান

কৰে; গতিকে ইয়েই উত্তম দল হ'ব। আনহাতে নিৰ্বোধ লোকে ভাৱে যে ইহঁত সংখ্যাত হাজাৰ হাজাৰ আৰু সিহঁতে লাখ লাখ মানুহ মছজিদত সমবেত হৈ কয় এওঁলোক বেয়া হ'ব পাৰে নে ?

কিন্তু পৰম কৰুণাময় খোদা এই সংখ্যা গৰিষ্ঠৰ প্ৰতি লক্ষ্য নকৰে; বৰঞ্চ সিহঁতৰ হৃদয়ৰ প্ৰতি দৃষ্টি নিক্ষেপ কৰে। খোদাৰ (বান্দা) উপাসনাকাৰী সকলৰ মাজত ঐশ্বৰিক প্ৰেম সত্যতা আৰু বিশ্বস্ততাৰ এনে এক জ্যোতি বিৰাজ কৰে। যদি বৰ্ণনা কৰা সম্ভৱ হ'লহেঁতেন তেন্তে নিশ্চয় কৰিলোহেঁতেন। কিন্তু মই কি বৰ্ণনা কৰিম। পৃথিৱী সৃষ্টিৰ পৰা আজিলৈকে কোনো নবী অথবা ৰছুলেই এই ৰহস্য বৰ্ণনা কৰিব পৰা নাই। খোদাৰ বিশ্বস্ত বান্দাসকলৰ আত্মা খোদাৰ দৰবাৰত এনেভাৱে অৱনত হয় যে সিহঁতৰ এই অৱস্থা বৰ্ণনা কৰাৰ দৰে ভাষা মোৰ ওচৰত নাই।

ইয়াৰ পাছত উক্ত ভৱিষ্যদ্বাণীৰ অৱশিষ্ট অংশ অনুবাদ কৰি এই বিষয়টো সমাপ্ত কৰিছোঁ। খোদা তা'লা কয় যদিও মই তোমাক হত্যাৰ পৰা ৰক্ষা কৰো তথাপি তোমাৰ জামাতৰ দুটা ছাগলী জবাহ কৰা হ'ব আৰু পৃথিৱীৰ প্ৰত্যেকেই অৱশেষত লয়প্ৰাপ্ত (ধ্বংসপ্ৰাপ্ত) হ'ব; অৰ্থাৎ সিহঁতক নিৰ্দোষ আৰু নিষ্পাপ অৱস্থাত হত্যা কৰা হ'ব। খোদা তা'লাৰ কিতাপ সমূহৰ বিশ্লেষণ অনুসৰি নিৰ্দোষ আৰু নিষ্পাপ ব্যক্তিক ছাগলী সদৃশযুক্ত কৰা হ'ব। কেতিয়াবা কেতিয়াবা গৰুৰ সৈতেও সদৃশ যুক্ত কৰা হৈ থাকে। গতিকে খোদা তা'লা উক্ত স্থানত মানুহ শব্দৰ সলনি ছাগলী শব্দটো ব্যৱহাৰ কৰিছে কাৰণ ছাগলীৰ প্ৰধানকৈ দুটা গুণ আছে। সেয়া ই গাখীৰ দিয়ে আৰু মাংসও দিয়ে। এই ভৱিষ্যদ্বাণী শ্বহীদ মৰহুম মৌলবী মহম্মদ আব্দুল লতিফ চাহাব আৰু তেওঁৰ শিষ্য শ্বহীদ মৰহুম আব্দুৰ ৰহমানৰ সম্পৰ্কে আছিল যি বৰাহীনে আহমদীয়া লিখাৰ ২৩ (তেইশ) বছৰ পাছত পূৰ্ণ হৈছিল। আজিলৈকে লাখ লাখ কোটি কোটি জনসাধাৰণ উক্ত ভৱিষ্যদ্বাণীটো মোৰ কিতাপ বৰাহীনে আহমদীয়াৰ ৫১১ পৃষ্ঠাত পঢ়ি থাকিব। উল্লেখ থাকে যে মই এই মাত্ৰ লিখিছোঁ ছাগলীৰ দুটা

পুণ্যৰ মাজত এটা হ'ল গাখীৰ দিয়া আনটো তাৰ মাংস ভক্ষণ কৰা। ছাগলীৰ এই উভয় গুণেই মৰহুম মৌলবী আব্দুল লতিফ চাহাবৰ শ্বহীদৰ মাধ্যমে পূৰ্ণ হৈছে। কাৰণ উক্ত মৌলবী চাহাব বিতৰ্কৰ সময়ত বিভিন্ন তত্ত্বজ্ঞান আৰু প্ৰকৃত সত্য বৰ্ণনা কৰে বিৰুদ্ধবাদী সকলক গাখীৰ তুল্য দান কৰিছিল যদিও হতভগা সকলে সেই গাখীৰ পান নকৰি ত্যাগ কৰিছিল। ইয়াৰ পাছত মৰহুম আব্দুল লতিফ চাহাবে নিজ প্ৰাণৰ কোৰবাণীৰ দ্বাৰা সিহঁতক মাংস দান কৰিছিল আৰু নিজৰ ৰক্ত প্ৰবাহিত কৰিছিল যাৰ বাবে সিহঁতে তেওঁৰ মাংস ভক্ষণ কৰে আৰু ভালপোৱাৰ পক্ষে তেওঁৰ ৰক্ত পান কৰে। এইদৰে পৱিত্ৰ কোৰবাণীৰ দ্বাৰা উপকৃত হয়। যিদৰে সিহঁত বিশ্বত প্ৰতিষ্ঠিত আছে আৰু য'ত সিহঁতৰ পিতৃ-মাতৃ, ককা, আজো ককা আদি মৃত্যু বৰণ কৰিছে; সিহঁতে কেতিয়াবা এনে ঘটনা প্ৰত্যক্ষ কৰিছেনে? এনেকুৰা সত্যতা আৰু নিষ্ঠা কোনোৱে কেতিয়াবা দেখিছে নে? যেতিয়ালৈকে মানুহে বিশ্বাসত পৰিপূৰ্ণ হৈ খোদাক দৰ্শন নকৰে, তেতিয়ালৈকে এনে কোৰবাণী কৰা মানুহৰ পক্ষে সম্ভৱ হ'ব নে? পৃথিৱী অন্ত নোহোৱা পৰ্যন্ত নি:সন্দেহ এনেকুৰা ৰক্ত আৰু মাংস সত্যান্বেষী সকলে নিজৰ পিনে আমন্ত্ৰণ জনাই থাকিব। মুঠতে মৰহুম মৌলবী চাহাবজাদা আব্দুল লতিফ চাহাবৰ এই দুটা গুণৰ কাৰণে ছাগলীৰ সৈতে তেওঁৰ বৰ সদৃশ আছিল আৰু মিঞা আব্দুৰ ৰহমানও ছাগলীৰ সৈতে সাদৃশ্য যুক্ত আছিল। সেই বাবে সিহঁতক ছাগলী নামে সম্বোধন কৰা হৈছে। যিহেতু খোদা তা'লা অৱগত আছিল যে এই লিখক আৰু তেওঁৰ জামাত এই অন্যায় হত্যাৰ কাৰণে অত্যন্ত মৰ্মাহত হ'ব সেই হেতুকে এই ওহী (ঐশ্বৰিক বাণী)ৰ পৰৱৰ্ত্তী বাক্য সমূহত শান্তনা আৰু সু-সংবাদ ৰূপে কালাম (বাণী) অৱতীৰ্ণ হৈছে যি মই ইতিপূৰ্বে লিপিবদ্ধ কৰিছোঁ; তাৰ অনুবাদ হ'ল এই বিপদ আৰু কঠিন আঘাতত তুমি শোকাভিভুত আৰু দুঃখিত নহ'বা। কাৰণ যদিও তোমাৰ দুজন ব্যক্তিক হত্যা কৰা হৈছে তথাপি খোদা তোমাৰ লগত আছে। এই দুজনৰ বিনিময়ত তোমাক এটা জাতি দান কৰা হ'ব আৰু খোদা নিজৰ বান্দাৰ

বাবে যথেষ্ট। তুমি নাজানা নে খোদা তা'লা সকলোতকৈ বেছি শক্তিশালী? এইসকল লোক যিসকলে উপৰোক্ত দুই উৎপীড়ত ব্যক্তিক শ্বহীদ কৰিব; মই কিয়ামতৰ দিনা নিৰ্যাতনকাৰী সকলৰ বিৰুদ্ধে তোমাৰ পৰা সাক্ষ্য গ্ৰহণ কৰিম যে কি অপৰাধত সিহঁতে ইহঁতক শ্বহীদ কৰিছিল? খোদা তা'লা তোমাক পুৰস্কৃত কৰিব আৰু তোমাৰ প্ৰতি সন্তুষ্ট হ'ব লগতে তোমাৰ নামক পূৰ্ণ কৰিব। অৰ্থাৎ আহমদ যাৰ অৰ্থ খোদাৰ বৰ প্ৰশংসাকাৰী নামক পূৰ্ণ কৰা হ'ব। সেই ব্যক্তিয়েই খোদাৰ অতি প্ৰশংসা কৰে যাৰ ওপৰত খোদাৰ অনেক পুৰস্কাৰ আৰু কল্যাণ অৱতীৰ্ণ হয়। গতিকে ইয়াৰ অৰ্থ এই যে খোদা তোমাৰ ওপৰত পুৰস্কাৰ আৰু কল্যাণৰ বৃষ্টিধাৰা বৰ্ষিত কৰিব। তুমি আটাইতকৈ অধিক তেওঁৰ প্ৰশংসা কৰিবা। তেতিয়া তোমাৰ আহমদ নাম পৰিপূৰ্ণ হ'ব। ইয়াৰ পাছত খোদা তা'লা কলে এই শ্বহীদ সকলৰ নিহত হোৱাৰ বাবে দুঃখিত নহ'বা। সিহঁতৰ শ্বাহাদতৰ মাজত খোদাৰ হিকমত আৰু প্ৰজ্ঞা নিহিত আছে। বহু বিষয় আছে যি তুমি ঘটিবলৈ কামনা কৰা; কিন্তু সেইবোৰ ঘটাৰ মাজত তোমাৰ কোনো কল্যাণ নিহিত নাই। অথচ এনে বহু ঘটনা আছে যি তুমি ঘটিবলৈ ইচ্ছা নকৰা কিন্তু তাৰ মাজত তোমাৰ কল্যাণ নিহিত আছে। খোদা তা'লা ভালকৈ অৱগত যে তোমাৰ কল্যাণ ক'ত নিহিত আছে; কিন্তু তুমি তাক নাজানা। খোদাৰ এই ওহী সমূহত ইয়াকে বুজোৱা হৈছে। যদিও মৰহুম আব্দুল লতিফ চাহাবৰ এই নিৰ্দয় হত্যা এনেকুৱা এক ঘটনা যাক শ্ৰৱণ কৰিলে কান্দি উঠে। আমি ইয়াতকৈ জঘন্য নিৰ্যাতন দেখা নাই। কিন্তু এই হত্যা কাণ্ডত অনেক কল্যাণ নিহিত আছে যি পৰৱৰ্তীত প্ৰকাশ পাব আৰু কাবুলৰ ভূমিয়েই প্ৰত্যক্ষ কৰিব যে এই ৰক্ত কেতিয়াও অযথা নাযায়। ইহঁতক হত্যা কৰা হৈছে, বৰঞ্চ খোদা নীৰৱ আছিল; কিন্তু এতিয়া নীৰৱ নাথাকে। ইয়াৰ ডাঙৰ ডাঙৰ পৰিণাম প্ৰকাশিত হ'ব।

ইতিমধ্যে জানিব পাৰিছো যেতিয়া শ্বহীদ মৰহুমক হাজাৰ হাজাৰ শিলগুটি নিক্ষেপ কৰি হত্যা কৰা হয়; সেই সময়ত কাবুলত মাৰাত্মক কলেৰা ৰোগৰ

প্ৰাদুৰ্ভাৱ ঘটে আৰু বহু অঞ্চলত ডাঙৰ ডাঙৰ ব্যক্তি ইয়াৰ বলি হয় আৰু আমীৰৰ আত্মীয়-স্বজন,বন্ধু-বান্ধৱৰও ইহজগতৰ পৰা বিদায় গ্ৰহণ কৰে। কিন্তু ই কেৱল আৰম্ভহে হৈছে। বৰ নিৰ্দয় ভাৱে এই হত্যাকাণ্ড সংঘটিত কৰা হৈছে।

আকাশৰ তলত এই যুগত এনেকুৱা হত্যাকাণ্ডৰ দৃষ্টান্তৰ সন্ধান পোৱা নাযাব। পৰিতাপৰ বিষয় এই অজ্ঞ আমীৰ কি কৰিলে ! এনেকৈ নিৰ্দোষ ব্যক্তিক অতি নিৰ্মম ভাৱে হত্যা কৰি তেওঁ নিজৰ ধ্বংসক মাতি আনিলে। হে কাবুলৰ ভূমি ! তুমি সাক্ষী থাকিবা তোমাৰ ওপৰত থিয় হৈ মাৰাত্মক অপৰাধ সংঘটিত কৰা হৈছে। হে হতভগা ভূমি ! তুমি খোদাৰ দৃষ্টিত হীন হৈ গৈছা; কাৰণ তুমিয়েই একমাত্ৰ এই ভয়ঙ্কৰ অত্যাচাৰৰ স্থান।

## মৌলবী মৰহুম আব্দুল লতিফ চাহাবৰ এক অলৌকিক ক্রিয়া

যেতিয়া মই এই কিতাপখন লিখিবলৈ আৰম্ভ কৰো তেতিয়া মোৰ ইচ্ছা আছিল যে ১৯০৩ চনৰ ১৬ অক্টোবৰ তাৰিখত এজন বিৰুদ্ধবাদীয়ে গুৰদাছপুৰত মোৰ বিৰুদ্ধে এক ফৌজদাৰী মোকৰ্দমা থিয় কৰিছিল; সেই মোকৰ্দমাত যোৱাৰ পূৰ্বেই এই পুস্তকখন প্ৰণয়ন কৰিম আৰু মোৰ লগত লৈ যাম। কিন্তু ঘটনাক্ৰমে মোৰ যকৃতৰ মাৰাত্মক বিষ দেখা দিয়ে। মই ভাৱিলো এই কাৰ্য্য অসমাপ্ত থাকি যাব। কেৱল দুই-চাৰি দিন বাকী আছে। যদি মই যকৃতৰ এই ভয়ঙ্কৰ বিষত আক্ৰান্ত হৈ থাকো তেনেহলে ইয়াৰ প্ৰণয়ন সমাপ্ত নহ'ব। তেতিয়া খোদা তা'লা মোক বিশেষ দোৱাৰ প্ৰতি মনোনিৱেশ কৰালে। ৰজনি ১২ টাৰ পিছত মই মোৰ ঘৰৰ লোক সকলক কলো, মই এই দোৱা কৰিছোঁ তোমালোকে আমীন কোৱা। গতিকে মই সেই কষ্টত থকা অৱস্থাতেই মৰহুম চাহাবজাদা মৌলবী আব্দুল লতিফ চাহাবৰ স্মৰণত দোৱা কৰিলোঁ, হে খোদা ! এই মৰহুমৰ বাবে মই এই কিতাপখন লিখিব বিচাৰিছিলোঁ। তেতিয়া লগে লগে নিদ্ৰামগ্ন হলো আৰু মোৰ প্ৰতি দৈৱবাণী (ইলহাম) হ'ল,

سلامٌ قولًا من ربّ رحيم

অৰ্থাৎ শান্তি আৰু নিৰাপত্তা নিহিত আছে। ই দয়ালু খোদাৰ কালাম। গতিকে সেই অস্তিত্বৰ শপত খাই কৈছো যাৰ হাতত মোৰ প্ৰাণ আছে ৰাতিপুৱা ৬ বজাৰ পূৰ্বেই মই সম্পূৰ্ণ ৰূপে সুস্থ হৈ উঠিলোঁ আৰু সেই দিনেই প্ৰায় আধা কিতাপ লিখিলোঁ। ইয়াৰ বাবে মহান কৰুণাময় আল্লাহৰ প্ৰশংসা জ্ঞাপন কৰিলোঁ।

## মোৰ জামাতৰ মনোযোগ আকৰ্ষণৰ বাবে এক অত্যাৱশ্যকীয় বিষয়।

যদিও মই ভালকৈ অৱগত যে মোৰ জামাতৰ কোনো কোনো ব্যক্তি এতিয়াও আধ্যাত্মিক দুৰ্বলতা অৱস্থাত আছে, আনক কোনো কোনো ব্যক্তিৰ পক্ষে নিজৰ প্ৰতিশ্ৰুতিত অটল থকা জটিল হৈ পৰিছে, তথাপি যেতিয়া মই মৰহুম মৌলবী আব্দুল লতিফ চাহাবৰ প্ৰকাশিত দৃঢ়চিত্তা আৰু কঠোৰ পৰিশ্ৰমৰ প্ৰতি লক্ষ্য কৰোঁ, তেতিয়া মোৰ জামাত সম্পৰ্কে আশা আৰু ভৰসা অতি বৃদ্ধি হয়। কাৰণ যি খোদা এই জামাতৰ কোনো কোনো ব্যক্তিক এই শক্তি দান কৰিছে যে সিহঁতে কেৱল ধন-সম্পত্তিয়েই উৎসৰ্গীত নকৰে, বৰঞ্চ এই বাটত নিজৰ প্ৰাণও বিসৰ্জন দিবলৈ কুন্ঠাবোধ নকৰে। ইয়াৰ দ্বাৰা সু-স্পষ্টৰূপে প্ৰতীয়মান হয় যে সেই দয়ালু খোদাৰ ইচ্ছা যে সি এনেকৈ বহু ব্যক্তিক জামাতত সৃষ্টি কৰিব যি সকলৰ মাজত মৰহুম চাহাবজাদা মৌলবী আব্দুল লতিফ চাহাবৰ মন-মানসিকতা বিৰাজ কৰিব। এওঁলোক আধ্যাত্মিকতাৰ এক নতুন গছ-পুলি হ'ব। উদাহৰণস্বৰূপে মই দিব্য-দৃষ্টিত উক্ত মৌলবী চাহাবৰ শ্বাহাদতৰ প্ৰাৰম্ভে দেখিছিলোঁ যে আমাৰ বাগিছাৰ পৰা আঁতৰি যোৱা বৃক্ষৰ এটি উচ্চ মান শাখা কাটি পেলোৱা হৈছে। মই কলো, এই শাখাটোক পুনৰ মাটিত ৰোপন কৰা যাতে ই বৃদ্ধি হয় আৰু প্ৰস্ফুটিত হয়। গতিকে মই ইয়াৰ ব্যাখ্যা কৰিলোঁ, খোদা তা'লা তাৰ অনেক স্থলাভিষিক্ত সৃষ্টি কৰিব। সেই বাবে মই বিশ্বাস কৰোঁ যে কোনো এক সময়ত মোৰ এই দিব্য-দৰ্শনৰ ব্যাখ্যা নিশ্চয় প্ৰকাশিত হ'ব। কিন্তু এতিয়া এনেকুৱা অৱস্থা যে যদি মই এই ছিলছিলা প্ৰতিষ্ঠিত ৰাখিবলৈ জামাতৰ ওচৰত সামান্য কথাও উপস্থাপন কৰোঁ তেনেহ'লে তৎক্ষণাত মোৰ মনত এই ধাৰণাৰ উদ্ৰেক হয় যে যাতে পিছলৈ এই কথাৰ দ্বাৰা কোনেও পৰীক্ষাত নপৰে।

এতিয়া মই মোৰ জামাতৰ ওচৰত সেই প্ৰয়োজনীয় কথাটো ক'ব বিচাৰোঁ।

সেয়া হ'ল মই দেখিছোঁ যে মোৰ জামাত অতিথিশালা আশ্ৰমৰ বাবে মাজে সময়ে যি পৰিমাণ অনুদান আগবঢ়ায় সেয়া চাহিদাৰ তুলনাত অপ্ৰচুৰ। হয়, এই ক্ষেত্ৰত পঞ্জাৱ বেছি অংশ গ্ৰহণ কৰিছে। ইয়াৰ কাৰণ হ'ল পঞ্জাৱৰ লোক সকলে প্ৰায়েই মোৰ ওচৰলৈ অহা যোৱা কৰি থাকে। যদি গাফিলতিৰ বাবে হৃদয়ত কোনো কঠোৰতা উপজে, তেন্তে সংস্পৰ্শ আৰু ক্ৰমাগত সাক্ষাৎৰ ফলশ্ৰুতিতে এই কঠিন্য অতি সোনকালে আঁতৰ হৈ যায়। এই কাৰণে পঞ্জাৱৰ লোক সকলে বিশেষ ভাবে কোনো কোনো ব্যক্তি সিহঁতৰ প্ৰেমত সত্যনিষ্ঠাত আৰু সৎ গুণত ক্ৰমে উন্নতি লভিছে। এই কাৰণে সিহঁতৰ প্ৰত্যেক প্ৰয়োজনৰ সময়ত অতি তৎপৰতা প্ৰদৰ্শন কৰে আৰু সঁচাকৈয়ে সিহঁতৰ মাজত প্ৰকৃত আজ্ঞানুবৰ্তিতাৰ প্ৰকাশ পোৱা যায়। এই দেশৰ মানুহৰ হৃদয় আন দেশৰ লোকৰ তুলনাত কিছু কোমল নিশ্চয়। তদুপৰি মই যদি দূৰ দেশৰ শিষ্য সকলক এনে ভাবো যে সিহঁতে এতিয়াও সত্যনিষ্ঠা, ন্যায়পৰায়ণতা আৰু কৰ্ম তৎপৰতাত অগ্ৰহৰ হোৱা নাই, তেন্তে ই বৰ অন্যায় কথা হ'ব। কাৰণ মৰহুম মৌলবী চাহাবজাদা আব্দুল লতিফ চাহাব যিয়ে নিজৰ প্ৰাণ বিসৰ্জন কৰি এই দৃষ্টান্ত স্থাপন কৰিছে সিও দূৰৱৰ্তী দেশৰ অধিবাসী আছিল। তেওঁৰ সত্য নিষ্ঠা, বিশ্বাস যোগ্যতা, সৎ গুণাৱলী আৰু চাৰিত্ৰিক দৃঢ়তাৰ ওচৰত পঞ্জাৱৰ ডাঙৰ ডাঙৰ আদৰ্শ পৰায়ণ ব্যক্তিয়ো লজ্জিত হ'ব লাগে। মই ক'বলৈ বাধ্য যে তেওঁ আছিল একক ব্যক্তি যিয়ে আমাক সকলোকে এৰি গুচি গ'ল। অনুৰূপ ভাৱে দূৰৱৰ্তী দেশৰ কোনো কোনো আদৰ্শ পৰায়ণ ব্যক্তিয়ে বহু সংখ্যক আৰ্থিক কোৰবাণী কৰি সিহঁতৰ সত্যনিষ্ঠা আৰু পৱিত্ৰতাত কোনো অভাৱ ৰখা নাই। উদাহৰণ স্বৰূপে, আমাৰ ভাতৃ মাদ্ৰাছাৰ ব্যৱসায়ী জমিদাৰ আব্দুৰ ৰহমান আৰু কিছু সংখ্যক বন্ধুৰ নামো উল্লেখ কৰিব পাৰো। কিন্তু সংখ্যাৰ ক্ষেত্ৰত পঞ্জাৱক শ্ৰেষ্ঠতা প্ৰদান কৰা হৈছে। কাৰণ পঞ্জাৱৰ সকলো শ্ৰেণীৰ মানুহ ধৰ্মৰ সেৱাত ব্যাপক ভাৱে অংশ গ্ৰহণ কৰি আছে। দূৰৱৰ্তী দেশৰ বহু লোক যদিও মোৰ ছিলছিলাত প্ৰৱেশ কৰিছে, তথাপি সিহঁতে মোৰ

সান্নিধ্য লাভৰ সুযোগ কম পোৱাত সিহঁতৰ হৃদয় পৃথিৱীৰ কদৰ্জৰ পৰা সম্পূৰ্ণ ভাৱে পৱিত্ৰ হ'ব পৰা নাই। বিষয়টো এনে ধাৰণা উপজে যে হয়তো পৰিণামত সিহঁতে কলুষিতৰ পৰা পৱিত্ৰ হ'ব, নহ'লে খোদা তা'লা সিহঁতক এই পৱিত্ৰ জামাতৰ পৰা বিচ্ছিন্ন কৰি দিব আৰু সিহঁতৰ আধ্যাত্মিক জীৱনৰ মৃত্যু ঘটিব। পৃথিৱীৰ প্ৰতি আসক্তি থকা মানুহৰ এক ভ্ৰান্তি। এই ঘৃণনীয় হতভগা সংসাৰে মানুহক কেতিয়াবা ভয় প্ৰদৰ্শন কৰি আকৌ কেতিয়াবা আশাৰ প্ৰলোভন দেখুৱাই ৰঙা সুতাৰ মেৰ পাকত বন্দী কৰে আৰু তাতেই সিহঁতে প্ৰাণ ত্যাগ কৰে। অজ্ঞলোকে কয় আমি ইহসংসাৰ ত্যাগ কৰিম নে ? মই কৈছো, হৃদয়ক সংসাৰ আৰু সংসাৰৰ প্ৰতাৰণাৰ পৰা মুক্ত কৰি পেলোৱা। নতুবা তুমিও ধ্বংসপ্ৰাপ্ত হ'বা। যি পৰিবাৰ পৰিজনৰ পক্ষে তুমি সীমা অতিক্ৰম কৰি থকা, আনকি খোদাৰ ফৰজ সমূহ বিসৰ্জন দিয়া আৰু বিভিন্ন ধৰণৰ প্ৰতাৰণাৰ বাবে চয়তানত পৰিণত হোৱা। বাস্তৱতে এই পৰিবাৰ পৰিজনৰ বাবেই তুমি পাপৰ বীজ ৰোপন কৰিছা লগতে ধ্বংস কৰিছা যে খোদা তোমাৰ হৃদয়ৰ অন্তস্থলত প্ৰত্যক্ষ কৰি আছে। গতিকে তুমি অকালত প্ৰাণ ত্যাগ কৰিবা আৰু পৰিবাৰ পৰিজনক ধ্বংসৰ মাজত নিক্ষেপ কৰিবা। কিন্তু খোদাৰ পিনে যিয়ে অৱনত, তাৰ সৌভাগ্যৰ কাৰণে তেওঁৰ স্ত্ৰী সন্তান সন্ততিও অংশ লাভ কৰিব আৰু তেওঁৰ মৃত্যুৰ পাছত ইহঁত কেতিয়াও ধ্বংস নহ'ব।

যিসকল লোকে মোৰ সৈতে মধুৰ সম্পৰ্ক ৰাখে সিহঁতে হাজাৰ হাজাৰ মাইল দূৰত থকা সত্ত্বেও মোলৈ পত্ৰ লিখি থাকে আৰু মোৰ সান্নিধ্য লভিবৰ বাবে খোদা তা'লাৰ ওচৰত দোৱা কৰি থাকে। কিন্তু পৰিতাপৰ বিষয় ! মই প্ৰত্যক্ষ কৰিছোঁ যে এনে কিছু লোকও আছে যিসকলে সাক্ষাতৰ পাছত বছৰৰ পাছত বছৰ অতিক্ৰম হোৱা সত্ত্বেও মোৰ বাবে এখন পোষ্ট কাৰ্ডও নিলিখে। ইয়াৰ দ্বাৰা মই এই কথা বোধগম্য কৰো যে সিহঁতৰ হৃদয় মৰিছে। সিহঁতৰ আভ্যন্তৰিণ ছবিত কুষ্ঠ ৰোগৰ লক্ষণ আছে। মইতো অনেক দোৱা কৰো যাতে মোৰ জামাতৰ সকলোৱে সেই সমূহ লোকৰ দৰে হয় যিসকলে

খোদা তা'লাক ভয় কৰে, নমাজ প্ৰতিষ্ঠা কৰে, ৰজনি উঠি সাষ্টাঙ্গে প্ৰণিপাত কৰি ক্ৰন্দন কৰে আৰু খোদাৰ ফৰজ সমূহক বিনষ্ট নকৰে। তেওঁলোকে কেতিয়াও কৃপন, দান বিমুখ আৰু আলস্য নহয়। সিহঁত পৃথিৱীৰ কীট নহয়। মই আশা কৰো যে খোদা তা'লা নিশ্চয় মোৰ প্ৰাৰ্থনা গৃহীত কৰিব মোক দেখুৱাব আৰু মই মোৰ পৰৱৰ্তী কালৰ বাবে এনেকুৱা লোক ৰাখি যাম। কিন্তু যিসকলৰ দৃষ্টিয়ে ব্যভিচাৰ কৰে যিসকলৰ হৃদয় পায়খানা ৰেচনতকৈও নিকৃষ্ট আৰু যিসকলে মৃত্যুক কেতিয়াও স্মৰণ নকৰে, সেই সকলৰ প্ৰতি মই আৰু খোদা অসন্তুষ্ট। যদি এই সকল লোকে এই সম্পৰ্ক ছিন্ন কৰে তেন্তে মই অতি আনন্দিত হ'ম। কাৰণ খোদা তা'লা এই জামাতক এনে এক জাতিত গঠন কৰিব বিচাৰে, যিসকলৰ খোদা ভীৰু আৰু পৱিত্ৰতাৰ প্ৰথম শাৰীত অধিষ্ঠিত হ'ব, লগতে ধৰ্মক প্ৰকৃতপক্ষে পাৰ্থিৱ বস্তুৰ ওপৰত প্ৰাধান্য দিব। কিন্তু সেই সকল হাই কাজিয়া পৰায়ণ লোক, যিসকলে মোৰ হাতত হাত ৰাখি ধৰ্মক পাৰ্থিৱ বস্তুৰ ওপৰত প্ৰাধান্য দিয়াৰ প্ৰতিশ্ৰুতি দি দীক্ষা গ্ৰহণ কৰি ঘৰলৈ গৈ পুনৰ হাই কাজিয়াত লিপ্ত হয় আৰু সিহঁতৰ হৃদয়ত পাৰ্থিৱ বস্তু বিহনে আন একো নাথাকে। সিহঁতৰ দৃষ্টি পৱিত্ৰ নহয়; হৃদয় পৱিত্ৰ নহয়; সিহঁতে হাতেৰে কোনো পুণ্য কাৰ্য্য কৰিব নোৱাৰে, সিহঁতৰ ভৰিয়ে কোনো পুণ্য কাৰ্য্য সমাধানৰ বাবে উদ্বিগ্ন নহয়। সিহঁতে সেই সকলৰ নিচিনা যিসকলে অন্ধকাৰত ডাঙৰ দীঘল হ'ব ধৰে তাতেই অৱস্থান কৰে আৰু তাতেই মৃত্যু বৰণ কৰে। সিহঁতে আকাশত মোৰ জামাতৰ পৰা বঞ্চিত হৈছে; অযথা এই কথা কয় যে আমি এই জামাতত প্ৰৱেশ কৰিছোঁ। কাৰণ আকাশত তেওঁলোকে জামাতভুক্ত বুলি বিবেচিত হোৱা নাই। যিসকলে মোৰ এই নিৰ্দেশ অমান্য কৰে যে প্ৰকৃতপক্ষে ধৰ্মক পাৰ্থিৱ বস্তুৰ ওপৰত প্ৰাধান্য দিম সিহঁতৰ জীৱনত প্ৰকৃততে এক পৱিত্ৰ বিপ্লব সংঘটিত হ'ব; সিহঁত পৱিত্ৰ হৃদয় আৰু সংকল্পৰ মানুহত পৰিণত হ'ব, লেতেৰা আৱৰ্জনা আৰু নিষিদ্ধ কৰ্মৰ সকলো বস্ত্ৰ নিজৰ শৰীৰৰ পৰা খুলি পেলাব; মানৱ জাতিৰ প্ৰতি সহানুভূতিশীল আৰু খোদাৰ প্ৰকৃত আজ্ঞানুৱৰ্তী

হ'ব, নিজৰ সকলো আত্মা প্ৰধানক বলিদান দি মোৰ আনুগত্য স্বীকাৰ কৰিব। যিসকল লোকে শবদেহ পেলোৱা স্থানৰ পৰা পৃথক নহয় যি ঠাইত বিকৃত আৰু গলিত শবদেহ থাকে সেই সকলক কুকুৰৰ সৈতে তুলনা কৰো। যিসকলে মৌখিক ভাৱে মোৰ সৈতে আছে আৰু লোকক দেখুৱা এটা জামাত মই সিহঁতৰ মুখাপেক্ষী নে ? মই সঁচা কৈছো যে যদি সকলো মানুহে মোক ত্যাগ কৰে আৰু মোৰ লগত এজনো নাথাকে তেনেহলে মোৰ খোদা মোৰ বাবে আন এক জাতি সৃষ্টি কৰিব যিসকলে সত্যনিষ্ঠা আৰু বিশ্বাস যোগ্যতাত ইহঁততকৈ উত্তম হ'ব। এক ঐশ্বৰিক আকৰ্ষণে কাম কৰি আছে, যাৰ ফলত সৎ আৰু সৰল প্ৰাণ মানুহে মোৰ পিনে দৌৰি আহি আছে। এই ঐশ্বৰিক আকৰ্ষণক বাধা দিয়াৰ শক্তি কাৰো নাই। কোনো কোনো লোকে খোদাতকৈ নিজৰ চতুৰতা আৰু প্ৰতাৰণাৰ ওপৰত অধিক নিৰ্ভৰশীল। যথা সম্ভৱ সিহঁতৰ হৃদয়ত এই কথা লুকাই আছে যে নবুয়ত আৰু ৰিছালত মানুহৰ চতুৰতা আৰু দৈবক্ৰমে এইবোৰ প্ৰচাৰিত আৰু গৃহীত হৈ থাকে। ইয়াতকৈ ঘৃণনীয় ধাৰণা আৰু নাই। এই ব্যক্তি সকল অভিশপ্ত আৰু ইহঁতৰ স্বভাৱও অভিশপ্ত। খোদা তা'লা সিহঁতক লাঞ্ছিত কৰি মৃত্যু দিব। কাৰণ তেওঁলোকে খোদাৰ কাৰ্য্যকলাপৰ পৰম শত্ৰু। তেওঁলোক প্ৰকৃততে নাস্তিক আৰু তেওঁলোকৰ আভ্যন্তৰীণ অৱস্থা বৰ কলুষিত। তেওঁলোকে এক নৰকীয় জীৱন-যাপন কৰে আৰু মৃত্যুৰ পাছত নৰকৰ অগ্নি অবিহনে সিহঁতৰ ভাগ্যত আন একো নাপায়।

এতিয়া সংক্ষেপত কথা হ'ল যে এই অতিথিশালা (লঙ্গৰ খানা) আৰু ইংৰাজী আৰু উৰ্দুত প্ৰকাশিত সাময়িকী যাৰ বাবে অধিকাংশ বন্ধু-বান্ধৱীয়ে উৎসাহ উদ্দীপনা প্ৰদৰ্শন কৰে, ইয়াৰ বাহিৰেও কাদিয়ানত এটা মাদ্ৰাছা খোলা হৈছে। ইয়াৰ দ্বাৰা এই উপকাৰ সাধন হয় যে এফালে কম বয়সৰ ল'ৰাহঁতে শিক্ষা লাভ কৰিছে আনফালে তেওঁলোকে মোৰ ছিলছিলাৰ নীতি সম্পৰ্কে অৱগত হৈছে; ফলত অতি সহজে এটা জামাত গঠন হৈ যায়। কেতিয়াবা কেতিয়াবা সিহঁতৰ পিতৃ-মাতৃ সকলেও এই ছিলছিলাত প্ৰৱেশ কৰে। কিন্তু

বৰ্তমান আমাৰ এই মাদ্ৰাছা বৰ অসুবিধাত আছে।

যদিও মোৰ প্ৰিয় ভাই মালী কোটলাৰ প্ৰধান নৱাব মহম্মদ আলী খান চাহাবে প্ৰতি মাহত ৮০ টকাকৈ এই মাদ্ৰাছাৰ বাবে বৰঙণি দিছে তথাপি শিক্ষক সকলৰ দৰমহা নিয়মিত আদায় হোৱা নাই। মূৰৰ ওপৰত শত সহস্ৰ টকাৰ ঋণ থাকিয়েই যায়। তদুপৰি মাদ্ৰাছাৰ বাবে কেইবাটাও গৃহ নিৰ্মাণৰ আৱশ্যক। কিন্তু এতিয়ালৈকে এই গৃহসমূহ নিৰ্মাণ কৰা সম্ভৱ হৈ উঠা নাই। অন্যান্য চিন্তাৰ বাহিৰেও এই চিন্তাই মোক ব্যাকুল কৰি তুলিছে। এই ক্ষেত্ৰত কি কৰিব লগীয়া আছে সেই সম্পৰ্কে মই বহু চিন্তা-ভাৱনা কৰিছোঁ। অৱশেষত মোৰ মনত এক উপায় উদয় হ'ল যে এতিয়া মই মোৰ জামাতৰ নিষ্ঠাবান ব্যক্তি সকলক ভালকৈ এই বিষয়ৰ প্ৰতি দৃষ্টি আকৰ্ষণ কৰিম। যদি সিহঁতে পূৰ্ণ মনোযোগৰ সৈতে এই মাদ্ৰাছাৰ বাবে মাহেকীয়া বৰঙণি নিৰ্ধাৰণ কৰিবলৈ সমৰ্থ হয়, তেনেহলে সিহঁতে দৃঢ় প্ৰতিজ্ঞাৰ সৈতে কিছু নহয় কিছু নিৰ্ধাৰণ কৰা উচিত। এই ক্ষেত্ৰত সিহঁত কেতিয়াও পিছুৱাই অহা উচিত নহ'ব। কোনো বিশেষ কাৰণত যদি কোনোৱে অসমৰ্থ হয় তেন্তে সেয়া কেৱল বেলেগ কথা। যিসকলে চান্দা (বৰঙণি) দিবলৈ অসমৰ্থ হয় তেওঁলোকৰ বাবে বিশেষকৈ এই চিন্তা কৰা হৈছে যে অতিথিশালাৰ বাবে সিহঁতে যি আৰ্থিক অনুদান আগবঢ়ায় তাৰ এক চতুৰ্থাংশ মাদ্ৰাছাৰ বাবে উল্লেখিত নৱাব মহম্মদ আলি খান চাহাবৰ নামত প্ৰেৰণ কৰিব। অতিথিশালাৰ লগত একেলগে অৰ্থ প্ৰেৰণ কৰা কেতিয়াও উচিত নহ'ব, বৰঞ্চ পৃথক মানি অৰ্ডাৰ যোগে এই ধন প্ৰেৰণ কৰা উচিত হ'ব। যদিও প্ৰতিদিনে মোক অতিথি শালাৰ কথা ভাৱিব লাগে আৰু তাৰ প্ৰভাৱ মোৰ ওপৰত পৰে আৰু ইয়াৰ বাবে মোৰ সময় নষ্ট হয় তথাপি মাদ্ৰাছাৰ চিন্তায় মোক ব্যাকুল কৰি তুলে। গতিকে মই এই ছিলছিলাৰ সাহসী বন্ধুসকলৰ ওচৰত সকলো প্ৰকাৰ আশা পোষণ কৰো যে তেওঁলোকে মোৰ এই আবেদন আৱৰ্জনাৰ নিচিনা বৰ্জন নকৰিবা আৰু পূৰ্ণ মনোযোগেৰে এই বিষয়ত তৎপৰ হ'ব। মই নিজৰ ইচ্ছাত একো নকওঁ; বৰঞ্চ সেই

কথায়েই কওঁ যি স্বয়ং খোদা তা'লা মোৰ হৃদয়ত উদ্ভাসিত কৰে। এই বিষয় বস্তুৰ প্ৰতি মই বহু ভাৱিছো আৰু বাৰম্বাৰ ইয়াক বিশ্লেষণ কৰি লিখিছো। মই উপলব্ধি কৰিব পাৰিছো যে যদি কাদিয়ানৰ এই মাদ্ৰাছাটো থিয় হয় তেনেহলে ই বৰ কল্যাণকৰ হ'ব আৰু ইয়াৰ মাধ্যমত নতুন শিক্ষা প্ৰাপ্ত সকলৰ এটা দল আমাৰ অন্তৰ্ভুক্ত হ'ব। যদিও মই অৱগত আছো যে অধিকাংশ শিক্ষাৰ্থী ধৰ্মৰ বাবে অধ্যয়ন নকৰি জাগতিক উদ্দেশ্যত অধ্যয়ন কৰে আৰু তেওঁলোকৰ পিতৃ-মাতৃ সকলৰো ধ্যান-ধাৰণা ইয়াৰ মাজত সীমাবদ্ধ থাকে তথাপি দৈনন্দিন সংস্পৰ্শত নিশ্চয় প্ৰভাৱ সৃষ্টি হৈ থাকে। যদি ২০ জন শিক্ষাৰ্থীৰ মাজত এজনো এইভাৱে ওলাই আহে যে যাৰ মন মস্তিষ্ক ধৰ্মৰ প্ৰতি ঢাল খায় আৰু আমাৰ ছিলছিলা আৰু শিক্ষাৰ ওপৰত আমল কৰিবলৈ আৰম্ভ কৰে, তেনেহলে মই ভাৱিম যে এই মাদ্ৰাছা নিৰ্মাণৰ উদ্দেশ্যত সাৰ্থক হৈছে। সদৌ শেষত এই কথাও মনত ৰাখিব লাগিব যে এই মাদ্ৰাছাখন সদায় এনেকুৱা অসুবিধা আৰু দুৰ্বল অৱস্থাত নাথাকিব; বৰঞ্চ মই বিশ্বাস কৰো যে ছাত্ৰ সকলৰ মাচুলৰ দ্বাৰা অনেক সহায় হ'ব বা সেয়া যথেষ্ট হ'ব। সেই কাৰণে তেতিয়া অতিথিশালাৰ ধন কৰ্তন কৰি মাদ্ৰাছাক দিয়াৰ প্ৰয়োজন নহ'ব। গতিকে প্ৰাচুৰ্য্য লাভৰ পাছত মোৰ এই নিৰ্দেশ ৰহিত হৈ যাব আৰু অতিথিশালা যি প্ৰকৃততে এখন মাদ্ৰাছা ই নিজৰ অৰ্থৰ এক চতুৰ্থাংশ পুনৰ ঘূৰাই পাব। এই কঠিন উপায় যাৰ দ্বাৰা অতিথিশালাৰ ক্ষতি হ'ব, সেয়া মই কেৱল এই কাৰণে অৱলম্বন কৰিছোঁ যে মোৰ ধাৰণা যে যি পৰিমাণ আৰ্থিক অনুদানৰ প্ৰয়োজন সেয়া নতুন বৰঙণিৰ জৰিয়তে যথাসম্ভৱ পূৰণ নহ'বও পাৰে। কিন্তু যদি খোদাৰ ফজলে এই অভাৱ পূৰণ হয় তেনেহলে এই কৰ্তনৰ প্ৰয়োজন নহ'ব। এই অতিথিশালাক এই কাৰণে মাদ্ৰাছা বুলি আখ্যা দিছো যে যিসকল অতিথি মোৰ ওচৰত আহে সিহঁতৰ বাবে অতিথিশালা চলি থাকে সিহঁতে মোৰ উপদেশ বাণী শ্ৰৱণ কৰে আৰু মই বিশ্বাস কৰো যে যিসকল লোকে সদায় মোৰ উপদেশ শ্ৰৱণ কৰে, খোদা তা'লা নিশ্চয় সিহঁতক হিদায়ৎ দান কৰিব আৰু সিহঁতৰ হৃদয়ক উন্মুক্ত

কৰিব। এতিয়া মই ইয়াতেই সমাপ্ত কৰিছোঁ আৰু মহান আল্লাহৰ ওচৰত কাতৰ প্ৰাৰ্থনা কৰিছোঁ যে মই যি দাবী উত্থাপন কৰিছোঁ সেয়া মোৰ জামাতক পৰিপূৰ্ণ সামৰ্থ্য দান কৰক; আৰু ধন সম্পদত শ্ৰীবৃদ্ধি দান কৰক আনকি এই পুণ্য কৰ্মৰ বাবে সিহঁতৰ হৃদয়ক মুকলি কৰি দিয়ক। আমীন- আকৌ আমীন-

**والسّلام علٰی من اتّبع الھُدٰی.**

**শান্তি তাৰ ওপৰত যিয়ে হিদায়তৰ অনুসৰণ কৰে।**

**১৬ অক্টোবৰ চন ১৯০৩ ইং**

بسم الله الرحمن الرحيم
نحمده و نصلى على رسوله الكريم

**(আৰবী অংশৰ অনুবাদক: মজিবৰ ৰহমান মুবাল্লিগ ছিলছিলা, ইনচাৰ্জ অসমীয়া ডেস্ক)**

## এই সময় দোৱাৰ সময়, যুদ্ধ আৰু শত্ৰু সকলক হত্যা কৰাৰ সময় নহয়।

আল্লাহ তা'লা তোমালোকক হিদায়ৎ প্ৰদান কৰক, জানি লোৱা যে ঘটনা ইমানেই বৃদ্ধি পাইছে যে জাতি জিহাদ কৰাৰ বাবে প্ৰস্তুত হৈছে আৰু তাৰ বাবে শক্তিশালী সকলক আহ্বান কৰিছে; চহৰ আৰু গাঁৱৰ লোক সকলক যুদ্ধৰ বাবে উপস্থিত কৰিছে, যাতে সিহঁতে সেনা সকলৰ সহায় কৰাত আৰু লোক সকলক একগোট কৰাত আৰু সিংহক ময়দানলৈ অনাত সফল হ'ব পাৰে। কাৰণ আমি মুছলমান সকলক দেখিবলৈ পাইছো যে এই দেশত, আৰবত, ৰোম আৰু শ্বামতও সকলোতকৈ দুৰ্বল জাতি হিচাপে পৰিগণিত হৈ আছে। সিহঁতৰ মাজত যুদ্ধ কৰাৰ শক্তি নাই, আৰু বল্লম চলোৱাৰ শক্তিও নাই, আৰু তৰোৱাল ধাৰণ কৰাৰ শক্তিও নাই। অৰ্থাৎ যুদ্ধ ক্ষেত্ৰত কাফিৰ সকলৰ অভিজ্ঞতা অনেক বেছি আৰু সিহঁতে মুছলমান সকলক সমাপ্ত কৰাৰ বাবে প্ৰত্যেক ধৰণৰ প্ৰস্তুতি কৰি ৰাখিছে; আৰু আমি দেখিবলৈ পাই আছো যে শত্ৰুসকলে চাৰিওফালৰ পৰা উফন্দি আহি আছে আৰু যেতিয়া উভয় সৈন্যৰ মাজত যুদ্ধ সংঘটিত হয় তেতিয়া সেই দলেই বিজয় হয়। এই দৃষ্টিকোণৰ পৰা এই কথা প্ৰকাশ পায় যে এই সময় দোৱাৰ সময় আৰু খোদাৰ চৰণত পৰি ক্ৰন্দন কৰাৰ সময়; যুদ্ধ আৰু শত্ৰু সকলক হত্যা কৰাৰ সময় নহয়। যি সময়ে দুৰ্বলতাক চিনি নাপায় তেওঁ নিজকে ধ্বংসৰ গ্ৰাসলৈ ঠেলি দিব; আৰু

চাৰিওফালে অসফলতা আৰু অৱমাননা দেখিব। তোমালোকে দেখিবলৈ নোপোৱা নে যে মুছলমান সকলৰ যুদ্ধ সমাপ্ত কৰি দিয়া হৈছে ?

ক'ত বল্লম, তৰোৱাল আৰু হাত চলাওঁতাজন ! তৰোৱাল খাপৰ ভিতৰত ৰাখি দিয়া হৈছে আৰু বল্লম ভাঙি পেলোৱা হৈছে আৰু মুছলমান সকলৰ হৃদয়ত ভীতি সোমাই দিয়া হৈছে। গতিকে তোমালোকে সিহঁতক প্ৰত্যেক ক্ষেত্ৰতে বিমুখ হৈ গুচি যোৱা দেখিবলৈ পাবা। যুদ্ধই সিহঁতৰ জীৱন কাঢ়ি লৈছে আৰু সিহঁতৰ মুকুতা আৰু সম্পত্তিক বিনাশ কৰি দিয়া হৈছে। সেই যুদ্ধৰ মাধ্যমে দ্বীনৰ কোনো বিষয় এতিয়ালৈকে সমাধান হ'ব পৰা নাই; বৰং ফিৎনা ধাৰাবাহিক ভাৱে উত্থাপিত হৈছে আৰু বৃদ্ধি পাই আছে, আৰু ফাছাদৰ ধাৰাবাহিকতাই উম্মতৰ বিনাশ ঘটাইছে। তোমালোকে চাই আছা ইছলামৰ প্ৰাসাদ পৰি গৈছে; আৰু তাৰ মৰ্যাদা ধূলিসাৎ হৈ গৈছে। তেন্তে তৰোৱাল আৰু বল্লম উঠাই কি লাভ হৈছে, এতিয়ালৈকে কোনটো ইচ্ছা পূৰ্ণ হৈছে ? কেৱল মাত্ৰ ৰক্তাত্ব হৈছে আৰু ধন-সম্পত্তিৰ বিনাশ ঘটিছে। সময় বিনষ্ট হৈছে আৰু লোভ-লালসা বৃদ্ধি পাইছে আৰু সেনা বাহিনীয়ে তোমালোকক কোনো উপকাৰ সাধন কৰিব পৰা নাই; অৰ্থাৎ যেতিয়াই যুদ্ধ সংঘটিত হৈছে, তেতিয়া তোমালোকৰ ভৰিতহে মৰা হৈছে।

গতিকে তোমালোকে জানি লোৱা, দোৱা সেই বল্লম যি এই যুগত বিজয়ৰ বাবে মোক আকাশৰ পৰা প্ৰদান কৰা হৈছে। হে বন্ধুসকল ! এই যুদ্ধ দোৱা বিহনে তোমালোকে কেতিয়াও বিজয় লাভ কৰিব নোৱাৰা; আৰু সকলো নবী সকলে প্ৰথমৰ পৰা শেষলৈকে এই যুদ্ধৰেই সংবাদ দিছে আৰু তেখেত সকলে এয়াই কৈছে যে মছীহ মাওউদ দোৱাৰ মাধ্যমে আৰু আল্লাহৰ চৰণত ক্ৰন্দন কৰি বিজয় লাভ কৰিব, যুদ্ধ আৰু উম্মতৰ তেজ বোৱাই বিজয় লাভ নকৰিব। দোৱাৰ সত্যতা এয়া যে কষ্টক আঁতৰ কৰাৰ বাবে পৰিপূৰ্ণ সাহস, দৃঢ়তা আৰু ধৈৰ্যৰ সৈতে আল্লাহৰ ফালে অৱনমিত হোৱা। আল্লাহৰ ওলী সকলে যেতিয়া কোনো কষ্টক আঁতৰ কৰাৰ বাবে ক্ৰন্দনৰ সৈতে দোৱা কৰি

নিজৰ প্ৰতিপালকৰ প্ৰতি আকৃষ্ট হয় তেতিয়া আল্লাহ তা'লাৰ ছুন্নত অব্যাহত যে সেইজনাই তেখেতৰ দোৱা শ্ৰৱণ কৰি গৃহীত কৰে আৰু তেখেত সকলৰ ওপৰত অৱতীৰ্ণ হোৱা পৰীক্ষা আৰু কষ্টক আঁতৰ কৰাৰ বাবে ক্ষন্তেক সময় পিছত সিহঁতৰ ওপৰত সম্পূৰ্ণ ৰূপে খোদাৰ কৃপা বৰ্ষিত হয়; বিপদৰ সময়ত নিশ্চয় গৃহীতমূলক দোৱা সকলোতকৈ বেছি ভূমিকা দেখুৱায়।

এইদৰে শেষ যুগত অৰ্থাৎ ৰহমান খোদাৰ পৰা হজৰত মছীহ মাওউদৰ যুগৰ বাবে এয়াই নিৰ্দিষ্ট কৰা হৈছে; যুদ্ধ ৰহিত কৰা হ'ব আৰু কালামৰ জৰিয়তে হৃদয়বোৰক মুকলি কৰা হ'ব আৰু হিদায়তৰ জৰিয়তে হৃদয়ক বিস্তাৰ কৰি দিয়া হ'ব। প্লেগ মহামাৰী বা আন আন বিপদৰ জৰিয়তে লোক সকলক কবৰলৈ স্থানান্তৰ কৰা হ'ব। আল্লাহ তা'লাই এইদৰে সিদ্ধান্ত লৈছে যে সেই পৰাজয় কাফিৰত পৰিণত কৰিব; আৰু সেই দ্বীন যি আকাশলৈ উত্থিত হৈছে সেয়া পৃথৱীত শান্তি প্ৰদান কৰিব। মোৰ এই ভৰি অস্বীকাৰকাৰীৰ হত্যা স্থানত আছে। মোক মোৰ প্ৰতিপালকৰ পৰা নিশ্চয় সহায় প্ৰদান কৰা হ'ব আৰু ঐশ্বৰিক আদেশ জাৰি হ'ব আৰু প্ৰতিপালকৰ কথা পূৰ্ণ হ'ব আৰু এয়াই মোৰ আকাশৰ পৰা অৱতীৰ্ণ হোৱা সত্যতা। মই পাৰ্থিৱ সৈন্যৰ দ্বাৰা নহয়, বৰং খোদাৰ ফিৰিস্তাৰ জৰিয়তে বিজয় লাভ কৰিম। কোৱা হয় যে, ৰহিত হোৱা ভাগ্য আৰু অটল ফয়চলাৰ পিছত দোৱাৰ কি অৰ্থ? স্মৰণ ৰখা এই ৰহস্য এটা এনেকুৱা ৰহস্য, য'ত বুদ্ধি দিশসাৰা হৈ যায় আৰু জঙ্গলৰ সেনা যাৰ সৈতে সেনাপতি থাকে সেইবিলাক নষ্ট হৈ যায়। এই ৰসহ্যক কেৱল তৌবাকাৰীয়েই (অনুতপ্তকাৰীয়েই) বুজি পায়। তৌবাৰ (অনুতপ্তৰ) দ্বাৰা সেয়া গলি যায়। এই কাৰণে হে দুষ্কৃতিসকল ! তোমালোকে বিবাদ দীৰ্ঘ নকৰিবা আৰু যি মই কৈ আছো সেয়া মস্তিষ্কত বহাই লোৱা। কাৰণ মই জ্ঞানী সকলৰ শ্ৰমিক হওঁ আৰু তোমালোকৰ ইছলামৰ সৈতে সম্পৰ্ক কেৱল প্ৰদৰ্শনীয় আৰু প্ৰথাস্বৰূপ। এই কাৰণে যিয়ে মোৰ এই সত্যক উৎসাৰ সৈতে শ্ৰৱণ কৰিব, তেওঁ উৎফুল্লিত হৈ এজন অস্থিৰতা ব্যক্তিৰ নিচিনা আমাৰ ফালে দ্ৰুত

গতিত দৌৰি আহিব। তেতিয়া মই তেওঁক এনেকুৱা নিৰাপত্তা প্ৰদান কৰিম যিয়ে তেওঁৰ সকলোবোৰ শংকা আৰু সন্দেহ আঁতৰ কৰিব আৰু তেওঁৰ হৃদয় প্ৰশান্তি লাভ কৰিব; আৰু সেই ৰহস্য এয়া যে আল্লাহ তা'লাই প্ৰাচীন কালৰে পৰাই কিছুমান বস্তুক কিছুমানৰ সৈতে সম্পৰ্কিত ৰাখিছে। এইদৰে সেইজনাই ভাগ্যকো এজন বেদনাদায়ক আৰু অস্থিৰতা মানৱৰ দোৱাৰ সৈতে সম্পৰ্কিত কৰিছে। আকৌ যি ব্যক্তিয়ে অশ্ৰু নিৰ্গত অৱস্থাত খোদাৰ ফালে দৌৰি আহে, যিয়ে এনেকুৱা ভাৱে ব্যাকুল হৈ থাকে যে তেওঁক যেন আঙুঠিৰ মাজত ৰাখি দিয়া হৈছে; তেতিয়া আল্লাহৰ তৰফৰ পৰা তেওঁৰ  বাবে দোৱা গৃহীত হোৱাৰ ঢৌ ক্ৰিয়া কৰে, তেতিয়া সেই ব্যক্তিক সেই অস্থিৰতাৰ পৰা মুক্ত কৰি দিয়া হয়। কিন্তু স্মৰণ ৰাখিবা এই স্থান কেৱল সেইজনকেই প্ৰদান কৰা হয় যিয়ে আল্লাহৰ অস্তিত্বত নিজকে সমৰ্পন কৰি দিয়ে, আৰু নিজৰ প্ৰিয় খোদাক সকলো বস্তুৰ ওপৰত প্ৰাধান্য দিয়ে, প্ৰতিমাৰ নিচিনা সকলো বস্তুক ত্যাগ কৰে আৰু কোৰাণৰ বাণীত উপস্থিত আছো বুলি কয়; আৰু নিজৰ প্ৰভুৰ চৰণত উপস্থিত হৈ যায় আৰু নিজৰ প্ৰতিপালকৰ এনেকুৱা ভাৱে অনুসৰণ কৰে যে সেইজনাতেই বিলীন হৈ যায়; আৰু প্ৰত্যেক ধৰণৰ প্ৰবৃত্তিৰ ইচ্ছাৰ পৰা নিজকে বচাই ৰাখে; আৰু লোক সকলৰ অচেতন যুগত নিজকেই জগাই ৰাখে আৰু দুষ্টসকলক আঁতৰত ৰাখে আৰু নিজৰ প্ৰভু আৰু সেইজনাৰ সিদ্ধান্ততেই সন্তুষ্ট হৈ যায়। খোদাৰ চৰণত উপস্থিত হৈ যোৱাৰ পিছত নিজৰ পাপসমূহ যি প্ৰবৃত্তিৰ ইচ্ছাৰ ফলত হৈছিল সেইবোৰক পৱিত্ৰ হৃদয়, দৃঢ়তা আৰু সত্যৰ সৈতে সেইজনাৰ চৰণত উপস্থাপন কৰে আৰু এইসকল লোকৰ দোৱা বিফল নহয়, আৰু সিহঁতৰ কথাসমূহ ৰহিত কৰা নহয়; আৰু যিয়ে নিজৰ প্ৰভুৰ খাতিৰত মৃত্যুক প্ৰাধান্য দিয়ে তেওঁক জীৱন দান কৰা হ'ব; কাৰণ সিহঁতে সেইজনাৰ খাতিৰত লোকচান হোৱাতেও সন্তুষ্ট থাকিছে, সেই কাৰণে সিহঁতক কল্যাণমণ্ডিত কৰা হ'ব। তোমালোকে দুৱাৰৰ বাহিৰত থিয় হৈ সেইজনাৰ প্ৰত্যাশা নকৰিবা, এই জ্ঞান সেইজনকেই দিয়া হয় যিয়ে

প্ৰতিপালকৰ চৰণত উপস্থিত হয়। এই বিশ্বাস অভিজ্ঞতাৰ ফলতেই অৰ্জন কৰিব পৰা যায়, আৰু এই অভিজ্ঞতা সেই বস্তু যাৰ মাধ্যমে লোক সকলৰ ওপৰত আশ্চৰ্যমূলক দুৱাৰ উন্মুক্ত কৰা হয়। সেই ব্যক্তি যাৰ আচৰণ ভাল নহয় আৰু খোদাৰ আস্থানত দৰিদ্ৰতাৰ নিচিনা অৱনমিত নহয়, এনেকুৱা ব্যক্তি অভিজ্ঞতা থকা সত্ত্বেও কেনেকৈ খোদাৰ ৰহস্য জানিব পাৰিব ? কিন্তু যিয়ে সত্যৰ বাটত পৰিচালিত হৈছে, তেওঁ বিশ্বব্ৰহ্মাণ্ডৰ প্ৰতিপালকৰ পৰা সুন্দৰ কালামৰ অংশীদাৰ হ'ব। সকলোতকৈ বেছি সৌন্দৰ্যতাৰ সৈতে দোৱা কাৰীৰ দোৱা গৃহীত হয়। পৱিত্ৰ সেইজন যিজনাই আউলিয়া সকলৰ দোৱা গৃহীত কৰে, আৰু সিহঁতৰ সৈতে বাৰ্তালাপ কৰে। যেনেকৈ তোমালোকে পৰস্পৰে পৰস্পৰৰ সৈতে বাৰ্তালাপ কৰা; অৰ্থাৎ সেইজনাৰ সেই বাৰ্তালাপ আধ্যাত্মিক শক্তিৰ কাৰণে তোমালোকৰ কালামতকৈ আৰু অধিক পৱিত্ৰ আৰু পৰিষ্কাৰ; আৰু সেইজনাই নিজৰ উত্তম সোৱাদমূলক কালামৰ জৰিয়তে নিজৰ ফালে আকৰ্ষিত কৰে, যাৰ ফলত সিহঁতে (আউলিয়াসকলে) নিজৰ সকলো পৰিয়াল বৰ্গক আৰু ধন-সম্পত্তিক এৰি নিজৰ এক খোদাৰ তৌহিদৰ ফালে আগবাঢ়ি যায়। এনেকুৱা উৰ্দ্ধমূলক বংশৰ ঘোঁৰাৰ ওপৰত আৰোহণ কৰে যি লাগামহীন নহয়, অদ্বিতীয়ও নহয়। এয়া সেই জাতি, যিসকলে শপত লৈ আল্লাহৰ সৈতে অঙ্গীকাৰ কৰিছে যে সিহঁতে কেৱল সেইজনাৰ অস্তিত্বক প্ৰাধান্য দিব আৰু কেৱল সেইজনাৰ আয়াত বিচাৰিব আৰু সেই আয়াতৰ অনুসাৰী হ'ব। আকৌ যেতিয়া আল্লাহ দেখে যে সেয়া ঐশ্বৰিক কিতাপত বৰ্ণিত চৰ্তানুযায়ী হয়, তেতিয়া তেওঁৰ বাবে নিজৰ সত্যৰ সকলোবোৰ দুৱাৰ মুকলি কৰি দিয়া হয়। তোমালোকে জানি লোৱা যে মহান কাম যাৰ সত্যতা আৰু অধিক বেছি বৃদ্ধি পায়, সেয়া ভৃত্যৰ তৰফৰ পৰা দোৱাৰ দুৱাৰ, আৰু প্ৰতিপালকৰ তৰফৰ পৰা ওহী। কাৰণ বিনা ঐশ্বৰিক দিব্য দৰ্শনে চকু নেমেলে, সেই দোৱা আল্লাহৰ চৰণত ক্ৰন্দনৰ সৈতে খোদাৰ প্ৰতিউত্তৰৰ ফলত হয়; আৰু যাৰ ওপৰত খোদা তা'লাই এই দুৱাৰ মুকলি নকৰে তেওঁলোক কেৱল

মিছা কথাৰ মাধ্যমে প্ৰতাৰণা কৰে আৰু খোদাৰ দৃষ্টিৰ পৰা আঁতৰ হৈ পৰে। সেই কাৰণে সিহঁতে নিজৰ প্ৰভুক এৰি দিয়ে আৰু দুষ্ট হৈ পাৰ্থিৱ জগতৰ ফালে অগ্ৰসৰ হৈ সেই ফালে গুচি যায় যাৰ ফলস্বৰূপ তেওঁলোকৰ হৃদয় বিনষ্ট হৈ যায়, আৰু সিহঁতে জীৱনৰ শেষ নিঃশ্বাস ত্যাগ কৰাৰ সময়তো লোভ-লালসা আৰু অস্থায়ী সংসাৰৰ পৰা অবিদিত থাকে; আৰু মৃত্যুক স্মৰণ নকৰে, তেওঁলোকৰ বাসস্থানৰ স্থান নিৰাশাৰ ঘৰ, মকৰাৰ জালতকৈ অধিক দুৰ্বল; আৰু বস্তু বাহানিক সিহঁতৰ পৰা আঁতৰ কৰি ৰখা হ'ব; আৰু আল্লাহ যেতিয়া নিজৰ ভৃত্যৰ প্ৰতি কোনো উপকাৰ সাধন কৰাৰ ইচ্ছা কৰে, তেতিয়া সফলতাৰ ফালে আহ্বান কৰোঁতাই (ফিৰিস্তাই) তেওঁৰ হৃদয়ক মাত লগায়, তেতিয়া অন্ধকাৰ ৰাতি পুৱাতকৈয়ো অধিক আলোকিত হৈ যায় আৰু প্ৰত্যেক আত্মা যাক পৱিত্ৰ কৰা হয়, সেই আত্মাই খোদা তা'লাৰ অনুগ্ৰহৰ গুণ গাই থাকে; আৰু মহান স্ৰষ্টা, ৰহিমে খোদাৰ নিৰীক্ষণৰ বাহিৰে মানুহ কীট-পতঙ্গৰ নিচিনা। পুণ্যবানৰ হৃদয়ত পোনপ্ৰথমে যি কাৰ্য্যৰ আৰম্ভণী হয় সেয়া দুনিয়াৰ পৰা বেজাৰ আৰু গোটেই ব্ৰহ্মাণ্ডৰ প্ৰতিপালকৰ ফালে যাব লাগিব বুলি কৈ থাকে আৰু এয়াই সেই মহান উদ্দেশ্য যিয়ে সাধু সকলৰ কঁকাল ভাঙি দিয়ে, আৰু সেইজনাই সিহঁতৰ ওপৰত দুঃখৰ অশ্ৰু বৰ্ষিত কৰে, কাৰণ নফছে আম্মাৰা (অবৈধ আত্মা ) এটা অজগৰ হয়; যিয়ে প্ৰবৃত্তিৰ তৃপ্তিৰ ইচ্ছাৰ জাল বিছায় আৰু গোটেই মানৱৰ বিনাশ ঘটায়; কেৱল সেই সকলৰ বাহিৰে যিসকলৰ ওপৰত প্ৰভুৰ দয়া হয়। সেই সকলৰ ওপৰত নিজৰ হিদায়তৰ ডেউকা মেলি দিয়ে। দোৱা এটা বীজ হয়, যাক আল্লাহ তা'লাই খেতি কৰা সময়ত বৃদ্ধি কৰে, তেতিয়া ভৃত্যৰ ওচৰত সেই শস্যৰ বাহিৰে আন কোনো শস্য নাথাকে; আৰু এয়াই সকলোতকৈ ডাঙৰ মাধ্যম, যাৰ দ্বাৰা মুক্তিৰ আশা কৰিব পৰা যায় আৰু বিপদক আঁতৰ কৰিব পৰা যায়। যি ব্যক্তি সদাচাৰী সকলৰ সঙ্গী আৰু সন্মানপ্ৰাপ্ত সকলৰ কথা শ্ৰৱণ কৰোঁতা সিহঁতৰ চকু সেই জেউতিক দেখাৰ বাবে খুলি দিয়া হয়, তেতিয়া তেওঁলোকে তাতে থকা গুপ্ত

ৰহস্যক দেখিবলৈ পায়। আল্লাহৰ ওলী সকলৰ সঙ্গী কেতিয়াও বিফল নহয়, যদিও তেওঁলোকে পশুৰ নিচিনাও হয় বা তেওঁ পূৰ্ণ যুৱক বয়সত আনন্দ উপভোগ কৰি থাকে, সেয়া পৰিৱৰ্তন কৰি দিয়া হয় আৰু তেওঁলোকক বুঢ়াৰ নিচিনা কৰি দিয়ে, যুৱক একেবাৰে নাইকিয়া হৈ পৰে। গতিকে শুভ সংবাদ সেই লোক সকলৰ বাবে যিসকলে খোদাৰ প্ৰিয়জনৰ স্থানত ধ্যান লগাই বহি আছে আৰু সিহঁতৰ কথা সমূহ বিশুদ্ধ দিৰহাম আৰু দীনাৰৰ (টকা-পইচাৰ) নিচিনা সুৰক্ষিত ৰাখিছে আৰু সেইবোৰক কাৰ্পণ্যৰ নিচিনা একত্ৰিত কৰি ৰাখিছে। যিয়ে আল্লাহৰ ভৃত্যক অপমান কৰি নিজৰ হৃদয়ক অগ্ৰাধিকাৰ দিয়ে আৰু যিবোৰ হৃদয়ত আহে সেয়া গালি-শপনি ৰূপে প্ৰয়োগ কৰে আৰু অভদ্ৰতাৰ আচৰণ কৰে। নিঃসন্দেহ এয়াই সেই জাতি যিয়ে সাহস দেখুৱাৰ পৰিৱৰ্তে, স্বয়ং নিজৰ পত্নী সকলক আৰু নিজৰ বংশধৰ সকলৰ বিনাশ ঘটায়। সিহঁতে স্বয়ং মৰিয়ে যায় আৰু নিজৰ পিছত লাঞ্ছনাৰ আস্বাৰ এৰি থৈ যায়। সিহঁতে বিচাৰে যে আল্লাহৰ জ্যোতিক নুমাই দিব, কিন্তু সত্যৰ সূৰ্যক কেনেকৈ বাধা প্ৰদান কৰিব পাৰে আৰু আল্লাহৰ জ্যোতিত কেনেকৈ পৰ্দা সোমাব পাৰে? সিহঁতে সত্যক গুপ্ত কৰাৰ বাবে প্ৰয়াস কৰে। আল্লাহৰ জ্যোতিক গোপন কৰিব পাৰে নে? এয়া নিশ্চয় মিছা, সিহঁতৰ হৃদয়ত মোহৰ মাৰি দিয়া হৈছে, আৰু যি লোক সকলে মোক স্বীকাৰ নকৰে আৰু নিজৰ বিষয়ে কয়, আমি এই যুগৰ আলিম হওঁ; সিহঁত নিশ্চিত ৰূপে খোদাৰ শত্ৰু আৰু মহান শাস্তি দিওঁতাৰ প্ৰকোপৰ কাষ চাপি আছে। সিহঁতে নিজৰ মুখৰ পৰা শ শ কথা কয়, কিন্তু তাৰ মাজত এটা কথাও সত্যৰ ওপৰত আধাৰিত নহয়। এয়াই হয় সিহঁতৰ চৰিত্ৰ যিসকলে কয় আমি আলিম, বৰঞ্চ সিহঁতে সত্য আৰু হিদায়তৰ বিৰোধীতা কৰি আছে আৰু ধ্বংসৰ পথত গৈ আছে। কোনে কৈছে যে সিহঁতৰ মৃত্যু নহ'ব আৰু আল্লাহৰ ফালে উত্থাপিত কৰা নহ'ব আৰু সিহঁতৰ কাৰ্যকলাপৰ বিষয়ে সোধ-পোছ কৰা নহ'ব? অত্যাচাৰী সকলক অতি শীঘ্ৰে এয়া অৱগত কৰা হ'ব যে সিহঁতক কোন

ফালে ওভতাই নিয়া হ'ব। গতিকে হে ভৃত্যসকল ! থিয় হৈ যোৱা, সেই দিনৰ আগতেই যে সেইজনাই তোমাক টানি আখিৰতৰ ফালে লৈ যাব। এই কাৰণে তোমাৰ উচিত যে নিজৰ প্ৰভুক বিনম্ৰতাৰ সৈতে আৰু ক্ৰন্দনৰ সৈতে স্মৰণ কৰা। কবৰলৈ যোৱাৰ আগতেই নিজৰ প্ৰভুৰ চৰণত তৌবা কৰি উপস্থিত হৈ যোৱা। দুষ্কৃতি সকলৰ দেশত যাত্ৰা নকৰিবা, কেৱল নিষ্ঠাবান মানুহৰ সৈতে উঠা-বহা কৰা, আৰু সত্যবাদী হৈ যোৱা, আৰু তৌবা কৰোঁতা সকলৰ সৈতে তৌবা কৰা। আল্লাহৰ ৰহমতৰ পৰা নিৰাশ নহ'বা, আৰু কাফিৰ সকলৰ নিজৰ নিজৰ কাল্পনিক ধাৰণাক বৃদ্ধি নকৰিবা আৰু অহংকাৰী মানুহৰ নিচিনা বিমুখ নহ'বা; আৰু হীন মনস্ক মানুহৰ নিচিনা মিছাৰ ওপৰত স্থিৰ নাথাকিবা। তোমালোকে নেদেখা নে যদি মই সত্যৰ ওপৰত স্থিৰ আছো আৰু তোমালোকে মোক গ্ৰহণ কৰা নাই, তেন্তে অস্বীকাৰী সকলৰ কি পৰিণাম হ'ব ? মই নিজৰ বিষয়টো আল্লাহৰ অধীনস্থ কৰো, সেইজনাই মোৰ আৰু তোমালোকৰ হৃদয়ৰ বিষয়ে অৱগত। গতিকে আমাৰ বা তোমালোকৰ মাজৰ পৰা নিশ্চয় কোনো এজন হিদায়তৰ ওপৰত প্ৰতিষ্ঠিত আছে বা স্পষ্ট ভাৱে পথভ্ৰষ্টতাত নিপতিত আছে।

আৰু মই নিঃসন্দেহ দেখিবলৈ পাও যে শত্ৰু সকলে কেৱল অহংকাৰ আৰু ফাছাদৰ কাৰণে মোক অস্বীকাৰ কৰি আছে। সিহঁতে নিশ্চয় মোৰ প্ৰভুৰ নিদৰ্শন দেখিছে, তথাপি সিহঁতে শত্ৰুতাৰ ফালে আগবাঢ়ি গ'ল। সিহঁতে বৰ্তমান অৱস্থা আৰু হেৰাই যোৱা কল্যাণসমূহক নেদেখে নে ? যুগে নিজৰ অৱস্থাৰ প্ৰতি লক্ষ্য কৰি সংশোধনৰ ফালে মাত দিয়া নাই নে, যিয়ে নিজৰ অৱস্থাৰ সংশোধন কৰিব আৰু তেওঁলোকৰ ওপৰত যি সংকট আহিছে সেয়া আঁতৰ কৰিব ? মুকলি ভাৱে নিদৰ্শন প্ৰকাশ পোৱা নাই নে ? এতিয়া সেই সময় আহি পাইছে যে যিবোৰ হেৰাই পেলাইছে সেয়া যেন প্ৰাপ্ত হয়। বাস্তৱতে সিহঁতৰ হৃদয় অন্ধকাৰত ডুবি আছে আৰু বুকুখন সংকীৰ্ণ হৈ পৰিছে। এই জাতি অতি অশিষ্ট আৰু কু-অভ্যাসৰ। সিহঁতৰ ব্যৱহাৰ এনেকুৱা অগ্নি যি

শব্দ আকাৰত প্ৰজ্জ্বলিত হৈ উঠে আৰু সিহঁতৰ কথাসমূহ জুইৰ এঙাৰৰ নিচিনা উৰি থাকে; সিহঁতৰ হৃদয়ত সহানুভূতিৰ কোনো নিদৰ্শন অৱশিষ্ট ৰৈ থকা নাই, আৰু বিনম্ৰতাৰ অশ্ৰুয়ে সিহঁতৰ কপাল পৰ্যন্তও স্পৰ্শ কৰা নাই। সিহঁতে মোক কাফিৰ সাব্যস্ত কৰে আৰু মই নেজানো যে কি ক্ষেত্ৰত মোক কাফিৰ সাব্যস্ত কৰি আছে, আৰু মই কেৱল সেয়াই কৈছো যি কোৰাণত কোৱা হৈছে; আৰু মই সিহঁতৰ সন্মুখত কেৱল খোদা তা'লাৰ আয়াতসমূহ পাঠ কৰি শুনাইছোঁ। এই কথা মনেগঢ়া নহয়, বৰং সত্য। যাক আল্লাহ তা'লাই নিৰ্ধাৰিত সময়ত প্ৰকাশ কৰিছে আৰু সেইজনাৰ সত্যতা সেই ব্যক্তিয়ে চিনি পাব যিয়ে আল্লাহ তা'লাৰ ৰহমতৰ বাস্তৱিক স্থান বুজি পাইছে। আল্লাহ তা'লাই বাৰাহীনে আহমদীয়া যি এই বিনীতৰ লিখিত, তাতে এয়া প্ৰতিশ্ৰুতি দিয়া হৈছে যে মানুহে ফৌজৰ নিচিনা মোৰ ফালে আহিব আৰু মোৰ ওচৰত আহি একত্ৰিত হ'ব আৰু মোক উপহাৰ দিব আৰু মোক অকলে এৰি দিয়া নহ'ব, বৰং লোক সকলে ফৌজৰ নিচিনা মোৰ ফালে দৌৰি আহিব আৰু মোৰ দীক্ষা গ্ৰহণ কৰিব। লোক সকলৰ তৰফৰ পৰা এনেকুৱা মাধ্যমেৰে যাক মানুহে নেজানে, মোৰ কাৰণে খাজানা মুকলি কৰা হ'ব, আৰু মোক শত্ৰু সকলৰ উপদ্ৰৱ আৰু সিহঁতৰ গোপন কৌশলৰ পৰা সুৰক্ষিত কৰা হ'ব। মোক ইমান আয়ু প্ৰদান কৰা হ'ব যিসময়ত মই সেই সমূহ পৰিপূৰ্ণ কৰিম যি আল্লাহ তা'লাই ইচ্ছা কৰিছে, যদিও শত্ৰু সকলে অপছন্দ কৰে। মোক সংসাৰত গৃহীত কৰা হ'ব আৰু হিদায়ত প্ৰাপ্ত লোক সকল মোৰ জৰিয়তে পৱিত্ৰ হ'ব। যিদৰে তোমালোকে দেখিবলৈ পাইছা যে মোৰ খোদা যি কিছু কৈছিল সেয়া পূৰ্ণতা লাভ কৰিছে। এয়া কুহক নে বা তোমালোকে দেখিবলৈ নোপোৱা ? যদি এই সমূহ কাৰ্যকলাপ আল্লাহৰ বাহিৰে অইন কাৰোবাৰ পৰা হ'লহেঁতেন তেন্তে এই ভৱিষ্যদ্বাণী পৰিপূৰ্ণ নহ'লহেঁতেন আৰু নিশ্চয় মই মিছলীয়াৰ নিচিনা ধ্বংস হৈ গলোহেঁতেন।

তোমালোকে দেখিবলৈ পাই আছে যে মোৰ জামাত প্ৰত্যেক বছৰ বৃদ্ধি

পাই আছে আৰু শত্ৰু সকলে আল্লাহৰ জেউতিক নুমাবলৈ কোনো ধৰণৰ পন্থা এৰা নাই। তথাপি আল্লাহৰ জ্যোতি বিস্তাৰ লাভ কৰিলে আৰু সিহঁত (শত্ৰুসকলে) ভীতিগ্ৰস্ত হৈ পৰিলে। সিহঁতে জানি-বুজি পুনৰ ওভতি পূৰ্বৰ স্থানলৈ যায় আৰু দ্বেষ-বিদ্বেষ ত্যাগ নকৰে। এয়া আল্লাহৰ বাহিৰে আন কোনোবাৰ পক্ষৰ পৰা হয় নে ? তোমালোকৰ কি হৈছে যে লাজ নকৰা আৰু বিবেক বুদ্ধিৰে বিচাৰ নকৰা। পৰাজিত অস্ত্ৰৰ দ্বাৰা আৰু বন্ধ হাতৰ দ্বাৰা খোদাৰ সৈতে যুদ্ধ কৰা। তোমালোকৰ আৰু তোমালোকৰ কৰ্মৰও বিনাশ ঘটিব। এয়া মিছা ৰটনাকাৰী মহা মিছলীয়াৰ কাম হ'ব পাৰে নে ? কেতিয়াবা মিছলীয়াৰ এনেকুৱা সহায় হৈছে নে ? এয়া কোনো মহা মিছলীয়াৰ কালাম হয় নে ? তোমালোকৰ কি হৈছে যে তোমালোকে স্বয়ং চিন্তা-ভাৱনা নকৰা ? তোমালোকক আল্লাহৰ ফালে ওভতাই লোৱা নহ'ব নে বা তোমালোকক নিজৰ ইচ্ছাতেই এৰি দিয়া হ'ব ? যেতিয়া সিহঁতে অগ্নি প্ৰজ্বলিত কৰিলে আল্লাহ তা'লাই সেয়া নুমাই দিলে তথাপি সিহঁতে চিন্তা-ভাৱনা নকৰে। সিহঁতে কয় যে আমাৰ নবী (ছাঃ)ৰ খলিফাৰ নাম নবী কিয় ৰখা হোৱা নাই ? যেনেকুৱা তোমালোকে অনুমান কৰা যে এনেকুৱা এই কাৰণেই হৈছে যে যাতে খাতামে নবুয়তৰ বাস্তৱকিতা লোক সকলৰ ওপৰত সন্দেহ যেন নহয় আৰু সিহঁতে যেন সন্মান কৰে। যেতিয়া সিহঁতৰ ওপৰত এটা যুগ অতিবাহিত হৈ যায় তেতিয়া আল্লাহ তা'লাই ইচ্ছা কৰিলে যে সেইজনাই সেই খলিফা সকলৰ নবুয়তৰ বিষয়ে এই দুটা ছিলছিলাৰ সাদৃশ্য প্ৰকাশ কৰে, যাতে অভিযোগকাৰী সকলে অভিযোগ কৰিব নোৱাৰে। আল্লাই সেই লোক সকলৰ ভ্ৰম আঁতৰ কৰে যিসকলে নবুয়তৰ সাদৃশ্য দেখিব বিচাৰে। আল্লাই মোক প্ৰেৰণ কৰিছে আৰু মোৰ নাম সেই অৰ্থত নবী ৰাখিছে যাক মই পূৰ্বতেই বিস্তাৰিত ভাৱে বৰ্ণনা কৰিছোঁ, সেই অৰ্থত নহয় যি উপদ্ৰৱী সকলে ধাৰণা কৰে, আৰু দুয়ো অভিযোগক খণ্ডন কৰিছোঁ। ইপিনে আৰু সিপিনে উভয়ৰ ফালে ধ্যান ৰখা হৈছে। ইয়াত চিন্তা-ভাৱনা কৰা সকলৰ বাবে হিদায়ৎ আছে। মই এফালে নবী হওঁ আৰু

আনফালে উন্মতীও হওঁ; মোৰ সম্বন্ধে এই ধৰণেই বৰ্ণিত আছে; সিহঁতে পঢ়া নাই নে সেই সমূহ ৰিৱায়ত যি সিহঁতৰ ওচৰত আছে? এয়া পঢ়া নাই নে তেওঁ তোমালোকৰ মাজৰ পৰাই হ'ব আৰু তেওঁ নবীও হ'ব? এই দুটা বৈশিষ্ট ঈছা (আঃ)ৰ মাজত পোৱা যায় নে বা কোৰাণত এই দুয়োটা বৈশিষ্ট তেওঁৰ সম্বন্ধে উল্লেখ আছে নে? যদি তোমালোকে সঁচা হোৱা তেন্তে আমাক দেখুৱা। কিন্তু সঁচা এয়া যে তোমালোকে কুফৰক ঈমানৰ ওপৰত প্ৰাধান্য দিছা। এনেকুৱা মানুহক মই কেনেকৈ হিদায়ৎ দিব পাৰো যিসকলে ফুৰকানক আওকাণ কৰিছে আৰু কোনো ভ্ৰুক্ষেপেই কৰা নাই। আল্লাই মছীহৰ হাতত ক্ৰুছ ধ্বংসৰ কাম নিৰ্ধাৰিত ৰাখিছিল; আৰু তাৰ প্ৰভাৱ প্ৰকাশ পাইছে। আশ্চৰ্যৰ বিষয় যে আপত্তিকাৰী সকলে চিন্তা-ভাৱনা নকৰে। সিহঁতে দেখা নাই নে যে খ্ৰীষ্টান সকলে দৈনন্দিন নিঃশেষ হৈ আছে আৰু এটা জাতিৰ পিছত দ্বিতীয় জাতিয়ে সিহঁতক এৰিব ধৰিছে। সিহঁতে কিয় আনুগত্য নকৰে বা নুশুনে? সেই (খ্ৰীষ্টান) আলিমসকলে নিজৰ হাতেৰে নিজৰ শিবিৰ সমুহৰ অন্ত পেলাই আছে আৰু সিহঁতৰ সন্মানপ্ৰাপ্ত সকলে তৌহিদৰ ফালে হিদায়ৎ প্ৰাপ্ত হৈ আছে। সিহঁতৰ ধৰ্ম প্ৰত্যেক দিন লোপ পাই আছে আৰু সিহঁতৰ কাড় ভাঙি আছে; ইমানে যে আমি শুনিবলৈ পাইছো যে জাৰ্মানৰ বাদশ্বাই এই আস্থা ত্যাগ কৰিছে আৰু পুণ্যৰ ফালে আকৰ্ষিত হৈছে। এই প্ৰকাৰ সিহঁতৰ অনুসন্ধানকৰ্তা বিদ্বান নিজৰ ঘৰখনক স্বয়ং নিজৰ হাতেৰে শ্বশান কৰি আছে আৰু যেনেকৈ সিহঁতে প্ৰৱেশ কৰিছিল সেইদৰেই ওলাই আছে। দুৰ্ভাগ্যপূৰ্ণ সেই দৃষ্টি, যিয়ে দেখিবলৈ নাপায় আৰু সেই কাণ যিয়ে শুনা নাপায়; আৰু দুৰ্ভাগ্য সেইসকল যিসকলে আল্লাহৰ কিতাপ পঢ়ে কিন্তু বুজি নাপায়।

ঈছা আকাশৰ পৰা অৱতৰণ কৰিব নে? অথচ কোৰাণ কৰিমে সেয়া নিষেধ কৰিছে যি তোমালোকে ধাৰণা কৰা সেয়া বুদ্ধিৰ পৰা আঁতৰত, বহু নিলগত। কোৰাণৰ কয়েদ লোহাৰ কয়েদতকৈ অধিক কঠোৰ। বিনাশ হওঁক

সেই অন্ধকাৰ সকল, যিসকলে আল্লাহৰ কিতাপৰ ওপৰত বিচাৰ নকৰে আৰু বিনম্রতা অৱলম্বন নকৰে। যদি সিহঁতে জানিলেহেঁতেন যে ঈছা (আঃ)ৰ মৃত্যু সেই (মুছলমান সকলৰ) বাবে আৰু সিহঁতৰ ধৰ্মৰ বাবে উত্তম। ৰছুলুল্লাহ (ছাঃ) ঈছা (আঃ)ৰ পিছত সপ্তম শতাব্দীত তোমালোকৰ ওচৰত উপস্থিত হৈছিল; আৰু মই তোমালোকৰ ওচৰত সেই শতাব্দীত আগমন কৰিছোঁ যি এই সপ্তমৰ দ্বিগুণ (অৰ্থাৎ চৌধ্য শতাব্দী)। নিশ্চয় ইয়াত চিন্তা-ভাৱনা কৰা জাতিৰ বাবে বহুত ডাঙৰ শুভ সংবাদ আছে। গতিকে জানি লোৱা আল্লাহ সকলোতকৈ ডাঙৰ নিৰ্ণায়ক (অৰ্থাৎ আমাৰ নবী কৰিম ছাঃ)ক ঈছা (আঃ)ৰ পিছত সপ্তম শতাব্দীত প্ৰেৰণ কৰিছে; গতিকে ইয়াত তোমাৰ বাবে কি বুদ্ধিহীন কথা আছে যে সেইজনাই চৌধ্য শতাব্দীত এই ন্যায় বিচাৰকক ফিৎনা-ফাছাদ দূৰ কৰাৰ বাবে প্ৰেৰণ কৰে। সেইজন সৃষ্টিকুলৰ মাজত বিস্তাৰ লাভ কৰিলে। হে জ্ঞানীসকল ! চিন্তা-ভাৱনা কৰা, তুমি জানানে যে এই যুগৰ ফাছাদ মুছলমান সকলৰ আৰু অমুছলমান সকলৰ গোটেই উম্মতৰ মাজত বিস্তাৰ লাভ কৰিছে যেনেকুৱা তোমালোকে চাইয়ে আছা। এই ফাছাদ সেই ফাছাদতকৈ অধিকতৰ যি সেই ইহুদীসকলৰ মাজত প্ৰকাশ পাইছিল যিসকলে আমাৰ নবী কৰিম (ছাঃ)ৰ আগতে পথ ভ্ৰষ্টত নিপতিত হৈছিল। গতিকে তুমি আজি সিহঁতক পূৰ্বতকৈ অনেক বেছি পথ ভ্ৰষ্টতাত আৰু অশিষ্টতাত নিপতিত দেখিবলৈ পাবা। এয়া কোনো গুপ্ত বিষয় নহয় যে আমাৰ এই যুগ প্ৰত্যেক বিদাত (কৃত্ৰিম নিয়ম-নীতি), অংশীবাদীতা আৰু পথ ভ্ৰষ্টতাৰ প্ৰবাহৰ যুগ। মোক তৰোৱাল দি প্ৰেৰণ কৰা হোৱা নাই; কিন্তু মোক নিৰ্ভীকতাৰ সৈতে এটা যুদ্ধৰ আদেশ দিয়া হৈছে, আৰু তোমালোকে নেজানা সেই মহান যুদ্ধ কি ? এই যুদ্ধৰ অস্ত্ৰ লোহাৰ কলম হয়, তীক্ষ্ণ তৰোৱাল নহয়। মই এই অস্ত্ৰৰ দ্বাৰা শত্ৰু সকলৰ সন্মুখীন হোৱাৰ বাবে আগমন কৰিছোঁ। সেই কাৰণে তুমি এওঁক অস্বীকাৰ নকৰিবা যি সন্মানপ্ৰাপ্ত বুজুৰ্গ আৰু মহান আল্লাহৰ তৰফৰ পৰা নিৰ্ধাৰিত সময়ত তোমাৰ ওচৰত আগমন কৰিছে। মই আল্লাহৰ

ওপৰত মিছা ৰটনা কৰিছোঁ নে ? মিছা ৰটনাকাৰী সৰ্বদা বিফল আৰু ক্ষতিগ্ৰস্ত হয়। মই কাফিৰ সকলৰ সৈতে জিহাদ নকৰাৰ বাবে আৰু সিহঁতক তীক্ষ্ণ তৰোৱালেৰে হত্যা নকৰাৰ কাৰণে মোক বেয়া বুলি সাব্যস্ত কৰে। তোমালোকৰ কি হৈছে যে তোমালোকে সময়ৰ চাহিদাক বুজি নোপোৱা আৰু অযথা কথা সমূহৰ নিচিনা কথা পাতি থাকা। তোমালোকে আল্লাহৰ নৈকট্যত প্ৰথম শ্ৰেণীৰ কাফিৰ হোৱা, তোমালোকে আল্লাহৰ কিতাপ ত্যাগ কৰিছা আৰু অইন পথ অৱলম্বন কৰিছা। গতিকে হে যুদ্ধ মৃত্যুৰ ওপৰত সন্তুষ্টি হওঁতাসকল! যদি তোমালোকৰ ধাৰণা মতে জিহাদ অনিবাৰ্য, তেন্তে তোমালোকে নিজকে হত্যা হোৱাৰ বেছি যোগ্যতাপ্ৰাপ্ত হোৱা, এই কাৰণেই যে তোমালোকে আল্লাহৰ নবীক অমান্য কৰিছা আৰু তোমালোকৰ ওচৰত স্পষ্ট আল্লাহৰ কিতাপৰ কোনো দলিল মজুদ নাই। হে ধ্যান ধাৰণাৰ পূজাৰীসকল ! তোমালোকৰ ওচৰত ধৰ্মৰ কোনখন বস্তু অৱশিষ্ট ৰৈ গৈছে ? তোমালোকে পৃথিৱীত আৰু মৃত সকলৰ বাবে কি বস্তু এৰিছা ? অফিচাৰ সকলৰ সান্নিধ্য লভিবলৈ তোমালোকে প্ৰত্যেক ধৰণৰ উপায় অৱলম্বন কৰিছা আৰু নিজৰ প্ৰভুক পাহৰি গৈছা যিয়ে ভূমি আৰু ওখ আকাশ সৃষ্টি কৰিছে। তোমালোকে এক খোদাৰ প্ৰসন্নতা কেনেকৈ লাভ কৰিব পৰিবা ? কাৰণ তোমালোকে পাৰ্থিৱ জীৱনক ধৰ্মৰ ওপৰত প্ৰাধান্য দিছা আৰু তোমালোকৰ ভিতৰত ইছ্‌লামৰ বাহ্যিক চিহ্নাৱলীৰ বাহিৰে একোৱেই অৱশিষ্ট থকা নাই; আৰু তোমালোকে আল্লাহৰ আদেশ নিৰ্দেশ সমূহ পাহৰি গৈছা আৰু স্বয়ং নিজৰ হাতৰ দ্বাৰা ইছলাম আৰু সত্য ধৰ্মৰ স্তম্ভ পেলাই দিছা। বিনম্ৰতা, ধৰ্মৰ বাবে পাৰ্থিৱ জগতৰ পৰা পৃথকতা, আৰু নম্ৰতাৰ পথ ত্যাগ কৰিছা আৰু তোমালোকে লোক সকলৰ মাজত সন্মানপ্ৰাপ্ত হোৱাৰ ইচ্ছা কৰিছা আৰু তুমি এই দুনিয়াৰ বিষ পান কৰিছা আৰু লোভ-লালসা আৰু প্ৰবৃত্তিৰ ইচ্ছা, প্ৰদৰ্শনীয়তা তথা অহংকাৰৰ ফালে প্ৰেৰিত হোৱা বাদশ্বাহৰ নৈকট্য প্ৰাপ্ত আৰু তাৰ পৰা মৰ্যাদা লাভ কৰাত প্ৰসন্ন হোৱা। তোমালোকে ইহুদী সকলৰ অভ্যাসৰ পৰা কোনো

এটা অভ্যাসক এৰি দিয়া নাই; আৰু তোমালোকে সিহঁতৰ পৰিণাম দেখিছা। হে বুদ্ধিমান সকল ! তোমালোকে এনেকুৱা পৰিত্ৰতাৰ সৈতে কাফিৰৰ লগত যুদ্ধ কৰিবা; তোমালোকে প্ৰসন্ন নহ'বা নিঃসন্দেহ আল্লাহ তা'লাই সেয়া দৃষ্টিগোচৰ হৈ আছে । যদি আল্লাহৰ এয়াই উদ্দেশ্য আছিল যে তোমালোকে কাফিৰ সকলৰ সৈতে যুদ্ধ কৰিবা, তেন্তে সেইজনা নিশ্চয় তোমালোকক তাতকৈ অধিক প্ৰদান কৰিলে হয় আৰু তোমালোকে প্ৰত্যেক ব্যক্তিৰ ওপৰত বিজয় লাভ কৰিলা হয়; যিয়ে তোমালোকৰ সন্মুখত আহিলে হয় তোমালোকে তেওঁৰ সৈতে মোকাবিলা কৰিলা হয়। তোমালোকে দেখিবলৈ পোৱা যে খোদাৰ হিকমত অনুযায়ী সমূহ যুদ্ধৰ অভিজ্ঞতা কাফিৰ সকলক প্ৰদান কৰা হৈছে। এই কাৰণেই সিহঁতে সমুদ্ৰ আৰু ভূমিৰ ময়দানত তোমালোকৰ ওপৰত প্ৰাধান্য লাভ কৰে, সিহঁতৰ দৃষ্টিত তোমালোক কেৱল এক ক্ষুদ্ৰ কণাৰ নিচিনা। গতিকে এয়া তোমালোকৰ পক্ষে সম্ভৱ নহয় যে সেই বস্তুক যাক আল্লাই মুকলি কৰিছে সেয়া বন্ধ কৰিব পাৰা আৰু যাক সেইজনাই বন্ধ কৰিছে সেয়া মুকলি কৰিব পাৰা। গতিকে তোমালোকে আল্লাহৰ কৃপাৰে সেইজনাৰ দুৱাৰৰ মুখেদি সোমাই যোৱা; আৰু তোমালোকে সেই ব্যক্তিৰ নিচিনা নহ'বা যিজনে নিজৰ প্ৰভুক ক্ৰোধান্বিত কৰিছে; আৰু সেই ব্যক্তিৰ নিচিনাও নহ'বা যিয়ে আল্লাহৰ সৈতে যুদ্ধ কৰিছে আৰু সেইজনাক অমান্য কৰিছে। তোমালোকে এনেকুৱা মছীহৰ অপেক্ষা নকৰিবা যিজন আকাশৰ পৰা অৱতীৰ্ণ হ'ব আৰু সৃষ্টিজগতৰ মাজত তেজ বোৱাব আৰু তোমালোকক বিভিন্ন বিজয় লাভৰ মাধ্যমে যুদ্ধলব্ধ প্ৰদান কৰিব। তোমালোকে সেই লোক সকলৰ সাদৃশ্য অৱলম্বন কৰা যিসকলে তোমালোকৰ পূৰ্বে এই ধৰণৰ ধ্যান-ধাৰণাত নিপতিত আছিল। মোমিনৰ চিহ্ন এয়া যে সিহঁতে অইনৰ পৰা জ্ঞান অৰ্জন কৰে আৰু যি দেখা পায় তাৰ পৰা উপকাৰ হয়; আৰু সেই ঠাইত নাযায় য'ত কোনোবাৰ বিনাশ ঘটে। তোমালোকৰ বাবে এয়া যথেষ্ট নহয় নে যে আল্লাহ তা'লাই এই যুগত যাৰ অপেক্ষা কৰি থকা হৈছিল তোমালোকৰ মাজৰ পৰাই তোমালোকৰ

মছীহক প্ৰেৰণ কৰিছে আৰু তোমালোকে সেই গাঁতৰ এফালে থিয় হৈ আছিলা আল্লাই তোমালোকক তাৰ পৰা বচাব বিচাৰিছে আৰু নিজৰ মহান অনুগ্ৰহৰ দ্বাৰা তোমালোকক ধৰি ৰাখিছে। তুমি সেই কথাৰ ওপৰত চিন্তা-ভাৱনা নকৰা নে, কেনেকৈ নিদৰ্শন সমূহ অৱতীৰ্ণ হ'ল আৰু প্ৰমাণ একত্ৰিত কৰা হ'ল ? তোমালোকৰ চকুৰে আল্লাহৰ নিদৰ্শন সমূহক তুচ্ছ বুলি ভাৱে নে, বা সত্য অহাৰ পিছত তাৰ পৰা বিমুখ হৈ আছা ? তোমালোকে এই কথাৰ ওপৰত আশ্চৰ্য হোৱা নে যে তোমালোকৰ মাজত তোমালোকৰ মাজৰ পৰাই এজন সতৰ্ককাৰী আগমন কৰিছে আৰু তোমালোকে তেখেতক অস্বীকাৰ কৰিছা আৰু নিজৰ মহান শ্ৰেষ্ঠ খোদাই সেই লোক সকলৰ হৃদয়ত এই আচৰণ জাৰি কৰি দিছে ? সিহঁতে হতভগা অৱলম্বন কৰিছে। তোমালোকৰ ৰায় আগমনকাৰী ইমাম সম্বন্ধে ভ্ৰমিত হৈছে আৰু তোমালোকে ধাৰণা কৰিছা যে তেখেত ইহুদী সকলৰ মাজৰ পৰা আগমন ঘটিব। সিহঁতে বিশ্বাস নকৰিলে যে তেওঁ তোমালোকৰ মাজৰ পৰাই আগমন হ'ব। এই অন্ধকাৰে তোমালোকক ধ্বংস কৰিছে আৰু এইদৰেই তোমালোকৰ পূৰ্বৰ দল সমূহ ধ্বংস হৈছে। তেখেতৰ সংবাদ তোমালোকৰ ওচৰলৈ আহিছে, কিন্তু তোমালোকে সেয়া পাহৰি গ'লা আৰু তোমালোকে সেইসকলৰ পথত পৰিচালিত হ'ব ধৰিলা যিসকল অন্ধকাৰত নিপতিত। যেতিয়াই হিদায়ৎ সিহঁতৰ ওচৰলৈ এক নতুন আকাৰে আহিছে তেতিয়া লোক সকলৰ বাবে সেয়া বিশ্বাস স্থাপন কৰাৰ বাবে কোনো নিষেধাজ্ঞা নাছিল, কিন্তু সিহঁতে কয় যে আমাৰ পূৰ্বপুৰুষ সকলৰ পৰা যি কথা সমূহ আমালৈ আহি পাইছে সেই গোটেইবোৰ কথা আমি তেখেতৰ মাজত দেখিবলৈ নাপাওঁ। এই কাৰণে আমি কেৱল সেই ব্যক্তিৰ ওপৰত বিশ্বাস স্থাপন কৰিম, যিয়ে সেই খবৰ (পূৰ্বপুৰুষসকলৰ কথা) লৈ আহিব আৰু যি সিহঁতে আমাক প্ৰদান কৰিছে; আৰু আমি নতুন কথা পাতোতা সকলৰ অনুসৰণ নকৰিম। পূৰ্বৰ আৰু পৰৱৰ্তী সকলৰ এয়াই অভ্যাস আছিল। সেই সকল লোকে পৰস্পৰে পৰস্পৰৰ সৈতে এনেকুৱা

কাৰ্যকলাপ অৱলম্বন কৰাৰ অচিয়ত কৰিছিল নে? নহয়, সিহঁত এনেকুৱা লোক যিসকলে ৰছুল সকলৰ ওপৰত বিশ্বাস স্থাপন নকৰে; আৰু যেতিয়া সিহঁতক কোৱা হয় যে যাক আল্লাই প্ৰেৰণ কৰিছে সেই ব্যক্তিৰ ওপৰত বিশ্বাস স্থাপন কৰা আৰু সেই শিক্ষাৰ ওপৰতো বিশ্বাস স্থাপন কৰা যি খোদা তা'লাই অৱতীৰ্ণ কৰিছে। তেতিয়া সিহঁতে কয়, আমি তেওঁৰ ওপৰত বিশ্বাস স্থাপন কৰিম নে যিয়ে আমাৰ আলিম সকলৰ বিৰোধীতা কৰি থাকিছে? অথচ সিহঁতৰ আলিম সকল ভুল পথত আছিল। বাস্তৱতে সিহঁত এনেকুৱা লোক হয় যিসকলে পাৰ্থিৱ জগতত সন্তুষ্ট হৈছে আৰু আখিৰতৰ প্ৰতি ভয় নকৰে। সিহঁতে কয় যে তুমি খোদা নোহোৱা, কিন্তু যিদিনা এই অত্যাচাৰীক আল্লাহৰ ফালে ওভতাই লোৱা হ'ব, তেতিয়া সিহঁতে জানিব পাৰিব যে অত্যাচাৰী সকলৰ পৰিণাম কেনে নিকৃষ্ট। সিহঁতে এয়াও কয় যে এই কথা সমূহ সাজি উলিওৱা। এয়া কদাপি নহয়, বৰঞ্চ সিহঁতৰ বেয়া কৰ্মই সিহঁতৰ হৃদয়খনক মামৰ লগাই দিছে যাৰ ফলত সিহঁতে বিৰুদ্ধবাদীতাত আগবাঢ়িয়েই গৈ থাকিল। সিহঁত গভীৰ দৃষ্টিৰে দেখোঁতা নহয়। বাস্তৱতে সিহঁতৰ চিকিৎসা এয়াই যে সিহঁতে ৰাতিৰ সময়ত নামাজৰ বাবে উঠক আৰু নিজৰ কোঠালিতেই অকলশৰীয়া হৈ যাওঁক, আৰু দুৱাৰখন বন্ধ কৰি লওঁক আৰু অশ্ৰু নিৰ্গত কৰক, আৰু নিজৰ মুক্তিৰ বাবে ব্যাকুল হৈ যাওঁক আৰু বিনম্ৰতা অৱলম্বনকাৰী সকলৰ নিচিনা আৰু নামাজত ক্ৰন্দনকাৰী সকলৰ নিচিনা সাষ্টাঙ্গে প্ৰণিপাত কৰক, সম্ভৱত খোদা তা'লা সিহঁতৰ ওপৰত কৃপা বৰ্ষিত কৰিব; কাৰণ সেইজনা কৃপালু। এই ধৰণৰ অৱস্থা সিহঁতৰ কেনেকৈ লাভ হ'ব পাৰে, সিহঁতে খোদা ভীতি আৰু ক্ৰন্দনৰ পৰিৱৰ্তে হাঁহি-বিদ্ৰূপ কৰিব ধৰে আৰু কঠোৰ বিৰোধীতা কৰে। সিহঁতক দূৰৰ পৰা আহ্বান কৰা হয় আৰু সেই আহ্বানৰ এটা শব্দও সিহঁতৰ কৰ্ণলৈ সংঘৰ্ষ নহয়। সিহঁতে সেই সমূহ বিপদ নেদেখে নে যি উম্মতৰ ওপৰত আহিছে আৰু সেই ক্ষত-বিক্ষত যি ধৰ্মৰ খাতিৰে কাফিৰ সকলৰ হাতৰ দ্বাৰা হৈছে? সেই দিনবোৰত ইছলামৰ অৱস্থা

সেই ব্যক্তিৰ নিচিনা যি সকলো পুৰুষ সকলতকৈ অধিক সুন্দৰ, শক্তিশালী, সৌন্দৰ্য্যবান আছিল। আকৌ যুগৰ পৰিৱৰ্তনে বহুত ক্রন্দনৰ ফলত তেওঁৰ চকুক দুৰ্বল কৰি পেলালে আৰু সিহঁতৰ গালৰ ওপৰত দাগ পৰিলে আৰু দাঁত অধিক হালধীয়া, তথা দাঁতখনক দেখাত কুৎচিত হোৱাৰ বাবে দাঁতৰ বগা সমাপ্ত কৰি পেলালে। সেই কাৰণে আল্লাই ইচ্ছা কৰিলে যে সেইজনাই এইদৰে নিজৰ কৃপা বৰ্ষিত কৰি ইছলামৰ সৌন্দৰ্য্যতা আৰু জেউতি সিহঁতৰ ওচৰলৈ আকৌ ওভতি আনে। লোক সকলৰ মাজত বিশুদ্ধতাৰ আত্মা বৈ থকা নাছিল, আৰু পুণ্যবান আৰু সততা নাছিল, আৰু আল্লাহ তা'লাৰ প্ৰতি ভালপোৱাও নাছিল। সিহঁতে খৰ-ধৰ কৰিলে, আৰু নাস্তিক সকলৰ নিচিনা হৈ গ'ল। সিহঁতৰ ইছলাম কেৱল প্ৰথা হিচাপে বৈ গ'ল, যাক সিহঁতে আধ্যাত্মিক দৃষ্টি, সত্য আৰু আকাশৰ পৰা অৱতীৰ্ণ হোৱা প্ৰশান্তিৰ পৰিৱৰ্তে নিজৰ পুৰ্বপুৰুষ সকলৰ পদাঙ্ক অনুসৰণ কৰিলে।

অৰ্থাৎ মোৰ প্ৰভুৱে মোক প্ৰেৰণ কৰিছে যাতে সেইজনাৰ অস্তিত্বৰ ওপৰত মোক দলিল হিচাপে স্থিৰ কৰে আৰু মোক এখন প্ৰশান্তিমূলক বাগিছাৰ ফুল বনালে। মোৰ আগমন হ'ল আৰু মোৰ জৰিয়তে সেইজনাৰ (খোদাৰ) পথ প্ৰকাশ হৈ গ'ল আৰু সেইজনাৰ মাৰ্গদৰ্শন স্পষ্ট হৈ গ'ল আৰু মোক সেই অদৃশ্যৰ বিষয়ে জ্ঞান প্ৰাপ্ত কৰা হ'ল আৰু মই তেওঁৰ ঘাটত প্ৰৱেশ কৰিলোঁ। নিঃসন্দেহ আকাশ আৰু পৃথিৱী বন্ধ আছিল, মোৰ আগমন হোৱাৰ পিছত ইয়াক মুকলি কৰা হ'ল আৰু বিদ্যাৰ্থীসকলক মোৰ শিক্ষাৰ দ্বাৰা জ্ঞান প্ৰদান কৰা হ'ল। গতিকে মই হিদায়তত প্ৰৱেশ কৰাৰ দুৱাৰ হওঁ, আৰু মই সেই জেউতি যিয়ে পথ প্ৰদৰ্শন কৰে। মই ৰহমানৰ সকলোতকৈ ডাঙৰ অনুগ্ৰহৰ এক অনুগ্ৰহ; আৰু প্ৰদান কৰোঁতা মহান খোদাৰ তৰফৰ পৰা নিয়ামত হওঁ। মোক ধৰ্মৰ বাহ্যিক আৰু আভ্যন্তৰীণ জ্ঞান প্ৰদান কৰা হৈছে আৰু মোক **صُحُفِ مُطهره** আৰু যি তাতে আছে সেই জ্ঞান প্ৰদান কৰা হৈছে। সেই ব্যক্তিতকৈ অধিক দুৰ্ভাগ্য আন কোনোবা নাই, যিয়ে মোৰ স্থানৰ

বিষয়ে অবিদিত আৰু মোৰ নিমন্ত্ৰণ তথা মোৰ ভোজনৰ পৰা বিমুখ হয়। মই স্বকীয় অহা নাই, বৰং মোৰ খোদাই মোক প্ৰেৰণ কৰিছে যাতে মই ইছ্লামৰ সুৰক্ষা কৰো আৰু তাৰ বিষয়াৱলী আৰু আদেশ সমূহ নিৰীক্ষণ কৰো। মোক সেই সময়ত অৱতৰণ কৰা হৈছে, যেতিয়া চিন্তা-ভাৱনাৰ সমাপ্ত ঘটিছিল, ইচ্ছাসমূহ বিচ্ছিন্ন হৈ পৰিছিল, অন্ধকাৰক অৱলোকন কৰিছিল আৰু পোহৰক ত্যাগ কৰিছিল। তুমি আসনপ্ৰাপ্তকাৰী তথা আলিম সকলক উদং দেহ ব্যক্তিৰ নিচিনা দেখিবলৈ পাবা। সিহঁতৰ ওচৰত কোৰাণৰ এক বাকলি আৰু ফুৰকানৰ এটা সূক্ষ্ম সূতাতকৈ অধিক একোৱেই নাই। সিহঁতৰ গাখীৰ শুস্ক হৈ গৈছে আৰু সিহঁতৰ মূল্যবান মুকুতা বিনষ্ট হৈ গৈছে। সিহঁতৰ অজ্ঞতা, দুষ্টতা, দুৰ্গন্ধ আৰু অহংকাৰৰ আধিক্যই মোক আশ্চৰ্য্য কৰে। ইহঁতে সত্যক গালি-শপনি দি আৰু মিছা সাব্যস্ত কৰি ডাঙৰ ডাঙৰ অভিযোগ আৰোপিত কৰি কষ্ট দিয়ে আৰু ধাৰণা কৰে যে সেই কষ্টৰ প্ৰতিদান জান্নাত। অৰ্থাৎ সেই সত্যবাদী সিহঁতৰ ফালে এই কাৰণেই আহিছিল যাতে তেখেতে সিহঁতক খান্নাছ (অসৎ কুমন্ত্ৰণা)ৰ পৰা বচাব পাৰে আৰু লোক সকলক অচেতনৰ পৰা সজাগ কৰিব পাৰে। তেওঁলোক পদৰ লোভ-লালসাত বহি আছে, তথা হিচাপ-নিকাচ লওঁতাক এৰি আছে। ৰহিম খোদাৰ তৰফৰ পৰা প্ৰেৰণ হোৱা জনৰ পৰা বিমুখ হৈ আছে, অথচ তেখেত সিহঁতৰ ওচৰত খোদাৰ ফালৰ পৰা আহিছে আৰু তেখেতে এনেদৰে আহিছে যিদৰে সহানুভূতিৰ বাবে কোনোবাই ৰোগীৰ ওচৰলৈ আহে। সিহঁতে সত্যবাদীজনৰ ওপৰত অভিসম্পাত দিয়ে, এয়া সেই প্ৰতিদান যি সিহঁতে সেই সহানুভূতি কৰোঁতাক দি আছে। সিহঁতে বিচাৰে যে বাদশ্বাহ সকলৰ নিচিনা ডাঙৰ ডাঙৰ পদৰ দ্বাৰা সিহঁতক সন্মানিত কৰা হওঁক, অৰ্থাৎ সিহঁতক এই আদেশ দিয়া হৈছিল যে সিহঁতে এই পাৰ্থিৱ জগতৰ সম্পৰ্কক ত্যাগ কৰক আৰু জ্যোতিৰ্ময় ধৰ্মৰ পথত বাধা হৈ থিয় নহওঁক। সিহঁতে প্ৰবৃত্তিৰ ইচ্ছাৰ প্ৰতি ময়ূৰৰ নিচিনা দ্ৰুত গতিত দৌৰি যায় আৰু সেই প্ৰবৃত্তিৰ তৃপ্তিক সিহঁতে নিজৰ ঘৰ বনাই লৈছে। সিহঁতক এই

আদেশ দিয়া হৈছিল যে সিহঁতে দুনিয়াত মুছাফিৰৰ নিচিনা জীৱন অতিবাহিত কৰিব, এজন দৰিদ্ৰৰ নিচিনা জীৱন অতিবাহিত কৰিব; কিন্তু তোমালোকে সিহঁতক দেখিবলৈ পোৱা যে সিহঁতে শাসনকৰ্তাৰ চৰণত সন্মান বিচাৰে। কিন্তু প্ৰকৃত সন্মান খোদাৰ পৰা লাভ হয়। যেতিয়া আমি লোক সকলক ৰহমানৰ দিন (আল্লাহৰ অনুগ্ৰহ আৰু শাস্তিৰ দিন) স্মৰণ কৰাওঁ আৰু সিহঁতক চয়তানৰ পৰা আল্লাহৰ ফালে অৱনমিত হোৱাৰ ফালে মনোযোগ আকৰ্ষণ কৰোৱা হয় তেতিয়া হঠাতে দেখিবলৈ পাওঁ, সিহঁতে চিতাৰ নিচিনা আমাৰ ওপৰত আক্ৰমণ চলায় আৰু সাপৰ নিচিনা থু পেলাই আমাক ভীতিগ্ৰস্ত কৰে। তেওঁলোকে কেতিয়াও আমাৰ সভাত শুদ্ধ নিয়তেৰে আৰু সত্যৰ সৈতে নাহে। সিহঁতে অপৱিত্ৰ বিদ্বানৰ অভিযোগৰ নিচিনা অভিযোগ কৰে। আমি নেজানো যে সিহঁতৰ কি অৱস্থা আৰু কোন বস্তুৱে সিহঁতক প্ৰজ্জ্বলিত হোৱা অগ্নি সহ্য কৰিবলৈ শক্তি দিছে ? সিহঁতে পাৰ্থিৱ জগতত নিপতিত আৰু সিহঁতৰ হৃদয়ত পাৰ্থিৱ জগতৰ প্ৰতি প্ৰেম ভৰি আছে। ধৰ্মৰ সৈতে সিহঁতৰ সম্পৰ্ক একেবাৰে কম। সিহঁতে غَيْرِالْمَغْضُوْبِ عَلَيْهِمْ পঢ়ে, কিন্তু ৰহমান (খোদাৰ) ক্ৰোধৰ বাটত পৰিচালিত হয়; অৰ্থাৎ সিহঁতে এই শপত লৈছে যে সিহঁতে প্ৰতিদান দিওঁতা খোদাৰ তৰফৰ পৰা আগমনকাৰী জনৰ অনুকৰণ নকৰিব আৰু মই সিহঁতৰ ওচৰত অহা সত্যৰ অস্বীকাৰ কৰাত পৰিতাপ কৰো আৰু সিহঁতে অন্ধৰ কাৰণে মোক কাফিৰ সাব্যস্ত কৰে। পৰিতাপ ! এয়া কেনে ধৰণৰ জ্ঞান ? আল্লাহ সিদ্ধান্তকাৰী, আৰু সেইজনাই মোৰ দুঃখ আৰু কষ্টৰ বিষয়ে ভালদৰে অৱগত। সিহঁতে নিজৰ প্ৰভুৰ পৰা মোৰ বিনাশ হোৱাৰ দোৱা কৰে আৰু যি মোৰ হৃদয়ত আছে সেয়া সিহঁতে নাজানে, সিহঁত অন্ধ উটৰ ভৰি মৰাৰ নিচিনা। অৰ্থাৎ সিহঁতে মোৰ কাৰণে যি বিপদ-আপদ বিচাৰে সেয়া সিহঁতলৈয়ে ওভতি যাব। সিহঁতৰ দোৱা এনে এক পৱিত্ৰ বৃক্ষৰ মোকাবিলাত গৃহীত হ'ব পাৰে নে, যি ৰহমান (খোদাৰ) হাতৰ দ্বাৰা ৰোপন কৰা হৈছে, যাতে প্ৰত্যেক চৰাই-চিৰিকা যিয়ে আশ্ৰয় বিচাৰে

আৰু এক ভোকাতুৰৰ নিচিনা ফল বিচাৰে আৰু চয়তানৰ চিকাৰৰ পৰা সুৰক্ষা বিচাৰে তাত শৰণ ল'ব পাৰে। সিহঁতে কোৰাণৰ ওপৰত বিশ্বাস স্থাপন কৰে নে ? কদাপি নহয় ! সিহঁতে এনেকুৱা লোক যিসকলে দুনিয়াৰ সতেজতা আৰু সৌন্দর্যতাৰ ওপৰত সন্তুষ্ট হৈছে, আৰু দুনিয়াৰ প্ৰতি দ্ৰুত গতিত আগবাঢ়ি আছে। সেই অজগৰৰ পৰা যি বিপদ সিহঁতৰ ওপৰত আহিব তাৰ পৰা সতৰ্কহীন হৈ আছে। সিহঁতে পাৰ্থিৱ ইচ্ছা লাভ কৰাৰ বাবে প্ৰসন্ন, আৰু দুনিয়াৰ বৰ্ণনা সিহঁতে অহংকাৰ তথা গৰ্বৰ সৈতে কৰি থাকে। কিন্তু জীৱনৰ অন্ত হোৱাত আৰু পৰকালৰ পদৰ পৰা বঞ্চিত হোৱাতো সিহঁতে কোনো ধৰণৰ অনুতাপ নকৰে। নিঃসন্দেহ পাৰ্থিৱ জগত অভিশপ্ত আৰু যি সিহঁতৰ মাজত আছে সেয়াও অভিশপ্ত। সিহঁতৰ বাহ্যিক ৰূপ মধুৰ আৰু অন্তৰৰ ভাগ বিষাক্ত।

অৰ্থাৎ পৰিতাপ সেই লোকসকলৰ ওপৰত যিসকলে সতেজ খেজুৰৰ পৰিৱৰ্তে ইন্ধনৰ কাঠ ক্ৰয় কৰে। সিহঁতে সেইবোৰ কথা নিজৰ ঘৰতে পাহৰি যায় যিবোৰ কথা সিহঁতে ভাষণত পঢ়িছিল আৰু সেইবোৰ কথা কয় যিবোৰ সিহঁতে নিজে নকৰে। যি লোক সকলক শিক্ষা প্ৰদান কৰে সেই শিক্ষা সিহঁতৰ নিজৰ কাৰ্যকলাপত নাথাকে। সিহঁতে এনেকুৱা পথৰ ফালে পথ প্ৰদৰ্শন কৰে যাৰ ওপৰত সিহঁতে নিজে পৰিচালিত নহয়; আৰু এনেকুৱা পথৰ প্ৰতি পথ প্ৰদৰ্শন কৰে যাক সিহঁতে নিজেই নাজানে। সত্যক প্ৰাধান্য দিয়াৰ বাবে উপদেশ কৰে, কিন্তু সিহঁতে নিজেই সেইবোৰক প্ৰাধান্য নিদিয়ে। সিহঁতে পাৰ্থিৱ জগতৰ ফালে এনেকুৱা ভাৱে আকৰ্ষিত হয়, যেনেকুৱা কুকুৰে মৃতৰ প্ৰতি। নিজৰ দুষ্ট প্ৰবৃত্তিৰ ইচ্ছাৰ ওপৰত পৰিচালিত হয়। সিহঁতৰ প্ৰশংসা সেই কামৰ ওপৰত কৰা হয় যি কাম সিহঁতে কৰাই নাই। সিহঁতৰ ইচ্ছা হয় যে সিহঁতক আবদাল (ওলীউল্লাহ), খোদাভীতি আৰু পৱিত্ৰতাৰ অন্তৰ্ভুক্ত কৰা হওঁক। কিন্তু দুনিয়াক ধৰ্মৰ সৈতে একত্ৰিত কৰিব পৰা নাযায় আৰু ফিৰিস্তাক চয়তানৰ সৈতে।

শেষ উপদেশ যি মই বিৰুদ্ধবাদী সকলক কৰিব বিচাৰো যে মই অস্বীকাৰকাৰীক নিমন্ত্ৰণ কৰাৰ বাবে যি ইচ্ছা কৰিছোঁ, সেয়া এই কামৰ প্ৰকাশ যে যাৰ মাধ্যমে আল্লাহ তা'লাই ইয়াৰ পূৰ্বে ইহুদী সকলক পৰীক্ষাত পেলাইছিল, পিছত সিহঁতে দিশসাৰা হৈ গৈছিল; আৰু সিহঁতৰ হৃদয়খনক ক'লা কৰি পেলাইছিল। কাৰণ আল্লাই সিহঁতৰ সৈতে ইলিয়াছক আকাশৰ পৰা প্ৰেৰণ কৰাৰ প্ৰতিশ্ৰুতি দিছিল, কিন্তু তেখেত সিহঁতৰ ওচৰলৈ ঈছাৰ পূৰ্বে আগমন হোৱা নাছিল, পিছত সিহঁতে এই পৰীক্ষাৰ কাৰণে ঈছাক মিছলীয়া বুলি সাব্যস্ত কৰিলে। যদি আমি ফৰজ কৰি লওঁ যে আকাশৰ পৰা অৱতৰণ কৰাৰ সঠিক অৰ্থ অৱতৰণেই হয়, তেন্তে এই ক্ষেত্ৰত ঈছা মিছলীয়া বুলি সাব্যস্ত হ'ব। আমি এই আৰোপৰ পৰা আল্লাহৰ পৰা আশ্ৰয় বিচাৰো। গতিকে মোৰ পৰিতাপ হয় যে আলিমসকলৰ মাজৰ পৰা আমাৰ শত্ৰুৱে ইহুদী সকলৰ নিচিনা পদ্ধতি কিয় অৱলম্বন কৰে? সিহঁতে এই (ইহুদী) জাতিৰ কাহিনী আৰু অতি প্ৰেম কৰোঁতা খোদাৰ ক্ৰোধক যাক খোদাই সিহঁতৰ ওপৰত অৱতীৰ্ণ কৰিছিল কেনেকৈ পাহৰি গ'ল? সিহঁতে বিচাৰে নে যে সিহঁতৰ ওপৰত মোৰ মুখৰ পৰা সেই প্ৰকাৰ অভিশাপ কৰা হওঁক যি ধৰণে ঈছাৰ মুখৰ পৰা ইহুদীসকলৰ ওপৰত অভিশাপ কৰা হৈছিল? সিহঁতৰ ওচৰত ঈছাৰ অৱতৰণ কৰা বাস্তৱ ৰূপত অনিবাৰ্য হয় নে? অৰ্থাৎ ইলিয়াছৰ অতীতত অৱতৰণ হোৱা অনিবাৰ্য নাছিল। এয়া এক ডাঙৰ তুচ্ছ বিভাজন হয়।

সিহঁতে কোৰাণ পঢ়া নাই নে যে কেনেকৈ সেইজনাই আমাৰ নবী কৰিম (ছাঃ)ৰ প্ৰতি বৃত্তান্ত ৰূপত কৈছে, হে মহম্মদ (ছাঃ) ! তুমি কৈ দিয়া মোৰ প্ৰভু পৱিত্ৰ, মই কেৱল এজন ৰছুল হিচাপে প্ৰেৰণ হৈছো। তোমালোকৰ ধাৰণা যে ঈছা কোনো মানৱ নাছিল, আৰু তেওঁ আকাশলৈ উঠি গ'ল আৰু আমাৰ নবী কৰিম (ছাঃ)ক নিষেধ কৰি দিয়া হ'ল। প্ৰত্যেক সেই ব্যক্তি যিয়ে মছীহৰ অৱতৰণ হোৱা আৰু ইলিয়াছৰ অৱতৰণ হোৱাৰ সংবাদৰ তুলনা

কৰিব তেতিয়া তেওঁৰ বাবে এই কথাত কোনো সন্দেহ আৰু শংকা নাথাকিব যে দুয়োটা ভৱিষ্যদ্বাণীৰ অৰ্থ একেই। আহলে কিতাপক (ইহুদী সকলক) সুধি চোৱা, ইলিয়াছক মছীহৰ যুগত অৱতৰণ কৰা হৈছিল নে? আল্লাহৰ প্ৰতি ভয় কৰা ! মিছাৰ ওপৰত অটল নাথাকিবা। আল্লাহৰ ছুন্নতত কেতিয়াও ভিন্নতা নাহে, গতিকে অৰ্থ সুস্পষ্ট; ইয়াত কোনো মতভেদ নাই। আদমৰ পৰা আজিলৈকে কোনো ব্যক্তি আকাশৰ পৰা অৱতীৰ্ণ হোৱা নাই। সন্দেহ আৰু মিছাৰ শংকাক আঁতৰ কৰাৰ বাবে ইলিয়াছৰ অৱতৰণ অতি জৰুৰী আছিল, তথাপি তেওঁৰ অৱতৰণ নহ'ল। যদি আমি এই অৱতৰণ আৰু সেই অৱতৰণৰ মাজত পাৰ্থক্য কৰো, আৰু এটা স্থানত ৰূপক হিচাপে মান্যতা অৱলম্বন কৰিছে আৰু আন স্থানত ৰূপকৰ অস্বীকাৰীতাৰ পথ অৱলম্বন কৰিছে; এয়া এক এনেকুৱা অত্যাচাৰ, যাৰ ওপৰত কোনো সঠিক জ্ঞান থকা জনে একমত নহ'ব; আৰু ন্যায়পৰায়ণ স্বভাৱৰ ব্যক্তিয়ে ইয়াৰ সত্যায়ন নকৰিব। এই কথা আল্লাহৰ ফালৰ পৰা কেনেকৈ ক'ব পৰা যাব যে সেইজনাই মানুহক বিভিন্ন কাৰ্যাৱলীৰ দ্বাৰা পথভ্ৰষ্ট কৰিছে আৰু এটা স্থানত এটা পদ্ধতি অৱলম্বন কৰিছে আৰু আন স্থানত অইন পদ্ধতি। যদি তোমালোকে সত্যৰ অভিলাষী হোৱা তেন্তে ভালদৰে বিচাৰ কৰা। যদি তোমালোকে শত্ৰু হোৱা তেন্তে মোৰ ধাৰণা যে তোমালোকে বিবেক-বুদ্ধিৰে কাম নল'বা, তোমালোকৰ কি হৈছে যে তুমি বিনা জ্ঞানেৰে খোদা আৰু তাৰ ৰছুলৰ সন্মুখত গৌৰৱৰ সৈতে কথা পতা, তোমালোকৰ ওচৰত সুস্পষ্ট কোনো বিশ্বাস মজুদ আছে নে? এয়া খোদাভীতিৰ পদ্ধতি হয় নে? যদি তোমালোকে খোদাৰ প্ৰতি ভয় কৰা তেন্তে পৰাজয় তোমালোকৰ বাবে বেছি উত্তম সেই বিজয়ৰ তুলনাত যি তোমালোকে ইচ্ছা কৰা। তোমালোকৰ ওচৰত স্বল্প ৰিৱায়ত (ঐতিহ্য)ৰ বাহিৰে যাৰ ওপৰত আল্লাহ আৰু তাৰ ৰছুলৰ মোহৰ সত্যায়ন প্ৰতীয়মান নকৰে তাৰ বাহিৰে একোৱেই নাই। এইবোৰ কেৱল এনেকুৱা পৃষ্ঠা যি হজৰত মহম্মদ (ছাঃ)ৰ কেইবা শতাব্দী পিছত লিপিবদ্ধ কৰা হৈছে। গতিকে আমি এই

কাহিনীৰ ওপৰত বিশ্বাস স্থাপন নকৰো যি আমাৰ খোদা তা'লাৰ কিতাপৰ কাহিনীৰ সৈতে মিল নাখায়, ইয়াৰ পূৰ্বে ইহুদী সকলে এনেকুৱা আকিদাৰ ফলত পথ ভ্ৰষ্ট হৈছিল, সেই কাৰণে তোমালোকে সিহঁতৰ খোজত খোজ নেপেলাবা, আৰু সিহঁতৰ ইচ্ছাৰ পথ অনুসৰণ নকৰিবা। সেই আল্লাহৰ শাস্তিক ভয় কৰা যি তোমালোকৰ ওপৰত অৱতীৰ্ণ হয়, আৰু যিসকলৰ ওপৰত আল্লাহৰ শাস্তি অৱতীৰ্ণ হয় নিশ্চয় সিহঁত ধ্বংস হ'ব।

ইয়াত কোনো সন্দেহ নাই যে ইহুদীসকলৰ মাজত খোদাৰ সন্মানিত কিতাপ মজুদ আছিল আৰু সিহঁতৰ নিজৰ ধাৰণা অনুযায়ী সিহঁতে সেই গ্ৰন্থৰ অনুকৰণ কৰিছিল। সিহঁতে সেই আয়াত সমূহৰ যি ব্যাখ্যা বুজিছিল সেই অনুসাৰে অনুসৰণ কৰিছিল যে বিনা কোনো ৰূপক বাহ্যিক অৰ্থৰ পৰা আল্লাহৰ আয়াতৰ পৰা বিমুখ নহ'ম। অৰ্থাৎ সিহঁতে নিজৰ বাবে এক অজুহাত ৰটনা কৰিলে যি স্পষ্ট ভাৱে তোমালোকৰ অজুহাততকৈ অধিক উত্তম। সিহঁতে যি কিছু প্ৰাপ্ত কৰিছে, সেই সমূহ আল্লাহৰ কিতাপত বিস্তাৰিত ভাৱে মজুদ পাইছে আৰু তোমালোকৰ ওচৰত কোনো কিতাপ নাই, বৰং আল্লাহৰ কিতাপে বিৰোধীতা কৰাৰ কাৰণে তোমালোকক মিছলীয়া সাব্যস্ত কৰি আছে আৰু তোমালোকৰ মুখত থাপ্পৰ মাৰি আছে। এই কাৰণে তুমি আল্লাহৰ কিতাপক ত্যাগ কৰা বস্তু বুলি ভাৰি আছা আৰু দুৰ্ভাগ্যৰ পথ অৱলম্বন কৰি আল্লাহৰ কিতাপক নিজৰ পিছফালে দলিয়াই আছা। ইহুদীসকলে নিজৰ কিতাপক পিছফালে এৰি দিয়া নাছিল আৰু সিহঁতে নিজৰ লিখনীত কোনো মনেগঢ়া কথা লিখা নাছিল। এই কাৰণেই ঈছা সিহঁতৰ কথাৰ সত্যায়ন কৰিলে এয়া প্ৰথম কথন হোৱা সত্ত্বেও, তাক সন্মান কৰিলে আৰু কলে অৱতৰণকাৰীৰ আগমন ঘটিছে আৰু সেইজন ইয়াহিয়া হয়। কিন্তু তুমি সেই কথন স্বীকাৰ কৰি আছা যিআল্লাহৰ কিতাপৰ পৰিপন্থী। নিশ্চত ভাৱে তোমালোকে মৰ্যাদাৰ ক্ষেত্ৰত ইহুদীতকৈয়ো নিকৃষ্ট। এই কাহিনীৰ পৰা কম পক্ষে উপকাৰতো হ'ব পাৰিবা। সেয়া চৰিত্ৰৰ ক্ষেত্ৰত আল্লাহৰ ছুন্নতৰ সত্যতা

হয়। তোমালোকৰ কি হৈছে যে তুমি খোদাৰ প্ৰতি ভয় নকৰা ? ছুন্নাতুল্লাহৰ (আল্লাহৰ ছুন্নতৰ) মাজত কোনো পৰিৱৰ্তন দেখিবলৈ পাই আছা নে ? তোমালোকৰ কি হৈছে যে নিজৰ কোঠালিত গৈ ক্ৰন্দন নকৰা আৰু বেছি বেছি আল্লাহৰ স্মৰণ নকৰা ? যাতে আল্লাহ তোমালোকৰ ওপৰত দয়া কৰে আৰু পথ প্ৰদৰ্শন কৰে। আল্লাহ নিশ্চয় মোৰ আৰু তোমালোকৰ মাজত সিদ্ধান্ত কৰিব। গতিকে এই বিষয়ে ততাতৈয়া নকৰিবা আৰু ধৈৰ্যৰ মাধ্যমে কাম কৰা। হে লোক সকল ! তোমালোকৰ কি হৈছে যে খোদা ভীতিৰ সৈতে কাম নকৰা, আৰু নিজৰ আভ্যন্তৰীণ ৰোগৰ চিকিৎসা নকৰা ? তোমালোকে ভাৱানে যে মই আল্লাহৰ ওপৰত মিছা ৰটনা কৰি আছো ? তোমালোকে সেই শাস্তিৰ দিনৰ প্ৰতি ভয় নকৰা নে ?

নিশ্চিত ভাৱে যি লোক সকলে আল্লাহৰ ওপৰত মিছা ৰটনা কৰে সিহঁতৰ পৰিণাম ভাল নহ'ব। আল্লাহ সিহঁতৰ শত্ৰু হৈ যাব আৰু সিহঁতক টুকুৰা টুকুৰ কৰি দিয়া হ'ব আৰু অনতি পলমে সিহঁতৰ দেহৰ সমাপ্ত ঘটিব। তাৰ পিছত সিহঁতৰ কথাৰ উল্লেখ অতি কম শুনিবলৈ পাবা। হয়, যিজন সত্য আৰু নিজৰ প্ৰভুৰ তৰফৰ পৰা আগমন কৰিছে এনেকুৰা লোক সকলক কোনে বিনাশ ঘটাব পাৰে আৰু অৱমাননা কৰিব পাৰে ? সেইজনৰ প্ৰভু পুৱা দুপৰ্, গধূলিৰ সময়ত সেইজনৰ লগতেই থাকে। সেইসকল লোক যিসকলে আল্লাহ আৰু ৰছুলক মিছলীয়া বুলি সাব্যস্ত কৰে আৰু সেই ভৃত্যৰ সৈতে শত্ৰুতা ৰাখে যাক আল্লাই নিজৰ প্ৰিয় বনাই লৈছে; এনেকুৰা লোক সকলৰ বাবে পৰকালত অগ্নি আছে, সিহঁতে ঘন ছাঁ নাপাব, আৰু যেতিয়া সিহঁতে জাহান্নামত প্ৰৱেশ কৰিব তেতিয়া ক'ব যে আমাৰ কি হৈছে যে আমাৰ ইয়াত সেইসকল লোক দেখিবলৈ পোৱা নাযায়, যিসকলে আমাক দুষ্ট দলৰ সৈতে অন্তৰ্ভুক্ত কৰিছিল। সিহঁতৰ ওপৰত সত্য সুস্পষ্ট ৰূপে মুকলি কৰি দিয়া হ'ব।

আমি আকৌ প্ৰথম কথাৰ ফালে ওভতি যাওঁ আৰু কওঁ যে ইলিয়াছৰ

অৱতৰণৰ কাহিনী আৰু ঈছা (আঃ)ৰ আকাশৰ পৰা অৱতৰণ কৰা কাহিনী লোকসকলৰ সন্মুখত বয়ান কৰা এটা এনে কাৰ্য্য যি ইহুদী আৰু খ্ৰীষ্টানৰ গোটেই ফিৰকাৰ মাজত খ্যাতি লাভ কৰিছিল। এই বিষয়ে ইয়াত কোনোবাই কোনো মতভেদ সৃষ্টি কৰা নাই, বৰং এই সকলোবোৰ বিনা কোনো ভেদভাৱ সম্পূৰ্ণ ৰূপে একমত। সিহঁতৰ কোনো আলিম এনেকুৱা নাই, যাৰ এই কাহিনীৰ বিষয়ে জ্ঞান নাই বা সিহঁতৰ হৃদয়ত কোনো সন্দেহ আৰু শংকা আছে। গতিকে চিন্তা-ভাৱনা কৰা, ইহুদী সকলে নবীসকলৰ শিক্ষা প্ৰাপ্ত হোৱা সত্বেও সিহঁতৰ মাজত কোনো এনেকুৱা যুগ অতিবাহিত হোৱা নাই যে সিহঁতে এই কাহিনীৰ বাস্তৱিকতাৰ পৰা আঁতৰ হৈ পৰিছে আৰু এই ৰহস্যক নুবুজি তাক বাস্তৱিক কল্পনাৰ ৰূপ দিছে।

যেতিয়া ঈছা সিহঁতৰ ওচৰলৈ আগমন কৰিলে তেতিয়া সিহঁতে তেওঁৰ মাজত এনেকুৱা কোনো নিদৰ্শন দেখিবলৈ নাপালে যি তেওঁলোকৰ মস্তিষ্কত জমা হৈ আছিল আৰু সিহঁতৰ হৃদয়ত মুদ্ৰিত আছিল, পৰিণাম স্বৰূপ, সিহঁতে তেওঁক অস্বীকাৰ কৰিলে আৰু তেওঁক মিছলীয়া বুলি সাব্যস্ত কৰিলে, তথা তেওঁৰ সৈতে যি আচৰণ কৰিলে সেয়া কৰিয়ে থাকিল আৰু তেওঁক মিছা ৰটনাকাৰী সকলৰ অন্তৰ্ভুক্ত কৰিলে।

অৰ্থাৎ যদি অৱতৰণৰ পৰা ব্যৱহাৰিক আৰু বাস্তৱিক অৱতৰণ অভিপ্ৰায় হলহেঁতেন, তেন্তে এই ক্ষেত্ৰত ঈছা সত্য নবী নহয় আৰু ইয়াৰ পৰা অনিবাৰ্য হয় যে সত্যতা সেই ইহুদীসকলৰ সৈতে আছে যাক আল্লাই অভিশপ্তৰ সৈতে বয়ান কৰিছে। এয়া সেই লোক সকলৰ অৱস্থা যিসকলে পুস্তকসমূহ আৰু লোক সকলৰ খোদাক স্পষ্ট ভাৱে অগ্ৰাহ্য কৰিছে। তোমালোকৰ ঈছাৰ অৱতৰণৰ বিশ্বাসৰ সম্বন্ধে কি ধাৰণা ? তোমালোকৰ ওচৰত কেৱল এনেকুৱা বৰ্ণনা আছে যি কেৱল কল্পনাহে, আৱৰ্জনাৰে ভৰা লেতেৰা; লোক সকলৰ কৃত্ৰিম কথা সমূহ, প্ৰভুৰ কথন (কোৰাণ)ৰ পৰিপন্থী।

তোমালোকৰ কি হৈছে যে তোমালোকে ইহুদী সকলৰ অনুকৰণ কৰি

আছা আৰু নিজৰ প্ৰকৃতিক সিহঁতৰ প্ৰকৃতিৰ সাদৃশ্য বনাই আছা ? তোমালোকে সিহঁতৰ লাঞ্ছনাৰ ভাগীদাৰী হ'ব বিচৰা, তৌবা কৰা, আকৌ তৌবা কৰা, আৰু আল্লাহৰ ফালে ওভতি যোৱা আৰু যি অতিবাহিত হৈ গৈছে তাৰ বিষয়ে লজ্জিত হোৱা। কাৰণ মৃত্যু অতি কাষত আৰু আল্লাহ হিচাপ-নিকাচ লওঁতা। হে লোক সকল ! তোমালোকৰ ওপৰত বহুত ডাঙৰ পৰীক্ষা আহিছে, গতিকে কোঁঠালিত থিয় হৈ যোৱা আৰু ব্ৰহ্মাণ্ডৰ প্ৰতিপালকৰ চৰণত বিনম্ৰতাৰ সৈতে অৱনমিত হোৱা, আল্লাহ পৰম কৰুণাময়, পৰম দানশীল। সেইজনাৰ ৰহমতৰ পৰিৱৰ্তে তাৰ শাস্তিৰ ওপৰত প্ৰাধান্য দিলে, যদি ইচ্ছা কৰা, তেন্তে এই যুগৰ ইহুদীসকলক সুধি চোৱা বা তাকওৱাৰ বাটত পৰিচালিত হৈ মোৰ ফালে আহা আৰু যি সন্দেহ তোমালোকৰ হৃদয়ত আছে, সেয়া মোৰ সন্মুখত উত্থাপন কৰা। তোমালোকৰ কি হৈছে যে তোমালোকে এই পৰীক্ষাৰ প্ৰতি ভয় নকৰা, আৰু খোদাৰ তৰফৰ পৰা লাভ হোৱা আল্লাহৰ ছুন্নতক বিনা প্ৰমাণেৰে এৰি আছা ? আৰু এনেকুৱা কথনৰ স্বীকাৰোক্তি হৈ আছা যাৰ সৈতে কোনো সুস্পষ্ট দলিল প্ৰমাণ অৱতৰণ হোৱা নাই আৰু যাক তোমালোকে কোৰাণতো উল্লেখিত নোপোৱা। জানি লোৱা যে তোমালোকে কেৱল সন্দেহৰ অনুসৰণ কৰি আছা, বৰঞ্চ সত্যৰ মোকাবিলাত সন্দেহ একো উপকাৰ সাধন কৰিব নোৱাৰে আৰু সেয়া প্ৰশান্তিও দিব নোৱাৰে।

তুমি ইচ্ছা কৰা নে যে আল্লাহৰ নিৰ্ধাৰিত আদেশে তোমালোকৰ ধাৰণাৰ অনুসৰণ কৰিব আল্লাহৰ ফালৰ পৰা জ্ঞান অৰ্জন হোৱাৰ পিছতো ? তোমালোকৰ কি হৈছে যে শত্ৰুতাত সীমা লঙ্ঘন কৰি গৈ আছা আৰু সন্দেহৰ খাতিৰে বিশ্বাসক এৰি দি আছা, এয়াই ঈমান হয় নে ? দুনিয়া কেৱল খেল-ধেমালি হয়; এই কাৰণে সুস্থ আৰু শান্তিৰ জীৱনে তোমালোকক যেন প্ৰৱঞ্চনাত নিপতিত নকৰে। মৃত্যুয়ে হঠাতে তোমালোকক সাৱটি ল'ব যদিও তোমালোকে দুৰ্গত অৱস্থান কৰা। খোদাৰ হাতৰ পৰা তোমালোকক কোনেও বচাব নোৱাৰিব। তোমালোকে সন্দেহক কোৰাণৰ ওপৰত প্ৰাধান্য দিয়া নে ? অতি নিকৃষ্ট বাট

হয় যি তোমালোকে অৱলম্বন কৰিছা। তোমালোকৰ চকুখন অন্ধ হৈ পৰিছে এই কাৰণেই ৰহমান খোদাৰ তৰফৰ পৰা অহা নিদৰ্শন সমূহক তোমালোকে দেখিবলৈ নোপোৱা। খোদাৰ তৰফৰ পৰা প্ৰায় বিশ বাইশ বছৰৰ পৰা মোক মছীহ বনোৱা হৈছে, মোৰ কোনো ইচ্ছা নাছিল যে মোক এই মৰ্যাদা লাভ কৰাৰ বাবে বাছি লোৱা হওঁক; মই জনসাধাৰণৰ মাজত খ্যাতি লাভ কৰাটো অপছন্দ কৰিছিলোঁ। আকৌ মোৰ প্ৰভুৱে মোক বাধ্যবাধকতাৰ সৈতে মোক কোঁঠালিৰ পৰা বাহিৰলৈ উলিয়াই আনিলে, তাৰ পিছত মই অধিক পৰিমাণে মোৰ প্ৰভুৰ আদেশৰ অনুসৰণ কৰিলোঁ আৰু এই সকলোবোৰ মোৰ প্ৰভুৰ ফালৰ পৰা দান। মই নিজৰ আত্মাক প্ৰত্যেক ধৰণৰ উপাধিৰ পৰা পৃথক কৰিলোঁ। মোৰ খ্যাতি লাভ কৰাৰ কিয় প্ৰয়োজন, মোৰ প্ৰভু মোৰ বাবে যথেষ্ট। সেইজনাই অৱগত যি মোৰ হৃদয়ত আছে, সেইজনা এই দুনিয়াতো আৰু পৰকালতো মোৰ নিৰীক্ষণকৰ্তা। মই ইয়াহিয়াৰ অৱতৰণৰ কাহিনী জ্ঞানী সকলৰ বাবে লিখিছোঁ। মই কিছুমান বিৰুদ্ধবাদী আলিম সকলৰ সৈতে সাক্ষাৎ কৰিছোঁ, আৰু এই কথা যি মই ইতিপূৰ্বে তোমালোকৰ সন্মুখত উত্থাপন কৰিলোঁ সেই কথাসমূহ সিহঁতৰ ওচৰতো উত্থাপন কৰিছিলোঁ, সিহঁতে একেবাৰে নিস্তব্দ হৈ পৰিছিল আৰু কোনো জ্ঞানৰ কথা মুখত আনিব নোৱাৰিছিল। সিহঁতে কোনো উত্তৰ নিদিয়াকৈ লজ্জিত হোৱা লোকৰ নিচিনা গুচি গৈছিল।

# ওহীৰ সত্যতা আৰু সেয়া লাভ কৰাৰ পদ্ধতিসমূহৰ উল্লেখ

এতিয়া মই এই ৰিছালাত ওহীৰ পোহৰ আৰু ফজলসমূহ আৰু সেয়া লাভ কৰাৰ পদ্ধতিসমূহৰ উল্লেখ কৰি সমাপ্ত কৰিম। আল্লাহ আপোনালোকক হিদায়ৎ দিয়ক। আপুনি এয়া জনা উচিত যে ওহী আল্লাহৰ কালামৰ সেই সূৰ্য যি ওলীউল্লাহৰ হৃদয়ৰ অন্তঃস্থলৰ পৰা সেই উদ্দেশ্যৰ সৈতে উদয় হয় যে তাৰ দ্বাৰা আল্লাহ পথ ভ্ৰষ্টৰ ব্যৰ্থ কাৰ্য্যৰ অন্ধকাৰক আঁতৰ কৰে। এয়া সেই স্ৰোত যাৰ স্ৰোত কেতিয়াও শুষ্ক নহয়, আৰু যাৰ প্ৰবাহ সমাপ্ত নহয়। ওহী সেই মীনাৰ হয় যাৰ প্ৰদীপ কোনো শত্ৰুৰ দ্বাৰা নুমাই নেযায়, এয়া এনেকুৰা অস্ত্ৰ আৰু বন্ধ দুৰ্গ, য'ত সৈনিকৰ সংখ্যা অসংখ্য। এয়া এনেকুৰা পৱিত্ৰ ভূমি, যাৰ পথ কোনো পৰিচিত হোৱাৰ ওপৰত নিৰ্ভৰ নকৰে, আৰু এনেকুৰা বাগিছা যাৰ দ্বাৰা চকুৰ প্ৰশান্তিৰ শীতলতা বৃদ্ধি পায়। ইয়াক কেৱল সেইসকল লোকেই লাভ কৰিব পাৰে যিসকলক মানৱীয় দোষৰ পৰা পৱিত্ৰ কৰা হৈছে,তথা সিহঁতক খোদাৰ স্বভাৱ প্ৰদান কৰা হৈছে আৰু যিসকলে তাকওৱা অৱলম্বন কৰিছে সিহঁতক টুকুৰা টুকুৰ কৰা হোৱা নাই।

যিসকলে তাকওৱাৰ বাট অৱলম্বন কৰিছে, সিহঁতক দোষিত কৰা হোৱা নাই আৰু সিহঁতে এক পৱিত্ৰ বৃক্ষৰ নিচিনা ফলৱন্ত হৈছে। সেইসকলে এক দ্ৰুত গতিত উটৰ নিচিনা নিজৰ প্ৰভুৰ ফালে দৌৰি গৈছে আৰু সিহঁতে ৰহমানৰ পথত নিম্ন পৰ্যায়ৰ সৈতে কাম লোৱা নাই। সেইজনাৰ প্ৰতি ভীত হৈ বিনম্ৰতা অৱলম্বন কৰিছে, আৰু সিহঁতে নিজৰ প্ৰীতিমূলক ভাষাক নিজৰ হৃদয়ৰ ভাৱনাৰ স্থান বনাইছে; দৃঢ়তা আৰু সাহসিকতাৰ সৈতে আল্লাহৰ পথত প্ৰত্যেক মুহূৰ্ততে প্ৰস্তুত থাকিছে। সত্যৰ ওপৰত মানৱীয় শক্তিৰ সৈতে একগোট হৈছে, আৰু সিহঁতে কু-মন্ত্ৰণাৰ কঁকাল ভাঙি ঐশ্বৰিক পানী লাভ কৰাৰ বাবে মৰুস্থলৰ ফালে আগবাঢ়িছে; আৰু যিয়ে আল্লাহৰ বাটত আলস্য

নেদেখুৱায় তেওঁলোকে পৃথিৱীত বিনম্ৰতাৰ সৈতে চলে, অহংকাৰ নেদেখুৱায়। সিহঁতে আল্লাহৰ সন্তুষ্টি লাভাৰ্থে যিখিনি প্ৰাপ্ত কৰে সেইখিনিতেই সন্তুষ্ট নহয় আৰু অধিক বিচাৰি থাকে। সিহঁতে ধৰ্মৰ ভূমিত অগ্ৰগতি লাভ কৰে আৰু ৰৈ নাথাকে। সিহঁতৰ হৃদয় ক্ৰোধেৰে ভৰি নাথাকে, তোমালোকে সিহঁতক স্থিৰ পাবা আৰু সিহঁতে ততাতৈয়া নকৰে আৰু সিহঁতৰ কথাসমূহ দুগৰ্ন্ধময় পানীৰ নিচিনা নহয়। যেতিয়াই কথা-বতৰা পাতে, তেতিয়া বিনম্ৰতাৰ সৈতে কথা পাতে আৰু আল্লাহৰ সন্তুষ্টি অৰ্জনাৰ্থে কাৰ্য্য কৰে আৰু নীৰৱ থাকে আৰু সেই সময়লৈকে একোৱে নকয় যেতিয়ালৈকে সিহঁতক বাৰ্তালাপ কৰাৰ বাবে কোৱা নহয়। সিহঁত কুৎচিত নহয়, বৰং উজ্জ্বল। সিহঁতৰ বাবে কোনো বিপদ আল্লাহৰ পথত বাধা হৈ থিয় হ'ব নোৱাৰে আৰু প্ৰত্যেক মুহূৰ্ততে আল্লাহৰ ফালে দ্ৰুত গতিত আগবাঢ়ি যায়। সিহঁতৰ হৃদয়, নয়ন আৰু কাণ সেইজনাৰ চৰণত অৱনমিত হয় আৰু সেইজনাৰ আদেশ অনুসৰি খোজ আগবঢ়ায়। সিহঁতৰ খোদাৰ প্ৰতি ভালপোৱাৰ উত্তাপ ইমানেই বৃদ্ধি পায় যে সিহঁতৰ বাবে ঠাণ্ডা আঁতৰ হৈ পৰে; অৰ্থাৎ সৰ্বদা খোদাৰ প্ৰেমত ডুবি থাকে; যিয়ে ইবলিছৰ কুমন্ত্ৰণাক দূৰ কৰে আৰু সত্যৰ সৈতে দৃঢ়পূৰ্ণ হয় আৰু সেইজনাৰ খাতিৰে প্ৰতিশোধ লয়; সিহঁতে দুনিয়াৰ ফালে অগ্ৰসৰ নহয়। সিহঁতে পাৰ্থিৱ জগতক দুৰ্বল বুলি ভাৱে আৰু সেইফালে চকু উঠাই দৃষ্টি নিক্ষেপ নকৰে। সিহঁতে এটা অৱস্থাতেই স্থিৰ নাথাকে, বৰং প্ৰত্যেক মুহূৰ্ততে আল্লাহৰ ফালে ধাৱিত হয়। সিহঁতে আল্লাহৰ প্ৰতি ভয় কৰে আৰু সেইজনাৰ খাতিৰে বিনম্ৰতা অৱলম্বন কৰে। যিয়ে নিজৰ প্ৰবৃত্তিক দমন কৰি ৰাখে আৰু আৰামৰ দুৱাৰখন নিজৰ ওপৰত সংকীৰ্ণ বুলি ভাৱে আৰু তাক (প্ৰবৃত্তিক) মুকলি ভাৱে এৰি নিদিয়ে। যেতিয়া সিহঁতক নিজৰ প্ৰভুৰ ফালে আহ্বান কৰা হয় তেতিয়া সিহঁতে ভীতিগ্ৰস্ত নহয়। সিহঁতে নিজৰ কেচা শস্য ক্ৰয় নকৰে, বৰঞ্চ সেইবোৰক নিৰীক্ষণ কৰে। সিহঁতে আল্লাহৰ পথত জিহাদ কৰে আৰু বিনম্ৰতাৰ সৈতে ক্ৰন্দন কৰে; আৰু সন্তানৰ মৃত্যু হোৱাত ভীতিগ্ৰস্ত নহয়, যদিও সিহঁতৰ

ওপৰত বিপদ অৱতীৰ্ণ হয়। আল্লাহৰ সন্তুষ্টি অৰ্জনাৰ্থে কঠোৰতাক সহ্য কৰে আৰু যিসকলৰ ওপৰত জ্ঞানৰ পানী অধিক আছে, সিহঁতক সত্য চিনাক্ত কৰাৰ শক্তি প্ৰদান কৰা হয় আৰু সিহঁতৰ সেই শক্তি বৃদ্ধি পাই থাকে যাৰ ফলত পৃথিৱীত বিজয় লাভ কৰে। সিহঁতে তাৰ (দুনিয়াৰ) পৰা বিমুখ হয়, আৰু ইয়াৰ ওপৰত খং কৰে আৰু কুঠাৰৰ দ্বাৰা তাৰ কঁকাল ভাঙি পেলায়। সিহঁতক এই দুনিয়াৰ পৰা আঁতৰত ৰখা হয় আৰু তুমি সিহঁতৰ সাহসিকতাৰ শক্তি সেই উটৰ দৰে পাবা, যিয়ে ডাঙৰ ডাঙৰ মৰুভূমি পাৰ কৰি যায় আৰু ভাগৰ হৈ নপৰে। সিহঁতে নিজৰ প্ৰভুৰ আদেশক অমান্য নকৰে আৰু সেইজনাৰ সন্মুখত নিজৰ মূৰ অৱনমিত কৰে, যাৰ ভূমি সতেজ আৰু তাৰ সতেজতা আল্লাহৰ নামৰ সৈতে সম্বন্ধিত। সিহঁতে সেই পৱিত্ৰ বৃক্ষৰ সৈতে সৰ্বদা জীৱন অতিবাহিত কৰে যিয়ে আল্লাহৰ চাদৰে সিহঁতৰ মূখখনক আৱৰি ৰাখে। অৰ্থাৎ সিহঁতে সেই চাদৰৰ তলত গোপন থাকে আৰু জগতে তাতে যি আছে সেইবোৰক দুৰ্বল বুলি ভাৱে। সিহঁতৰ অৱস্থা এক নতুন জন্ম হোৱা নিৰ্দোষ শিশুৰ নিচিনা পৰিৱৰ্তিত কৰি দিয়া হয়, আৰু সিহঁতক এৰি দিয়া নহয়। সিহঁতৰ মাজত নিৰ্যাতন, দুৰ্বলতা আৰু অহংকাৰ পোৱা নাযায় আৰু প্ৰত্যেক বিপদৰ সময়ত আল্লাহৰ প্ৰতি অৱনমিত হয় আৰু কোনোবাৰ সন্মানক বিনা কাৰণত দুষিত নকৰে আৰু কোনো অপশব্দ ব্যৱহাৰ নকৰে। সিহঁতে কোনো দূৰৰ উচ্চতা আৰু শুষ্ক মৰুভূমিৰ পৰা ভীতিগ্ৰস্ত নহয়, আৰু নিৰাশও নহয়। সিহঁতে প্ৰকৃতিৰ গুপ্ত শক্তিক উজ্জ্বলিত কৰাৰ বাবে প্ৰকৃতিৰ বটলক মুকলি কৰে। ইহঁতে সংসাৰৰ পৰা পৰলোকৰ বাবে সামগ্ৰী লৈ যায়। ইহঁতে যুগৰ দুৰ্ভিক্ষ আৰু যুগৰ অত্যাচাৰীসকলৰ প্ৰতি একোৱে ভ্ৰূক্ষেপ নকৰে। ইহঁতে খোদাক নিজৰ সহায়ক বুলি ভাৱে আৰু খোদাৰ ওপৰতেই ভৰসা কৰে। ইহঁতেই সেইসকল লোক যিসকলে নিজৰ অন্তৰৰ পৰা ভৌতিকতাৰ শিপাক দলিয়াই দিয়ে। তোমালোকে সিহঁতৰ মাজত উৎসা দেখিবলৈ পাবা, আৰু সিহঁতে আল্লাহৰ ফালে খোজ আগবঢ়ায়। সিহঁতে আল্লাহৰ সুগন্ধি আৰু সেইজনাৰ

সৈতে ব্যক্তিগত প্ৰেমত ডুবি থাকে; সিহঁতে টোপনি মাৰি থাকে, কিন্তু তোমালোকে সিহঁতক সাৰ পোৱা দেখিবলৈ পাবা। ইহঁতেই সেইসকল লোক যিসকলক প্ৰদৰ্শনীয়তাৰ জালৰ পৰা বচোৱা হয় আৰু বাস্তৱ তাকওৱাৰ ৰঙত ৰঙিন কৰা হয়। আল্লাহৰ প্ৰতি প্ৰেমে সিহঁতক বিলীন কৰি দিয়ে আৰু সিহঁতে সেই লোকসকলৰ নিচিনা নহয়, যিসকলক খেদি খেদি লৈ যোৱা হয়। সিহঁতৰ কথন কাটি পেলোৱা তৰোৱালৰ নিচিনা হয়। যেতিয়াই সিহঁতৰ ওপৰত কোনো কঠোৰতা আহে তেতিয়া সিহঁতে ধৈৰ্য ধাৰণ কৰে। সিহঁতে কষ্ট দিওঁতা সকলৰ সৈতে উত্তম আচৰণ কৰে, যদিও সেই অত্যাচাৰীসকল ডাকুৰ দলও হয়। সিহঁতে আল্লাহক স্মৰণ কৰি থাকে আৰু সেইজনাৰ পৰা পৃথক নহয় আৰু সেইজনাৰ চৰণত অৱনমিত হৈ থাকে আৰু সিহঁতে নিজৰ ঈমানৰ সম্বন্ধে সদায় ভীত হৈ থাকে আৰু ভাৱে যে ঈমান চৰাইতকৈয়ো অধিক দ্ৰুত গতিত উৰি যায় আৰু পৰিষ্কাৰৰ ভীতি বুৰুছতকৈয়ো অধিক বেছি। সিহঁতে কম বৰষুণত সন্তুষ্ট নহয়। এই অস্তিত্বৰ শিলাময় ভূমিক সিহঁতে বোকা কৰে, যাতে সেয়া নৰম আৰু সমতল কৰিব পাৰে আৰু এইদৰেই তেওঁলোকে সেই ময়দানৰ অভিজ্ঞকাৰী হয়। যেতিয়া নিশাৰ আৰম্ভণী হয় তেতিয়া তেওঁলোকে পৰীক্ষাৰ গভীৰ অন্ধকাৰত ভয় কৰে। তেওঁলোকে ৰাতিপুৱাৰ আগতে সাৰ পাই পৱিত্ৰ হৃদয়ে ক্ৰন্দন কৰে। তেওঁলোকে আনৰ দুঃখ দূৰ কৰে আৰু তাত কৃপণতা নেদেখুৱায়। ঋণত আৱদ্ধ থকা জনক মুক্ত কৰে আৰু তেওঁলোকৰ সম্পত্তি কাঢ়ি নলয়, তেওঁলোকে কৃপণতা নেদেখুৱায় আৰু বেয়া আচৰণ নকৰে আৰু তাৰ পৰা ফালৰি কাটি নাযায়। তেওঁলোকে দাঙ্গা-ফাছাদ আৰু ভঙা ছিঙাৰ পৰা আঁতৰত থাকে আৰু তুমি তেওঁৰ মাজত ধৰ্মৰ ক্ষেত্ৰত দুৰ্বলতা নাপাবা, আৰু অভদ্ৰতাও দেখিবলৈ নাপাবা। তেওঁলোকে ভাল আচৰণ দেখুৱায় আৰু তাৰ ওপৰত পৰিচালিত হয়। সিহঁতে নিজৰ প্ৰিয় খোদাৰ বাবে নিজৰ আৰোহণ তৈয়াৰ কৰে আৰু পাৰ্থিৱ জগতৰ পৰা পৃথকতা অৱলম্বন কৰে,আৰু কেৱল আল্লাহৰ সন্তুষ্টিহে বিচাৰে। সিহঁতে সেই লোক সকলৰ

নিচিনা বহি নাথাকে যিসকলে পৰকালৰ পৰা নিৰাশ হৈ পৰিছে। অৰ্থাৎ তেওঁলোকে আল্লাহৰ ফালে দৌৰি যায় আৰু নিজৰ আৰোহণৰ পৰা অৱতৰণ নকৰে আৰু নিজৰ উটক বিশ্ৰাম কৰিবলৈ নিদিয়ে। সিহঁতে লোক সকলৰ ওপৰত নিৰ্ভৰশীল হোৱাৰ পৰা আঁতৰ হৈ থাকে আৰু একে ঠাইত স্থিৰ হৈ নাথাকে।

তেওঁলোকে নিজৰ প্ৰভুৰ সন্তুষ্টি অৰ্জনাৰ্থে সাষ্টাঙ্গে প্ৰণিপাত কৰে আৰু থিয় হৈ নিশা অতিবাহিত কৰে আৰু আৰামৰ জীৱন-যাপন অতিবাহিত নকৰে। সিহঁতে গোটেইবোৰ পৰ্দা আঁতৰ কৰি সত্য খোদাৰ পৰা তৃপ্তি লাভ কৰাৰ বাবে উদ্বিগ্ন হৈ থাকে। সিহঁতে সম্পূৰ্ণ ভাৱে প্ৰয়াস কৰে, যাতে কৃপা বৰ্ষিত হয়। সিহঁতে আল্লাহৰ খাতিৰে নিজৰ আত্মাক দোষিত নকৰে, যদিও সিহঁতক ৰক্তাত্ব কৰি দিয়া হয়। সিহঁতে নিজৰ আত্মাতে খোদাৰ প্ৰতি প্ৰেমৰ অগ্নি আলোকিত কৰে আৰু সৰ্বদা আত্মাক দীপ্তিমান ৰাখে। সিহঁতে সহানুভূতিৰ বন্ধন শক্তিশালীৰে ধৰি ৰাখে আৰু তাৰ ওপৰত প্ৰতিষ্ঠিত থাকে, যদিও সিহঁতক টুকুৰা-টুকুৰ কৰি দিয়া হয়। ইহঁতেই সেইসকল লোক যিসকলৰ ওপৰত আল্লাই ৰহম কৰে আৰু প্ৰত্যেক দুৱাৰেদি নিজৰ দৃশ্য দৃষ্টিপাত কৰে আৰু তাৰ পৰা সিহঁতক সেইবোৰ প্ৰদান কৰা হয় যিবোৰৰ প্ৰতি সিহঁতে কেতিয়াও কল্পনাও নকৰে। কাৰণ সিহঁতে আল্লাহক ভাল পায়, সেইজনাৰ প্ৰতি সম্পূৰ্ণ ৰূপে তাকওৱা অৱলম্বন কৰে আৰু সেইজনাৰেই প্ৰতি ভয় কৰে। নিশ্চিত ভাৱে সেইসকল লোক যিসকলে পৃথিৱীৰ মাংসৰ টুকুৰা আৰু তাৰ পানীক বিচাৰে আৰু আল্লাই দান কৰা বস্তুৰ পৰা নিৰাশ হয় ইহঁতেই সেইসকল লোক যিসকলৰ প্ৰতি আল্লাই বাৰ্তালাপ নকৰে। সিহঁতক কোনো মুকলি জঙ্গলত দলিয়াই দিয়া হয় আৰু সিহঁতে উলটা অৱস্থাত মৃত্যু বৰণ কৰে। সিহঁতে চকু নেমেলে সূৰ্যৰ ৰশ্মি থকা সত্ত্বেও যি সিহঁতৰ ওপৰত উদয় হয়; আৰু সিহঁতৰ চকু লৰ-চৰ নকৰে। সিহঁতে এনেকুৱা অৱস্থাত থাকে যেনেকুৱা সিহঁতৰ ওপৰত সূৰ্য উদয় হোৱাই নাই আৰু সিহঁতে নজনাৰ

অজুহাত দেখুৱায়। আল্লাহৰ ছুন্নত এইদৰে অব্যাহত আছে যে সেই ব্যক্তি যিয়ে সেইজনাৰ ওচৰত সন্তুষ্টি অৰ্জনাৰ্থে আহিছে তেওঁ সেই ব্যক্তিৰ নিচিনা হ'ব নোৱাৰে যিয়ে অবাধ্যতা কৰিছে আৰু পথ ভ্ৰষ্টতাত নিপতিত হৈছে। আল্লাহ অৱহেলা কৰা সকলৰ প্ৰতি কোনো ভ্ৰূক্ষেপেই নকৰে। খোদা সেইজনৰ ফালে দৌৰি যায় যিয়ে সেইজনাৰ ফালে খোজ কাঢ়ি আহে, আৰু সেইজনাই খোদাভীতি সকলৰ সৈতে প্ৰেম কৰে। সেইজনাৰ ছুন্নত গুপ্ত নহয় যেনেকুৱা বানপানীৰ পিছত ৰৈ যোৱা আৱৰ্জনা।

শুনা, শুনা ! খোদাৰ ছুন্নত পুৱাৰ পোহৰৰ দৰে প্ৰকাশ পায় যাক সদায় দেখিবলৈ পোৱা যায়। মিছলীয়াৰ বিনাশ ঘটিছে আৰু সত্যৰ মূৰ ওখ স্থানত স্থিৰ হৈছে। গতিকে শুভ সংবাদ সেইজনৰ বাবে যিয়ে খোদাৰ ফালে ওভতি গৈছে আৰু সেইজনাৰ সন্তুষ্টি বিচাৰিছে আৰু সেইজনাৰ দুৱাৰ মুখত বহি গৈছে আৰু কেৱল সেইজনাৰ সৈতেই ভাল পাব ধৰিছে। নিঃসন্দেহ খোদা সেই ব্যক্তিক ভাল পায়, যিয়ে সেইজনাৰ খাতিৰে বিসৰ্জন দিয়ে। খোদা প্ৰৱঞ্চনা কৰা মানুহক ভাল নাপায়, ধ্বংসপ্ৰাপ্ত সেইজন যিয়ে অন্ধ নিগনিৰ নিচিনা নেজ বিছাই বহি থাকে। সিহঁতৰ কুমন্ত্ৰণা অধিক সন্তান, মহিলাৰ অধিক সন্তানৰ নিচিনা; আল্লাহৰ প্ৰতি সিহঁতৰ ভিতৰত পিপাসু নাই আৰু পাৰ্থিৱ লাভালাভে সিহঁতৰ হৃদয়ক আৱৰি ৰাখিছে, সিহঁতৰ আত্মা দুৰ্বল হৈ পৰিছে, যাৰ ফলত বিশ্বাস স্থাপন কৰা সিহঁতৰ পক্ষে কঠিন হৈ পৰিছে আৰু সিহঁতে বোজাৰ অধীনত অধীনস্থ হৈ পৰিছে। সিহঁতে সদায় পৃথিৱীৰ স্মৰণত লাগি থাকে আৰু সিহঁতৰ গোটেইবোৰ উদ্বিগ্ন পাৰ্থিৱ লাভালাভৰ হৈ থাকে। সিহঁতে ক্ষন্তেকতে ধৰ্মৰ পোছাক ফালি দিব বিচাৰে। সিহঁতে জানি-শুনি আল্লাহৰ প্ৰতি ভুল কথাসমূহ আৰোপিত কৰে আৰু যি প্ৰৱঞ্চনা সিহঁতে অৱলম্বন কৰিছে, তাৰ দ্বাৰা সিহঁতে নিজৰ চকুক ফালি পেলাইছে, তথাপি সিহঁতে কয় যে আমি দৃষ্টিশালী জাতি হওঁ। সিহঁতে নিজৰ বিবেকক সমাপ্ত কৰিছে আৰু তাক বধ কৰি পেলাইছে। কোৰাণে সিহঁতক বাধ্যবাধকতা কৰি

আছে আৰু সিহঁতে ইয়াৰ পৰা বিমুখ হৈ আছে। সিহঁতৰ অৱস্থা সেই খেতিৰ নিচিনা যাক বৰষুণৰ আধিক্যই বেয়া কৰি পেলায় বা সেই সতেজৰ নিচিনা যাক ঠাণ্ডাৰ আধিক্যই পানীৰ হ্ৰাস হোৱাত লোকচান হয়। আল্লাহৰ এয়াই ইচ্ছা আছিল যে সিহঁতে যেন জ্ঞান বৃদ্ধি কৰে; কিন্তু সিহঁতে ইয়াক পাঠ কৰা পাহৰি গ'ল, সিহঁতৰ অৱস্থা সেই ব্যক্তিৰ নিচিনা, যিয়ে এনেকুৱা ঠাইত বহি আছে য'ত কেতিয়াও ৰ'দ নপৰে। গতিকে সূৰ্য উদয় হৈছে আৰু সিহঁতৰ মূৰৰ ওপৰত আহিছে তথাপি সিহঁত অন্ধকাৰতেই থাকি গ'ল। কিছু অইন লোক সকল আছে যিসকলে অধিক গৰমত সন্তুষ্ট হয় আৰু পৰস্পৰে পৰস্পৰৰ মোকাবিলাত লাগি থাকে। নিশ্চত ভাৱে মই জুলকাৰনায়নৰ নিচিনা তীব্ৰ গতি হওঁ। মই এটা জাতিক প্ৰচুৰ গৰমত আৰু আন জাতিক নয়ন নোহোৱাৰ কাৰণে অত্যন্ত ঠাণ্ডা আৰু লেতেৰা স্ৰোতৰ ফালে যোৱা দেখিছো। মই সঠিক পৰামৰ্শ দিওঁতা আৰু মই আল্লাই দেখুৱাৰ ফলত দেখো। মই জানো যে আল্লাই নিজৰ কাড় ওলালে আৰু নিক্ষেপ কৰিলে। এই কাৰণে হে জ্ঞানবান সকল ! অশ্ৰু নিৰ্গত হোৱা চকুৰ দ্বাৰা আল্লাহক স্মৰণ কৰা, যাতে দয়া আৰু কৃপাৰ ভাগীদাৰী হোৱা। শান্তি বৰ্ষিত হওঁক সিহঁতৰ ওপৰত যিজনে হিদায়তৰ অনুসৰণ কৰিছে। মই হওঁ অদ্বিতীয় খোদাৰ ফকিৰ ভৃত্য।

**গোলাম আহমদ কাদিয়ানী**
**খোদাৰ মছীহ**

# علّامات المقرّبين

بِسْمِ اللهِ الرَّحْمٰنِ الرَّحِيْمِ

نَحْمَدُهٗ وَنُصَلِّيْ عَلٰى رَسُوْلِهِ الْكَرِيْمِ

## আলামাতুল মুকাৰৰাবিন
## (সান্নিধ্যপ্ৰাপ্ত লোক সকলৰ লক্ষণ)

হে লোক সকল ! একগোট হৈ যোৱা, মই তোমালোকৰ বাবে সান্নিধ্যপ্ৰাপ্ত লোক সকলৰ লক্ষণাৱলী বৰ্ণনা কৰিম। ইহঁত এনেকুৱা লোক যিসকলৰ আত্মাৰ সংৰক্ষণৰ ব্যৱস্থা আল্লাই কৰি ৰাখিছে। সিহঁত শুষ্ক আৰু জ্ঞানত হ্ৰাস পোৱা লোক সকলৰ নিচিনা নহয়। তোমালোকে সিহঁতক সুন্দৰ আকৃতি, সৌন্দৰ্যবান আৰু পূৰ্ণৰূপত সুস্থ পাবা, আৰু সেই ব্যক্তিৰ নিচিনা নাপাবা যিয়ে দক (উশাহ লওঁতে কষ্ট পোৱা ৰোগ)ৰ আক্ৰান্তৰ কাৰণে ক্ষীণাই গৈছে। ইহঁত সেইসকল লোক যিসকলৰ হৃদয় মুকলি কৰা হৈছে আৰু সিহঁতৰ কোঁঠালিবোৰ শক্তিশালী বনোৱা হৈছে, আৰু সিহঁতৰ জেউতিক উজ্জ্বলিত কৰা হৈছে। সিহঁতে নিজকে খোদাৰ অধীনস্থ কৰিছে আৰু আল্লাহৰ পথত যিকোনো প্ৰকাৰ কষ্টক ভ্ৰূক্ষেপ নকৰে, যদিও সিহঁতৰ শিৰা কাটি পেলোৱা হয়। সিহঁতে কেৱল ব্ৰহ্মাণ্ডৰ প্ৰতিপালকৰ খাতিৰে মৃত্যুৰ পৰা জীৱিত থাকে। সৃষ্টি জগত তাৰ গাখীৰৰ পৰা পালিত হয়, সিহঁতৰ হৃদয়ত অনুগ্ৰহৰ শক্তি

প্ৰদান কৰা হয়। ইহঁতে সেই ৰোগযুক্ত ছাগলীৰ নিচিনা নহয়, যাৰ গাখীৰ ৰোগৰ কাৰণে ৰঙা বৰণৰ হৈ গৈছে; আৰু সেই ব্যক্তিৰ নিচিনা নহয় যাৰ চকুৰ আৱৰণযুক্ত ৰোগত আক্ৰান্তৰ কাৰণে সৰ্বদা উলটা হৈ গৈছে। সিহঁতক বিচ্ছু আৰু শিয়ালৰ ভূমিত প্ৰেৰণ কৰা হয় আৰু এনেকুৱা সময়ত প্ৰেৰণ কৰা হয়, যেতিয়া দুৰাচাৰীসকলৰ আধিক্য হয়। তোমালোকে সিহঁতক দুৰ্গন্ধৰ পৰা অধিক আঁতৰত থকা দেখিবলৈ পাবা। তোমালোকে সিহঁতক কাৰ্পণ্যৰ নিচিনা নাপাবা। তুমি সিহঁতক পাবা যে সিহঁতে আল্লাহৰ খাতিৰে আৰু তাৰ বিশুদ্ধতাৰ প্ৰেমৰ খাতিৰে নিজৰ জীৱনক বিসৰ্জন দিয়ে আৰু সেইজনাৰ সন্তুষ্টি অৰ্জনাৰ্থে সৃষ্টিকুলৰ সৈতে সহানুভূতি দেখুৱায়। তোমালোকে সিহঁতক দালালৰ নিচিনা নাপাবা, দুষ্ট লোক সকলে সিহঁতক মিছলীয়া বুলি সাব্যস্ত কৰে, বৰঞ্চ সিহঁত আকাশৰ নুৰ (জ্যোতি), পৃথিৱীৰ সুৰক্ষাকাৰী, আৰু সত্যবাদীৰ ইমাম হয়। পৃথিৱীবাসীয়ে সিহঁতৰ সৈতে সাক্ষাৎ কৰাত হিংসা অনুভৱ কৰে আৰু আকাশে সিহঁতৰ দলিলক আলোকিত কৰে, আৰু সিহঁত অবাধ্য লোক সকলৰ ওপৰত আল্লাহৰ যুক্তিসঙ্গত দলিল হয়। সিহঁতে শপত লৈ আল্লাহৰ সৈতে এই অঙ্গীকাৰ কৰিছে যে সিহঁতে নিজৰ প্ৰবৃত্তিৰ অনুসৰণ কৰি কোনোবাক ভাল নাপাব, আৰু শত্ৰু হৈ নাযাব, আৰু ইহঁতে এই কথাৰ পৰা ভীতিগ্ৰস্তৰ নিচিনা গুচি নাযাব। সিহঁতে নিজৰ বাহ্যিক আৰু আভ্যন্তৰীণক নিজৰ প্ৰভুৰ চৰণত উত্থাপন কৰি দিয়ে আৰু খোদাৰ আস্থানত দুনিয়াৰ পৰা পৃথকতা অৱলম্বন কৰি আহিছে। সিহঁতে ভদ্ৰতাৰ ফল প্ৰাপ্ত কৰাৰ বাবে নিজকে বিলীন কৰি দিছে; আৰু এক নতুন জন্মৰ বাবে মৃত্যুক সাৱটি লৈছে। সিহঁতে ভাগ্যৰ অধীন হৈ ভয়ঙ্কৰ অৱস্থালৈ সোমাই যায় আৰু ধৈৰ্য ধাৰণ কৰি নিজৰ প্ৰভুক সন্তুষ্ট কৰে। সিহঁতৰ সততাৰ আৰু বিশুদ্ধতাৰ সকলোবোৰ চৰ্তাৱলীক সিহঁতৰ চাহিদা অনুসৰি পূৰ্ণ কৰি দিয়া হৈছে। ইহঁত (সান্নিধ্যপ্ৰাপ্ত লোক) নিঃসন্দেহ এনেকুৱা লোক যিসকলক আল্লাই নিজৰ অস্তিত্বৰ নিচিনা গোপন ৰাখিছে আৰু সেইজনাই নিজৰ পোহৰ সিহঁতৰ ওপৰত অৱতৰণ কৰিছে, যাৰ ফলত সিহঁতক নিজৰ

আকৃতি, নিজৰ কপাল আৰু চিহ্নাৱলীৰ দ্বাৰা চিনাক্ত কৰিব পৰা যায় আৰু আল্লাহৰ জ্যোতি সিহঁতৰ চেহেৰাৰ ওপৰত উজ্জ্বল হৈ উঠে, আৰু সিহঁতৰ চেহেৰা উজ্জ্বলতাৰে ফুটি উঠে। সিহঁতৰ মাজত এনেকুৱা উজ্জ্বলতা থাকে যিয়ে অযথা লোক সকলক লাঞ্চিত কৰি দিয়ে। সিহঁতৰ শত্ৰু সকলৰ বেয়া আচৰণ এয়া যে সিহঁতে সান্নিধ্যপ্ৰাপ্ত লোক সকলৰ সন্দৰ্ভত বেয়া ভাৱ-ধাৰণা পোষণ কৰে। কিন্তু নিজৰ সেই কু-ধাৰণাক প্ৰমাণ কৰিব নোৱাৰে, কাৰণ সিহঁতে খোদাভীতি লোক নহয়। সিহঁত ক'লা, সিহঁতৰ চকু ভিতৰফালে বা অন্ধৰ নিচিনা, আৰু দৃষ্টি থকা নয়ন নাথাকে। সিহঁতৰ কপাল সমতল নহয় আৰু সিহঁতৰ আত্মা মৰিয়ল উটৰ সমান হয়। সিহঁতৰ হৃদয় ক'লা, আৰু সিহঁতৰ তেহবন্ধ **খৰ্জা** ( এনেকুৱা উট যাৰ কেৱল দুখন ভৰি তললৈকে বগা হয় অনুবাদক)ৰ নিচিনা বগা হয়। ইহঁত অজগৰৰ সমান। সিহঁতে আল্লাহৰ ওপৰত বিশ্বাস স্থাপনকাৰী সকলৰ সৈতে শত্ৰুতা পোষণ কৰে, আৰু সিহঁতে নিজৰ ওপৰতেই অত্যাচাৰ কৰি থাকে। যদি সিহঁত জন্ম নললেহেঁতেন তেন্তে সিহঁতৰ বাবে ভাল হ'লহেঁতেন। সিহঁতে নিজৰ যুগৰ অৱতাৰক চিনিব নোৱাৰিলে আৰু অজ্ঞতাৰ মৃত্যুক সাৰটি ধৰিলে। অৰ্থাৎ সেই অন্ধ জাতিৰ বিনাশ ! পাৰ্থিৱ সামগ্ৰীয়ে সিহঁতক প্ৰৱঞ্চনাত পেলাই দিলে, যাৰ ফলত সিহঁতে ব্যাকুলতাৰ ভয়বহতা আৰু তিক্ত ঘোট্ লোৱাত দ্বিধাবোধ নকৰিলে। সিহঁতক যুগৰ সংঘৰ্ষই একোৱে অসুবিধা নকৰিলে, ইয়াৰ কাৰণ এয়া যে সিহঁতে পৃথিৱীত ফিতাহি মাৰি চলে, আৰু অহংকাৰ কৰি অতিক্ৰম কৰে। ওলীউল্লাহ সকলে এই পাৰ্থিৱ জীৱনত কোনো সুখ সুবিধাৰ প্ৰতি কোনো মোহ নাৰাখে আৰু আল্লাহৰ বাবে দৰিদ্ৰতাক প্ৰাথিমকতা দিয়ে আৰু নিজৰ আত্মা পৱিত্ৰ কৰে। সিহঁতে এই সংসাৰৰ কষ্ট স্বীকাৰ কৰি লয়, আৰু পৰলোকৰ দোজখৰ পৰা ৰক্ষা পায় আৰু সেই পৰলোকৰ বাবে প্ৰয়াস কৰি থাকে। সিহঁতৰ ওপৰত যেতিয়াই কোনো বিপদ আহে, তেতিয়া আল্লাহৰ প্ৰতি আকৰ্ষণ আৰু অধিক বৃদ্ধি পায়। প্ৰত্যেক সূৰ্য যি সিহঁতৰ ওপৰত উদয় হয় তাতে তোমালোকে

সিহঁতক সেই অৱস্থাত পাবা যে সিহঁতৰ আজি কালিতকৈ আৰু অধিক উন্নতি লাভ কৰে। সিহঁতে পিছুৱাই নাযায়, বৰং প্ৰত্যেক মুহূৰ্ততে অগ্ৰগতি লাভ কৰে আৰু আল্লাই সিহঁতৰ পোহৰক ইমান বৃদ্ধি কৰে যে সিহঁতক চিনিব পৰা নাযায়। অজ্ঞ সকলে সিহঁতকএনেকুৱা মানুহ বুলি গণ্য কৰে যিসকলে পাপত লিপ্ত থাকে, বৰঞ্চ তেনেকুৱা ধাৰণাৰ পৰা সিহঁতৰ আত্মাক আঁতৰত ৰখা হৈছে। যেতিয়া সিহঁতে চয়তানৰ কৌশলৰ অনুতাপ কৰে তৎক্ষণাত সিহঁতে বিনম্ৰতাৰ সৈতে নিজকে আল্লাহৰ ফালে অৱনমিত কৰে আৰু আল্লাহৰ নিৰাপত্তাৰ ফালে দৌৰি যায়। বিবেক-বুদ্ধি সিহঁতৰ মাজত সৃষ্টি হয় আৰু আধ্যাত্মিক দৃষ্টি লাভ হয়। যেতিয়াই সিহঁতৰ মাজত অলসতা সৃষ্টি হয় তেতিয়াই সিহঁতে দোৱাৰ বাবে থিয় হৈ যায় আৰু অৱস্থা এনেকুৱা  হৈ যায় যে সিহঁতে দোৱা কৰি কৰি যেন মৰিয়েই যাব। এনেকুৱা খোদাৰ প্ৰতি ভয় থকাৰ কাৰণে সিহঁতৰ দোৱা গৃহীত কৰা হয় আৰু সিহঁতক সহায় কৰা হয়। এইদৰে সিহঁতক দোৱা কৰাৰ ফলত দুৰ্বলতাৰ পিছত শক্তি প্ৰদান কৰা হয়। সিহঁতৰ ওপৰত শান্তি বৰ্ষিত হয় আৰু ফিৰিস্তাই সিহঁতক শক্তি প্ৰদান কৰে।  প্ৰত্যেক বিপদৰ পৰা সিহঁতক সুৰক্ষিত ৰখা হয় আৰু সিহঁতে আল্লাহৰ ফালে ওভতি যায় আৰু সেইজনাৰ সন্তুষ্টি অৰ্জনাৰ্থে বিলীন হৈ যায়। সিহঁতক আল্লাহৰ বাহিৰে কোনেও সিহঁতক নাজানে আৰু সিহঁতক লোক সকলৰ দৃষ্টিৰ পৰা গোপন কৰি লোৱা হয়। সিহঁত এটা গুপ্ত জাতি। ইয়াৰ কাৰণ এয়া যে সিহঁতৰ মাজৰ বিনষ্ট হোৱা জন বিনষ্ট হৈ গৈছে।

এই সংসাৰৰ অন্ধ সকলে সিহঁতক দেখি সিহঁতৰ সৈতে হাঁহি-ঠাট্টা কৰে আৰু কৈ থাকে যে তেওঁক আল্লাই অৱতৰণ কৰিছে নে ? মূল কথা এয়া যে হাঁহি-ঠাট্টা কৰোঁতা সকল অন্ধ। আল্লাহৰ সান্নিধ্যপ্ৰাপ্ত লোকসকলৰ কিছু লক্ষণ আছে, যাৰ মাধ্যমে সিহঁতক চিনাক্ত কৰিব পৰা যায়। সিহঁতক বিবেকবান আৰু পৱিত্ৰ লোক সকলেই চিনিব পাৰে।

সিহঁতৰ এটা লক্ষণ এয়া যে সিহঁতক এই পাৰ্থিৱ মোহ-মায়াৰ পৰা

আঁতৰত ৰখা হয়, আৰু পাৰ্থিৱ বিষয় সমূহ শুনাৰ পৰা বঞ্চিত ৰখা হয়। সিহঁতৰ হৃদয়ত পাৰ্থিৱ মোহ-মায়া ক্ষুদ্ৰ পৰিমাণেও নাথাকে। তেওঁলোক অধিক বৰষুণ বৰ্ষিত হোৱাৰ নিচিনা হয়। সিহঁতে আল্লাহৰ সন্তুষ্টিৰ বাবে দ্বিধাবোধ নকৰি খৰচ কৰে আৰু সিহঁতক সদায় পোহৰেৰে বিশুদ্ধ কৰা হয়।

সিহঁতৰ এই লক্ষণ হয় যে আল্লাহৰ প্ৰতি সিহঁতৰ হৃদয়তখনত এনেকুৱা আকৰ্ষণ সৃষ্টি কৰি দিয়ে যে সৃষ্টিজগত সিহঁতৰ ফালে আকৰ্ষিত হয়। সিহঁতৰ অৱস্থা সেই প্ৰবাহিত নিজৰাৰ নিচিনা য'ৰ পানী ঠাণ্ডা। অৰ্থাৎ জগতবাসী সিহঁতৰ ফালে দৌৰি আহিব ধৰে, সিহঁতৰ ওপৰত ওহীৰ পানী ছটিয়াই দিয়া হয় আৰু লোক সকলে সেই পানী পান কৰিব ধৰে।

সিহঁতৰ এটা লক্ষণ এয়া যে সিহঁতে আৰামৰ জীৱন-যাপনত পালিত হোৱা ব্যক্তিৰ নিচিনা জীৱন অতিবাহিত নকৰে, বৰঞ্চ সিহঁতে পৰীক্ষাৰ সমুদ্ৰত সাতুৰিব ধৰে। সিহঁতৰ শিৰা সদায় কাটি পেলোৱাৰ বাবে প্ৰস্তুত হৈ যায় আৰু লোক সকলে তাৰ পৰা ৰস ওলায়। সিহঁতৰ আৰু এটা লক্ষণ এয়া যে সিহঁতে আল্লাহৰ প্ৰশংসা কৰে আৰু সেইজনাৰ স্মৰণত সৰ্বদা এটা গতিশীল মাছৰ দৰে সাতুৰিব ধৰে আৰু পৰিপূৰ্ণ ভাৱে সেইজনাৰ প্ৰতি ধ্যান থাকে। সিহঁতে আল্লাহৰ চৰণত এনেকুৱা ভাৱে চিঞৰে, যেনেকুৱা এজনী গৰ্ভৱতী মহিলা প্ৰসৱৰ সময়ত চিঞৰ-বাখৰ কৰে। সিহঁতে তাতেই সোৱাদ প্ৰাপ্ত হয়। সিহঁতৰ পাৰ্থিৱ জীৱন সৰলতাৰ সৈতে আৰু আল্লাহৰ বাহিৰে অইন কথাসমূহৰ পৰা নিজৰ কৰ্ণ বন্ধ কৰি লয় আৰু সহায় বিচৰাৰ নিচিনা খোদাক আহ্বান কৰি জীৱন অতিবাহিত কৰে। বাঁহলৈকে গৈ নোপোৱা চৰাই-চিৰিকাৰ দৰে আল্লাহক স্মৰণ কৰে আৰু সিহঁতে সেই স্মৰণৰ সুগন্ধিৰ সৈতে জীৱন অতিবাহিত কৰে।

সিহঁতৰ এটা লক্ষণ এয়া যে প্ৰত্যেক ধৰণৰ ময়লা আৱৰ্জনা আৰু শুষ্কৰ পৰা পৱিত্ৰ। সিহঁত ময়দানৰ পুৰুষ হয়, চুড়ি পিন্ধা সকলৰ নিচিনা নহয়, সিহঁতে নিজৰ অস্তিত্বৰ পৰা কাপুৰষতাৰ বস্ত্ৰ উঠাই দিয়ে। সিহঁতে সত্য

প্ৰচাৰ কৰে আৰু ভয় নকৰে।

সিহঁতৰ এটা লক্ষণ এয়া যে যিসকলে বিশুদ্ধতাৰ পথত আহি সিহঁতৰ ওচৰত দীক্ষা গ্ৰহণ কৰে, সিহঁতে তেওঁলোকৰ লালন-পালন এনেকুৱা ভাৱে কৰে যেনেকুৱা সৰু সৰু কুকুৰাৰ পোৱালীক কৰা হয়। সিহঁতে (সান্নিধ্যপ্ৰাপ্ত লোকসকলে) তেওঁলোকক চয়তানৰ চক্ৰান্তৰ পৰা ৰক্ষা কৰে আৰু তেওঁলোকৰ খাতিৰে এন্ধাৰ ৰাতিত আল্লাহৰ চৰণত থিয় দিয়ে আৰু সাষ্টাঙ্গে প্ৰণিপাত কৰে; যাৰ ফলত তেওঁলোকৰ ওপৰত কৃপাৰ বৰষুণ বৰ্ষিত হয়। তেওঁলোকৰ ওপৰত দয়া কৰা হয়। সিহঁতৰ এটা লক্ষণ এয়া যে যেতিয়ালৈকে সিহঁতৰ কাম সম্পূৰ্ণ নহয় আৰু শেষ ফলাফল নোলায়, সিহঁতৰ জামাত একত্ৰিত নহয় আৰু সত্য সম্পূৰ্ণ ৰূপে প্ৰকাশিত নহয়, তেতিয়ালৈকে মৃত্যু বৰণ নকৰে। সিহঁতৰ ডোল (কুঁৱাৰ পৰা পানী উলিওৱা বৰ্তন) পূৰ্ণ ৰূপত ভৰি দিয়া হয় আৰু কুঁৱাৰ পানী নাটনি হ'বলৈ দিয়া নহয়। অৰ্থাৎ সিহঁতে সুগন্ধি দেহৰ সৈতে প্ৰকাশ পায় আৰু নিজৰ সৌন্দৰ্যতা এনেকুৱা ভাৱে সম্পূৰ্ণ কৰে যেনেকুৱা কইনাক ছিংগাৰদান (বিয়াৰ সময়ত ছোৱালীক সজোৱা হয়)ত সৌন্দৰ্যতাৰ প্ৰত্যেক বস্তুৰে পৰিপূৰ্ণ কৰি ৰখা হয় , যাতে সৃষ্টিজগতে দেখিব পাৰে। যাৰ ফল স্বৰূপ তাইৰ প্ৰশংসা কৰা যায়।

সিহঁতৰ এটা লক্ষণ এয়া যে সংসাৰে সিহঁতক নিজৰ তৰ্কৰে পৰাজিত কৰিব নোৱাৰে, বৰং ইয়াক দমন কৰি ৰাখে আৰু সিহঁতৰ সংসাৰৰ অস্ত্ৰৰ তীক্ষ্ণতা বেয়া কৰি দিয়ে। সান্নিধ্যপ্ৰাপ্ত লোক সকল কেৱল আল্লাহৰ ওপৰত ভৰসা কৰে।

সিহঁতৰ এটা লক্ষণ এয়া যে সিহঁতে আল্লাহৰ সন্তুষ্টি অৰ্জনাৰ্থে এন্ধাৰ ৰাতিত উপাসনাৰ বাবে থিয় হয় আৰু সিহঁতে পুণ্যৰ বীজ ৰোপন কৰে। নিজৰ সেই শস্যৰ সুৰক্ষাৰ বাবে নিজৰ তাকওৱাক ছাউনী বনাই লয়, তাৰ পাছত এই দুনিয়াত আৰু আখিৰতত নিজৰ শস্য কাটি লয়।

সিহঁতৰ এটা লক্ষণ এয়াও যে সিহঁতে অপ্ৰসন্ন নহয়, আৰু অভদ্ৰ আচৰণ

নকৰে, আৰু লোক সকলৰ উপেক্ষা নকৰে। সিহঁত হিদায়তৰ প্ৰত্যেক স্থানত খোজ ৰাখে আৰু সিহঁতে এনেকুৰা ভূমিৰ দৰে নহয়, য'ত কোনো ঠাইত শস্য উৎপাদন হয় আৰু কোনো ঠাইত নহয়। সিহঁতে কাঠিন্যৰ সন্মুখীন কৰাত দ্বিধাবোধ নকৰে, যদিও সিহঁতৰ অন্ধকাৰত অতিক্ৰম কৰিব লগা হয়। সিহঁতে গুচি নাযায়, যদিও সিহঁতক বধ কৰি পেলোৱা হয়। সিহঁতৰ এটা লক্ষণ এয়াও যে সিহঁতে বিনা কাৰণত কোনোবাৰ সন্মানৰ হানি নকৰে, আৰু নিজৰ ভাষাক খাপৰ ভিতৰত ৰাখে আৰু কোনোবাক আঘাত নজন্মায়। ইহঁতে ব্যৰ্থ বিষয়াৱলীত নিপতিত নহয়, সিহঁতক যিমানেই উত্তেজিত কৰা নহওঁক কিয়, তথাপি সিহঁতৰ ক্ৰোধৰ অগ্নি ঠাণ্ডাই থাকে। যেতিয়া সিহঁতক কোনো কষ্ট দিয়া হয় সিহঁতে আটা গোলাৰ সময়ত ফুলি উঠাৰ সমান খঙেৰে ফুলি নুঠে। সিহঁতে দৃঢ়তাক নেৰে, বৰং তাৰ ওপৰত সৰ্বদা প্ৰতিষ্ঠিত থাকে। তোমালোকে সিহঁতক লাজ বিহীন নাপাবা, বৰং সিহঁত এক সন্মানিত জাতি। সিহঁতে আল্লাহৰ গুণাৱলীৰ নকল কৰে, যেনেকুৰা তোমালোকে এটা লিখনীৰ পৰা আন এটা লিখনী নকল কৰা, সিহঁতে এইদৰেই কৰে।

সেই মুকাৰৰিবিন (আল্লাহৰ সান্নিধ্যপ্ৰাপ্ত লোক)ৰ এটা লক্ষণ এয়া যে সিহঁতে বাহ্যিক ৰূপত সাধাৰণ মানুহৰ নিচিনাই হয়। কিন্তু আভ্যন্তৰীণৰ ক্ষেত্ৰত সাধাৰণ মানৱৰ পৰা ভিন্ন। আল্লাহ সিহঁতৰ কাৰণে এক স্পষ্ট পাৰ্থক্য ৰাখিছে যেনেকুৰা ভাঙি পৰা ঘৰখনৰ তলৰ অংশ স্পষ্ট ভাৱে দেখিবলৈ পোৱা যায়। সেইবোৰক সতেজ আৰু ফলৱন্ত বনাই দিয়ে আৰু এয়া ঘাটিৰ ওপৰত গজা পুলি, আকৌ বৃক্ষৰ সমান ওখ হৈ যায়। সিহঁতৰ এটা লক্ষণ এয়া যে সিহঁতক প্ৰদৰ্শনীয়তাৰ পৰিৱৰ্তে বিশুদ্ধ আচৰণ প্ৰদান কৰা হয়। আল্লাই সিহঁতৰ হৃদয়ৰ ভূমিক সেই আধ্যাত্মিক পানীক নিজৰ ভিতৰত মিশ্ৰিত কৰাৰ বাবে প্ৰস্তুত কৰে আৰু সিহঁতক চেহেৰাৰ উজ্জ্বলতাৰ ভাৱে চিনিব পৰা যায় আৰু সিহঁতক পৱিত্ৰ আৰু পৰিষ্কাৰ আৰু সুগন্ধিত কৰা হয়।

সিহঁতৰ এটা লক্ষণ এয়া যে সিহঁতে প্ৰত্যেক ময়দানত ধনী হয় আৰু

ক্ষীণ, পাতল আৰু ওজন কম ব্যক্তিৰ নিচিনা নহয়। ঐশ্বৰিক শক্তিয়ে সিহঁতক আকৰ্ষিত কৰে আৰু সিহঁতক প্ৰত্যেক ধৰণৰ ময়লা আৱজৰ্নাৰ পৰা পৱিত্ৰ কৰা হয়। আল্লাহৰ এটা শাস্তিয়েই সিহঁতৰ প্ৰবৃত্তিৰ ইচ্ছাৰ সমাপ্ত ঘটায়। সিহঁতে নিজৰে শুধৰণী হোৱাত পাৰ্থিৱ ইচ্ছাক ত্যাগ কৰি দিয়ে। সিহঁতক পৃথিৱীৰ কোনো অপৱিত্ৰতাই স্পৰ্শ কৰিব নোৱাৰে আৰু সেইবোৰক ত্যাগ কৰাত সিহঁতৰ কোনো কষ্ট আৰু দুঃখ অনুভৱ নহয়।

সিহঁতৰ এটা লক্ষণ এয়াও যে সংকট অহাৰ সময়ত সিহঁতক পৃথিৱীত বসবাসকাৰী লগৰীয়াৰ বাবে আকাশৰ পৰা সুৰক্ষিত বস্তুৰ ব্যৱস্থা কৰি দিয়ে আৰু সেই আবেগিক হৃদয়ৰ ঔষধ সৃষ্টি কৰি দিয়ে যি পাৰ্থিৱ ইচ্ছাৰ পৰিণাম স্বৰূপে সৃষ্টি হয় আৰু যেনেকৈ পানী কম প্ৰয়োগ কৰাৰ ফলত শৰীৰত ময়লা জমি যায় আৰু সেই প্ৰকাৰে ঈশ্বৰীয় লোক সকলৰ লগৰীয়াৰ নাটনিত হৃদয়ত ময়লা জমি যায় আৰু জানোতাজন এই কথা বৰ ভালদৰে জানে।

সিহঁতৰ এটা লক্ষণ এয়া যে সিহঁতৰ সঙ্গত থকাৰ ফলত হৃদয়ক নতুন জীৱন প্ৰদান কৰে, পাপসমূহ কম কৰে, দুৰ্বল, ভাগৰ লগা সকলক শক্তি প্ৰদান কৰে। সিহঁতৰ সঙ্গত থাকি নিজৰ পথত দৃঢ়তা সৃষ্টি কৰে আৰু সিহঁতে পৰস্পৰে পৰস্পৰৰ সৈতে মতভেদ নকৰে।

সিহঁতৰ এটা লক্ষণ এয়া যে সিহঁতৰ মোকাবিলা শত্ৰু সকলৰ সৈতে উটবিলাকৰ পৰস্পৰে পৰস্পৰৰ সৈতে হোৱা মোকাবিলাৰ নিচিনা নহয়। আল্লাহৰ সান্নিধ্যপ্ৰাপ্ত সকলে কেৱল তেতিয়া মোকাবিলা কৰে যেতিয়া সিহঁতৰ প্ৰভুৰ খাতিৰে লড়াই কৰা নিশ্চিত হৈ পৰে। সিহঁতে সেই সময়ত মোকাবিলা কৰে যেতিয়া সত্যৰ সৈতে দুষিত মিশ্ৰণ হৈ যায়। সিহঁতে আল্লাহৰ বিনা আদেশে কোনো অত্যাচাৰীক কষ্ট নিদিয়ে, যদিও সিহঁতক সুস্থ জোৱান ছাগলী জবাহ কৰাৰ নিচিনা মাৰি পেলোৱাও হয়। সিহঁতে আল্লাহৰ আদেশক মান্য কৰে। সিহঁতৰ এটা লক্ষণ এয়া যে সিহঁতে মিছা, শত্ৰুতা, প্ৰবৃত্তিৰ ইচ্ছা, প্ৰদৰ্শনীয়তা, গালি-শপনি আৰু কষ্ট দিয়াৰ পৰা আঁতৰত থাকে। সিহঁতৰ হাত

ভৰি কেৱল আল্লাহৰ আদেশৰ অধীনস্থ হৈ লৰ-চৰ কৰে আৰু আল্লাহৰ আদেশৰ বিপৰীত সাহস নকৰে। সিহঁতে পাৰ্থিৱ লাঞ্ছনাৰ ভ্ৰূক্ষেপই নকৰে আৰু প্ৰত্যেক সেই বস্তু যি আল্লাহৰ দৃষ্টিত নিন্দনীয় আৰু অপমানৰ কাৰণ হয়, সিহঁতে সেইবোৰক ঘৃণা কৰে। ৰাতিপুৱা আৰু গধূলি আল্লাহৰ পৰা ক্ষমা বিচাৰে আৰু যেতিয়াই সিহঁতৰ ভিতৰত আলস্যৰ ময়লা আগুৰি ধৰে তেতিয়া আল্লাহৰ স্মৰণৰ পানী দি ধুই দিয়ে। সিহঁতৰ পোছাক তাকওৱা হয় আৰু তাক সিহঁতে বগা কৰি ৰাখে। সিহঁতে ময়লা থকা বস্ত্ৰৰ পৰা আঁতৰত থাকে আৰু তাকওৱাক দ্ৰুত কৰে। সিহঁতে আল্লাহৰ বাহিৰে অইনৰ সঙ্গক ভয় অনুভৱ কৰে। সিহঁতে আল্লাহৰ আস্থানত ধনী হৈ থাকে আৰু তাৰ পৰা পৃথক নহয়। দুনিয়া আৰু পৃথিৱীবাসীৰ পৰা পৃথক হৈ যি বস্তুৱে সিহঁতৰ হৃদয় বিজয় লাভ কৰে সেয়া কেৱল সেই অস্তিত্বৰ প্ৰসন্ন কৰাৰ ইচ্ছা হয় যাৰ বাবে সিহঁতে সদায় সাৰ পাই থাকে।

সিহঁতৰ এটা লক্ষণ এয়া যে সিহঁতে মিছা আৰু অপশব্দ প্ৰয়োগ নকৰে। উপহাস কৰাৰ পৰা বিৰত থাকে, হাঁহি-ঠাট্টা নকৰে। সিহঁতে উদাসীন জীৱন কটায় আৰু সেই কথাৰ প্ৰতি ভয় কৰে যে আমাৰ মুখৰ পৰা নিৰ্গত হোৱা কথা আৰু কোনো কাৰ্যকলাপে আমাৰ পুণ্য কৰ্মক বিনষ্ট যেন কৰি নিদিয়ে। সিহঁতৰ কথা-বতৰা কেৱল শক্তিশালী স্তম্ভৰ ওপৰত স্থাপিত, আৰু সিহঁতে অযথা কথা নকয়। সিহঁতৰ এটা লক্ষণ এয়াও যে তুমি সিহঁতক দেখিবলৈ পোৱা যে আল্লাহ সিহঁতক দুৰ্বলতাৰ পিছত শক্তি আৰু দৰিদ্ৰতাৰ পিছত ধন সম্পত্তি প্ৰদান কৰে। সিহঁতক অসহায় এৰি দিয়া নহয়। সিহঁতৰ এটা লক্ষণ এয়া যে সিহঁতে লোক সকলৰ হাতৰ দ্বাৰা প্ৰত্যেক ধৰণৰ কষ্ট পায় আৰু প্ৰত্যেক ফালৰ পৰা সিহঁতক উদাসীন দেখিবলৈ পোৱা যায় তাৰ পিছত আল্লাই সিহঁতৰ সেই উদাসীন দূৰ কৰি সিহঁতক প্ৰশান্তি প্ৰদান কৰে।। যেতিয়া সিহঁতৰ ওপৰত কোনো বিপদ অৱতীৰ্ণ হয় তেতিয়া আল্লাহৰ তৰফৰ পৰা সিহঁতক এনেকুৱা ধৈৰ্য ধাৰণ কৰাৰ ক্ষমতা প্ৰদান কৰা হয় যিয়ে ফিৰিস্তাক

আশ্চৰ্য কৰি দিয়ে, পিছত আল্লাহৰ ফজল অৱতীৰ্ণ হয় আৰু সেই বিপদৰ পৰা মুক্ত কৰি দিয়া হয়। সিহঁতৰ এটা লক্ষণ এয়া যে সিহঁতে নিজে উপাৰ্জন কৰা ধন ব্যয় কৰে আৰু উত্তৰাধীকাৰীৰ সম্পত্তি আৰু পূৰ্বপুৰুষ সকলৰ সম্পত্তিৰ ওপৰত ভৰসা নকৰে; বৰঞ্চ নিজৰ প্ৰভুৰ দিয়া দানৰ ওপৰতেই সন্তুষ্ট থাকে। আধ্যাত্মিক জ্ঞান সিহঁতক প্ৰদান কৰা হয়, ইয়াৰ বাহিৰে সিহঁতক অইন কোনো বস্তুৱে আনন্দ দিব নোৱাৰে আৰু এইবোৰ সিহঁতক সদায় প্ৰদান কৰা হয়। সিহঁতে আল্লাহৰ পথত অহা কষ্টক নিজ ইচ্ছাৰে সহ্য কৰে আৰু সেই কষ্ট সিহঁতৰ ওপৰত অহাত কোনো ধৰণৰ কষ্ট অনুভৱ নকৰে আৰু যদি সিহঁতক কোনো বস্তুও প্ৰদান কৰা নহয়, তথাপি আল্লাহৰ ধন্যবাদ জ্ঞাপন কৰে। সিহঁতে আল্লাহৰ সৈতে ভাল পোৱাত প্ৰসন্নতা লাভ কৰে। এয়া এই কাৰণেই যে সিহঁতক এনেকুৱা জ্ঞান প্ৰদান কৰা হয় যেনেকুৱা এটা ডাৱৰৰ ওপৰত আন এটা বগা ডাৱৰ থাকে, আৰু সিহঁতক সুপৰিচিত সম্পদ প্ৰদান কৰা হয়, যাৰ ফলত সিহঁতে সেই সুপৰিচিত দুৱাৰেদি প্ৰৱেশ কৰে। সিহঁতক প্ৰবাহিত হোৱা নদীৰ নিচিনা হৃদয় প্ৰদান কৰা হৈছে, সেই অলপ পানীৰ নিচিনা নহয় যি কুঁৱাত স্থিৰ থাকে আৰু সেয়াও ঘোলা। আল্লাহৰ সহায় সেই সান্নিধ্যপ্ৰাপ্ত লোক সকলৰ পৰা পৃথক নহয় আৰু সৰ্বদা সিহঁতক সহায় প্ৰদান কৰা হয়।

সিহঁতৰ এটা লক্ষণ এয়া যে সিহঁতক সিহঁতৰ প্ৰভুৰ প্ৰতি ভীতি প্ৰদান কৰা হয় যাৰ ফলত শত্ৰুসকলে সিহঁতৰ সৈতে মোকাবিলা কৰাৰ পৰা আঁতৰত থাকে আৰু পলায়ন কৰে। সিহঁতৰ সাক্ষাতৰ সময়ত নিজকে আজনবী বুলি পৰিচয় দিয়ে আৰু গোপন থকাৰ প্ৰয়াস কৰে আৰু সিহঁতে এনেকুৱা ভাৱে পলায়ন কৰিব বিচাৰে যেনেকুৱা সেই ব্যক্তি পলায়ন কৰে যাৰ নাক কোনো পাপ কৰাৰ বাবে কাটি পেলোৱা হৈছে যাৰ ফলত তেওঁ লজ্জিত হৈ পলায়ন কৰি লোক সকলৰ সৈতে সাক্ষাৎ কৰাৰ পৰা আঁতৰত থাকে। এইটো সেই ভীতি যি আল্লাহৰ তৰফৰ পৰা সিহঁতক প্ৰাপ্ত হৈ সিহঁতৰে হৈ থাকি যায়।

সিহঁতৰ এটা লক্ষণ এয়া যে সিহঁতে এনেকুৱা লোক যিসকলে আল্লাহৰ পথত এইদৰে প্ৰয়াস কৰে যিদৰে এজন নতুন যুৱতীয়ে শকত শৰীৰ থকা যুৱকৰ প্ৰয়াস কৰে। যেতিয়া সিহঁতে আল্লাহৰ আদেশসমূহ পালন কৰাৰ বাবে থিয় হয় তেতিয়া ফূৰ্তি আৰু প্ৰসন্নতাৰ সৈতে পালন কৰে আৰু তুমি সিহঁতৰ মাজত কোনো ধৰণৰ আলস্য আৰু দুৰ্বলতা দেখিবলৈ নাপাবা, আৰু সিহঁতে শংকাত নপৰে। পৃথিৱী সিহঁতৰ জ্যোতিৰে আলোকিত হয়। সিহঁতৰ ব্যক্তিত্বৰ পৰা কেৱল সেইজনেই অপৰিচিত হয় যিয়ে জানি-বুজি অজনা হয়। সিহঁতৰ শত্ৰুৱে সিহঁতক চিনিব পাৰে আৰু জানি-বুজি অস্বীকাৰ কৰে।

সিহঁতৰ এটা লক্ষণ এয়া যে সিহঁতে এনেকুৱা লোক যিসকলৰ সান্নিধ্যত আল্লাহৰ উপকৃতৰ নদী থাকে আৰু তাৰ পৰা সিহঁতে পানী পান কৰে আৰু সিহঁতে শক্তিশালী মানুহৰ নিচিনা তাৰ ফালে দ্ৰুত গতিত খোজ আগবাঢ়ি দৌৰি থাকে আৰু সিহঁতৰ কোনো ভাগৰ নালাগে, আৰু সিহঁতে দুৰ্বল নহয় আৰু যেতিয়া সিহঁতৰ মাজত আধ্যাত্মিকতা হ্ৰাস পায়, তেতিয়া সেই গাভৰু উটৰ প্ৰসৱৰ কষ্টৰ সমানেই নহয়, বৰং তাতকৈ অধিক কষ্ট অনুভৱ কৰে। তোমালোকে সিহঁতৰ হৃদয়ক বৰফেৰে ঢাকি থকা ভূমিৰ সমান দেখিবলৈ পোৱা যি জ্ঞানেৰে প্ৰবাহিত। সিহঁতৰ এটা লক্ষণ এয়া যে যেতিয়া সিহঁতে কোনো দুষ্ট লোকৰ কাযেদি অতিক্ৰম কৰে তেতিয়া সিহঁতে আল্লাহৰ পৰা ইছতিগফাৰ (ক্ষমা বিচাৰি) অতিক্ৰম কৰে আৰু খোদাভীতিৰ কাৰণে কোনোবাৰ নয়নত দুৰ্বলতাৰ চিহ্ন নেদেখিবা; আৰু সিহঁতে অহংকাৰ নকৰে। সিহঁতে এজন দৰিদ্ৰতাৰ নিচিনা জীৱন অতিবাহিত কৰে আৰু অলপ বস্তুতেই সন্তুষ্টি হৈ যায়। সংঘৰ্ষ আৰু সংকটৰ সময়ত স্থিতিশীল হৈ থাকে। এই সকলেই সেই সকল লোক যিসকলে নিজৰ প্ৰভুক প্ৰাধান্য দিছে আৰু সিহঁত এনেকুৱা পুৰুষ যিসকলে মধ্যৱৰ্তী পথ অৱলম্বন কৰে।

সিহঁতৰ এটা লক্ষণ এয়া যে সিহঁতে এনেকুৱা লোক, যিসকলৰ জীৱনৰ ওপৰত অসুবিধা নাহে; আৰু সিহঁতক সংকটময় আহাৰৰ শাস্তিত নিপতিত

কৰা নহয়। সিহঁতক তাৰ পৰা প্ৰদান কৰা হয় য'ৰ পৰা সিহঁতে প্ৰদান হ'ব বুলি ধাৰণা আৰু কল্পনাও নকৰে। আল্লাহ তা'লাই সিহঁতক আধ্যাত্মিক জ্ঞান প্ৰদান কৰে যাৰ পৰা সিহঁতে প্ৰসন্ন হৈ যায়। সিহঁতৰ এটা লক্ষণ এয়া যে সিহঁতে অলপ আধ্যাত্মিক জ্ঞান আৰু স্বল্প কাৰ্যকলাপত সন্তুষ্ট নহয়। যেতিয়া সিহঁতে আৰোহণ কৰে তেতিয়া ভালদৰে আৰোহণ কৰে আৰু যেতিয়া কৰ্ম কৰে তেতিয়া সম্পূৰ্ণ কৰে। সিহঁতে বেয়া আৰু অসম্পূৰ্ণ কামৰ পৰা আঁতৰত থাকে। সিহঁতে পৰ্দা দূৰ কৰাৰ বাবে প্ৰয়াস কৰে আৰু যেতিয়া কোনোবাৰ সৈতে শত্ৰুতা কৰে বা মিত্ৰতা কৰে তেতিয়া গভীৰ ভাৱে কৰে আৰু কপটতা নকৰে। সিহঁতৰ এটা লক্ষণ এয়াও হয় যে সিহঁতৰ হৃদয় এনেকুৱা ভূমি, য'ত ৰহমতৰ বৰষুণ অধিক পৰিমাণে বৰ্ষিত হয় আৰু সিহঁতৰ বিবেক এনেকুৱা, যেনে অধিকৰ পৰা অধিক হয়। ইহঁতক প্ৰত্যেক ধৰণৰ বেয়া বাট আৰু ফাছাদৰ পৰা বচোৱা হয়। সিহঁতে ব্যৰ্থ কথাত লিপ্ত নহয়। সিহঁতক অন্ধকাৰৰ পৰা আঁতৰত ৰখা হয়; আৰু আল্লাহৰ জ্যোতিৰে জ্যোতিৰ্ময় কৰা হয়।

সিহঁতৰ এটা লক্ষণ এয়া যে সিহঁতৰ ডিঙিয়ে বিশ্বস্ততাৰ বোজা উঠাওঁতা প্ৰত্যেক ব্যক্তিতকৈ অধিক আল্লাহৰ আমানত (বিশ্বস্ততা)ৰ বোজা উঠাই ৰাখিছে আৰু সিহঁতৰ ডিঙি সেই বোজাৰ কাৰণে বেকা নহয়; বৰং সিহঁতক বিশ্বস্ততাৰ বোজাই ধুনীয়া ডিঙি থাকোতা স্ত্ৰীৰ সমান সুন্দৰ কৰি দিয়ে আৰু তাৰ দ্বাৰা সৌন্দৰ্যতাৰ উজ্জ্বলতা স্থিৰ থাকে যি এটা ভূমিকা পালন কৰোঁতা জনৰ পৰা দেখিবলৈ পোৱা যায়। সিহঁতে আল্লাহৰ চৰণত অৱনত থকাৰ ফলত লোক সকলৰ মাজত সন্মানিত কৰা হয়। সিহঁতৰ এটা লক্ষণ এয়া যে প্ৰত্যেক বেয়া কামৰ পৰা আঁতৰত থকাৰ কাৰণে সিহঁতক ভাল সকলৰ সমৰ্থন লাভ হয় আৰু সিহঁতক বেয়া বিচাৰসমূহ দূৰ কৰাৰ বাবে দৃঢ়তা প্ৰদান কৰা হয়। সিহঁতে ভাৱে এটাৰ পিছত আন এটা সহায় আহিয়েই থাকে এই কাৰণেই সিহঁতে অদ্বিতীয় লোক হৈ থাকে। সিহঁতে আল্লাহৰ সন্তুষ্টিৰ বাবে সকলো কিছু ত্যাগ স্বীকাৰ কৰে। নিজকে সংসাৰৰ পৰা পৃথকতা অৱলম্বন কৰে আৰু

আল্লাহৰ ফালে অকলে অকলেই দৌৰি যায়। সিহঁতৰ আত্মাৰ উৰ্দ্ধমূলক বংশৰ উট নিজৰ প্ৰেমীকৰ ফালে দ্ৰুত গতিত দৌৰি যায়, সিহঁতে খোদাৰ সৈতে সাক্ষাৎ কৰাক সকলো বস্তুৰ ওপৰত প্ৰাধান্য দিয়ে। সিহঁতে জুদাই (পৃথকতা)ৰ ধাৰণাৰ পৰা গলি যায়। বুদ্ধিমান সিহঁতৰ ভাষাৰ মূলৰ পৰা প্ৰস্ফুটিত হয় আৰু বিবেক সিহঁতৰ মস্তিষ্কত উজ্জ্বলিত হয় লগতে সিহঁতে অধিক পানী থকা কুঁৱাৰ সমান জ্ঞান আহৰণ কৰে।

সিহঁতৰ এটা লক্ষণ এয়া যে সিহঁতে আল্লাহৰ সন্তুষ্টিৰ বাবে ভয়ঙ্কৰ ঠাইত সোমাই যায় আৰু বৈ নাথাকে। এই বিষয়ে সিহঁতৰ সৈতে কোনো দৃষ্টান্ত পোৱা নাযায় আৰু ইহঁতে ইয়াত সম্পূৰ্ণ আৰু অদ্বিতীয়। গুপ্ত লোক সকলৰ মাজৰ কোনো এক ব্যক্তিয়েও সিহঁতৰ সাদৃশ্য হ'ব নোৱাৰে। যদিও সিহঁতে তাৰ প্ৰতি লিপ্সাও কৰে। যদি সিহঁতৰ অস্তিত্ব নাথাকিলেহেঁতেন তেন্তে লোক সকলে বিনষ্ট হৈ গ'লহেঁতেন আৰু যদি সিহঁতৰ উৎসা নাথাকিলেহেঁতেন তেন্তে লোক সকলৰ হৃদয়ৰ পৰা আল্লাহৰ প্ৰতি ভাল পোৱা ঠাণ্ডা পৰি গ'লহেঁতেন আৰু সিহঁতে চয়তানৰ ফালে দৌৰি গলেহেঁতেন আৰু আল্লাহ অৱশ্যই ব্ৰহ্মাজ্ঞানী সকলৰ বংশৰ পৰম্পৰাৰ সমাপ্ত ঘটালেহেঁতেন আৰু ঈমানৰ স্তম্ভও সমাপ্ত কৰি দিলেহেঁতেন। গতিকে এয়া আল্লাহ তা'লাৰ নিজৰ সৃষ্টিৰ ওপৰত মহান উপকাৰ যে এই সান্নিধ্যপ্ৰাপ্ত লোক সকলক অৱতৰণ কৰা হয়; আৰু নিঃসন্দেহ সকলো লোক শিলাময় ভূমিৰ সাদৃশ্য হয়। খোদাৰ সান্নিধ্যপ্ৰাপ্ত লোক সকলে সিহঁতক শুধৰণী কৰে আৰু যিসকলে সিহঁতক হেৰাই পেলায় সিহঁত এতীমৰ নিচিনা হয় আৰু যিজনে সঠিক প্ৰকৃতিক হেৰাই পেলায় তেওঁ এনে শিশুৰ নিচিনা, যাৰ মাতৃ নাই আৰু যিজনে এই উভয়ক হেৰাইছে তেওঁ সেই ব্যক্তিৰ নিচিনা, যাৰ পিতৃ-মাতৃ উভয়ৰ মৃত্যু ঘটিছে। গতিকে কল্যাণমণ্ডিত সেইজন যাক এইবোৰ সুবিধা প্ৰদান কৰা হয় আৰু তেওঁ সেইবোৰক একত্ৰিত কৰি লয়।

সিহঁতৰ এটা লক্ষণ এয়া যে সিহঁতে সেই লোভ-লালসাৰ পৰা বিৰত

থাকে যি চিচৰী (এক ধৰণৰ কীট)ৰ সৈতে সাদৃশ্য ৰাখে, কাৰণ সিহঁতে নিজৰ প্ৰভুৰ ফালৰ পৰা আত্মাৰ শুধৰণী কৰে, যাৰ পৰিণামস্বৰূপ আত্মা সন্তুষ্টি লাভ কৰে। সিহঁতৰ আধ্যাত্মিকতাৰ উন্নতি প্ৰদান হয়। সিহঁতে নিম্ন পৰ্যায়ৰ ফালে নাযায় আৰু সিহঁতক নিম্ন পৰ্যায়ৰ পৰা বচোৱা হয় আৰু সুৰক্ষিত ৰখা হয়। সিহঁতৰ এটা লক্ষণ এয়া যে সিহঁতক সেই সময়ত অৱতৰিত কৰা হয় যেতিয়া লোক সকলৰ অৱস্থা অনাথৰ নিচিনা হৈ যায় আৰু কোনেও সিহঁতৰ অৱস্থাৰ সংশোধনৰ বাবে সিহঁতৰ সৈতে সহানুভূতি নেদেখুৱায়। লোক সকলে পাপ আৰু গোণাহৰ মৃত্যুত মৰি থাকে আৰু ভাল আচৰণ নথকা আলিম সকলে সেই লোক সকলৰ বিনাশৰ আশা কৰি থাকে আৰু সান্নিধ্যপ্ৰাপ্ত লোক সকলে সিহঁতৰ প্ৰতি কোনো ভ্ৰূক্ষেপ নকৰে আৰু এই সকলোবোৰ সেই সকলৰ উপস্থিতিত প্ৰকট হয়। ইয়াৰ দ্বাৰাই সিহঁতক চিনাক্ত কৰা হয়। অৰ্থাৎ যেতিয়া তোমালোকে এয়া দেখা যে লোক অন্ধকাৰত আৱদ্ধ হৈ আছে, মিছা কয়, আল্লাহৰ প্ৰতি উপদ্ৰৱী হয়, পাপত লিপ্ত হয়, ব্যভিচাৰ কৰি থাকে আৰু ইছলাম ধৰ্ম ত্যাগ কৰি আছে তথা কু-পথ এৰা নাই তেতিয়া বুজি লওঁক যে অৱতাৰ আগমন হোৱাৰ সময় আহি গৈছে আৰু হিদায়ত আৰু সত্যৰ পথক পাহৰি যোৱা সকলৰ উপদেশ দিওঁতাৰ সময় আহি গৈছে। কল্যাণ হওঁক সেই লোক সকলৰ ওপৰত যিসকলে আল্লাহৰ আদেশ সমূহক সাৱধানতাৰে শ্ৰৱণ কৰে।

সিহঁতৰ এটা লক্ষণ এয়া যে যেতিয়া মানুহে নিজৰ ৰাস্তা পৃথক কৰি লয় তেতিয়া সিহঁতক প্ৰেৰণ কৰা হয় আৰু যিসকলে সিহঁতৰ সৈতে শত্ৰুতা আৰু দ্বেষ ৰাখে আল্লাহ সিহঁতৰ শত্ৰু হৈ যায়। সিহঁতক ধাক্কা দিয়া হয় আৰু আল্লাহৰ আস্থানৰ পৰা সিহঁতক বহিষ্কাৰ কৰি দিয়া হয় আৰু সিহঁতক কাটি পেলোৱা হয়। তথাপি যদি ইহঁতে সংশোধন নহয়, তেন্তে সিহঁতক সম্পূৰ্ণ ৰূপে নষ্ট কৰি দিয়া হয়। আল্লাহ নিজৰ বিশেষ ভৃত্যৰ হৃদয়ত আকৰ্ষণ সৃষ্টি কৰি দিয়ে যাৰ মাধ্যমে লোক সকলক নিজৰ ফালে টানি লয়। যদি লোক

সকলে সিহঁতৰ আনুগত্য নকৰে, তেন্তে পাথৰ আৰু মাটিৰ টুকুৰা সিহঁতৰ অনুকৰণ কৰিব আৰু সিহঁতক মানৱ বনাই দিয়া হ'ব আৰু এইবোৰে সত্যৰ প্ৰতি সাক্ষী দিব।

সিহঁতৰ এটা লক্ষণ এয়া যে সিহঁতে এনেকুৱা লোক যিসকলৰ আল্লাহৰ সৈতে এনেকুৱা ঘনিষ্ঠ সম্বন্ধ থাকে যে সেইসকলৰ ওপৰত বল্লম, তৰোৱাল চলাওঁতা আৰু কাড় বাধা হৈ থিয় হৈ যায়। এই সান্নিধ্যপ্ৰাপ্ত লোক সকলৰ ওপৰত আজ্ঞাকাৰী হোৱা অৱস্থাতেই মৃত্যু আহে। সিহঁতৰ এটা লক্ষণ এয়া যে সিহঁতক সেই প্ৰত্যেক বস্তুৰ পৰা যিয়ে সিহঁতক দোষী সাব্যস্ত কৰে কেৱল নিজৰ হৃদয়ৰ সৰলতাৰ কাৰণে ৰক্ষা পায়, আৰু প্ৰত্যেক সেই বস্তু যিয়ে সিহঁতক সৌন্দৰ্যতা প্ৰদান কৰে তাক সন্মান কৰা হয় আৰু সেইবোৰ কৰ্মৰ পৰা যিবোৰে সিহঁতৰ ওপৰত দাগ লগায় তাৰ পৰা আঁতৰত থাকে। সিহঁতক সেই নিদৰ্শনৰ দ্বাৰা সহায় কৰা হয় আৰু আকাশ আৰু পৃথিৱী সাক্ষীৰ বাবে পোনে পোনে থিয় হৈ উঠে আৰু সিহঁতৰ মৃত্যুত জগতে ক্ৰন্দন কৰে, এইদৰে সিহঁতক সন্মান কৰে। সিহঁতৰ এটা লক্ষণ এয়া যে আল্লাহ সিহঁতৰ ঘৰ, কাপোৰ, কমিচ, চাদৰ, ওঠ, হাত, পিঠি আৰু এই প্ৰকাৰ সিহঁতৰ গোটেই শৰীৰৰ অংগত ৰৈ যোৱা টুকুৰা আৰু সেই পানীত যি সিহঁতৰ পান কৰাৰ পিছত অৱশিষ্টখিনি থাকি যায়, তাতে কল্যাণ নিহিত আছে। সিহঁতৰ দুৰ্বলতাৰ সময়ত আৰু সেই সময়ত যেতিয়া সিহঁতে পৰি যায় তেতিয়া খোদাৰ সহায় সিহঁতৰ সৈতে থাকে আৰু সেইজনাই সিহঁতৰ দোৱা গৃহীত কৰে, সিহঁতৰ তাৰকশ্ব (তীৰ ৰখা বস্তু)ৰ পৰা চলোৱা তীৰ কেতিয়াও বিফল নহয়। দৰিদ্ৰতাই সিহঁতক স্পৰ্শ নকৰে। খোদা নিজৰ হাতেৰে সিহঁতৰ থৈলাত অৰ্থ সোমাই দিয়ে আৰু বৃদ্ধ বয়সত সিহঁতৰ যুৱক বয়স সম্পূৰ্ণ ৰূপে সন্মান বৃদ্ধি কৰে। সিহঁতৰ মাজত এক শক্তিশালী আকৰ্ষণ সৃষ্টি হয় আৰু বহু সংখ্যক সৃষ্টিয়ে সিহঁতৰ সান্নিধ্যলৈ লৈ আহে আৰু যেতিয়া সিহঁতক কোনো প্ৰশ্ন কৰা হয় তেতিয়া উত্তৰ দিয়াৰ বাবে থিয় হৈ যায় আৰু সিহঁতৰ সহায় কৰে যাতে

সিহঁতক সেই ভালপোৱাৰ মাধ্যমে চিনাক্ত কৰিব পৰা যায়। সিহঁতৰ হৃদয় তেওঁলোকৰ ভালপোৱাৰ প্ৰতি মুকলি কৰি দিয়ে। সিহঁতৰ ক্ৰোধে খোদাৰ ক্ৰোধক উত্তেজিত কৰে আৰু সিহঁতৰ অস্থিৰতাই সিহঁতৰ ৰহমতক উত্তেজিত কৰে। অৰ্থাৎ পৱিত্ৰ সেইজন যিয়ে নিজৰ ভৃত্যক উৰ্দ্ধত কৰে আৰু সেইজনাৰেই হৈ যায়।

সিহঁতৰ এটা লক্ষণ এয়া যে সিহঁতে নিজৰ প্ৰভুক এনেকুৱা সম্পদ বুলি ভাৱে যি কেতিয়াও সমাপ্ত নহয়। এনেকুৱা স্ৰোত যাৰ প্ৰবাহ বন্ধ নহয় আৰু এনেকুৱা সংৰক্ষিত হয় যিয়ে কেতিয়াও নুশুৱে, এনেকুৱা নিৰীক্ষণ কৰ্তা যাৰ ফৰজসমূহ আদায় কৰাত ফালৰি নাকাটে। এনেকুৱা বাদশ্বাহ, যাক অকলেই নেৰে। এনেকুৱা প্ৰেমীক যাক এৰিব পৰা নাযায় আৰু এনেকুৱা সেৱক যাৰ সন্মানৰ হানি নহয়। এনেকুৱা মৰ্যাদাবান যাৰ কেতিয়াও পতন নহয়। এনেকুৱা সমুদ্ৰ যাৰ পানী হ্ৰাস নাপায় আৰু এনেকুৱা জীৱিত যে যাক কোনেও আঘাত হানিব নোৱাৰে আৰু এনেকুৱা শক্তিশালী যাৰ মাজত কোনো দুৰ্বলতা নাই। এনেকুৱা মালিক, যিয়ে ৰছুলক প্ৰেৰণ কৰে আৰু প্ৰতিনিধিত্বৰ সৌভাগ্য প্ৰদান কৰা হয়। সিহঁতে এই বিশ্বাস পোষণ কৰে যে সকলোবোৰ সৃষ্টিয়ে সেইজনাৰ আদেশ মতে সৃষ্টি হৈছে আৰু সিহঁতে সেইজনাৰ ফালে ওভতি যাব লাগিব। সিহঁতৰ এটা লক্ষণ এয়া যে সিহঁতৰ কেইবা বাৰ পৰীক্ষা লোৱা হয় তাৰ পিছত সিহঁতৰ প্ৰভুৱে সিহঁতক ৰক্ষা কৰে আৰু সিহঁতৰ সহায় কৰে। সিহঁতৰ এই পৰীক্ষাৰ উদ্দেশ্য কেৱল এয়াই হয় যাতে সিহঁতৰ ওপৰত আল্লাহৰ কৃপা বৰ্ষিত হয় আৰু মূৰ্খ লোকসকলে জানিব পাৰে। সিহঁতৰ এটা লক্ষণ এয়া হয় যে সিহঁতে পৱিত্ৰতাৰ চৰবতৰ ৰস লৈ লৈ পান কৰে। সিহঁতৰ হৃদয় জ্যোতিৰে পৰিপূৰ্ণ। তুমি সিহঁতৰ চেহেৰাত আল্লাহৰ প্ৰতি সন্মান আৰু প্ৰসন্নতাৰ লক্ষণ দেখিবলৈ পাবা আৰু আল্লাহৰ পৰা সিহঁতক প্ৰত্যেক প্ৰকাৰৰ সমৃদ্ধি প্ৰদান কৰা হয়।

সিহঁতৰ এটা লক্ষণ এয়া যে সিহঁতে অত্যন্ত সাহসী; সিহঁতে জঙ্গলত

সোমাই যায় য'ত কেৱল বাহাদুৰ (বীৰ) সকলেই সোমাব পাৰে। সিহঁতে নিজৰ প্ৰাণক সৰ্বশক্তিমান খোদাৰ সন্তুষ্টি অৰ্জনাৰ্থে বিসৰ্জন দিয়ে। তোমালোকে সিহঁতক লোভ-লালসা কৰা নাপাবা, বৰং সিহঁতে বিশ্বাস ৰাখে যে সিহঁতে নিজৰ সম্পত্তিক আকাশত জমা কৰি ৰাখিব আৰু তাতে কোনোবাই চুৰি কৰিব নোৱাৰে আৰু তাৰ পৰা কোনোবাই কাঢ়ি ল'বও নোৱাৰে। সিহঁতৰ এটা লক্ষণ এয়া যে ইহঁতে খোদাৰ হাতৰ দ্বাৰা ওলোৱা ৰস মধুৰ নিচিনা ভাৱে আৰু সিহঁতে অইনৰ বিনা মাধ্যমে কেৱল নিজৰ প্ৰভুৰ পৰা শিক্ষা অৰ্জন কৰে আৰু সিহঁতে যি বিচাৰে সেয়া সিহঁতক প্ৰদান কৰা হয়। সিহঁত শাখা-প্ৰশাখা থকা গছৰ নিচিনা, যাক পশু পালন কৰোঁতাই নিজৰ লাঠীৰ দ্বাৰা জোকাই থাকে। গছৰ সেই পাতৰ নিচিনা নহয় যি পশু পালন কৰোঁতাৰ বিনা জোকাৰণিত নিজে নিজে সৰি পৰে। সিহঁতৰ দৃষ্টি নিজৰ প্ৰভুৰ ওপৰত থাকে আৰু সিহঁতক পৰ্দাত ৰখা নহয়।

সিহঁতৰ এটা লক্ষণ এয়া যে সিহঁতে আল্লাহৰ সন্তুষ্টি লাভাৰ্থে সম্পূৰ্ণ ৰূপে প্ৰয়াস কৰে। সিহঁতৰ হৃদয়ত আল্লাহৰ প্ৰতি প্ৰেমৰ অগ্নি প্ৰজ্জ্বলিত হয় আৰু সিহঁতে সেই পোহৰক আলোকিত কৰি ৰাখে। খোদাৰ প্ৰেমত পৰি কষ্টৰ সন্মুখীন হৈ ডাঙৰ ডাঙৰ গুৰুত্বপূৰ্ণ কামৰ ভূমিকা পালন কৰে আৰু প্ৰেমৰ অগ্নিৰ ফলত এনেকুৱা কৰ্ম কৰে, যিয়ে সৃষ্টি জগতক হতবিম্ব কৰি দিয়ে; জ্ঞান লগতে বুদ্ধিত আশ্চৰ্য হৈ যায়। তুমি সিহঁতৰ কৰ্মত ফূৰ্তি দেখিবলৈ পাবা, আলস্য দেখিবলৈ নাপাবা। হে শ্ৰৱণ কাৰী ! যদি তুমি আশ্চৰ্য হোৱা তেন্তে তাৰ অৰ্থ এয়া যে তুমি বিবেকবান নহয়। সিহঁতৰ এটা লক্ষণ এয়া যে সিহঁতক শাস্তি দিয়া নহয় আৰু সিহঁতৰ ভাৱে দুঃখ যন্ত্ৰণা, পুৰস্কাৰৰ নিচিনা বনাই দিয়া হয়। সিহঁতৰ বাবে ৰহমতৰ দুৱাৰ মুকলি কৰি দিয়া হয়। সিহঁতক এনেকুৱা ঠাইৰ পৰা সংস্থান প্ৰদান কৰা হয় যি সিহঁতে ধাৰণাও নকৰে। এয়া এই কাৰণেই হয় যে সিহঁতে খোদাৰ সান্নিধ্যপ্ৰাপ্ত লোক। অৰ্থাৎ খোদাৰ সন্তুষ্টি বিচৰাজনক কেনেকৈ অগ্নিত নিক্ষেপ কৰিব পৰা যায় আৰু সিহঁতক শাস্তি

দিব পৰা যায়; অৰ্থাৎ সিহঁতৰ সন্তান-সন্ততি আৰু সন্তানৰ সন্তান সকলকও শাস্তি দিয়া নহয়। সিহঁতৰ প্ৰত্যেকৰ ওপৰত দয়া কৰা হয় আৰু আল্লাহ সিহঁতৰ বংশধৰত কল্যাণ প্ৰদান কৰে। সিহঁতে কল্যাণত প্ৰত্যেক দিন অগ্ৰগতি লাভ কৰে আৰু আমি সেই কাৰণ সমূহ বৰ্ণনা কৰো যাৰ ফলত আল্লাহ সিহঁতৰ বাবে সকলোবোৰ সুবিধা প্ৰদান কৰে। সিহঁতে বিচাৰে যে সিহঁতৰ সন্তান আৰু সন্তানৰ সন্তানক আধিক্য প্ৰদান কৰা হওঁক আৰু বিশ্ৰামৰ ব্যৱস্থা হওঁক আৰু সকলোবোৰ কষ্ট সিহঁতৰ পৰা যেন দূৰ হয় আৰু তাৰ কাৰণ এয়া যে আল্লাহৰ সন্তুষ্টিৰ বাবে নিজকে কোৰবাণ কৰি দিয়ে আৰু বিচাৰে যে সেইজনাৰ পথত প্ৰাণ বিসৰ্জন দিব। সিহঁতে জীৱনৰ লালস নকৰে। অৰ্থাৎ সিহঁতে আল্লাহৰ কৃপাৰ ফলত এই কথাৰ ইচ্ছুক হয় যি সিহঁতে উত্থাপন কৰে সেইজনাই সিহঁতক তাতকৈ অধিক ওভতাই দিয়ে আৰু যিসকলে সম্বন্ধ বিচ্ছেদ কৰিছিল সেইবোৰক জোৰা লগায়। এইদৰে সেইজনাৰ ছুন্নত নিজৰ ভৃত্যৰ ওপৰত জাৰি কৰে যে সেইজনাই এহছান (অনুগ্ৰহ) কৰোঁতা সকলৰ প্ৰতিদান কেতিয়াও বিনষ্ট নকৰে। তাৰ বাবে সিহঁতে বিনম্ৰতা অৱলম্বন কৰে আৰু সিহঁতক অসন্মানিত নকৰে, বৰং সন্মানিত কৰা হয়। সেই ব্যক্তি যিয়ে নিজৰ প্ৰভুৰ সৈতে দৃঢ়তাপূৰ্ণ হৈ থাকিছে আৰু অঙ্গীকাৰ পূৰ্ণ কৰিছে আৰু নিজৰ কৰ্ম সমূহ গোপন ৰাখিছে তেতিয়া আল্লাহও এনেকুৱা ব্যক্তিক গোপন থাকিব নিদিয়ে, বৰং সিহঁতক সন্মান প্ৰদান কৰে আৰু সাধাৰণ লোক আৰু নিজৰ ভাতৃ সকলৰ মাজত সিহঁতক সন্মানৰ খাতিৰে খোদাৰ কৃপা বৰ্ষিত কৰা হয়, খোদাই সিহঁতক পছন্দ কৰে। যেনেকুৱা ভোকাতুৰ ব্যক্তিয়ে আহাৰ বিচাৰি থাকে,এনেকুৱাই খোদাই সিহঁতৰ বিষয়ে দূৰ-দূৰণি দেশ সমূহত উৰ্দ্ধত ৰাখিব বিচাৰে। আল্লাহৰ সান্নিধ্যপ্ৰাপ্ত ব্যক্তিয়ে মছুৰ ডালিয়েই যথেষ্ট বুলি ভাৱে। পুৰস্কাৰ আৰু আৰামৰ জীৱন-যাপনক হিংসা কৰে তেতিয়া তেওঁৰ প্ৰভুৱে তাৰ বিপৰীত কৰে আৰু সিহঁতক ফলৰ কোছা আৰু ডালিম প্ৰদান কৰা হয়। সিহঁতে পৃথিৱীৰ পৰা পৃথকতা অৱলম্বন কৰে আৰু সদায় দৰিদ্ৰতাৰ

জীৱন-যাপন অতিবাহিত কৰে। কিন্তু আল্লাই ওহীৰ মাধ্যমে সিহঁতক কোঁঠালিৰ পৰা বাহিৰলৈ ওলাই আনে, তাৰ পিছত সেইজনাই নিজৰ সৃষ্টিকুলক সিহঁতৰ ফালে ৰুজু কৰোৱায় আৰু সিহঁতৰ ওচৰলৈ উপহাৰ আৰু নিয়ামত সমূহ লৈ আহে, তেওঁলোকে সিহঁতৰ সেৱা আগবঢ়ায়, আৰু পৃথিৱীত তেওঁলোক গৃহীত হয়। আকাশত এই জাননী দিয়া হয় যে তেওঁলোকে সেইসকল লোকৰ অন্তৰ্ভুক্ত যিসকলক আল্লাই ভাল পায় আৰু সিহঁতেও আল্লাহক ভাল পায় আৰু আল্লাহৰ সৈতে নিষ্ঠাৰ সম্পৰ্ক ৰাখে। আল্লাহ এনেকুৱা সান্নিধ্যপ্ৰাপ্ত লোক সকলৰ বাবে চকু হৈ পৰে, যাৰ মাধ্যমে সিহঁতে দেখিবলৈ পায় আৰু সেইজনাৰ কাণ হৈ যায়, যাৰ মাধ্যমে সিহঁতে শ্ৰৱণ কৰে আৰু সেইজনাৰ হাত হৈ যায় যাৰ মাধ্যমে সিহঁতে ধৰে। এয়াই হয় সম্পৰ্ক সেই লোকসকলৰ যিসকলৰ নিজৰ গোটেই অস্তিত্ব আল্লাহৰ হৈ যায়, আৰু সিহঁতে অংশীবাদীত লিপ্ত নহয়। সেইজনাই এই কামৰ সিদ্ধান্ত কৰে যে সিহঁতে কেৱল সেইজনাৰেই হয়, তাৰ পিছত সিহঁতে মৃত্যুলৈকে নিজৰ কথন পৰিৱৰ্তন নকৰে আৰু সিহঁতে সেইজনাৰ ফালেই ওভতি যায়।

সিহঁতৰ এটা লক্ষণ এয়া যে সিহঁতে নিজৰ প্ৰবৃত্তিৰ ইচ্ছাৰ পৰা ওলাই পৰে আৰু যেনেকুৱা সাপ নিজৰ মোট্‌ৰ পৰা ওলায়। সিহঁতৰ ইচ্ছাৰ অগ্নি উত্তেজিত হোৱাৰ পিছত নিৱাৰণ হৈ যায় তাৰ পিছত সিহঁতৰ ভিতৰত নতুন পৱিত্ৰ ইচ্ছুকৰ জনম লয়, আৰু যি বস্তুৰে ইচ্ছা কৰে তাৰ পৰা সিহঁতৰ আত্মা প্ৰশান্তি লাভ কৰে। কাৰণ সিহঁতৰ হৃদয় তাৰ বাবে তৈয়াৰ কৰি দিয়া হয়। প্ৰলয়ৰ দিনবোৰতে সিহঁতৰ বাবে আধ্যাত্মিকতাৰ আমন্ত্ৰণৰ ব্যৱস্থা কৰা হয়। সিহঁতে তাৰ পৰা কেৱল আহাৰেই নকৰে, বৰং চোবাই চোবাই খায়। সিহঁতে পুণ্যক এনেকুৱা ভাৱে জমা কৰে যেনেকুৱা প্ৰত্যেক বছৰ শিশু জন্ম দিয়া তিৰোতা। অযথা কথাৰ পৰা আঁতৰত থাকে আৰু সেইবোৰৰ কাষ চাপি নাযায়। সিহঁতে এটা ভূমিৰ পৰা আন এক ভূমিলৈ যায় আৰু সিহঁতে নিজৰ আত্মাক ক'লা হ'ব নিদিয়ে, বৰং বগা কৰে।

সিহঁতৰ এটা লক্ষণ এয়া যে সিহঁতে সত্য কলিমা আৰু নিজৰ যুগৰ ইমামৰ অস্বীকাৰ নকৰে যদিও সিহঁতক জুইত নিক্ষেপ কৰা হয়। সিহঁতৰ নিজৰ ঈমানক বিনষ্ট হ'বলৈ নিদিয়ে যদিও সিহঁতক তীক্ষ্ণ তৰোৱালেৰে হত্যা কৰা হয় বা সিহঁতৰ অস্তিত্বক শেষ কৰি দিয়া হয়। সিহঁতৰ সত্যতাই ফিৰিস্তাক আশ্চৰ্য কৰি দিয়ে আৰু আকাশতও সিহঁতৰ প্ৰশংসা কৰা হয়। সিহঁতে এনেকুৱা লোক যিসকলে বাহাদুৰ (বীৰ) সকলতকৈ অধিক অগ্ৰসৰ হয় আৰু দুৰ্বল আৰু কম জ্ঞানীৰ নিচিনা নহয়। সিহঁতে নিজৰ অস্তিত্বক নিজৰ প্ৰেমীকৰ বাবে প্ৰাধ্যন্য দি বিসৰ্জন দিয়ে। আল্লাহ আৰু তাৰ ফিৰিস্তাই সিহঁতৰ ওপৰত দৰূদ প্ৰেৰণ কৰে, আৰু সকলোবিলাক সংশোধনকাৰীয়ে আৰু ওলীউল্লাহ সকলেও। সিহঁতে যি অঙ্গীকাৰ কৰিছে তাক সত্য কৰি দেখুৱাইছে। সিহঁতে খোদাৰ সান্নিধ্যপ্ৰাপ্ত হোৱাৰ বাবে নিজৰ প্ৰাণ বিসৰ্জন দিছে। অৰ্থাৎ সত্য ঈমান সিহঁতৰেই ঈমান। গতিকে কল্যাণ হওঁক সেই লোকসকলৰ ওপৰত যিসকলে এই ঈমানৰ অংশীদাৰ হৈছে। সেই খোদাৰ সান্নিধ্যপ্ৰাপ্ত লোকৰ উদাহৰণ আব্দুল লতিফৰ উদাহৰণৰ দৰে। তেওঁ মোৰ জামাতৰ এজন সদস্য আছিল তেওঁৰ সম্পৰ্ক কাবুল ভূমিৰ সৈতে সম্পৰ্কযুক্ত। তেওঁ নিজৰ জাতিৰ নেতা, চৰ্দাৰ, সকলোতকৈ উৰ্দ্ধত, বিজ্ঞ আলিম, খোদাৰ প্ৰতি ভীতিশীল আৰু বীৰত্ব আছিল। তেওঁ সৰলতাত প্ৰথম শ্ৰেণীৰ আছিল আৰু সকলোতকৈ বেছি উজ্জ্বলিত আছিল। তেওঁ এনে সময়ত ঈমান দেখুৱাইছে যেতিয়া সিহঁতে তেওঁক সমাপ্ত কৰাৰ ভাবুকি দিছে যাতে তেওঁ সত্যক ত্যাগ কৰে। কিন্তু তেওঁ মৃত্যুক প্ৰাধান্য দিলে আৰু ৰহমান খোদাক প্ৰসন্ন কৰিলে। তেওঁক আমীৰৰ আদেশ অনুসৰি শ্বহীদ কৰি দিয়া হ'ল আৰু আল্লাই তেওঁক নিজৰ ফালে সমুন্নত কৰিলে। নিঃসন্দেহ ইয়াত ৰসগ্ৰাহী সকলৰ বাবে এক শ্ৰেষ্ঠ উৰ্দ্ধমূলক আদৰ্শ আছে।

সেই সকল লোক যিসকলে আল্লাহৰ পথত মৃত্যু হয়, তোমালোকে সিহঁতক মৃত বুলি নক'বা বৰং সিহঁত জীৱিত। আল্লাহৰ তৰফৰ পৰা সংস্থান

প্ৰদান কৰা হয়। যিয়ে কোনো মোমিন ব্যক্তিক জানি-বুজি হত্যা কৰে তেওঁ জাহান্নামী হ'ব, য'ত তেওঁ দীৰ্ঘ কাল অৱস্থান কৰিব। আল্লাহ তেওঁৰ ওপৰত খং কৰিব আৰু তেওঁৰ ওপৰত অভিসম্পাত কৰিব আৰু সেইজনাই তেওঁৰ বাবে যন্ত্ৰণাদায়ক শাস্তি নিৰ্ধাৰিত কৰি ৰাখিছে। অত্যাচাৰী সকলে অনতিপলমে জানিব পাৰিব যে কেনেকৈ সিহঁতৰ বিনাশ ঘটে। আকাশ তেওঁৰ শ্বহীদ হোৱাত ক্ৰন্দন কৰিলে আৰু তেওঁৰ বাবে সেইজনাই নিদৰ্শন প্ৰকাশ কৰিলে আৰু আল্লাহৰ সৃষ্টিৰ ওচৰত এয়াই নিৰ্দিষ্ট আছিল। এনেকুৱাই হওঁক যেনেকুৱা তোমালোকে বাৰাহিনে আহমদীয়াত পঢ়া বা শুনা যে মোৰ প্ৰভুৱে এই বিষয়ে মোক আগতেই স্পষ্ট ভাৱে ওহীত কৈ দিছিল। তোমালোকে কোনো বস্তুক অপছন্দ কৰা সম্ভৱত সেয়া তোমালোকৰ বাবে উত্তম হ'ব; কাৰণ আল্লাই জানে তুমি নাজানা। যেতিয়া শ্বহীদ মৰহুম এই পৃথিৱীৰ পৰা বিদায় ললে খোদা তা'লাই তেওঁৰ আত্মা প্ৰসন্ন কৰিলে আৰু সন্তুষ্টি অৰ্জনাৰ্থে নিজৰ প্ৰভুৰ অধীন কৰি দিলে। অত্যাচাৰী সকলে শুই আছিল পুৰা হোৱাৰ আগতেই ঐশ্বৰিক শাস্তিত আবদ্ধ হৈ পৰিলে আৰু সিহঁতে কাবুলৰ ভূমিৰ পৰা পলায়ন কৰিব ধৰিলে পিছত য'তেই গ'ল আল্লাহৰ শাস্তিয়ে ঘেৰি ধৰিলে, ফাছিক (দুষ্ট) লোক পলায়ন কৰি কিমান দূৰ যাব পাৰিছিল। নিঃসন্দেহ খোদাৰ প্ৰতি ভয় কৰা সকলৰ বাবে উপদেশ আছে।

খোদাৰ সান্নিধ্যপ্ৰাপ্ত সকলৰ এটা লক্ষণ এয়া যে ফিৰিস্তা সিহঁতৰ ওপৰত বৰকত লৈ অৱতীৰ্ণ হয় আৰু আল্লাহৰ ইলহামৰ দ্বাৰা সিহঁতক সম্বোধন কৰে। সিহঁতৰ প্ৰতি এই ওহী কৰে যে সিহঁতে বেহেস্তবাসীৰ অন্তৰ্ভুক্ত আৰু নৈকট্যপ্ৰাপ্ত। সিহঁতৰ হৃদয়ে যিয়ে বিচাৰিব সেইবোৰ লাভ কৰিব। যি বস্তুৰ চাহিদা হ'ব জান্নাতত সিহঁতৰে হৈ পৰিব। খোদাৰ পৰা সিহঁতৰ ওপৰত সোৱাদপূৰ্ণ কালাম প্ৰদান কৰা হয় আৰু খোদাৰ ফালৰ পৰা সিহঁতৰ ওপৰত উত্তম কালাম অৱতীৰ্ণ হয়। খোদাৰ তৰফৰ পৰা সিহঁতক মহান সংবাদ আৰু অদৃশ্যৰ সংবাদৰ প্ৰতিবেদন কৰা হয়। সংকটৰ সময়ত সেইজনাৰ খাতিৰে

লোক সকলৰ ফৰিয়াদ শুনা হয়। সিহঁতক সংকটৰ পৰা মুক্তি প্ৰদান কৰা হয়। জাতিৰ ওপৰত অহা সংকট সিহঁতে কান্দি কান্দি কৰা দোৱাৰ পৰিণামস্বৰূপ পৰিৱৰ্তন হৈ যায়। সিহঁতৰ দোৱা গৃহীত কৰা হয়, আৰু সিহঁতৰ আৱশ্যকতাক পূৰ্ণ কৰাৰ বাবে নিদৰ্শন প্ৰকাশিত হয়। তাৰ লগতে আল্লাহ তা'লাৰ ফালৰ পৰা সিহঁতক এনেকুৱা জাতিৰ শাস্তিৰ সংবাদ প্ৰদান হয় যিসকলে নিজৰ ৰায় অইনৰ ওপৰত ঠেলি দিয়াত অলপো দ্বিধাবোধ নকৰে। এইদৰে খোদা সান্নিধ্যপ্ৰাপ্ত সকলৰ সহায় কৰে, সিহঁতক শুভ সংবাদ দিয়ে, সিহঁতক সহায় কৰে, আৰু সিহঁতক জ্যোতিৰ্ময় আৰু আলোকিত কৰে। কেতিয়াবা সিহঁতৰ বিনাশ ঘটায়, তাৰ পিছত সিহঁতক পুনৰ জনম দিয়া হয় ইমানে যে নিজৰ প্ৰভুৰ দৃষ্টি সিহঁতৰ ওপৰত নিক্ষেপ হয় আৰু সিহঁতৰ দৃঢ় বিশ্বাস হৈ যায়। সিহঁতৰ ওপৰত সূৰ্য উদয় হয় আৰু কোনো ৰাতিয়ে সিহঁতৰ ওপৰত অন্ধকাৰাচ্ছন্ন নহয়। কিন্তু সিহঁতে আল্লাহৰ ফালে ধাবিত হয় আৰু সিহঁতৰ জ্ঞান পূৰ্বতকৈ অধিক বৃদ্ধি পায়। যেতিয়া সিহঁত বৃদ্ধ বয়সৰ হয় তেতিয়া ঈমানৰ লগে লগে আধ্যাত্মিক জ্ঞানও বৃদ্ধি পায়। খোদাৰ প্ৰতি ভীতিও ইমান উন্নতি লাভ কৰে যে সিহঁতৰ একোৱে অৱশিষ্ট নাথাকে আৰু তাৰ কোনো চিহ্নও নাথাকে। সিহঁতক সদায় পৰিৱৰ্তন কৰা হয় আৰু সিহঁতক এটা জ্ঞানৰ পৰা আন এক জ্ঞানলৈ পৰিৱৰ্তিত কৰা হয় যাৰ ফলত নিজৰ উজ্জ্বলতাত আগতকৈ বেছি শক্তিশালী হৈ যায় আৰু এইদৰে সিহঁতৰ প্ৰভুৱে নিজৰ কৃপা আৰু উপকাৰৰ জৰিয়তে সিহঁতক লালিত-পালিত কৰে। সিহঁতক পুৰণি তীৰৰ নিচিনা থাকিব নিদিয়ে, বৰং নতুনকৈ সিহঁতৰ মাজত জ্যোতিৰ্ময় হৃদয় প্ৰকাশ কৰে আৰু নবীকৰণ কৰে আৰু সেইজনাই সিহঁতক সোঁফালে বাওঁফালে ঘূৰায় থাকে আৰু সিহঁতৰ ওপৰত সাংসাৰিক ইচ্ছা সমূহৰ প্ৰভাৱ সোমাই দিয়ে আৰু ইহঁতে আল্লাহৰ সৌন্দৰ্য্যতা দৰ্শন কৰাৰ কাৰণে সংসাৰৰ পৰা আঁতৰত থাকে। তোমালোকে সিহঁতক জাগ্ৰত হোৱা ধাৰণা কৰিবা, বৰঞ্চ সিহঁতে আল্লাহৰ সান্নিধ্য প্ৰাপ্তিৰ বাবে সপোনত নিমগ্ন থাকে আৰু সিহঁতক বেয়া অৱস্থাত এৰি দিয়া নহয়,

বৰং গজালিৰ পৰা বৃক্ষ বনাই দিয়া হয় আৰু সিহঁতৰ মাজত পৰিৱৰ্তন সৃষ্টি কৰি দিয়া হয়। সিহঁতক সংসাৰৰ পৰা আঁতৰত ৰখা হয় আৰু সৰ্বশক্তি খোদাৰ আদেশানুসৰি সিহঁতক পূৰ্বৰ মৰ্যাদাতকৈ অধিক উৰ্দ্ধ মৰ্যাদালৈ পৌচাই দিয়া হয়। সিহঁতৰ বিষয়াৱলী সীমিত যে সিহঁতক মৃত্যুৰ পিছত জীৱিত কৰা হয় আৰু ভাঙি যোৱাৰ পিছত জোৰা লগোৱা হয়। সিহঁতৰ ওপৰত মৃত্যুৰ পিছত মৃত্যু আহে, পিছত সিহঁতৰ পৱিত্ৰতাৰ কাৰণে সিহঁতক জীৱিত কৰা হয় আৰু সিহঁতে ইবলিছৰ ভ্ৰম আহ্বানৰ পৰা আৰু আল্লাহৰ স্মৰণৰ পৰা বিমুখ হোৱা সকলৰ পৰা তথা লোক সকলৰ শক্ৰতাৰ পৰা দূৰত থাকে। যেতিয়া সিহঁতে নিজৰ উদ্দেশ্য লাভ কৰি লয় তাৰ পিছত সিহঁতক এনেকুৱা স্থান প্ৰদান কৰা হয় যাক সৃষ্টি জগতে নাজানে। সিহঁতে চয়তানৰ সঙ্গৰ পৰা আঁতৰত থাকে। সিহঁতক এনেকুৱা পোহৰ প্ৰদান কৰা হয় যাৰ মোকাবিলাত চকুৰ পোহৰ নিম্ন পৰি যায়। ইহঁতে আল্লাহৰ জ্যোতিত বিলীন হৈ যায়। সিহঁতৰ বাস্তৱিকতাক সেই ব্যক্তিৰ বাহিৰে অইন কোনেও নাজানে যাক আধ্যাত্মিক জ্ঞান প্ৰদান কৰা হয়। সিহঁতে অতি গোপনীয় আত্মাৰ আত্মা আৰু অতি গুপ্ত অস্তিত্ব হৈ যায় যে সিহঁতৰ ওপৰত যেতিয়া দৃষ্টি পৰে তেতিয়াই ওভতি আহে আৰু সিহঁতে দেখিবলৈ নাপায়। সিহঁতৰ নাম যেতিয়া আকাশত থাকে তেতিয়া সিহঁতৰ উৰ্দ্ধ খোদাৰ দৃষ্টিত নিজকে পৰিপূৰ্ণতা লাভ কৰে। আল্লাহ তা'লাই সিহঁতৰ সেই কাম পূৰ্ণ কৰে যি আল্লাই সিদ্ধান্ত কৰি ৰাখিছে। সিহঁতক আকাশৰ ফালে ওভতি যোৱাৰ বাবে মাত দিয়া হয় তেতিয়া সিহঁতে নিজৰ প্ৰভুৰ ফালে ওভতি যায়। সিহঁতৰ প্ৰাণ এনেকুৱা পৰিস্থিতিত ওলাই আল্লাহৰ ফালে যায়। সিহঁতে আল্লাহৰ সান্নিধ্য লাভ কৰে আৰু আল্লাই সিহঁতৰ প্ৰতি প্ৰসন্ন হয়। সিহঁতৰ প্ৰাণ সিহঁতৰ দেহৰ পৰা এনেকুৱা ভাৱে ওলাই পৰে যেনেকুৱা তৰোৱাল নিজৰ খাপৰ পৰা ওলায়। সিহঁতৰ পৃথিৱী ত্যাগ কৰাৰ সময়ত কোনো দুঃখ কষ্ট নহয়। সিহঁতে দুনিয়াক অলপ গাখীৰ দিওঁতা ছাগলীৰ দৰে আৰু এনেকুৱা মৃতৰ নিচিনা দেখে যাৰ মাংস দুৰ্গন্ধ আৰু সংসাৰৰ প্ৰতি

সিহঁতৰ দৃষ্টি নাযায় আৰু সিহঁতে এই সংসাৰ ত্যাগ কৰাত পৰিতাপ নকৰে। সিহঁতে নিজৰ প্ৰেমীকাৰ ঘৰত শিবিৰ পাতে আৰু তীক্ষ্ণ তৰোৱালৰ সন্মুখীন হোৱা সত্বেও প্ৰেমীকৰ ঘৰখনক নেৰে। লাজহীন ব্যক্তিৰ বাহিৰে সিহঁতক কোনেও বেয়া বুলি নকয়, আৰু অন্ধ জাতিৰ বাহিৰে কোনেও সিহঁতক অস্বীকাৰ নকৰে।

গালি-শপনি কৰা সকলৰ বাবে পৰিতাপ ! সিহঁতৰ নিশ্চয় বিনাশ ঘটোৱা হ’ব। অন্ধকাৰত দিশাসাৰা সকলৰ বাবে বেয়া খবৰ, সিহঁতক অৱমানিত কৰা হ’ব। প্ৰবঞ্চনাকাৰী সকলৰ ওপৰত পৰিতাপ ! যিসকলৰ চকুৱে ৰহমানৰ ভৃত্য সকলক তুচ্ছৰ দৃষ্টিৰে দেখে, সিহঁতে নিশ্চয় অন্ধ হৈ মৰিব। বেয়া হওঁক সেই সকল যিসকলে সত্য শুনাৰ পিছত ক্ৰোধান্বিত হৈ উঠে, সিহঁতক অগ্নিৰ দ্বাৰা জ্বলাই দিয়া হ’ব।

সিহঁতৰ এটা লক্ষণ এয়া যে সিহঁতক সিহঁতৰ প্ৰভুৰ ফালৰ পৰা উত্তম কালাম প্ৰদান কৰা হয়; কোনো মানুহৰ বাবে এয়া সম্ভৱ নহয় যে তেওঁ এনেকুৱা কালাম বনাব পাৰে, আৰু তাৰ মোকাবিলা কৰিবও নোৱাৰিব। ৰহমানৰ ভৃত্য সকলৰ উত্তম কালাম এনেকুৱাই চাহিদা ৰাখে যেনেকুৱা সিহঁতে সত্যৰ ইচ্ছুক হয়; সিহঁতে যি বস্তু বিচাৰে সেয়া প্ৰদান কৰা হয়। আল্লাহৰ নিজৰ ভৃত্য সকলৰ প্ৰতি এনে অভ্যাস অব্যাহত থাকে যে পৱিত্ৰ হৃদয়ৰ নিচিনা সিহঁতক উত্তম ভাষা প্ৰদান কৰা হয়। আল্লাই সিহঁতক আহ্বান কৰে আৰু সিহঁতে সেইজনাৰ মাত দিয়াত উপস্থিত আছো বুলি কয়, যিদৰে এজনী গৰ্ভৱতী মহিলাই কোনো বস্তু খোৱাৰ বাবে বৰ ইচ্ছুক হয়; তাইৰ স্বামীয়ে তাইৰ ইচ্ছানুযায়ী খাদ্যৰ যোগান ধৰে। এইদৰে সেই সান্নিধ্যপ্ৰাপ্ত লোক সকলৰ ভিতৰত যেতিয়া আত্মা ফুকি দিয়া হয় তেতিয়া আল্লাহৰ তৰফৰ পৰা সিহঁতৰ ভিতৰত প্ৰশান্তিমূলক ইচ্ছুক জন্মে। সিহঁতৰ ইচ্ছানুযায়ী সেয়া প্ৰদান কৰা হয় আৰু সিহঁতক বঞ্চিত কৰা নহয়। এইদৰে মোক আল্লাহৰ ফালৰ পৰা কালাম প্ৰদান কৰা হৈছে যদি সন্দেহ কৰা তেন্তে এই কিতাপৰ সৈতে সাদৃশ্য উত্থাপন

কৰা।

সিহঁতৰ লক্ষণৰ এটা এয়া যে সিহঁত আকাশৰ পৰা ৰহমতৰ ডাৱৰ বৰ্ষিত হোৱাৰ নিচিনা, যাক শুকান ভূমিৰ ফালে লৈ যায় আৰু সেইজনাই নিজৰ সান্নিধ্যপ্ৰাপ্ত সকলক নিজৰ পানীৰ ফালে কাপোৰৰ ইঙ্গিতত মাতি লয়। সেইজনাৰ টানি লোৱাৰ শক্তিয়ে লোক সকলৰ হৃদয়ক টানি থাকে যাৰ ফলস্বৰূপ সেই লোক সকলে তেওঁৰ ফালে দৌৰি যায় আৰু সিহঁতক নিজৰ হাতত লৈ লয়। সিহঁতৰ এটা লক্ষণ এয়া যে সিহঁতে অইনৰ প্ৰতি জ্যোতি বিস্তাৰ কৰাত কৃপণতাৰ নিচিনা নহয় আৰু কম গাখীৰ দিয়া উটৰ নিচিনাও নহয় আৰু সিহঁত কৃপণ নহয়। ইহঁতে এনেকুৱা লোক যিসকলৰ প্ৰতিনিধি কেতিয়াও বিফল নহয় আৰু সিহঁতৰ সৈতে ভাপলোৱাৰ সম্বন্ধ ৰাখোতাই কেতিয়া অসন্মানী নহয়। সিহঁতে নিজেই কল্যাণমণ্ডিত আৰু অইনকো কল্যাণমণ্ডিত কৰে আৰু সিহঁতক নম্ৰতা প্ৰদান কৰা হয়। সিহঁতে শুকান ভূমিক সতেজ কৰি দিয়ে, সিহঁতে মৃত হৃদয়ক জীৱিত কৰে, আৰু পূৰ্ণ সম্পদ পুনৰ লাভ কৰে আৰু আহিবলগীয়া আপদ-বিপদ ৰহিত কৰে। ভাঙি যোৱা সম্বন্ধক জোৰা লগায় আৰু নদীবোৰৰ পানী টানি লয় আৰু যিবোৰ নদীৰ পানী শুকাই গৈছে সেয়া পানীৰে ভৰি দিয়ে। ধৰ্মৰ যি অংশ খালি হৈছে তাতে বসতি কৰায়। সিহঁতৰ হৃদয় পোহৰেৰে ভৰি পৰে আৰু মন প্ৰসন্নতাৰে ভৰি পৰে; সিহঁত আকাশৰ তৰা, শুস্ক ভূমিৰ সমুদ্ৰ, আৰু শৰীৰৰ আত্মা হৈ যায়। ভূমিৰ কাৰণে বৰষুণ সদৃশ। সিহঁতে আল্লাহৰ সৈতে যি অঙ্গীকাৰ কৰে সেয়া সলনি নকৰে। সিহঁতকে পৰিৱৰ্তন কৰি দিয়া হয় আৰু সিহঁত আবদাল (ওলীউল্লাহ) হৈ যায়। সিহঁতে লিপিবদ্ধ হৈ যায় যি সাল-সলনি নহয়। সিহঁতে আল্লাহৰ সন্তুষ্টি অৰ্জনাৰ্থে চিধা হৈ যায় আৰু দুষ্ট প্ৰবৃত্তিক মূল শিপাৰ পৰা কাটি পেলায়। সিহঁতে আল্লাহৰ প্ৰত্যেক আদেশ পালন কৰে। সিহঁতে কষ্টেৰে জীৱন অতিবাহিত কৰে। সিহঁতে অধিক ভক্ষণকাৰীৰ নিচিনা জীৱন অতিবাহিত নকৰে। সিহঁতে বৃদ্ধ ব্যক্তিৰ নিচিনা জীৱন অতিবাহিত কৰে আৰু সামান্য

বস্তুতেই সন্তুষ্টি লাভ কৰে, বৰং এজনে আনজনতকৈ অগ্ৰগতি লাভ কৰি এনে প্ৰবাহিত স্ৰোতৰ ফালে দৌৰি যায় যিয়ে সিহঁতৰ আত্মাক পৱিত্ৰ আৰু স্বচ্ছ কৰি দিয়ে। সিহঁতে দুষিত পানীৰ ফালে নাযায়।

সিহঁতে যুদ্ধ অৱসৰ হোৱাত লোক সকলৰ বাবে আল্লাহৰ ফালৰ পৰা সংৰক্ষক হয়। সিহঁতে সৃষ্টিৰ বাবে মূৰৰ সমান আৰু আল্লাহৰ সৃষ্টিৰ সমুদ্ৰৰ মূল্যবান মুকুতা। সিহঁতে দুষ্ট প্ৰবৃত্তিৰ সৈতে যুদ্ধ কৰি বিজয় লাভ কৰে তাৰ পিছত সিহঁতে আল্লাহৰ আদেশানুযায়ী হৃদয়ক বিজয় কৰি লয়। সিহঁতে মৃত্যুৰ পিছত নতুন জীৱন লাভ কৰে। যেতিয়া মানুহে সিহঁতক ঘৃণা কৰে তেতিয়া সিহঁতে প্ৰেমৰ সুগন্ধি বিস্তাৰ কৰে। তোমালোকে তেনেকুৱা কোনো কৰ্ণধাৰ নাপাবা যেতিয়া পানী উফন্দি উঠে আৰু ঘোৰ সংকট আহি যায় আৰু চিঞৰ-বাখৰ আৰম্ভ হৈ যায় এনে সময়ত সিহঁতে খোদাৰ আদেশ ক্ৰমে যিজনাই সিহঁতক অৱতাৰ ৰূপে প্ৰেৰণ কৰিছে মধ্যস্থতাকাৰী হৈ যায়। যেতিয়া হৃদয় কণ্ঠলৈকে গৈ পায় তেতিয়া সিহঁতে ক্ৰন্দনৰ সৈতে থিয় হৈ যায় আৰু সাষ্টাঙ্গে প্ৰণিপাত কৰে। তেতিয়া সিহঁতৰ দোৱাৰ ফলত আকাশ ভৰি পৰে আৰু সিহঁতৰ ক্ৰন্দনে ফিৰিস্তাক ক্ৰন্দন কৰায় আৰু সিহঁতৰ তাকওৱাৰ কাৰণে সিহঁতৰ দোৱা গৃহীত হয়। পিছত লোক সকলক সেই পৰীক্ষাৰ পৰা মুক্ত কৰা হয় যেতিয়া সিহঁতে ব্যাকুল হৈ পৰে। ইহঁতে এনেকুৱা লোক যিসকলে ভূমিৰ সৈতে লাগি থাকে আৰু এটাৰ পিছত আন এটা আহিবলগীয়া আপদ-বিপদৰ সময়ত সিহঁতে নিজৰ নিৰন্তৰ ছিজদাৰত হৈ ভূমিত পৰি থাকে আৰু অশ্ৰুৰে ভূমিক তিতা কৰি দিয়ে আৰু সকলোবোৰ কঠিনতাক দূৰ কৰোঁতা হৈ আল্লাহৰ সন্মুখত অন্ধকাৰ ৰাতিত থিয় হৈ যায় আৰু সত্য হৃদয়ৰ সৈতে নিজৰ প্ৰতিপালকৰ ফালে মনোযোগ নিবদ্ধ কৰে। যিয়ে ব্ৰহ্মাণ্ডৰ স্ৰষ্টাক প্ৰসন্ন কৰে। সেই লোক সকলক জীৱিত কৰাৰ বাবে যিসকলে মৃত্যুৰ মুখত থিয় হৈ আছে স্বয়ং মৃত্যুকে স্বীকাৰ কৰি লয়। সিহঁতে ভাগ্যক পৰিৱৰ্তন কৰি দিয়ে আৰু মৃত্যুক নিজে স্বীকাৰ কৰি মধ্যস্থতা কৰে আৰু কাঠিন্যক সহ্য কৰি

আৰাম পৌচায়, আৰু কষ্টক সহ্য কৰি পৰস্পৰৰ সৈতে মিত্ৰতা আৰু নম্ৰতা অৱলম্বন কৰে।

সিহঁতে আল্লাহৰ সৃষ্টিৰ সৈতে সহানুভূতি প্ৰদৰ্শন কৰি অসুবিধাৰ সময়ত তেওঁলোকৰ প্ৰতি লক্ষ্য ৰাখে, আৰু এনেকুৱা কাম কৰে যিয়ে আকাশৰ ফিৰিস্তাকও আশ্চৰ্য কৰি দিয়ে। পুণ্যৰ ফালে বেছি অগ্ৰসৰ হৈ যায় সিহঁতৰ হৃদয়ত বীৰুত্ব ৰাখি দিয়া হৈছে। সিহঁতে সেই কঠিনৰ সময়ত যাৰ শৃংখলা কিয়ামতলৈকে দীৰ্ঘ, সেয়া অতিক্ৰম কৰি পুণ্যৰ ফালে অগ্ৰসৰ হৈ যায় আৰু কোনো ধৰণৰ ভীতিগ্ৰস্ত নহয়, আৰু বেছি বেছি কথা-বতৰা কৈ থাকি অভদ্ৰতা নেদেখুৱায়, বৰং লোক সকলৰ গালি-শপনিত শান্ত থাকে আৰু নিজৰ খং ঠাণ্ডা কৰে আৰু মৃত সংসাৰৰ ফালে আকৰ্ষিত নহয় আৰু তাক কুকুৰৰ বাবে এৰি দিয়ে আৰু সেইবিলাকক কেৱল হাড়ৰ এমুঠি লগতে মাখিৰ আৱৰ্জনা বুলি ভাবে, যাৰ ফলত সিহঁতৰ দৃষ্টি সেইফালে স্থিৰ নাথাকে আৰু সেইফালে কোনো গুৰত্ব নিদিয়ে। সিহঁতে নিজকে এনেকুৱা বনাই লয় যেনে কোনো সতেজ ফলৱন্ত বৃক্ষ আৰু প্ৰত্যেক জন ভোকাতুৰ ব্যক্তিয়ে তাৰ ফল খায়। কিমানেই ভাল অতিথি আৰু কিমানেই ভাল অতিথি পৰায়ণ। ইহঁত সম্পূৰ্ণ সৌন্দৰ্যতাৰ মালিক; আৰু বেয়াক পুণ্যৰ দ্বাৰা আঁতৰ কৰে। সৃষ্টিৰ সেৱা কৰে আৰু যিয়ে সিহঁতক কষ্ট দিয়ে, তাৰ প্ৰতিশোধ হিচাপে তেওঁলোকক কষ্ট নিদিয়ে আৰু ক্ষমা বিচৰাজনক ক্ষমা কৰি দিয়ে আৰু যেতিয়া দুষ্ট সকলে শত্ৰুতাৰ বশৱৰ্তী হৈ সিহঁতৰ ওপৰত অত্যাচাৰ কৰে তাৰ উত্তৰত সিহঁতে তেওঁলোকৰ উপকাৰ সাধন কৰে। গালিৰ উত্তৰ গালি নিদিয়ে। সিহঁতে নিজৰ শত্ৰু সকলৰ বাবে আল্লাহৰ ওচৰত উপকাৰ, শান্তি, সুস্বাস্থ্যৰ কামনা কৰি হিদায়তৰ দোৱা কৰে আৰু সিহঁতে নিজৰ হৃদয়ত কোনোবাৰ প্ৰতি দ্বেষ-বিদ্বেষ নাৰাখে আৰু ইহঁতে তেওঁলোকৰ বাবেও দোৱা কৰে যিসকলে সিহঁতৰ ওপৰত আৰোপ কৰে আৰু তুচ্ছ বুলি ভাৱে। অবজ্ঞাকাৰীসকলকো নিজৰ জামাতত শৰণ দিয়ে। আল্লাহ সিহঁতৰ ওপৰত প্ৰকাশিত হয়, কাৰণ সিহঁতে

সেইজনাক প্ৰাধান্য দিয়ে আৰু সেইজনাৰ ভৃত্যৰ ওপৰত কৃপা কৰে এই কাৰণেই যে সিহঁতে পৱিত্ৰতা অৰ্জন কৰে। নিশ্চিত ৰূপে এইসকলেই আবদাল (ওলীউল্লাহ) আৰু আল্লাহৰ আউলিয়া, আৰু এইসকল লোকেই সাফল্যমণ্ডিত।

সিহঁতৰ আগমন হোৱাত পৃথিৱীত কল্যাণ প্ৰদান কৰা হয়। লোক সকলক সিহঁতৰ দুঃখৰ পৰা মুক্তি প্ৰদান কৰোৱা হয়। গতিকে কল্যাণমণ্ডিত সেইসকল যিসকলে সিহঁতৰ সৈতে সম্বন্ধ ৰাখে। হে মোৰ প্ৰভু ! তুমি মোক সেই সকলৰ অন্তৰ্ভুক্ত কৰা আৰু তুমি মোৰ লগৰীয়া হৈ যোৱা সেই দিনলৈকে যিদিনা লোক সকলক উত্থিত কৰা হ'ব। হে মোৰ প্ৰভু ! সেই সকলক যিসকলে মোৰ শত্ৰুতা ৰাখে সিহঁতক গ্ৰেপ্তাৰ নকৰিবা, কাৰণ তেওঁলোকে মোক চিনিব পৰা নাই আৰু সিহঁতক আধ্যাত্মিক দৃষ্টি প্ৰদান কৰা। হে মোৰ প্ৰভু ! নিজৰ ফালৰ পৰা তেওঁলোকৰ ওপৰত কৃপা বৰ্ষিত কৰা আৰু সিহঁতক হিদায়তপ্ৰাপ্ত লোক সকলৰ অন্তৰ্ভুক্ত কৰা। হে অস্বীকাৰকাৰী সকল ! যদি তোমালোকে ধন্যবাদ জ্ঞাপন কৰা আৰু বিশ্বাস স্থাপন কৰা তেন্তে আল্লাহৰ কিয় প্ৰয়োজন হৈছে যে তোমালোকক শাস্তি দিব। তোমালোকে আল্লাহৰ ধন্যবাদ জ্ঞাপন নকৰিবা নে ? সেইজনাই তোমালোকক ৰক্ষা কৰিছে সেই সময়ত যেতিয়া তোমালোকে ধ্বংসৰ গ্ৰাসত আছিলা, যদি তোমালোকে ধন্যবাদ জ্ঞাপন কৰা তেন্তে সেইজনাই তোমাক অধিক দান কৰিব আৰু তোমালোকে ইচ্ছা কৰা আৰু তলব কৰা সেইবোৰ তোমাক প্ৰদান কৰা হ'ব; যদি তুমি অবাধ্য হোৱা তেন্তে অবাধ্য লোক সকলক দোজখে ঘেৰি ধৰিব।

সিহঁতৰ এটা লক্ষ্য এয়া যে সিহঁতে কোনো ক্ষুদ্ৰৰ পৰা ক্ষুদ্ৰ বস্তু আৰু কোনো পিপৰাকো কষ্ট নিদিয়ে, দুৰ্বলক সহায় কৰে। সিহঁতে কোনোবাৰ সৈতে সম্পূৰ্ণ ৰূপে সম্পৰ্ক বিচ্ছিন্ন নকৰে। যদি দুষ্ট লোক সিহঁতৰ সৈতে শত্ৰুতা ৰাখে তেন্তে সিহঁতক প্ৰত্যেক ধৰণে কষ্ট দিয়ে আৰু সীমা লঙ্ঘন কৰে; বৰঞ্চ সিহঁতে নিজৰ শত্ৰুৰ বাবে দোৱা কৰে যাতে তেওঁলোকে হিদায়ৎ প্ৰাপ্ত হয়। তোমালোকে সিহঁতক অশিষ্ট আৰু কঠোৰ হৃদয়বানৰ নিচিনা

নাপাবা আৰু অইন কোনোবাক সিহঁতৰ নিচিনা দয়াশীল নাপাবা, যদিও তোমালোকে পূব আৰু পশ্চিমত অনুসন্ধান কৰা। সিহঁতে অসুবিধাত লিপ্ত থকা মানুহৰ বাবে দোৱা কৰে, ইমানে যে তেওঁলোকৰ বাবে নিজৰ প্ৰাণক বিপদত পেলায় দিয়ে। গতিকে যেতিয়া সিহঁতে এনে পৰিস্থিতি জাৰি ৰাখে তেতিয়া সিহঁতৰ দোৱা গৃহীত কৰা হয় আৰু সিহঁতক তেওঁলোকৰ বিষয়ে প্ৰতিৱেদন জনোৱা হয়। কাৰণ সিহঁতে নিজৰ দোৱাক শীৰ্ষ স্থানলৈ পৌচাই দিয়ে আৰু সৃষ্টিৰ পৰিপূৰ্ণ অধিকাৰ পালন কৰে আৰু সিহঁতৰ মাজত কোনো দুৰ্বলতা সৃষ্টি নহয়। সিহঁতে নিজকে বিলীন কৰি দিয়ে আৰু নিজৰ প্ৰাণক বিপদৰ সন্মুখত সোমাই দিয়ে, সিহঁতে অধিক সংখ্যক প্ৰাণক বিপদৰ পৰা ৰক্ষা কৰে। এইদৰে সিহঁতক মহান প্ৰকৃতি প্ৰদান কৰা হয় আৰু সিহঁতে সেইমতে কাৰ্য্য সম্পাদন কৰে। সিহঁতে অন্ধকাৰ ৰাতিত থিয় হৈ থাকে যেতিয়া মানুহে টোপনি মাৰি থাকে। সিহঁতৰ পুণ্যৰ পোহৰ পৃথিৱীবাসীয়ে দৃষ্টি গোচৰ কৰে। প্ৰত্যেক দিন সেই পোহৰ বৃদ্ধি পাই থাকে আৰু সজ কাম সিহঁতে নিজৰ আত্মাৰ বাবে আগলৈ প্ৰেৰণ কৰে। তাতে সিহঁতৰ বিনম্ৰতা দেখিবলৈ পোৱা যায়। সিহঁতে তুচ্ছ-তাচ্ছিল্য কৰা সকলৰ নিচিনা নহয়। প্ৰত্যেক পাপৰ পৰা আঁতৰত থাকে যদিও সেয়া কিমানেই সৰু হওঁক; তথাপি সিহঁতে তাৰ কাষলৈ নাযায়, আৰু তাক সামান্য বুলি নাভাৱে। সিহঁতে ভাল কৰ্মৰ শ্ৰোদ্ধা কৰে আৰু অপমান নকৰে।

মই আল্লাহৰ কৃপাত সেইজনাৰেই ওলী হওঁ। মই তোমালোকৰ ওপৰত সুস্পষ্ট নিদৰ্শন লৈ আগমন কৰিছোঁ তোমালোকে নেদেখা নে আৰু চিনিব নোৱাৰা নে ? সূৰ্য আৰু চন্দ্ৰ গ্ৰহণ লগা নাই নে ? গোটেই ৰাষ্ট্ৰত উটবিলাক বাহনহীন হোৱা নাই নে ? তোমালোকৰ কি হৈছে যে তোমালোকে চিন্তা-ভাৱনা নকৰা ? ৰহমান খোদাৰ তৰফৰ পৰা স্পষ্ট নিদৰ্শন আহি গৈছে আৰু তাৰ ফালৰ পৰা স্পষ্ট দলিল অৱতীৰ্ণ হৈছে; তাৰ পিছতো তোমালোকৰ হৃদয়ত কোনটো শংকা সৃষ্টি হৈ আছে ? হে অস্বীকাৰীসকল ! এতিয়া

তোমালোকৰ ওচৰত কোনটো অজুহাত অৱশিষ্ট ৰৈ গৈছে? প্লেগ মহামাৰী বিস্তাৰ লাভ কৰা নাই নে আৰু বহু সংখ্যকৰ মৃত্যু হোৱা নাই নে? মিছা আৰু প্ৰৱঞ্চনা সাধাৰণ হৈ পৰা নাই নে? উত্তৰ ফালৰ দেশ সমূহে বিজয় লাভ কৰা নাই নে? দুনিয়াত মহান বিপ্লৱৰ সূচনা হোৱা নাই নে? যিবোৰৰ তোমালোকে অপেক্ষা কৰি আছিলা তাৰ মাজৰ পৰা অধিক নিদৰ্শন প্ৰকাশ পোৱা নাই নে? তোমালোকৰ কি হৈছে যে উত্তম ধাৰণা নকৰা আৰু সীমা লঙ্ঘন কৰি আছা?

হে লোক সকল! যদি তোমালোকে খোদাৰ প্ৰতি ভয় কৰা, তেন্তে আল্লাহ আৰু তাৰ আদেশানুযায়ী অগ্ৰগতি লাভ নকৰা কিয়? তোমালোকৰ তাকওৱা এয়া নে যে তোমালোকে অস্বীকাৰ কৰা; বৰং তোমালোকে সম্পূৰ্ণ ৰূপে অৱগত নাছিলা আৰু তোমালোকে স্বচ্ছ হৃদয়ে প্ৰশ্ন নকৰা আৰু যদি তোমালোকক প্ৰশ্ন কৰা হয় তেতিয়া তোমালোকে উত্তেজিত হৈ উঠা। তোমালোকৰ ওপৰত এয়া কঠিন হয় নে যে আল্লাই মোক এই শতাব্দীৰ শিৰোভাগত প্ৰেৰণ কৰিছে যাতে আল্লাহৰ ধৰ্মক সঞ্জীৱিত কৰো আৰু সেই জাতিক যিসকলে ঈছাক উপাস্য বনাই সীমা লঙ্ঘন কৰিছে সেয়া বাধা দিওঁ আৰু সেই ক্ৰুছক ভাঙো, যাক সিহঁতে উৰ্দ্ধ কৰে আৰু যাৰ সিহঁতে উপাসনা কৰে? তোমাক এই কথাই ক্ৰোধান্বিত কৰিছে নে যে মোৰ প্ৰভুৱে নিজৰ ওহীত তোমালোকৰ বিৰোধীতা কৰিছে? এইদৰে ইয়াৰ আগতেও ইহুদীসকলে ক্ৰোধান্বিত হৈছিল। তোমালোকৰ কি হৈছে যে তোমালোকে উপদেশ গ্ৰহণ নকৰা?

হে লোকসকল! মই সেই মছীহ, যিয়ে নিৰ্ধাৰিত সময়ত আগমন কৰিছে আৰু আকাশৰ পৰা উজ্জ্বল দলিলৰ সৈতে অৱতীৰ্ণ হৈছে। তোমাক, নিজৰ অস্তিত্বত আৰু নিজৰ সহায়-সহযোগিতা সকলৰ মাজত আল্লাহৰ নিদৰ্শন সমূহ দেখুৱাইছে আৰু যুগে ইয়াৰ সত্যায়নৰ সাক্ষী দিছে। আল্লাই সিহঁতৰ বাবে কোৰাণত সাক্ষী প্ৰদান কৰিছে। গতিকে আল্লাহৰ সাক্ষী আৰু তাৰ

বয়ানৰ বিৰুদ্ধে তোমালোকে কোন কথাৰ ওপৰত বিশ্বাস স্থাপন কৰিবা ? সময় অহা নাই নে যে তোমালোকে আল্লাহ আৰু তাৰ সাক্ষাতৰ দিনৰ প্ৰতি ভয় কৰা আৰু সেই দিনৰ ভয় কৰা যিয়ে চামৰাক নিজৰ অগ্নিৰ দ্বাৰা গলাই দিব। এই ফুৰকানৰ বাহিৰে অইন কোনটো সাক্ষী হ’ব পাৰে ? তোমালোকে ইয়াৰ ওপৰত চিন্তা-ভাৱনা নকৰা নে যে যদি মই আল্লাহৰ পক্ষৰ পৰা হওঁ আৰু তোমালোকে মোক অস্বীকাৰ কৰা তেন্তে কেনেকৈ সেইজনাৰ নিৰাপত্তাৰ ভাগীদাৰী হ’ব পাৰিবা ? তোমালোকে ইহুদী সকলৰ ঘটনাসমূহ পঢ়া নাই নে ? সিহঁতক কেনেকুৱা বান্দৰ বনাই দিয়া হৈছিল, সিহঁতৰ ওচৰতো এনেকুৱা অজুহাত নাছিল নে যেনেকুৱা তোমালোকে উত্থাপন কৰা ? গতিকে নিজৰ প্ৰাণৰ ওপৰত দয়া কৰা। কেতিয়ালৈকে মূৰ্খ হৈ থাকিবা ? হে অজ্ঞ সকল ! আল্লাহৰ সৈতে যুদ্ধ নকৰিবা, তোমালোকৰ কি হৈছে যে মৃত্যুক স্মৰণ নকৰা আৰু ভয় নকৰা। সেইজনা সৰ্বশক্তিমান খোদা যিয়ে মোক অৱতৰণ কৰিছে আৰু যাৰ তোমালোকে অবাধ্য কৰিছা, নিঃসন্দেহ সেয়া এক উজ্জ্বলময় বিদ্যুৎ আৰু তাৰ শাস্তি অত্যাচাৰ কৰা জাতিৰ পৰা স্থগিত নহয়। নিশ্চিত ভাৱে সিহঁতে তোমাৰ মুখৰ পৰা নিৰ্গত হোৱা কথাসমূহ শ্ৰৱণ কৰে আৰু তোমাৰ গুপ্ত পৰামৰ্শবোৰক লগতে সমূহ কৌশলক দেখে। অত্যাচাৰী জাতিয়ে জানে যে সিহঁতক কোন ফালে ওভতাই লৈ যোৱা হ’ব। ধ্বংস হওঁক সেই সকলৰ যিসকলে সত্য আৰু মিছাৰ মাজত পাৰ্থক্য নকৰে আৰু আল্লাহৰ প্ৰতি ভয় নকৰে। সিহঁতৰ সত্যতাই সিহঁতৰ চেহেৰাৰ পৰা চিনিব পৰা নাযায় আৰু সিহঁতে বিবেক-বুদ্ধিৰ সৈতে কাম সম্পাদন নকৰে ? সান্নিধ্যপ্ৰাপ্ত লোক সকলৰ কথাবোৰ শুনাৰ প্ৰতি মনোযোগ নিদিয়ে। নিদৰ্শন সমূহৰ পৰা উপকাৰো নহয়। আল্লাই সিহঁতৰ হৃদয়ত মোহৰ মাৰি দিছে আৰু সিহঁতে বিবেক বুদ্ধিৰে কাম নকৰে।

হে লোকসকল ! তোমালোকে মোৰ অস্বীকাৰ কৰাত কিয় খৰ-ধৰ কৰি আছা ? তোমালোকৰ কি হৈছে যে তোমালোকে খোদাৰ প্ৰতি ভয় থকা

সকলৰ দৰে পৰিচালিত নোহোৱা আৰু অযথা গালি-শপনি পাৰি থাকা আৰু সভ্য স্বভাৱ ধাৰণ নকৰা ? তোমালোকৰ কি হৈছে যে তোমালোকে ঈছা (আঃ)ৰ বিষয়ে আল্লাহ তা'লাৰ কথন فَلَمَّا تَوَفَّيْتَنِي ৰ ওপৰত চিন্তা-ভাৱনা নকৰা ? তোমালোকৰ মৃত্যু নহ'ব নে, চিৰস্থায়ী জীৱিত থাকিবা নে ? তোমালোকে ঈছাক দেখিছা নে আকাশলৈ যোৱা, তেওঁলোকে কলে যে আমি দেখিছো আৰু দৃষ্টি গোচৰ কৰিছোঁ, গতিকে সেয়া আমি কেনেকৈ এৰিম ? তোমালোকৰ বাবে ধ্বংস ! তোমালোকে জনসাধাৰণক বিনা অৱগত হৈ কিয় পথভ্ৰষ্ট কৰা, আৰু সেই অস্তিত্বৰ প্ৰতি ভয় নকৰা যাৰ ফালে ওভতাই লোৱা হ'ব। তোমালোকে মিছাৰ ওপৰত আৱদ্ধ হৈ আছা এয়া জনা সত্ত্বেও যে তোমালোকে মিছা কয় আছা; তথাপি সেই মিছাৰ ওপৰতেই বীৰুত্ব দেখুৱাই আছা। যদি মই তোমালোকলৈ প্ৰেৰণ নোহোৱা হ'লহেঁতেন তেন্তে তোমালোকে আপত্তি কৰিব পাৰিলাহেঁতেন। কিন্তু আল্লাই মোক প্ৰেৰণ কৰাৰ পিছত এতিয়া তোমালোকৰ ওচৰত কোনো অজুহাত অৱশিষ্ট নাথাকে। গতিকে তোমালোকৰ কি হৈছে যে তোমালোকে ভয় নকৰা ? আল্লাহৰ হাকম (নিৰ্ণয়কৰ্তাৰ) সৈতে যি কৰা আৰু যি তোমালোকে মিছা আৰোপ কৰা সেয়া অতি নিকৃষ্ট ।

গতিকে পৰিতাপ তোমালোকৰ ওপৰত তোমালোকে যুগৰ ইমামক চিনিব পৰা নাই আৰু নবী সকলৰ কথন স্মৰণ ৰখা নাই। আল্লাই নিজৰ ফালৰ পৰা তোমালোকৰ ওপৰত নিদৰ্শনৰ মাধ্যমে এহছান (অনুগ্ৰহ) কৰিছে। কিন্তু তোমালোকে তালৈ দৃষ্টিও নিক্ষেপ নকৰিলা আৰু নিজকে অন্ধ আৰু কলা বনাই ললা আৰু সেই সকলৰ অন্তৰ্ভুক্ত হৈ গ'লা যিসকল মৃত। তোমালোকে পথভ্ৰষ্টতাক ক্ষুদ্ৰ পৰিমাণেও ত্যাগ নকৰিলা, বৰং তোমালোকে তাৰ ওপৰতেই অটল থাকিলা। আল্লাই তোমালোকক মছীহৰ আগমনৰ সময়ত সম্পূৰ্ণ ৰূপে প্ৰতিবেদন কৰাইছিল আৰু স্পষ্ট দলিল সমূহ আগবঢ়াইছিল। আল্লাই বদৰৰ যুদ্ধৰ সময়ত তোমালোকৰ সহায় সেই অৱস্থাত কৰিছিল যেতিয়া তোমালোকে দুৰ্বল আছিলা। তোমালোকৰ কি হৈছে যে সেই ৰহস্যক

বুজি নোপোৱা আৰু মনোযোগ আকৰ্ষণ নকৰা। এই শতাব্দী বদৰৰ (চৌধ্য) শতাব্দী নহয় নে ? তেন্তে তোমালোকে আল্লাহৰ নিদৰ্শনক বাস্তৱিক ৰূপত কিয় মৰ্যাদা নিদিয়া আৰু তাৰ পৰা উপকাৰ নোহোৱা ? অজ্ঞ সকলে কয় যে আমি সেই ব্যক্তিৰ কেনেকৈ অনুসৰণ কৰিম যিয়ে পৃথক হৈ গৈছে, আৰু কেনেকৈ ডাঙৰ নগৰখনক এৰি দিম ? সকলোবিলাক নবী মহান নগৰৰ পৰা পৃথক হৈ পথভ্ৰষ্টতাৰ পৰা পৱিত্ৰ হৈছিল। চোৱা আমি কু-মন্ত্ৰণাক কেনেকৈ আঁতৰ কৰো। আকৌ চোৱা সিহঁতে কিদৰে অন্ধ হৈ আছে। তেওঁলোকে সেই দিন পাহৰি গৈছে যিদিনা সিহঁতক এজন এজনকৈ আল্লাহৰ চৰণত ওভতাই লোৱা হ'ব, তাৰ পিছত সিহঁতৰ কৰ্মৰ বিষয়ে সোধ-পোছ কৰা হ'ব। তেওঁলোকৰ কি হৈছে যে সিহঁতে মুছা ,ঈছা আৰু আমাৰ নবী কৰিম (ছাঃ)ৰ ওপৰত দৃষ্টি নিক্ষেপ নকৰে ? তেখেত সকলক প্ৰাৰম্ভিক যুগত কেনেকৈ মহান নগৰৰ পৰা পৃথক প্ৰেৰণ কৰা হৈছিল; পিছত সংশোধনকাৰী এটা জামাত সিহঁতৰ ওচৰত একগোট হৈ যায় আৰু সকলোৱে সত্যায়ন কৰে আৰু অৱনমিত হয় আৰু বিশ্বাস স্থাপন কৰে সিহঁতে পৃথক আছিল আৰু মহান নগৰ এৰি দিছিল, সেইজনৰ বাহিৰে যাক জাহান্নামৰ বাবে সৃষ্টি কৰা হৈছে। গতিকে বিনাশ ঘটক সেইসকল লোকৰ যিসকলে নিজৰ যুগৰ নবীক এৰি দিছে। এই সকলেই জামাতৰ পৰা পৃথক হৈছে; যিসকলৰ নাম আমাৰ নবী কৰিম (ছাঃ)য়ে পথভ্ৰষ্টতা আৰু মনহুছ ৰাখিলে আৰু কলে তেওঁলোক মোৰ অন্তৰ্ভুক্ত নহয়, আৰু মই সিহঁতৰ অন্তৰ্ভুক্ত নহওঁ। এয়াই পৃথকতা যাক আগতে বৰ্ণনা কৰা হৈছে। যেতিয়া তেওঁলোকৰ ওচৰত সিহঁতৰ প্ৰভুৰ পক্ষৰ পৰা আদেশ আহিলে তেতিয়া সিহঁতে নিজৰ চকু বন্ধ কৰিলে আৰু নিজৰ কৰ্ণক কলা কৰি ললে সেই সম্বন্ধে তদন্ত নকৰিলে আৰু সিহঁতে বোবা হৈ থাকি গ'ল।

নিশ্চিত ভাৱে আল্লাই মোক এই শতাব্দীৰ শিৰোভাগত প্ৰেৰণ কৰিলে কাৰণ খোদা তা'লাই ইছলামক দুৰ্বল অৱস্থাত দেখা পালে আৰু নিম্ন পৰ্যায়ৰ

ভূমি বা গেলা-পচা দুর্গন্ধময় মাংসৰ নিচিনা পালে আৰু এনেকুৱা গছৰ নিচিনা যি একেবাৰে গেলা-পচা মূর্চা হৈ গৈছে। তেওঁলোকে খ্রীষ্টান সকলক দেখা পাইছে যে সিহঁতে সত্যক ভ্রান্ত ধাৰণা কৰি আছে আৰু লোক সকলক খ্রীষ্টান বনাই আছে আৰু আমাৰ নবী কৰিম (ছাঃ)ক অত্যাচাৰ আৰু মিছা কৈ গালি-শপনি দি আছে আৰু তাৰ পৰা বিমুখ নহয়। সিহঁতে আলিম সকলক দেখিলে যে সিহঁতৰ মাজত উত্তৰ দিয়াৰ ক্ষমতা নাই, আৰু উত্তম কালাম নাই আৰু সিহঁতৰ কালাম কোনোবাৰ হৃদয়ক আকর্ষিত নকৰে। কাৰণ সিহঁতে আল্লাহৰ আত্মাৰে নকয়, আৰু সেই কালাম উৎকৃষ্ট নহয়, বৰঞ্চ তাতে তিক্ততা পোৱা যায় আৰু সুস্পষ্ট কালাম নহয়। তাৰ কাৰণ এয়া যে সিহঁতে নিজৰ প্রভুৰ অবাধ্যতা কৰে। সেইবোৰ কথা কয়, যি সিহঁতৰ কর্মৰ দ্বাৰা প্রকাশ নাপায়,সেয়া প্রদর্শনীয়। যেতিয়া মই মোৰ প্রভুৰ ফালৰ পৰা সিহঁতৰ ওচৰলৈ আগমন কৰিলোঁ তেতিয়া সিহঁতে অস্বীকাৰ কৰে আৰু কয় যে সিহঁতৰ অৱস্থা এনেকুৱা আছিল যে সিহঁতে পুণ্যক পাহৰি গৈছিল আৰু সজ বাটৰ পৰা আঁতৰ হৈ পৰিছিল, সুগন্ধিমূলক গছখনক পিছফালে পেলাই ৰাখিলে আৰু গেলা-পচা গছখনৰ ওপৰতেই প্রসন্ন থাকিলে। সিহঁতৰ বাবে কিছু বিজ্ঞাপন য'ত সুস্পষ্ট নিদর্শন সমূহ লিপিবদ্ধ আছিল এই উদ্দেশ্যে লিখিলো যাতে সিহঁতে চিন্তা-ভাৱনা কৰে। কিন্তু সিহঁতৰ উত্তৰ কেৱল হাঁহি-ঠাট্টাৰ বাহিৰেও একোৱেই নাছিল। সিহঁতে জানি-বুজি আল্লাহৰ নিদর্শন সমূহক মিছা বুলি সাব্যস্ত কৰিলে আৰু কলে যে সকলোবোৰ কেৱল প্রৱঞ্চনা আৰু ইয়াত অইন লোকসকলে সহায় কৰিছে।

কিছুমানে কয় যে তেওঁ নাস্তিক, আল্লাহৰ ওপৰত বিশ্বাস স্থাপন নকৰে। গতিকে হে দৃষ্টি ৰাখোতা সকল ! যি আমি লিখিছো সেয়া প্রকাশ কৰিছোঁ সেয়া পঢ়ক আৰু চিন্তা-ভাৱনা কৰক। ইহঁতে কেনেকুৱা অযথা কথা কৈ আছে। নিশ্চয় কাণ, চকু আৰু হৃদয়ৰ প্রত্যেককেই সোধ-পোছ কৰা হ'ব। গতিকে সিহঁতৰ সেইদিনা বিনাশ ঘটিব, যিদিনা আল্লাই সিহঁতৰ সৈতে সাক্ষাৎ

কৰিব আৰু সুধিব। সেই ব্যক্তিতকৈ অধিক অত্যাচাৰী কোনে হ'ব পাৰে যিয়ে আল্লাহৰ ওপৰত মিছা ৰটনা কৰে বা সেইজনাৰ নিদৰ্শনক মিছা বুলি প্ৰতিপন্ন কৰে। সঁচা এয়া যে জালিম (অত্যাচাৰী) সকলে কেতিয়াও কৃতকাৰ্য হ'ব নোৱাৰে। সিহঁতে কলে, আল্লাহৰ পক্ষৰ পৰা কোনো শক্তিশালী দলিল লৈ অহা নাই। সঁচা এয়া যে সিহঁতৰ চকু আছে, কিন্তু দেখিবলৈ নাপায়। হৃদয় আছে কিন্তু বুজি নাপায় আৰু কৰ্ণ আছে কিন্তু শুনা নাপায়। তেওঁলোকৰ অৱস্থা পশুৰ নিচিনা, সিহঁত বিনা লাগাম স্বাধীন ভাৱে ঘূৰি ফুৰে।

সত্য প্ৰকাশ পাইছে আৰু তেওঁলোকে সত্যৰ পৰা বিমুখ হৈছে। সিহঁতে সত্য গোপন কৰাৰ উদ্দেশ্যে বিজ্ঞাপন লিখি আছে। আমি তেওঁলোকৰ হাত বান্ধি ৰাখিছো যাৰ ফলত তেওঁলোকে লিখিব নোৱাৰে। মই সিহঁতক শপত দিছো আৰু কৈছো যদি তোমালোকে সত্য হোৱা তেন্তে প্ৰতিদ্বন্দ্বিতাৰ বাবে আহা। কিন্তু তেওঁলোকে নিজৰ স্থানতেই স্থিৰ থাকিলে আৰু বাহিৰলৈ ওলাই নাহিলে আৰু ভূমিয়ে তেওঁলোকক নিজৰ ভিতৰত গোপন কৰি ললে যাৰ ফলত তেওঁলোকৰ সমাপ্ত ঘটিল। আকৌ মই সিহঁতৰ খাতিৰে কল্যাণময় ৰাতিত এই ধাৰণাৰে থিয় হলো যে নিশা সিহঁতৰ কাৰণে দোৱা কৰো যাতে তেওঁলোকৰ ওপৰত দয়া কৰা হয়। কিন্তু আল্লাহ তা'লা কাৰোবাৰ প্ৰতি দৃষ্টি নিক্ষেপ নকৰে সেইসকলৰ বাহিৰে যিসকলে তৌবা কৰে। তেওঁলোকৰ মাজৰ কিছু লোক সীমা লঙ্ঘন কৰিলে আৰু কিছুমান এনেকুৱা আছিল যিসকলে সেই সীমা লঙ্ঘনকাৰীৰ সৈতেই আছিল। কিন্তু তেওঁলোকৰ পথ সঠিক নাছিল আৰু তেওঁলোকে সিহঁতৰ পদাঙ্কৰ অনুসৰণও কৰা নাছিল। যি ব্যক্তি আল্লাহৰ ফালে ধাৱিত হয়, আল্লাহ সিহঁতৰ ফালে অগ্ৰসৰ হয়। কিন্তু জালিম লোক সকলে মনোযোগ নিদিয়ে। তেওঁলোকে আল্লাহৰ সৈতে সম্পৰ্ক বিচ্ছিন্ন কৰিছে আৰু পাৰ্থিৱ জগতৰ ফালে অগ্ৰসৰ হৈছে আৰু সিহঁতৰ আলস্যতাৰ বাবে প্ৰচুৰ ঠাণ্ডা লাগিছে যাৰ ফলত সিহঁতে সংকীৰ্ণ হৈ পৰিছে আৰু সকলো ফালৰ পৰা বিফল হৈ আছে। তেওঁলোকে সঁচা মিছাক মিশ্ৰিত

কৰি দিলে। ঈমানৰ ভিত্তিস্থল কাটি পেলালে আৰু তেওঁলোকে একেবাৰে ভ্ৰূক্ষেপহীন হৈ পৰিলে। যেতিয়া সিহঁতক কোৱা হয় যে আল্লাহ তোমালোকৰ বিৰুদ্ধে ক্ৰোধান্বিত হৈছে আৰু সেইজনাই প্লেগ মহামাৰী বিস্তাৰ কৰিলে তেতিয়া সিহঁতে কলে যে এয়া এক ৰোগ যি আহিয়েই থাকে, কিন্তু আমাৰ ওপৰত মৃত্যু নাহে। চিন্তা কৰা সিহঁতক সতৰ্কতা কৰা হৈ আছে তথাপি সিহঁতে কেনেদৰে চকু মুদি আছে। সিহঁতে মৃত্যুক দেখা পায়, কিন্তু উপদেশ গ্ৰহণ নকৰে। তুমি সিহঁতক দেখিবলৈ পাবা সিহঁতে দুনিয়াৰ পিপাসু কিন্তু প্লাৱিত নহয়।

যেতিয়া আল্লাহৰ অৱতীৰ্ণ হোৱা কালাম সিহঁতৰ সন্মুখত পঢ়া হয় তেতিয়া সিহঁতে গুচি যায় আৰু গালি-শপনি দি থাকে আৰু অস্বীকাৰ কৰে। তুমি সিহঁতক ৰাতিত মৃত আৰু দিনত এনেকুৱা কীটৰ নিচিনা পাবা যিয়ে সদায় কামত ন্যস্ত থাকে আৰু সিহঁতে দুনিয়াৰ বাবেই উদ্বিগ্ন থাকে আৰু পৰকালৰ পৰা অবিদিত থাকে।

যুগৰ ঘটনাসমূহে সিহঁতক নেৰে তথাপি সিহঁতে সতৰ্কতা অৱলম্বন নকৰে আৰু যেতিয়া সিহঁতৰ সন্মুখত সত্য উত্থাপন কৰা হয় তেতিয়া সিহঁতে সেয়া আওকাণ হৈ শ্ৰৱণ কৰে আৰু যি শুনে সেয়াও অপছন্দ কৰে আৰু যি সিহঁতৰ সন্মুখত পঢ়া হয় সেয়া তুচ্ছ বুলি জ্ঞান কৰে। সিহঁতে জানে যে সিহঁতৰ মৃত্যু অতি নিকটৱৰ্তী তথাপি জানি-শুনি আলস্যতাত পৰি থাকে। সিহঁতে দুনিয়াৰ বাবে এজন অন্ধৰ নিচিনা কান্দি থাকে আৰু পৰলোকৰ ভ্ৰূক্ষেপেই নকৰে। চয়তানে সিহঁতৰ পাৰ্থিৱ ইচ্ছাক সুন্দৰ কৰি দেখুৱাইছে আৰু সিহঁতক এই সৌন্দৰ্যতাৰ প্ৰতি আকৰ্ষিত কৰে। আল্লাই সিহঁতৰ কৰ্মফল ব্যৰ্থ কৰিছে আৰু পাৰ্থিৱ বস্তুক অলাভদায়ক বনাই দিছে। সিহঁতে ঘোলা পানী আৰু অলপ দুৰ্গন্ধ পানীক পছন্দ কৰিছে আৰু গভীৰ পৰিষ্কাৰ পানীক ত্যাগ কৰিছে, এয়া এই কাৰণেই যে সিহঁতে কম জ্ঞানী আৰু এলেহুৱা আৰু নিম্ন পৰ্যায়ৰ বস্তুক যথেষ্ট বুলি ভাৱে। সিহঁত দাগ নলগা ৰঙক এৰি দিয়ে

আৰু দাগ থকা ৰঙক পছন্দ কৰে। ৰ'দ আৰু ছাঁৰ মাজ ভাগত বহে আৰু ইবলিছৰ বৈঠক নেৰে আৰু তাৰ পৰা বিমুখ নহয়। সিহঁতৰ মনৰ ইচ্ছা এয়াই যে দুনিয়াৰ দুৱাৰ মুকলি কৰি দিয়া হওঁক আৰু সিহঁতক এই দুনিয়াৰ পৰাই যেন ফল প্ৰাপ্ত হয়, খুৱাই-বুৱাই আৰু পান কৰাই প্লাৱিত কৰা হয়। সিহঁতে মোক অস্বীকাৰ কৰে কিন্তু নাজানো কোন ক্ষেত্ৰত মোক অস্বীকাৰ কৰে। মই সিহঁতক শপত দিছো যে সিহঁতে সেই কথাক স্পষ্ট কৰক যি কথাক গুপ্ত ৰাখিছে, কিন্তু সিহঁতে একোৱে নকলে আৰু মশ্বকিজে (চামৰাৰে তৈয়াৰী পানীৰ থৈলা)একে শক্তিশালী ফিতাৰ দ্বাৰা বান্ধিছে যে তাৰ পৰা এটোপোলাও পানী যেন বাহিৰলৈ নোলায়। সিহঁতে মছীহৰ অৱতীৰ্ণৰ সময়ক উটৰ নিচিনা ধাৰণা কৰে যাৰ গৰ্ভধাৰণ নষ্ট হৈ গৈছে আৰু পৰৱৰ্তীত যাতে গৰ্ভৱতী নহয়। সিহঁতে চাই আছে যে মছীহ অৱতীৰ্ণ হোৱাৰ গোটেই নিদৰ্শন সমূহ প্ৰকাশ পাইছে তথাপি সিহঁতে সাৰ নাপায়।

সূৰ্য আৰু চন্দ্ৰৰ গ্ৰহণ লগা নাই নে, যি ৰমজান মাহত সংঘটিত হৈছিল ? সিহঁতে দেখা নাপায় নে পৃথিৱীৰ সম্পদ কেনেকৈ প্ৰকাশ পাই আছে ? ৰেল গাড়ীৰ যাতায়ত হৈ আছে আৰু জাহাজে সমুদ্ৰক ফালি আছে আৰু লোক সকলক একগোট কৰি আছে আৰু যুৱক উটবিলাক বাহনৰ পৰা কৰ্মহীন হৈ আছে আৰু যাতায়তৰ বাবে নতুন আৱিষ্কাৰ হৈছে। যিমানেই তেওঁৰ বাবে নিদৰ্শন আছিল সেইবোৰ প্ৰকাশ পাইছে।

মৰহমে ঈছা (ঈছাৰ ক্ষত ঠিক কৰাৰ বাবে মলম), হজৰত ঈছাৰ মৃত্যুৰ এক স্পষ্ট প্ৰমাণ। সিহঁতে এই প্ৰমাণৰ ওপৰত কিয় চিন্তা-ভাৱনা নকৰে আৰু তাৰ পৰা উপকৃত নহয় ? মছীহ মাওউদৰ উদাহৰণ জুলকাৰনায়নৰ নিচিনা। হে দৃষ্টি ৰাখোতা সকল ! তেওঁৰ ফালেই কোৰাণে সংকেত দিছে, যদি তোমালোকে চিন্তা-ভাৱনা কৰা, তেন্তে এই উদাহৰণ তোমালোকৰ বাবে যথেষ্ট। বাস্তৱ এয়া যে মই জুলকাৰনায়নৰ নিচিনা কুশল আৰু কম বয়সৰ, আৰু মোৰ বাবে গোটেই ভূমণ্ডল আৰু তাৰ বাসিন্দাক ঐক্যবদ্ধ কৰি দিয়া

হৈছে। মই এই স্থানতেই অৱস্থান কৰি নিজৰ ভ্ৰমণৰ কাম পূৰ্ণ কৰি লৈছো আৰু ইছলামত হৰমেন শ্বৰীফেন (মক্কা আৰু মদিনা)ৰ বাহিৰে অইন কোনো স্থানৰ ভ্ৰমণ আৰু তাৰ বাবে যাত্ৰা কৰাৰ ইচ্ছা কৰা অনিবাৰ্য্য নহয়। উভয় ব্ৰহ্মাণ্ডৰ প্ৰতিপালকে এই প্ৰকাৰে মোৰ বাবে ভ্ৰমণৰ কাৰণ উৎপন্ন কৰি দিছে আৰু মই এই যাত্ৰাৰ সময়ত দুটা বিপৰীত জাতি পাইছো। এটা জাতি সেইটো আছিল যাৰ ওপৰত সূৰ্য উদয় হৈছে আৰু তাৰ উত্তাপৰ অগ্নিয়ে সিহঁতৰ চেহেৰা কুৎচিত কৰি পেলাইছে আৰু সিহঁতে বিফল আৰু নিৰাশ হৈ উভতিছে। দ্বিতীয় জাতি অত্যন্ত ঠাণ্ডাত আছে আৰু পৰিষ্কাৰ স্ৰোত হেৰাই যোৱাৰ ফলত লেতেৰা পানীৰ স্ৰোতত আছে। এইটো প্ৰথম উদাহৰণ সেই সকলৰ বাবে যিসকলে কয় যে আমি মুছলমান, বৰঞ্চ সিহঁতৰ ইছলামৰ সূৰ্যৰ পৰা একোৱে অংশ লাভ কৰিব পৰা নাই। সিহঁতে নিজৰ শৰীৰৰ উপকাৰ সাধনৰ পৰিৱৰ্তে শৰীৰখনক জ্বলাইছে আৰু কুৎচিত কৰি পেলাইছে। দ্বিতীয় উদাহৰণ সেই সকলৰ যিসকলৰ মাজত তৌহিদৰ সূৰ্যৰ কোনো পোহৰেই অৱশিষ্ট নাই সিহঁতে ঈছাক উপাস্য বনাই লৈছে আৰু জীৱিত খোদাৰ পৰিৱৰ্তে মৃতক উপাস্য বনাই লৈছে অথচ সিহঁতে ভাৱে যে তাৰ প্ৰয়োজন আছে।

এই দুটা উদাহৰণ সেই জাতিৰ যিসকলে নিজকে বহুত বিস্তৃত দলত বিভাজন কৰি লৈছে আৰু সূৰ্যৰ পোহৰে সিহঁতৰ একোৱেই উপকাৰ সাধন কৰিব পৰা নাই। উপকাৰৰ পৰিৱৰ্তে সিহঁতৰ চেহেৰা কুৎচিত কৰি পেলাইছে। যাৰ ফলত সিহঁতৰ বিনাশ ঘটিছে। সেই সকলৰ উদাহৰণ এনেকুৱা যে সিহঁতে সূৰ্যৰ পোহৰৰ পৰা আঁতৰ হৈ পৰিছে আৰু অন্ধকাৰৰ ফালে ওভতি গৈছে। মই হিজৰী, ইছুয়ী আৰু প্ৰত্যেক অতিবাহিত হোৱা কেলেণ্ডাৰৰ ক্ষেত্ৰত দুটা শতাব্দী পাইছো। এই ক্ষেত্ৰত আল্লাহৰ গ্ৰন্থত মোৰ নাম জুলকাৰনায়ন ৰখা হৈছে। ইয়াত চিন্তাশীল লোকৰ বাবে বহু ডাঙৰ নিদৰ্শন আছে।

মই ঠিক এনে সময়ত আগমন কৰিছোঁ যেতিয়া ইয়াজুজ মাজুজক স্বাধীন এৰি দিয়া হৈছিল আৰু সেয়া প্ৰত্যেক ওখ স্থানৰ পৰা আৰু সমুদ্ৰৰ ঢৌৰ পৰা

উফন্দি আহি বিস্তাৰ লাভ কৰি আছিল। মোক প্ৰেৰণ কৰা হৈছে যাতে মই সুস্পষ্ট নিদৰ্শন দেখুৱাব পাৰো আৰু এনেকুৱা দোৱাৰ মাধ্যমে ফিৰিস্তাক আকাশৰ পৰা টানি পৃথিৱীত লৈ আহো, আৰু মুছলমান সকলক সিহঁতৰ চক্ৰান্তৰ পৰা ৰক্ষা কৰো; আৰু মই এক শক্তিশালী সুৰক্ষিত ভৃত্য হওঁ।

বাস্তৱতে প্ৰশংসাৰ যোগ্য কেৱল আল্লাহৰ অস্তিত্বই, যিয়ে নিজৰ ভৃত্যক নিৰ্দিষ্ট সময়ত প্ৰেৰণ কৰিছে আৰু তেওঁক যুগৰ ফাছাদ আৰু অসহায় হোৱা অৱস্থাত আকাশৰ পৰা অৱতীৰ্ণ কৰিছে। তোমালোকৰ মাজৰ কোনোবা আছে নে, যিয়ে সেইজনাৰ ভাগ্য ৰোহিত কৰিব আৰু তাৰ স্তম্ভক পেলাই দিব? আল্লাহৰ অস্তিত্বই সকলোতকৈ বেছি পৱিত্ৰ; তোমালোকৰ কল্পনা সমূহ আৰু অনুমানৰ পৰা অনেক উৰ্দ্ধ।

তোমালোকে মোক অস্বীকাৰ কৰিছা আৰু তোমালোকে কেৱল নিজৰ ওপৰতেই অত্যাচাৰ কৰিছা। মই মোৰ বিষয় সমূহ আল্লাহৰ অধীনস্থ কৰো। তোমালোকক অতি শীঘ্ৰে বাস্তৱ জ্ঞান প্ৰাপ্ত কৰা হ'ব।

আল্লাহৰ সহায়ত এই পুস্তক পূৰ্ণতা লাভ কৰে।

# হজৰত চাহাবজাদা মৌলবী আব্দুল লতিফ চাহাব মৰহুমৰ পৰৱৰ্তী অৱস্থাৰ বৰ্ণনা

মৰহুম হজৰত চাহাবজাদা মৌলবী আব্দুল লতিফ চাহাবৰ বিশেষ শিষ্য মিঞা আহমদ নুৰ চাহাব ১৯০৩ চনৰ ৮ নভেম্বৰ তাৰিখত পৰিয়াল সহ খোচত অঞ্চলৰ পৰা কাদিয়ানত আহি উপস্থিত হয়। তেওঁ বৰ্ণনা কৰে মৰহুম হজৰত আব্দুল লতিফ চাহাবৰ শৱ দেহ একেৰাহে ৪০ দিন পৰ্যন্ত সেই সাং কৰি পেলোৱা শিল গুটিৰ তলত পৰি আছিল। মই মোৰ কেইজন মান বন্ধুক লগত লৈ ৰজনী যোগে অন্ধকাৰৰ মাজত তেওঁৰ সেই মৃতদেহ ওলাই আনি অতি গোপনে চহৰলৈ লৈ আহো। মোৰ সন্দেহ আছিল যে হয়তো অত্যাচাৰী আমীৰ তেওঁৰ কৰ্মচাৰী সহ দলে বলে বাধা দিব। কিন্তু কৰুণাময় আল্লাহৰ কি অসীম কৃপা যে চহৰখনত কলেৰা ৰোগৰ এনেকুৱা প্ৰাদুৰ্ভাৱ হ'ল যাৰ বাবে প্ৰত্যেকেই নিজৰ নিজৰ আশঙ্কাত ব্যস্ত আছিল। গতিকে আমি অতি সহজেই মৰহুম মৌলবী চাহাবৰ মৃতদেহখন কবৰ স্থানত নি জানাজা নমাজ পঢ়ি সমাধিস্থ কৰিছিলোঁ। এক বিস্ময়কৰ ঘটনা আছিল যে যেতিয়া মৰহুম মৌলবী চাহাবৰ মৃতদেহ শিলাস্তুপৰ পৰা বাহিৰ কৰা হয়, তেতিয়া তেওঁৰ দেহৰ পৰা কস্তুৰীৰ নিচিনা সুগন্ধ নিৰ্গত হৈছিল। ইয়াৰ ফলত মানুহে বৰ প্ৰভান্বিত হৈছিল।

উক্ত ঘটনা সংঘটিত হোৱাৰ কালে কাবুলৰ আলিমসকলে অত্যাচাৰী আমীৰৰ আদেশক্ৰমে হজৰত চাহাবজাদা মৌলবী আব্দুল লতিফ চাহাবৰ সৈতে বিতৰ্কৰ বাবে সমৱেত হৈছিল। মৌলবী চাহাবে সিহঁতক কলে তোমালোকৰ দুজন খোদা আছে। কাৰণ তোমালোকে আমীৰক এনেকুৱা ভয় কৰা যেনেকৈ খোদা তা'লাক ভয় কৰা উচিত। কিন্তু মোৰ খোদা মাত্ৰ এজন। এই কাৰণে মই তোমালোকৰ আমীৰক ভয় নকৰো। আনহাতে গ্ৰেপ্তাৰৰ পূৰ্বে যেতিয়া তেওঁ নিজ গৃহত আছিল আৰু এই বিষয়ে একো নাজানিছিল, তেতিয়া তেওঁ নিজ হাত দুখনক সম্বোধন কৰি কৈছিল, হে মোৰ হস্ত যুগল !

তুমি তাত হাত কড়া সহ্য কৰিব পাৰিবা নে? তেতিয়া তেওঁৰ গৃহৰ লোকে তেওঁক সুধিলে, আছৰৰ নামাজৰ পিছত তোমালোকে নিশ্চয় জানিব পাৰিবা বিষয়টো কি?

আছৰৰ নামাজৰ পিছত হাকিমৰ চিপাহীসকলে আহি তেওঁক গ্ৰেপ্তাৰ কৰিলে। তেওঁৰ গৃহৰ লোকসকলৰ উদ্দেশ্যে উপদেশ দি কলে, মই যাওঁ কিন্তু চাবা যাতে এনেকুৱা নহয় যে তোমালোকে আন কোনো পথ অৱলম্বন কৰা। যি বিশ্বাসৰ ওপৰত মই প্ৰতিষ্ঠিত আছো তোমালোকৰ ঈমান আৰু আকিদা একেই হোৱা উচিত। আকৌ ৰাস্তাৰে যোৱাৰ সময়ত তেওঁ কলে মইয়েই গণ সমাৰেশৰ প্ৰধান ব্যক্তি। বিতৰ্কৰ সময় আলিম সকলে তেওঁক সুধিলে, তুমি সেই কাদিয়ানী ব্যক্তিৰ সম্পৰ্কে কি কোৱা যিয়ে প্ৰতিশ্ৰুত মছীহ হোৱাৰ দাবী উত্থাপন কৰিছে? তেতিয়া হজৰত মৌলবী চাহাবে উত্তৰ দিলে, মই সেই ব্যক্তিক দৰ্শন কৰিছোঁ; আৰু তেওঁৰ বিষয়ে বহু চিন্তা কৰিছোঁ। তেওঁৰ দৰে ব্যক্তি পৃথিৱীত আন কোনেও নাই। নিঃসন্দেহ তেওঁ প্ৰতিশ্ৰুত মছীহ আৰু মৃত দেহ জীৱিত কৰিছে। মৌলবী সকলে চিঞৰি-চিঞৰি কলে তেওঁ কাফিৰ আৰু তুমিও কাফিৰ। আনকি তেওঁক আমীৰৰ ফালৰ তৌবাৰ পৰিৱৰ্তে হত্যাৰ ভাবুকি দিয়া হ'ল। ফলত তেওঁ বুজিব পাৰিলে যে তেওঁ নিশ্চয় মৰিব তেতিয়া তেওঁ নিম্নোক্ত আয়াতটো পাঠ কৰে,

رَبَّنَا لَا تُزِغْ قُلُوْبَنَا بَعْدَ اِذْ هَدَيْتَنَا وَهَبْ لَنَا مِنْ
لَّدُنْكَ رَحْمَةً ۚ اِنَّكَ اَنْتَ الْوَهَّابُ ۝ (3:9)

অনুবাদ ঃ হে আমাৰ প্ৰভু! তুমি আমাক হিদায়ৎ প্ৰদৰ্শন কৰাৰ পাছত আমাৰ হৃদয়ক বক্ৰ নকৰিবা; আৰু তুমি আমাক যি হিদায়ৎ প্ৰদান কৰিছা তাৰ পদস্খলনৰ পৰা হিফাজত (ৰক্ষা) কৰা; তুমিয়েই মহান দাতা (শ্ৰেষ্ঠ দানশীল)

ইয়াৰ পাছত তেওঁ এই আয়াত পাঠ কৰে,

اَنْتَ وَلِيّٖ فِي الدُّنْيَا وَالْاٰخِرَةِ ۚ تَوَفَّنِيْ مُسْلِمًا

وَّ اَلۡحِقۡنِیۡ بِالصّٰلِحِیۡنَ ﴿۱۰۲﴾ (12:102)

অনুবাদ ঃ ইহলোক আৰু পৰলোকত তুমিয়েই মোৰ ৰক্ষক (অভিভাৱক), মোক ইছলামত থকা অৱস্থাত মৃত্যু দিবা আৰু ধৰ্ম পৰায়ণ সকলৰ অন্তৰ্ভুক্ত কৰিবা।

ইয়াৰ পাছত পাথৰ নিক্ষেপ কৰা হ'ল আৰু মৰহুম হজৰত মৌলবী আব্দুল লতিফ চাহাবক শ্বহীদ কৰা হ'ল। ইন্না লিল্লাহি ওৱা ইন্না ইলায়হি ৰাজিউন। ৰাতিপুৱাৰ লগে লগে কাবুলত কলেৰা ৰোগৰ প্ৰাদুৰ্ভাৱ হ'ল। আমীৰ হাবিবুল্লাহ খানৰ ভাতৃ নচৰুল্লাহ খান যিজন এই নাৰকীয় হত্যাকাণ্ডৰ খল নায়ক আছিল তেওঁৰ ঘৰত কলেৰা দেখা দিলে আৰু তেওঁৰ পত্নী লগতে সন্তান মৰিল। এইদৰে প্ৰতিদিনে প্ৰায় ৪০০ জনকৈ লোক মৰিব ধৰিলে। শ্বাহাদতৰ ৰাত্ৰি আকাশখন ৰঙা হৈছিল। শ্বহীদৰ পূৰ্বে মৰহুম মৌলবী চাহাবে কৈছিল, মোৰ ওপৰত বাৰে বাৰে ইলহাম অৱতীৰ্ণ হৈ আছে সেয়া হ'ল,

اِذۡهَبۡ اِلٰی فِرۡعَوۡنَ اِنِّیۡ مَعَكَ أَسۡمَعُ وَ اَرٰی وَ أَنۡتَ مُحَمَّدٌ

معنبر معطّر

অৰ্থ ঃ তুমি ফিৰাউনৰ ওচৰত গমন কৰা, নিশ্চয় মই তোমাৰ লগত আছো। মই শ্ৰৱণ কৰো আৰু দৰ্শন কৰো। তুমি অতি প্ৰশংসিত তোমাক কস্তুৰীৰ দ্বাৰা সুৰভিত কৰা হৈছে। (অনুবাদক)

তেওঁ আৰু কলে, মোৰ ওপৰত ইলহাম হয় যে আকাশত হৈ-চৈ আৰম্ভ হৈছে আৰু ধৰণী সেই ব্যক্তিৰ নিচিনা কঁপিবলৈ আৰম্ভ কৰিছে যিজন কম্পন জ্বৰত আক্ৰান্ত হৈছে। ধৰিত্ৰী বাসীয়ে তাক নাজানে। এই ঘটনা সংঘটিত হ'ব বুলি তেওঁ আকৌ কলে, মোৰ ওচৰত ইলহাম হৈছে যে এই বাটত নিজৰ শিৰ দি দিয়া আৰু ভ্ৰূক্ষেপ নকৰিবা। তোমাৰ খোদা কাবুলৰ ভূ-খণ্ডৰ কল্যাণৰ পক্ষে ইয়াকে বিচাৰিছে।

মিঞা আহমদ নুৰ চাহাব আৰু কলে, মৰহুম মৌলবী চাহাব এক মাহ

পোন্ধৰ দিন পৰ্যন্ত জেল খানাত আছিল। কিন্তু পূৰ্বে মই লিখিছিলো যে তেওঁ চাৰি মাহ জেলত আছিল। ই বৰ্ণনাৰ মতভেদ। প্ৰকৃত ঘটনা সম্পৰ্কে সকলোৱে একমত।